# Takam Mising Mimé Kébang




Mising Réngam Írroi www.takammisingmimekebang.org

# Takam Mising Mimé Kébang



EDITORIAL BOARD

Dr. Ronuj Pegu
Advisor

Pramananda Chayengia
Advisor

Bhubon Pegu
Advisor

Raju Medok
Advisor

Raj Kr. Morang
Advisor

Noresh Kumbang
Advisor

Tilok Doley
Advisor

Nondita Pegu
Advisor

Usharani Kumbang
Advisor

Bisitra Doley
Advisor

Padmiti Mili
Advisor

Geetanjali Bori Patir
Editor

Indira Chintey Kumbang
Member

Puspanjali Narah
Member

Mamata Doley
Member

Binita Charoh
Member


Mising Réngam Írroi www.takammisingmimekebang.org

# MUKSIRI

A Mouthpiece of

**TAKAM MISING MIMÉ KÉBANG (TMMK)**

(All Mising Women's Front)

10$^{th}$ Biennial General Conference and 31$^{st}$ Foundation Day

Date : 8$^{th}$, 9$^{th}$ & 10$^{th}$ January, 2022

Lekheraj Janajati High School Playground

Bormukoli, Jorhat (Assam)

**Mm. Geetanjali Bori Patir**
Editor, MUKSIRI

**MUKSIRI :** A mouthpiece of the Takam Mising Mimé Kébang (TMMK) Central Committee. Edited by Mrs. Geetanjali Bori Patir (Editor) of MUKSIRI and Published by TMMK on the auspicious occasion of 10th General Conference and 31st Foundation day held on 8th, 9th and 10th January, 2022 at Jorhat Bormukoli, Lekheraj Janajati High School, Jorhat Assam.

***Copy Right :*** Takam Mising Mimé Kébang

***Advisor***

Dr. Ronuj Pegu, Mg. Paramananda Chayengia, Mg Bhuban Pegu, Mg. Raju Medok, Mg. Raj Kr. Morang, Mg. Noresh Kumbang, Mg. Tilok Doley, Mm. Nondita Pegu, Mm. Usharani Kumbang, Mm. Bisitra Doley, Mm. Padmiti Mili.

***Editor***

Mm. Geetanjali Bori Patir

***Members***

Mm. Indira Chentey Kumbang, Mm. Puspanjali Narah, Mm. Mamata Doley, Mm. Binita Charoh

***Rs.*** 100/- (One hundred) only

***Layout***

Sri Jintu Saikia

***Printed at :***

**BRAHMAPUTRA OFFSET**

MG Road, Jonai Bazar, Jonai, Dist.-Dehamji (Assam)

Cont No. : 6000199551, 97076784748

# TOSAG

*Lo:yid Nom Kumgésudung.*




***Mising Réngamké Pu:po-jarponam léga:pé mimagém mola Mimag lamtélo Uyu amo:pé gíkuné lo:yid dokké Réngam léga:pé mimag asin géné takamlo:pé sé "MUKSIRI" sém tolígdung.***

Paramananda Chayengiya
Chief Executive Member.

Mising Autonomous Council
Gogamukh :: Dhemaji :: Assam
Ph: 91-68389 58329
91-8812030557
paramanandachayengia@gmail.com

Kébang Abu.
**MISING BA:NÉ KÉBANG**
Gogamukh, Dhemaji.

---



# ASÉNG AGOM

Lo:pé,
**Nébíng MUKSIRI,**
Méngésunama,

Takam Mising Mimé Kéba:lok íyingné mirum Kéba:dé 8,9 élang 10 januari longkído Bahphola, Bormukoliolo ba:namdém mé:pa:yartímonam légapé 'MUKSIRI' émla mépa potiko ASÉNG AGOMko atdaksom agom ba:nyiko atmílo aré kayepé émla ménkídung.

1. Su:pakgom abayangko missing mising míbír-ya:me réngamsém mosisunam léga:pé boudhikpé ménkí- Lensi ma:da. Si:sadokké mé:mur-mé:yar, mé:yod-mémad momapé mising ommang kídídém ménkí-Lensimonam légapé takam mising mime kébangé tarungko ru:sunamdé ayirsok lupangé émla mé:ríksupa:yé. Anédepak tani akolok kérang alumyapakné poyirn.é

2. Réngam akolok gélod-bomlod, dolod-tí:lod, dirbí-di:lab takamdé ané peyépaké turyar monamdé se;komsin lukanbipénam kamang.

Taléngké appídé dirbí ara:lo a:dak. Sém ijo-ilabla methodologically igabbonam légapé TMMKlokke tarungmé la:sepenamko kadung émla mé:do. Ngo lo:dísém nolum dagdum-ka:dumsuyé.

Sa a:ipé. Débong.
Gogamukh: 29 Disembor,21.

Nok mé:jubné,

(POROMANONDO SAYENGIYA)

Mising Réngam Írroi!

OFFICE OF THE

# MISING BA:NÉ KÉBANG (MBK)

DHEMAJI :: MAC :: ASSAM

ESTD. 1924

President
*Mg. Paramanada Chayengiya*
*(M) - 86389 58329*

General Secretary
*Mg. Raju Medok*
*(M) - 94357 11799*



## ASÉNG SÉ:LÍG

Mising Ba:né Kébangké asin aséngém TMMK lo:pé sé:lígdung. A:péné Ing. 8, 9 éla: 10 Bí:síng 2022 do Takam Mising Mimé Kébangké 10 né Mirum Kébang éla: 31né Ba:lén longédém Jorhat Mo:dumlok Bormukoli Lekheraj Jonojati High Iskul lottalo loum ager tarungki ír-pongkírpé kébangko ba:nam agomém tatpa:la airu:pé mé:podung. Édé Mirum kéba:do Takam Mising Mimé Kébangké igurki **"MUKSIRI"** émnam lusar potin kosin la:lennyé émna kínna:dung. Édé lusar potindé Mising Réngamsok du:lod-daglod, Mimag tarung léga:pé gerbomnam aré kané adnamém odokké Dírbí, Yelam, Agomém Unjar boyé émna mé:lígdung.

Édé **"MUKSIRI"** lusar potin dé yampo ro:pé turyar ka:langka émna Do:nyi-Po:lo Ru:né píné kolo:pé kumlígdung.

Ruwad Do:lung, Jonai
Longkí : 28 Dec. 2021

Sa Aipé

(Raju Medok)
Kéba: Nébíng MBK

*MISING RÉNGAM ÍRROI !*
*OFFICE OF THE CENTRAL COMMITTEE*
**TAKAM MISING PORIN KÉBANG (TMPK)**
**(ALL MISING STUDENTS' UNION)**
H.O. : Gogamukh, PIN : 787034, Dhemaji (Assam)
*Website:www.tmpk.org*
*E-mail: tmpkcentralcommittee15@gmail.com*

*President:*
*Mg. Raj Kr. Morang*
*Ph. :+916000784385*

*General Secretary*
*Mg. Tilak Doley*
*Tilakdoley36@gmail.com*
*Ph. :+918638028626*



# শুভেচ্ছাবাণী

প্ৰতি,

প্ৰিয় সম্পাদক ও সম্পাদনা সমিতি
MUKSIRI, স্মৃতিগ্ৰন্থ
টাকাম মিচিং মিমে কেবাং (TMMK)

বৈপ্লৱিক সম্ভাষণ জ্ঞাপন কৰিছোঁ। বৃহত্তৰ অসমৰ দ্বিতীয় সৰ্ববৃহৎ অন্যতম জনজাতি জনগোষ্ঠী মিচিংসকলৰ একমাত্ৰ নাৰী সন্থা তথা টাকাম মিচিং পৰিণ কৌবাং (TMPK)ৰ ভগ্নী সংগঠন টাকাম মিচিং মিমী কৌবাং (TMMK) ৰ ৩১তম প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি নাৰী সংগঠনটিৰ দশম দ্বি-বাৰ্ষিক সাধাৰণ অধিৱেশনখনি অহা ৮, ৯ আৰু ১০ জানুৱাৰী২০২২ তাৰিখে যোৰহাট বৰমুকলি লেখেৰাছ জনজাতি হাইস্কুল প্ৰাঙ্গনত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলোৱাৰ লগতে ***MUKSIRI*** নামৰ স্মৃতিগ্ৰন্থখনিও প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি অতিশয় আনন্দিত হ'লো।

নাৰী হৈছে এই মায়াবী সংসাৰৰ সৃষ্টি কৰ্তা। নাৰীৰ অবিহনে আমি মানৱ সমাজৰ কল্পনাও কৰিব নোৱাৰোঁ। নাৰীয়ে মাতৃ, নাৰীয়ে ধৰিত্ৰী! যাৰ দুগ্ধপান কৰি এই সেউজী পৃথিৱীৰ সৌন্দৰ্য্য উপভোগ কৰাৰ সৌভাগ্য হওঁ। এখন পৰিবাৰ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত নাৰীৰ অৰিহণা অপৰিসীম। এটা পৰিয়ালৰ বংশ ৰক্ষা ক্ষেত্ৰত নাৰীৰ অবিহনে অসম্ভৱ। তৎস্বত্বেও আজি নাৰী শোষিত-নিষ্পেক্ষিত, উপেক্ষিত। সমাজত দ্ৰুত গতিত সংঘটিত ধৰ্ষণ, অপহৰণৰ দৰে ঘটনাই নাৰী সমাজক বাৰুকৈয়ে কোঙা কৰি পেলাইছে। কিছুমান পুৰুষে নাৰীক কেৱল পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰা দেখা যায়। নাৰীৰ দুৰ্বলতাৰ সুযোগ লৈ পুৰুষ সমাজৰ এটা চামে নাৰী জাতিক দেহ ব্যৱসায়ৰ দৰে নিকৃষ্ট ব্যৱসায়ত লিপ্ত কৰা পৰিলক্ষিত হয়।

সমাজৰ এনে নিকৃষ্ট মানসিকতাৰ পৰিবৰ্তন ঘটাবলৈ হ'লে নাৰী জাতিও সবল ৰূপত থিয় হ'ব লাগিব। আজিৰ তাৰিখত নাৰী জাতিও পুৰুষতকৈ কোনো গুণে কম নহয়। আজি ক্ৰীড়া ক্ষেত্ৰত হওক বা শিক্ষা

ক্ষেত্ৰতে হওক। নাৰী উচ্চ স্থানত আগবাঢ়ি গৈছে। সদ্য সমাপ্ত অলিম্পিক খেলত ব্ৰঞ্জ পদক বিজয়ী অসমৰ সু-কন্যা লাভলীনা বৰগোহাঁইয়ে সমগ্ৰ বিশ্বত অসমৰ নাম এক উজ্জ্বল নক্ষত্ৰ হৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। মণিপুৰৰ সু কন্যা লগতে এগৰাকী পত্নী তথা এগৰাকী দায়িত্বশীল মাতৃ মেৰী কমে সমগ্ৰ বিশ্বত এগৰাকী সফল মহিলা বক্সাৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

নাৰীৰ সবলীকৰণৰ বাবে আমি ঐক্যবদ্ধভাৱে কাম কৰি যাব লাগিব, নতুন নতুন পৰিকল্পনা সৃষ্টি কৰিব লাগিব। আমাৰ সমাজতো আজি নাৰী জাতিটো পিছ পৰি থকা নাই। মাজুলী জিলাৰ জেভলীন থ্ৰ' প্লেয়াৰ ৰুণজুন পেগুৱে আজি ক্ৰীড়া জগতত নিজৰ নামৰ লগতে মিচিং জাতিটোৰ নাম উজ্জ্বলাবলৈ প্ৰয়াস কৰিছে, বিভিন্ন ভাষাৰে কবিতা লিখি গোগামুখৰ সু কন্যা সৃষ্টিৰাণী টাইদে গীনিজ বুক ৰেকৰ্ড কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। আনহাতে হস্ততাঁত, বোৱা-কটাৰ বিভিন্ন শৈলীৰে মিচিং মহিলাই বিশ্ব দৰবাৰত এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। মিচিং শিপিনীসকলৰ তাঁত বোৱাৰ নিপুণতা যেন জন্মস্বত্ব গুণ ! আজি মিচিং স্বায়ত্তশাসিত পৰিষদৰ যোগেদি গুৱাহাটী মহানগৰৰ উপৰি অসমৰ বিভিন্ন প্ৰান্তত Mising Handloom Expo আয়োজন কৰি মিচিং মহিলাসকলক আত্মনিৰ্ভৰশীলতাৰ দিশত এক নতুন মাত্ৰা প্ৰদান কৰিছে। মেখেলা চাদৰ বিক্ৰী কৰি বছৰী লাখ টকাৰ ব্যৱসায় কৰি নিজৰ ঘৰ সংসাৰ চলাবলৈ সক্ষম হৈছে। এয়াই নাৰীৰ শক্তি, নাৰী জাতিৰ ধৈৰ্য, একাগ্ৰতা, অধ্যৱসায়ৰ পৰিচয়।

নাৰী অবিহনে এখন সমাজ অসম্পূৰ্ণ। ঠিক সেইদৰে এটা পূৰ্ণাঙ্গ জাতি গঠন প্ৰক্ৰিয়াত নাৰীৰ অবিহনে অসম্ভৱ। সেইবাবেই মিচিং জনগোষ্ঠীৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো দিশতে জাতিটোক আগবঢ়াই নিয়াৰ স্বাৰ্থত একমাত্ৰ ছাত্ৰ সংগঠন টাকাম মিচিং পৰিণ কেবাঙৰ উপৰিও এখন নাৰী সংগঠনৰ প্ৰয়োজনীয়তা অপৰিহাৰ্য। মিচিং জাতিটোৰ উন্নয়নৰ ক্ষেত্ৰত ১৯৯০ চনৰ ১০ জানুৱাৰী তাৰিখে গঠিত টাকাম মিচিং মিমৌ কৌবাং (TMMK)ৰ অৰিহণা অপৰিসীম। নাৰী সংগঠনটোৰ আজি ৩১ বছৰীয়া প্ৰতিষ্ঠা কালত হৃদয়ৰ অন্তঃকৰণেৰে অভিনন্দন জনাইছোঁ আৰু দশম দ্বি-বাৰ্ষিক সাধাৰণ অধিৱেশনখনৰ সফল ৰূপায়ণৰ পূৰ্ণ শুভকামনা জনালোঁ।

সদৌ শেষত ***MUKSIRI*** নামৰ আলোচনীখনিত সন্নিবিষ্ট হোৱা প্ৰত্যেকটো লিখনীয়ে জাতীয় সংগ্ৰামত অৰিহণা যোগাব বুলি আশা ৰাখিলোঁ।

ধন্যবাদেৰে—



**মিগাং ৰাজকুমাৰ মৰাং**

সভাপতি, টি এম পি কে।

*MISING RÉNGAM ÍRROI !*
*OFFICE OF THE CENTRAL COMMITTEE*
**TAKAM MISING PORIN KÉBANG (TMPK)**
**(ALL MISING STUDENTS' UNION)**
**H.O. : Gogamukh, PIN : 787034, Dhemaji (Assam)**

*President:*
*Mg. Raj Kr. Morang*
*Ph. :+916000784385*

*Website:www.tmpk.org*
*E-mail: tmpkcentralcommittee15@gmail.com*

*General Secretary*
*Mg. Tilak Doley*
*Tilakdoley36@gmail.com*
*Ph. :+918638028626*



# MESSAGE

To,

The Editor, MUKSIRI,
Mouthpiece of the Takam Mising Mimé Kébang (TMMK)

Dear Editor,

Revolutionary greetings! I am glad to know that the Takam Mising Mimé Kébang's Editorial Board is going to publish a souvenir "MUKSIRI" the Mouthpiece of TMMK to remark the 10th TMMK General Conference. The TMMK is only a Womens' organization of the Mising community established on 10th January, 1990.

I firmly believed that the souvenir will showcase the prevailing burning problems of this rapidly changing world to bring remedies in all aspects to build a progressive and democratic society for the welfare and prosperity of all.

I, on behalf of TMPK extend my sincere best wishes for making the 10th TMMK General Conference successful which is scheduled to be held on 8th, 9th & 10th January, 2022 at Lakhraj Janajati High School premises, Bormukholi, Jorhat.

Thank you.

TMMK Írroi!
TMPK Írroi!
Mising Réngam Írroi!

**(Tilak Doley )**
General Secretary, TMPK

Mising Réngam Írroi!

# MISING MIMAG KÉBANG (MMK)

**CENTRAL COMMITTEE**

H.O. : Jonai, Dhemaji (Assam)

**Sunil Kumar Pegu**
President
Ph. 8099822856

**Biju Kumar Pegu**
General Secretary
Ph. 8136040942

*Ref. No.* .............

*Date :* ......................................



## MESSAGE

To,

The Editor Muksiri
Mouthpiece of Takam Mising Mimé kébang
Gogamukh,Dhemaji, Assam

I am extremely glad that the 10th general conference and 31st foundation day of Takam Mising Mimé Kébang (TMMK) is being held on 8th ,9th and 10th January at Lekheraj janajati high school, Bormukoli Jorhat (Assam) .The contribution of TMMK to uplift the Mising community is really commendable and deserves salutation.

I extend my best wishes for the 10th General Conference and 31st foundation day grand success and also the Editorial board of "MUKSIRI" where all the history of struggle of TMMK will be documented and also will give a vision hope to move ahead for the days to come.

**Mising Réngam Írroi** !!

With Best Wishes

**Mg. Sunil Kumar Pegu**
President
Mising Mimag Kébang (MMK)

**BHUBAN PEGU**
MLA, Assam
114, Jonai (ST) LAC

सत्यमेव जयते

Cont. 94350-89703 (M)
Qr. B3, Old MLA Hostel
Dispur, Guwahati-781006, Assam
Home : Society Village, Silapathar,
Dhemaji

Date .**27-12-2021**



# শুভেচ্ছাবাণী

প্ৰতি,

সম্পাদক

MUKSIRI, স্মৃতিগ্ৰন্থ।

প্ৰিয় সম্পাদক,

আন্তৰিক শুভ কামনা গ্ৰহণ কৰিব। জানিবলৈ পাই সুখী হৈছোঁ যে, TAKAM MISING MIMÉ KÉBANG (TMMK) ৰ কেন্দ্ৰীয় সমিতিৰ অধিৱেশনখনি অহা ৮, ৯ আৰু ১০ জানুৱাৰী, ২০২২ তাৰিখে যোৰহাট বৰমুকলি লেখেৰাজ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত উদ্‌যাপন কৰিবলৈ লোৱা বুলি জানি নথৈ আনন্দিত হৈছো।

এই উদ্‌যাপনৰ লগত সংগতি ৰাখি উদ্‌যাপন সমিতিয়ে স্মৃতিগ্ৰন্থ "MUKSIRI" প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি নথৈ মই সুখী হৈছো। আমি আশাবাদী যে, প্ৰকাশ পথত থকা স্মৃতিগ্ৰন্থখনিয়ে মিচিং জনগোষ্ঠীৰ কৃষ্টি- সংস্কৃতি, আৰ্থ-সামাজিক আৰু সাংগঠনিক দিশটো দাঙি ধৰিব আৰু উদীয়মান কবি সাহিত্যিকৰ সাহিত্য প্ৰতিভাৰ এটি মাধ্যম পৰিগণিত হ'ব।

এই অধিৱেশনৰ লগত জড়িত প্ৰতিজন ব্যক্তি লৈ মই মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সম্পাদনা সমিতিৰ শলাগ লৈছোঁ। অধিৱেশনটিৰ সফল পৰিসমাপ্তি অন্তৰেৰে কামনা কৰিলো।

ধন্যবাদেৰে—

(ভূবন পেগু)

বিধায়ক, ১১৪ নং জোনাই বিধান সভা সমষ্টি।

**Ashok Kr. Barman**, IAS
DEPUTY COMMISSIONER
JORHAT DISTRICT (ASSAM)

सत्यमेव जयते

OFFICE OF THE DEPUTY COMMISSIONER
Jorhat District, Assam (India)
Tel. : 0376-2320020(O), 2320073 (R)
Fax : 2320073(O), 2309521 (R)
Mobile : 9864052163
E-mail : dc-jorhat@nic.in

## শুভেচ্ছাবাণী

মিচিং জনগোষ্ঠীৰ একমাত্ৰ নাৰী সংগঠন 'টাকাম মিচিং মিমী কৌবাঙ'ৰ ১০ তম সাধাৰণ অধিৱেশন আৰু ৩১ তম প্ৰতিষ্ঠা দিৱসটি ৮, ৯ আৰু ১০ জানুৱাৰী, ২০২২ তাৰিখে যোৰহাট জিলাৰ অন্তৰ্গত বৰমুকলিৰ লাখেৰাজ হাইস্কুলৰ প্ৰাঙ্গনত তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই আনন্দিত হৈছে।

বিভিন্ন জাতি জনগোষ্ঠীৰে গঠন হোৱা বৃহৎ অসমীয়া জাতি গঠনত মিচিং জনগোষ্ঠীয় লোক সকলৰ অনবদ্য অৱদান আছে । মিচিং জনগোষ্ঠীয় লোক সকল নিজস্ব কৃষ্টি সংস্কৃতিৰে মহিমামণ্ডিত । এই জনগোষ্ঠীটোৰ একমাত্ৰ নাৰী সংগঠন 'টাকাম মিচিং মিমী কৌবাঙ' এ ইতিমধ্যে সফলতাৰে তিনিটা দশক অতিক্ৰম কৰিছে । জনগোষ্ঠীটোৰ উত্তৰণত এই নাৰী সংগঠনটিয়ে যি সেৱা আগবঢ়াই আহিছে সেয়া সঁচাই প্ৰশংসনীয় । মই সংগঠনটিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে জাতিটো আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অধিক মনোনিৱেশ কৰিব বুলি আশা কৰিলো ।

মই অনুষ্ঠানটিৰ কেউদিনৰ কাৰ্যসূচীৰ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে এই উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থ 'Muksiri' এ পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা ৰাখিলো ।

*দিনাংক : যোৰহাট, ১৮ ডিচেম্বৰ ২০২১*

অশোক কুমাৰ বৰ্মন
উপায়ুক্ত, যোৰহাট জিলা ।

# MISING DÍRBÍ KÉBANG

**(Mising Cultural Association,) Assam**
Estd. 1980, Head Office : Dhemaji
Govt. Regd. No. : 499/1986-87
Admn. Office : Abotani Lotta, Gogamukh
Dhemaji, PIN - 787034

PRESIDENT
**Aswini Kr. Doley**
8638229924

GENERAL SECRETARY
**Prasanta Kr. Bori**
7002479248


Ref.No. : MDK/2021/Message/03

Date : 28-12-2021



## শুভেচ্ছা বাণী

মিচিং জনগোষ্ঠীৰ একমাত্ৰ নাৰী সংগঠন 'টাকাম মিচিং মিৰ্মী কাঁবাঙৰ ১০তম কেন্দ্ৰীয় সাধাৰণ অধিৱেশন অহা ইং ৮, ৯ আৰু ১০ জানুৱাৰী, ২০২২ তাৰিখে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে যোৰহাট জিলাৰ ৰৰমুকলিৰ লাখেৰাজ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত অনুষ্ঠিত কৰা হ'ব বুলি জানিবলৈ পাই নথৈ সুখী হৈছো।

উক্ত অধিৱেশনৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ 'Muksiri" প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই অতিকৈ আনন্দিত হৈছো। আশা ৰাখিছো বিভিন্ন লেখক-লেখিকাৰ লেখনিৰ লগতে সংগঠনৰ সামগ্ৰীক প্ৰতিবেদনসমূহেৰে এখনি নাৰী সংগঠনৰ সামাজিক, ৰাজনৈতিক, বৌদ্ধিক সংগ্ৰামৰ ছবি সমাজৰ আগত তুলি ধৰিব বুলি মোৰ বিশ্বাস।

শেষত অধিৱেশনৰ সফল কামনা কৰাৰ লগতে স্মৃতিগ্ৰন্থখনিৰ প্ৰকাশৰ লগত জড়িত সকলোলৈকে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জনাইছো।

(প্ৰশান্ত কুমাৰ বড়ি)

সাধাৰণ সম্পাদক

**Mising Dírbí Kébang**



# সম্পাদিকাৰ একলম.....

ইংৰাজী নৱবৰ্ষৰ শুভেচ্ছাৰে সংগ্ৰামী সতীৰ্থলৈ টি এম এম কে কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে জাতিৰ হকে শ্বহীদ হোৱা বীৰ শ্বহীদলৈ প্ৰণাম যাচিছোঁ। টি এম এম কেৰ ৩১ বছৰীয়া সংগ্ৰামত বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে জাতিক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা অক্লান্ত পৰিশ্ৰমী আৰু কষ্টসহিষ্ণু সতীৰ্থবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সমাজৰ উত্তৰণৰ হকে নাৰী শক্তিৰ বিশেষ প্ৰয়োজন। ভিন্ন উৎসৰ পৰা চালে দেখা যায় যে, নাৰী শক্তিক বহুলাংশই শ্ৰদ্ধা আৰু মৰ্য্যদাক আগস্থান দিয়াতহে জাতি একোটা সৱল, সুঠাম ৰূপত গঢ়ি উঠিব পাৰিছে। একেটা উদ্দেশ্য আগত ৰাখি ১৯৯০ চনৰ ৯ আৰু ১০ জানুৱাৰীত গোগামুখত 'টাকাম মিচিং মিমী কৌবাং'ৰ জন্ম হৈছিল। জন্মলগ্নৰে পৰা 'টাকাম মিচিং মিমী কৌবাঙে মিচিং জাতিৰ উত্তৰণৰ হকে মিচিঙৰ অন্যান্য ভ্ৰাতৃ সংগঠনবোৰৰ লগত সংঘৱদ্ধভাৱে সৱল নেতৃত্ব বহন কৰি আহিছে। সৃষ্টিৰে পৰা অন্য সমাজতকৈ মিচিং নাৰী যথেষ্ট কষ্টসহিষ্ণু, স্বাৱলম্বী আৰু স্বাধীন। তথাপিও প্ৰযুক্তিবিদ্যাৰ যুগতো নাৰীৰ প্ৰতি থকা বিকৰ্ষণ, নিৰাপত্তাহীনতা, আৰ্থিক, সামাজিক, ৰাজনৈতিক আৰু বিচাৰ বিশ্লেষণাত্মক সৱল শক্তিৰ আহৰণৰ অৰ্থে মহিলা সংগঠনবোৰৰ প্ৰয়োজন আহি পৰিছে। সমাজৰ কেইগৰাকীমান নাৰী অৰ্থাৎ অগ্ৰণী স্থান দখল কৰিব পাৰিলেই সাধাৰণ নাৰীসমাজ উন্নতি হৈছে বুলি ক'ব পৰা নাযায়। অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, শৈক্ষিক, ক্ৰীড়া আৰু বৌদ্ধিকভাৱে বিকাশ

হ'লেহে এখন সমাজ উন্নতি হৈছে বুলি ক'ব পাৰি। এনে এক সন্ধিক্ষণত 'টাকাম মিচিং মিমী কৌবাঙত কৰণীয়া অপৰিসীম। বিশেষকৈ অৰ্থনৈতিক স্বাৱলম্বীতাৰ ক্ষেত্ৰত আমাৰ মহিলাসকলক শিক্ষিত ৰূপে গঢ়ি তুলিব লাগিব। আমাৰ 'গেজিগ গেৰ', এন জি অ'ৰ জৰিয়তে হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ আলোড়ন সৃষ্টি কৰি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সকলোৱে আগবাঢ়ি আহিব পাৰে।

টাকাম মিচিং মিমী কৌবাঙৰ ৩১ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু ১০ সংখ্যক সাধাৰণ অধিৱেশনৰ লগত সংগতি ৰাখি মুখপত্ৰ 'মুকচিৰি'খনি প্ৰকাশ কৰিবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ। আশা কৰোঁ 'মুকচিৰি'ত প্ৰকাশিত লেখনিসমূহে মিচিং জাতিৰ উত্তৰণৰ ক্ষেত্ৰত ৰাইজৰ মাজত চিন্তাৰ উৎস সৃষ্টি কৰিব আৰু ই এক অনবদ্য দলিল হিচাপে চিহ্নিত হৈ ৰ'ব। এই মুখপত্ৰখনি প্ৰকাশৰ বাবে যিসকল গুণী-জ্ঞানী আৰু নবীন-প্ৰবীন লেখক-লেখিকাই লেখনিৰে সৌষ্ঠৱ বৃদ্ধি কৰাত সহায় কৰিলে তেখেতসকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে মুখপত্ৰখনি প্ৰস্তুত কৰোঁতে সম্পাদনা সমিতিৰ উপদেষ্টাসকল, সদস্য-সদস্যাসকলে যি সহায়-সহযোগিতা আৰু দিহা-পৰামৰ্শ আগবঢ়ালে তেখেতসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ বিনীতা চাৰহই যি সহায়-সহযোগিতা আগবঢ়ালে তেখেতলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। সদৌ শেষত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে পঢ়ুৱৈসকলৰ ওচৰত ক্ষমাপ্ৰাৰ্থনা জনালোঁ।

*মিচিং ৰৌঙাম অৃব্ক্ৰই!!*
*টি এম এম কে অৃব্ক্ৰই!!*

**গীতাঞ্জলি বৰি পাতিৰ**
সম্পাদিকা, মুকচিৰি।

# সূচীপত্ৰ


- টাকাম মিচিং মিমী কীবাঙৰ জন্ম ইতিহাস ✍ উষাৰাণী কুম্বাং পেগু / ১৯
- নীতিনিষ্ঠ নেতৃত্ব (Ethical Leadership)
  ৰণ'নীতিগত সংৰক্ষণ আৰ্হি (Strategeic Alignment Model) ✍ পৰমানন্দ চায়েঙ্গীয়া / ৪১
- **COMMUNITY LEADERSHIP** ✍ Paramananda Chayengia /৪৮
- খচৰা দলিল /৫৬
- **NÉ:NG TANI:ÉM KÍNGGÍYA: MONAM**
  **(WOMAN EMPOWERMENT)** ✍ *Gubindo Taíd* /৬৩
- মিচিং বয়ন শিল্প ✍ নাহেন্দ্ৰ পাদুন /৬৭
- ৰাজনৈতিক ক্ষেত্ৰখনত মিচিং নাৰীৰ গতি-পৰিক্ৰমা ✍ ডাঃ বিদ্যেশ্বৰ দলে /৭১
- মিচিং সমাজৰ 'কাল-সংহতি' বা 'কেৰলীয়া ধৰ্ম'—
  এক নিৰ্মোহ বিশ্লেষণ ✍ কালিনাথ পাংগিং /৭৭
- মিচিং নাৰীৰ শিক্ষা ঃ এটি খতিয়ান ✍ ড° দীপক কুমাৰ দলে /৮৮
- মিচিং নাৰী ✍ জাতিৰাম কমান /৯৪
- **VIOLENCE AGAINST WOMEN AND ITS SOLUTION** ✍ **Dr. Ghana Kanta Doley**/৯৯
- **MIRI, MISHING AND MISING** ✍ **Rameswar Medak** /১০৪
- মিচিং মহিলা আৰু স্বাৱলম্বিতাৰ উপায় ✍ ডা০ অনিল কুমাৰ পেগু /১১৩
- অসমীয়া মোৰ প্ৰথম পৰিচয়, শেষ পৰিচয় মোৰ অসমীয়া ✍ মাধৱচন্দ্ৰ পাৰ /১২১
- আলি-আয়ে-লৃগাং আৰু মিচিং জাতিৰ জীৱন শৈলী ✍ তোষেশ্বৰ মিৰি আগৰৱালা /১২৬
- ক'ভিডকালিন আমাৰ চিন্তা-চৰ্চা ✍ ভূপেন চন্দ্ৰ পেগু/১৩৩
- প্ৰকৃতিৰ সন্তান মিচিংসকলৰ জীৱন চৰ্যা ✍ ৰয়েল পেগু /১৩৮
- মিচিং সমাজত অনাময় সজাগতা ✍ বিজয় বৰি/১৪২
- মিচিং জনজাতীয় সমাজত অজ্ঞাতে চলি থকা লিংগ বৈষম্য
  আৰু ইয়াৰ প্ৰভাৱ ✍ দেৱীনা পামেগাম পেগু /১৪৬
- নাৰীৰ নিৰ্যাতন ✍ মাধৱী গোঁহাই /১৪৯
- মাতৃভাষাৰ জৰিয়তে শিশুৰ চৰিত্ৰ গঠনত নাৰীৰ ভূমিকা ✍ তুলাদৈ পায়েং টাইদ /১৫১
- ভাৰতবৰ্ষ তথা উত্তৰ-পূৰ্বাঞ্চলত নাৰীবাদী আন্দোলনৰ
  ইতিহাস আৰু প্ৰসাৰ ✍ ড° নিৰ্মালি পেগু দলে /১৫৪

# সূচীপত্ৰ


- **MÉ:TOMDÉM NI:TOMPÉ TOMMÍLO**
  - **Jeuti Pamegam Pathori** /১৫৮
- **E:díl Mé:poyen**
  - **Chitra Modi**/১৫৮
- **PORIN OMMÉ**
  - **Rubi Padi Pegu** /১৫৯
- **LONGÉSÉ SÉMPÉI GÍYÉN**
  - **Jilmil Panging** /১৬০
- **AGOMÉ NGOKKÉ TURNANÉ**
  - **Cheniram Panging** /১৬০
- আঘোণৰ সুৱাস
  - অমিলতা টায়ে মিলি /১৬১
- অৰুনৰী মোৰ বুকুৰ স্পন্দন
  - দেৱীনা পামেগাম পেগু /১৬২
- যাত্ৰা
  - মনীষা বড়ি টায়ে /১৬৩
- সেউজীয়া সপোনৰ পম খেদি
  - বিনীতা চাৰহ /১৬৩
- কলা-কৌশল
  - গংগামোহন মিলি /১৬৪
- প্ৰেৰণা
  - ৰীমা দলে মিলি /১৬৫
- অবাস্তৱ
  - জিণ্টু শইকীয়া /১৬৫
- MEMORANDUM/১৬৬

১

# টাকাম মিচিং মিমৌ কৌবাঙৰ জন্ম ইতিহাস

**ঊষাৰাণী কুম্বাং পেগু**
সভানেত্ৰী, টি এম এম কে

মিচিংসকল অসমৰ অন্যতম জনগোষ্ঠী যদিও বিভিন্ন সমস্যা— এফালে বানপানী, গড়াখহনীয়া আৰু আনফালে জাতীয় সংকট। টাকাম মিচিং পৰিণ কৌবাং (টি এম পি কে) জন্মলগ্নৰে পৰাই মিচিংসকলৰ এই সমস্যাসমূহৰ সমাধানৰ সংগ্ৰাম সন্মুখশাৰীত। টাকাম মিচিং পৰিণ কৌবাঙৰ প্ৰতিটো সংগ্ৰামৰ কাৰ্যসূচীত মিচিং মহিলাসকলৰ অৱদান উল্লেখনীয় যদিও সু-শৃঙ্খলভাৱে সংগঠিত হৈ সংগ্ৰামসমূহত ব্ৰতী হ'ব পৰা নাছিল। এৰা-ধৰাৰ মাজেদি জাতীয় চেতনা থকা কিছু মিচিং মহিলাৰ বাদে প্ৰায় ভাগেই টাকাম মিচিং পৰিণ কৌবাঙৰ সংগ্ৰামৰ মূল লক্ষ্য আৰু উদ্দেশ্যক বুজি উঠিব পৰা নাছিল। টাকাম মিচিং পৰিণ কৌবাঙৰ নেতৃত্বই অনুভৱ কৰিব পাৰিছিল যে, সংগ্ৰামখন দীৰ্ঘম্যাদী আৰু সু-শৃঙ্খলভাৱে পৰিচালিত কৰিবলৈ হ'লে মহিলাসকলক সংগঠিতভাৱে শিক্ষিত ও একত্ৰিত কৰিব লাগিব। এই উদ্দেশ্য আগত ৰাখিয়েই ১৯৯০ চনৰ ৯, ১০ আৰু ১১ জানুৱাৰী তাৰিখে গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা মহিলা অভিৱৰ্তনত টাকাম মিচিং মিমৌ কৌবাং (টি এম এম কে) নামৰ জাতীয় সংগঠন এটি জন্ম দি এখনি পূৰ্ণাঙ্গ পৰ্যায়ৰ কমিটী গঠন কৰা হয়। এই পূৰ্ণাঙ্গ পৰ্যায়ৰ কমিটীখনে পৰৱৰ্তী সময়চোৱাত মহিলাসকলক একত্ৰিত কৰি জাতীয় সংগঠনসমূহৰ উমৈহতীয়া সংগ্ৰামৰ কাৰ্যসূচীক তীব্ৰতৰ কৰাৰ উপৰিও মিচিং মহিলাসকলৰ মাজত সংগ্ৰামৰ মূল লক্ষ্য আৰু উদ্দেশ্যক সফলভাৱে প্ৰচাৰ কৰি সজাগতা

আনিব পাৰিছিল। মহিলাসকলৰ বিভিন্ন সমস্যাবোৰ আলাপ-আলোচনাৰ মাজেদি সমাধানৰ পদক্ষেপ লোৱাৰ লগতে ৰাজনৈতিক, সাংস্কৃতিক, শৈক্ষিক ও আৰ্থ-সামাজিক দিশত আগবঢ়াই নিয়াৰ উপৰিও আজিৰ বাস্তৱ পৰিস্থিতিত মিচিং জাতীয় সংগ্ৰামত নিজস্বভাৱে সহযোগিতা আগবঢ়াই যাব পাৰিছে।

**টাকাম মিচিং মিমৌ কৌবাং (টি এম এম কে) গঠনৰ পটভূমি ঃ** তাৰিখটো আছিল ২ আৰু ৩ ছেপ্তেম্বৰ, ১৯৮৯। টাকাম মিচিং পৰিণ কৌবাঙৰ আহ্বানত জীয়াধল হাইস্কুলত এখন মিচিং জাতীয় অভিৱৰ্তন অনুষ্ঠিত হয়। এই অভিৱৰ্তনতেই মিচিং স্বায়ত্তশাসন সংগ্ৰামখনক অধিক সু-সংহত কৰা, এই সংগ্ৰামত মহিলাৰ অংশগ্ৰহণ সংগঠিতভাৱে নিশ্চিতকৰণ কৰা, বিশ্বজনীন নাৰী মুক্তি সংগ্ৰামৰ লগত মিচিং মহিলাসকলকো যুক্ত কৰাৰ মহান উদ্দেশ্য আগত ৰাখি বিভিন্ন দিশ চালি-জাৰি চাই অভিৱৰ্তনে মহিলাসকলক সংগঠিত কৰাৰ পোষকতা কৰি এক মহিলা সংগঠন জন্ম দিয়াৰ বলিষ্ঠ পদক্ষেপ লয়। এই মহান পদক্ষেপৰ অংশ হিচাপে মিচিং মহিলাসকলক লৈ মহিলা অভিৱৰ্তন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। উক্ত মিচিং জাতীয় অভিৱৰ্তনতেই পৰৱৰ্তী মহিলা অভিৱৰ্তনৰ যাৱতীয় কাম-কাজ আগবঢ়াই নিয়াৰ লগতে অসমৰ শদিয়াৰ পৰা বুৰুলিলৈকে থকা মিচিং মহিলাসকলক সংগঠিত কৰি প্ৰস্তাৱিত মহিলা অভিৱৰ্তনত অংশগ্ৰহণ নিশ্চিতকৰণ কৰাৰ বাবে শ্ৰীমতী ঊষাৰাণী কুম্বাঙক মুখ্য আহ্বায়িকা হিচাপে লৈ এখন ৯ জনীয়া আহ্বায়িকা সমিতি গঠন কৰে। এই আহ্বায়িকা সমিতিৰ সদস্যাসকল ক্ৰমে—

১। ঊষাৰাণী কুম্বাং—মুখ্য আহ্বায়িকা (জ'নাই)

২। অযোধ্যা পেগু—সদস্যা (ধেমাজি)

৩। তনুজা পেগু —সদস্যা (ধেমাজি)

৪। দেবীলতা দলে—সদস্যা (জীয়াধল)

৫। ৰীণা পাতিৰ — সদস্যা (বকুলগুৰি)

৬। প্ৰেমলতা পাতিৰ— সদস্যা (জ'নাই)

৭। দময়ন্তী কুটুম— সদস্যা (বোকাখাত)

৮। ৰুক্মিণী টাইদ — সদস্যা (ধেমাজি বাউলি)

৯। ৰাধিকা পাতিৰ— সদস্যা (গোগামুখ)

জাতীয় অভিৱৰ্তনৰ সিদ্ধান্ত ও পৰামৰ্শক সৰোগত কৰিয়েই আহ্বায়ক সমিতিৰ প্ৰতিজনী সদস্যাই অসমৰ শদিয়াৰ পৰা বুৰুলিলৈ প্ৰায়বোৰ অঞ্চলত সভা পাতি অঞ্চল বিশেষে আঞ্চলিক সমিতি গঠন কৰিবলৈ আৰম্ভ কৰা হৈছিল। লগে লগে আঞ্চলিক সমিতিৰ কিছু নেতৃত্বশীল মহিলাসকলক লৈ আহ্বায়ক সমিতিয়ে ১৯৮৯ চনৰ ২, ৩ আৰু ৪ অক্টোবৰ তাৰিখে সদৌ অসম মিৰি হাইস্কুলত টাকাম মিচিং পৰিণ কৌবাঙৰ আহ্বানত অনুষ্ঠিত হোৱা নেতৃত্ব প্ৰশিক্ষণ কৰ্মশালাত অংশগ্ৰহণ কৰোঁ। তেনেদৰে বিভিন্ন কাৰ্যসূচীৰে মিচিং মহিলাসকলৰ মাজত জাতীয় চেতনা জগাই তুলি বিভিন্ন কাৰ্যসূচীৰে মিচিং মহিলাসকলৰ মাজত জাতীয় চেতনা জগাই তুলি বিভিন্ন প্ৰান্তত ইতিমধ্যে গঠন হোৱা আঞ্চলিক সমিতিৰ সদস্যা তথা অসমৰ বিভিন্ন অঞ্চলৰ সচেতন মহিলাসকলৰ উপস্থিতিত প্ৰস্তাৱিত মহিলা অভিৱৰ্তনখনি ১৯৯০ চনৰ ৯, ১০ আৰু ১১ জানুৱাৰী তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। মহিলা অভিৱৰ্তনে 'টাকাম মিচিং মিমৌ কৌবাং'

নামকৰণেৰে এক মহিলা সংগঠনৰ জন্ম দিয়ে। অভিৰ্বতনে সৰ্ব্বসন্মতি ক্ৰমে শ্ৰীযুক্তা প্ৰভাৱতী দলেক সভানেত্ৰী, শ্ৰীযুক্তা নন্দিতা পেগুক কাৰ্যকৰী সভানেত্ৰী আৰু শ্ৰীমতী ঊষাৰাণী কুম্বাঙক সাধাৰণ সম্পাদিকা হিচাপে লৈ টাকাম মিচিং মিমী কৌবাঙৰ এখন পূৰ্ণাঙ্গ পৰ্যায়ৰ কেন্দ্ৰীয় সমিতি গঠন কৰে। উল্লেখযোগ্য যে, মহিলা অভিৰ্বতনৰ ১০ জানুৱাৰী তাৰিখে টাকাম মিচিং মিমী কৌবাঙৰ পূৰ্ণাঙ্গ পৰ্যায়ৰ কেন্দ্ৰীয় সমিতি গঠন কৰাৰ বাবে উক্ত তাৰিখকেই টাকাম মিচিং মিমী কৌবাঙৰ 'প্ৰতিষ্ঠা দিৱস' হিচাপে পালন কৰি আহিছে।

**টাকাম মিচিং মিমী কৌবাঙৰ সংবিধান ঃ**

ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ। ইয়াৰ গণ্ডীৰ মাজতেই আমিও গণতান্ত্ৰিক প্ৰক্ৰিয়াৰেই সংগঠন পৰিচালনা কৰিব লাগিব। গণতান্ত্ৰিক কেন্দ্ৰীকতাৰ নীতিসমূহক আমাৰ সংগঠনত কটকটীয়াকৈ কঠোৰভাবে পালন আৰু অনুশীলন কৰিব নোৱাৰিলে আমি সৱল শক্তিশালী সংগ্ৰামী সংগঠনত পৰিণত হ'ব নোৱাৰিম আৰু জনগণৰ আশা-আকাংক্ষাক বাস্তৱ ৰূপ দিয়াত সফল নহ'ব, সংগঠনত বিশৃঙ্খলা আহিব, সংগঠন থান-বান হ'ব। সেয়ে টাকাম মিচিং মিমী কৌবাঙ গঠন কৰিয়েই এখন পূৰ্ণাঙ্গ সংবিধানৰ প্ৰয়োজনীয়তা অনুভৱ কৰি মিগাং পৰমানন্দ চায়েঙীয়াৰ নেতৃত্বত সংবিধান প্ৰস্তুতকৰণ সমিতি (Drafting Committee) গঠন কৰি এখন খচৰা সংবিধান প্ৰস্তুত কৰি পাছলৈ সৰ্ব্বসন্মতি ক্ৰমে গৃহীত কৰা হয়। টাকাম মিচিং মিমী কৌবাঙ (Takam Mising Mimé Kébang) ৰ মুখ্য কাৰ্যালয় পূৰ্বতে শিৱসাগৰত আছিল যদিও পাছত যোগাযোগৰ সুবিধাৰ্থে ধেমাজিলৈ হস্তান্তৰ কৰা হয়। সংবিধানত উল্লেখ কৰাৰ দৰেই টাকাম মিচিং মিমী কৌবাঙ (Takam Mising Mimé Kébang) ক TMMK বুলি জনা যায়। টাকাম মিচিং মিমী কৌবাঙৰ সংবিধানত মুঠ ১১ টা ধাৰা আৰু ২০ টা অনুচ্ছেদ সন্নিৱিষ্ট কৰা আছে। উল্লেখযোগ্য যে, ধাৰা- 'ট', অনুচ্ছেদ- '২০' ত সংবিধান সংশোধনৰ ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছে।

**টাকাম মিচিং মিমী কৌবাঙৰ লক্ষ্য আৰু উদ্দেশ্যঃ**

সংগঠন এটা জন্ম হোৱাৰ অন্তৰালত নিৰ্দিষ্ট কিছুমান উমৈহতীয়া লক্ষ্য, উদেশ্য থাকে আৰু এই লক্ষ্য আৰু উদেশ্যক সাৰোগত কৰি সংগঠনৰ কাৰ্যসূচী প্ৰস্তুত কৰি আগবাঢ়িব লাগিব। জনগণৰ আস্থাভাজন তথা আশা-আকাংক্ষাক বাস্তৱায়িত কৰিবলৈ আমি আত্মবিশ্বাস, আৰু প্ৰতিশ্ৰুতিৰে সংগঠনত ঐক্যবদ্ধ হ'বই লাগিব। সেয়ে সৰ্ব্বসন্মতি ক্ৰমে নিম্নোল্লিখিত লক্ষ্য আৰু উদেশ্য ঠিক কৰা হৈছিল —

১। সৰ্ব্বস্তৰৰ মিচিং মহিলা সকলক সাংগঠনিকভাৱে সংগৱদ্ধ কৰা।

২। সকলো ধৰণৰ জাতি-ধৰ্ম, বৰ্ণগত বঞ্চনা, শোষণ নিপীড়নৰ বিৰুদ্ধে সংগ্ৰাম কৰা।

৩। সকলোধৰণৰ সামাজিক আৰু ঘৰুৱা অন্যায় অবিচাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰা।

৪। সকলোধৰণৰ অন্ধবিশ্বাস আৰু অযুক্তি সংগত নীতি-নিয়মৰ বিৰোধিতা কৰা আৰু নাৰীসকলক শিক্ষিত আৰু সৱল কৰা।

৫। নাৰী আৰু পুৰুষৰ সমান অধিকাৰ, সমমৰ্যদাৰ

বাবে সংগ্ৰাম কৰা।

৬। নাৰী সম্পৰ্কীয় বিষয়ত অন্যান্য সমভাৱাপন্ন নাৰী সংগঠনৰ লগত ঐক্যবদ্ধভাৱে কাম কৰা।

৭। মিচিং সমাজৰ ভাষিক, সাংস্কৃতিক ও সামাজিক উন্নয়নৰ বাবে কাম কৰা।

৮। মিচিং জাতীয়তাৰ আত্মনিয়ন্ত্ৰণৰ সংগ্ৰামত নিজকে জড়িত কৰা।

৯। সকলো ধৰণৰ অপসংস্কৃতিৰ বিৰুদ্ধে সংগ্ৰাম কৰা।

১০। মিচিং জাতীয়তাৰ কৃষ্টিৰ সংৰক্ষণ আৰু বিকাশৰ বাবে কাম কৰা।

১১। বিশ্বজুৰি হ'ব ধৰা নাৰী মুক্তিৰ আন্দোলনত সঠিক পথ নিৰ্ধাৰণ কৰি সমৰ্থন জনোৱা।

১২। সকলোধৰণৰ নাৰী নিৰ্যাতনৰ বিৰুদ্ধে ঐক্যবদ্ধ আন্দোলন গঢ়ি তোলা।

১৩। সকলোধৰণৰ প্ৰতিবিপ্লৱী উপাদানৰ বিৰুদ্ধে নাৰীসকলক সংগঠিত কৰা।

১৪। নাৰীসকলক ৰাজনৈতিকভাৱে সচেতন কৰি তোলা।

**টাকাম মিচিং মিমৌ কৌবাঙৰ দাবী চনদ ঃ**

গণতান্ত্ৰিক দেশ বা ৰাষ্ট্ৰ এখনক পৰিচালনা কৰিবৰ বাবে নিৰ্বাচিত চৰকাৰ থাকে। গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নিৰ্বাচিত চৰকাৰখনৰ দায়িত্বত থাকে বিভিন্ন দিশত জনসাধাৰণক সুৰক্ষা প্ৰদান কৰা। কিন্তু অতি পৰিতাপৰ কথা যে, নিৰ্বাচিত চৰকাৰসমূহে জনসাধাৰণৰ আশা-আকাংক্ষাক কিমান পৰিমাণে পূৰণ কৰিব পাৰিছে, নাৰীৰ প্ৰতি থকা বৈষম্য, নাৰী নিৰ্যাতন, হত্যা, প্ৰবঞ্চনা, লুণ্ঠণ আদিক কিমান প্ৰতিৰোধ কৰিব পাৰিছে? ইয়াৰ সমান্তৰালভাৱে নাৰী শিক্ষা, নাৰীৰ বাবে সংৰক্ষণ, সংস্থাপন, নাৰী সৱলীকৰণ আদি কিমান কাৰ্যকৰী হৈছে আজি ডাঙৰ প্ৰশ্ন হৈছে। এই সকলোবোৰ দিশ সামৰি টাকাম মিচিং মিমৌ কৌবাঙে বিভিন্ন সময়ত বিভিন্ন পৰিস্থিতিত চৰকাৰক সোঁৱৰাই দি এক দাবী চনদ প্ৰস্তুত কৰা হৈছে।

১। টাকাম মিচিং পৰিণ কৌবাঙৰ ১৪ দফীয়া চনদ চৰকাৰে অনতিপলমে পূৰণ কৰিব লাগে।

২। সমগ্ৰ নাৰী সমাজ আৰু মিচিং জাতিৰ অৰ্থনৈতিক দিশত স্বাৱলম্বীৰে আগুৱাই যাব পৰাকৈ মিচিং অধ্যুষিত অঞ্চলসমূহত বয়ন শিল্প স্থাপন কৰি প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।

৩। মিচিং নাৰীক সাংবিধানিকভাৱে মৰ্যদা প্ৰদান কৰা, শিক্ষা, চৰকাৰী চাকৰি, ৰাজনৈতিক আদি ক্ষেত্ৰত আছুতীয়াকৈ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।

৪। মিচিং অধ্যুষিত অঞ্চলত প্ৰয়োজন সাপেক্ষে প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰিব লাগে।

৫। মিচিং অধ্যুষিত অঞ্চলত ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰি মিচিং নাৰীসকলক প্ৰশিক্ষণ দি সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে।

৬। সাম্প্ৰতিক কালত নাৰীৰ ওপৰত চলা পাশৱিক অত্যাচাৰ, হত্যা, ধৰ্ষণ, অপসৰণ বন্ধ কৰক আৰু কোনো পুৰুষে নাৰীৰ ওপৰত চলোৱা যি কোনো অত্যাচাৰ, অন্যায়ৰ বিৰুদ্ধে আইনগত ব্যৱস্থাৰে উচিত শাস্তি প্ৰদান কৰক।

৭। মিচিং মহিলা সকলক ভাৰতৰ বিভিন্ন প্ৰগতিশীল

ৰাজ্যসমূহত বিনামূলীয়াকৈ ভ্ৰমণৰ ব্যৱস্থা কৰক।

৮। মিচিং ছাত্ৰীৰ শৈক্ষিক সমস্যা সমাধানৰ বাবে প্ৰতিখন শিক্ষা অনুষ্ঠানত ছাত্ৰী নিবাস নিৰ্মাণ কৰক আৰু সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ পাঠ্যপুথি আৰু সঁজুলি যোগান ধৰক।

৯। মিচিং ভাষা-সাহিত্য-সংস্কৃতি বিশেষকৈ মিচিং মহিলাৰ উন্নতিৰ কথালৈ লক্ষ্য ৰাখি আকাশবাণী কেন্দ্ৰৰ যোগেদি কথিকা, আলোচনাচক্ৰ , গীত, নাটক আদি প্ৰচাৰৰ ব্যৱস্থা কৰক আৰু তৎকালীনভাৱে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত "কাৰপুনপুলি" অনুষ্ঠানটিৰ মান উন্নত কৰি সপ্তাহত কমেও তিনিদিন প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰক লগতে গোগামুখত প্ৰস্তাৱিত অনাতাঁৰ কেন্দ্ৰটি অতি শীঘ্ৰে স্থাপন কৰি কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰক।

১০। সমগ্ৰ অসমৰ মিচিং অধ্যুষিত অঞ্চলৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থা সুচল কৰক।

১১। সমগ্ৰ অসমৰ মিচিং অধ্যুষিত অঞ্চলত শিক্ষাৰ মানদণ্ড অতি দুখ লগা। সেয়ে মিচিং অধ্যুষিত অঞ্চলত ইতিমধ্যে প্ৰতিষ্ঠা হোৱা বে-চৰকাৰী সকলোপৰ্যায়ৰ বিদ্যালয়- মহাবিদ্যালয়সমূহ অতিশীঘ্ৰে প্ৰাদেশীকৰণৰ ব্যৱস্থা কৰক।

১২। কৃষিজীৱী মিচিং অধ্যুষিত অঞ্চলৰ বানপানী আৰু গড়াখহনীয়া সমস্যা স্থায়ীভাৱে সমাধান কৰক।

চৰকাৰৰ ওচৰত জনোৱা উক্ত দাবীবোৰৰ উপৰিও টাকাম মিচিং মিমৌ কৌবাঙে বিভিন্ন সময়ত মহিলা ও শিশুসকলৰ মানসিক, শাৰীৰিক, শৈক্ষিক আৰু অৰ্থনৈতিক বিকাশৰ বাবে বিশেষকৈ নিম্নোল্লিখিত গুৰুত্বপূৰ্ণ কাৰ্য তথা কৰ্মসূচী লোৱা হয়। ইয়াৰ লগতে মিচিং মহিলাসকলৰ বৌদ্ধিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি ২০০৫ চনত 'মুক্চিৰি' নামৰ আলোচনীখন প্ৰকাশৰ ব্যৱস্থা কৰা হয়।

২০১২ চনত শিশুসকলৰ মানসিক তথা শাৰীৰিক বিকাশৰ বাবে 'চিচাং অট্চুৰ' নামৰ শিশু সংগঠন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল যদিও বিভিন্ন কাৰণত এতিয়ালৈকে পূৰ্ণাঙ্গ পৰ্যায়ত গঠন কৰিব পৰা নাই। ইয়াক পূৰ্ণাঙ্গ পৰ্যায়ত গঠনৰ প্ৰচেষ্টা অব্যাহত আছে।

২০১২ চনৰ ২২ এপ্ৰিল তাৰিখে টাকাম মিচিং মিমৌ কৌবাঙৰ শিঙিমাৰিত অনুষ্ঠিত হোৱা কৰ্মশালাত কৌবাঙে অৰ্থনৈতিক দিশটোত মিচিং মহিলাসকলক সৱলীকৰণ কৰিবৰ বাবে হস্ততাঁত ও বয়ন শিল্পক উন্নতিকৰণ কৰি ব্যৱসায়ৰ দিশত আগবাঢ়িবলৈ 'গেজিগ গেৰ' নামৰ এখন সমিতি গঠনৰ সিদ্ধান্ত লোৱা হয়। সেয়ে সিদ্ধান্তমৰ্মে 'গেজিগ গেৰ' সমিতিখন গঠন কৰা হয় আৰু বৰ্তমান ই পূৰ্ণাঙ্গ পৰ্যায়ত কাৰ্যনিৰ্বাহ কৰি আছে। জ'নাইক মুখ্য কাৰ্যালয় হিচাপে কেন্দ্ৰ কৰি অসমৰ বিভিন্ন অঞ্চলত তিনি তৰপৰীয়া স্তৰেৰে জিলা আৰু আঞ্চলিকভিত্তিত জিলা আৰু আঞ্চলিক সমিতি গঠন কৰি থকা হৈছে।

'গেজিগ গেৰ'ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্যাসকল হ'ল—

(১) মূল্যৰীণা পেগু ঃ উপদেষ্টা (চিলাপথাৰ)

(২) ঊষাৰাণী কুম্বাং ঃ সভানেত্ৰী (জ'নাই)

(৩) বিচিত্ৰা দলে ঃ উপ-সভানেত্ৰী

(৪) বন্তিবালা পেগু ঃ সাধাৰণ সম্পাদিকা (চিলাপথাৰ)

(৫) পদ্মিতি মিলি ঃ সদস্যা (জ'নাই)

(৬) ৰিজু পেগু ঃ সদস্যা (ঢকুৱাখনা)

(৭) গুণ নৰহ ঃ সদস্যা ( চিলাপথাৰ)

(৮) অঞ্জিতা পেগু ঃ সদস্যা (চিলাপথাৰ)

(৯) জেৰিনা পেগু ঃ সদস্যা (জ'নাই)

(১০) গীতাঞ্জলি বড়ি ঃ সদস্যা (জ'নাই)

(১১) পদ্মকুমাৰী পেগু ঃ সদস্যা (অৰুনৰী)

(১২) ৰুণু দলে ঃ সদস্যা (অৰুনৰী)

(১৩) আৰতি টায়ে ঃ সদস্যা (জ'নাই)

(১৪) ববিতা পেগু ঃ সদস্যা (জ'নাই)

(১৫) কৰবী পেগু ঃ সদস্যা (জ'নাই)

(১৬) বিনীতা চাৰহ ঃ সদস্যা (জ'নাই)

(১৭) বিচন্তী টায়ে ঃ সদস্যা (জ'নাই)

(১৮) মমতা দলে ঃ সদস্যা (বিহপুৰীয়া)

(১৯) শৰ্মীলা পেগু ঃ সদস্যা (লক্ষীমপুৰ)

(২০) পুষ্পা কুলি ঃ সদস্যা (লক্ষীমপুৰ)

(২১) তৃষ্ণা কুটুম ঃ সদস্যা (বোকাখাত)

(২৩) ইলাজ্যোতি কুম্বাং ঃ সদস্যা (মাজুলী)

(২৪ ) নিভা পেগু ঃ সদস্যা (শিৱসাগৰ)

(২৫) প্ৰমিলা মিলি ঃ সদস্যা (গোগামুখ)

(২৬) বিচিত্ৰা পেগু ঃ সদস্যা (লক্ষীমপুৰ)

( ২৭) দিপামণি পেগু ঃ সদস্যা

ইতিমধ্যে 'গেজিগ গেৰ'ৰ উদ্যোগত অসমৰ বিভিন্ন ঠাইত—চিলাপথাৰ, মাজুলীৰ ফুলনী, জেঙেৰাই, নামনি চিচি টঙানিত বিভিন্ন দিশৰ সমল ব্যক্তিৰ সহযোগত কৰ্মশালা অনুষ্ঠিত কৰা হৈছে। গেজিগ গেৰৰ জৰিয়তে আমাৰ সংগঠনৰ বহু মহিলাই আৰ্থিক দিশত টনকিয়াল হোৱা পৰিলক্ষিত হৈছে ।

**টাকাম মিচিং মিমী কৌবাঙৰ কৰ্মসূচী ঃ**

টি এম এম কেৰ মূল লক্ষ্য আৰু উদেশ্যৰ সংগতি ৰাখি কিছু কৰ্মসূচী লোৱা হৈছিল—

১। শিশু সমাজৰ শাৰীৰিক তথা মানসিক বিকাশৰ কাৰণে গাৱঁ গাৱেঁ "চৃচাং অটচুৰ" (মইনা পৰিজাত) গঠন কৰা ।

২। মিচিং মহিলাসকলৰ মাজত স্বাস্থ্য আৰু পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি সজাগতা গঢ়ি তোলা ।

৩। মিচিং বয়ন শিল্পক এক বৃহৎ সংগঠিত ঘৰুৱা উদ্যোগৰূপে গঢ়ি তোলা ।

৪। পৰম্পৰাগতভাৱে চলি অহা পশুপালনৰ ওপৰত উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰি মহিলাসকলক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলা।

৫। 'গেজিগ গেৰ'ৰ অধীনত মিচিং মহিলাসকলৰ দ্বাৰা উৎপাদিত বস্ত্ৰ-খাদ্য সামগ্ৰী, হস্ত নিৰ্মিত বস্তুৰ উপযুক্ত বজাৰৰ ব্যৱস্থা গঢ়ি তোলা।

৬। 'গেজিগ গেৰ'ক জিলাসমূহত অধিক সক্ৰিয় আৰু কাৰ্যক্ষম কৰি গঢ়ি তোলা।

৭। জীৱন জীৱিকাৰ ওপৰত উপযুক্ত প্ৰশিক্ষণ দি মহিলাসকলৰ দক্ষতা বিকাশৰ (Skill Development) ব্যৱস্থা কৰা।

৮। অন্ধ বিশ্বাস আৰু কু-সংস্কাৰ দূৰীকৰণৰ বাবে অঞ্চলে অঞ্চলে সজাগতা সভা অনুষ্ঠিত কৰা।

৯। মাদকদ্ৰব্য নিবাৰণৰ ব্যৱস্থা কৰা।

১০। মহিলাসকলে পাব পৰা আইন সুৰক্ষাৰ ওপৰত কৰ্মশালা অনুষ্ঠিত কৰা।

১১। TMMK জন্ম দিৱসত সংগতি ৰাখি প্ৰত্যেক বছৰৰ ১০ জানুৱাৰীৰ দিনটো সাৰোগত কৰি খাদ্য মেলা আয়োজন কৰা। থলুৱা মিচিংসকলক ব্যৱসায়িক দিশত উৎসাহ যোগোৱা আৰু নিজস্বতা বৰ্তাই ৰখা আদি কৰ্মসূচীত সন্নিৱিষ্ট কৰা হৈছে।

**সামৰণি ঃ** সংগঠন এটা জন্ম দিয়াতো যিমান কঠিন ইয়াক বৰ্তাই ৰখাটো বেছি কঠিন। আমাৰ সংগঠনৰ বিশালতা, বৈচিত্ৰতা আৰু বিভিন্ন ধৰণৰ বৈষম্যৰ মাজত সমন্বয় আৰু ঐক্য অটুট থাকিব লাগিব। সংগঠনৰ আভ্যন্তৰীণ গণতন্ত্ৰ শৃংখলাৱদ্ধ হ'ব লাগিব। সমন্বয় আৰু ঐক্যৰ বাবে গণতান্ত্ৰিকতাৰ লগতে কেন্দ্ৰীয়তাৰো প্ৰয়োজন আছে। জাতীয় সংগঠনসমূহৰ লগত আমাৰ সংগঠনৰ আন্তঃগাঁথনিক বিৰোধ থাকিলেও ইয়াক মীমাংসাৰ বাবে সংগঠনটোত অৰ্ন্তনিহিত পদ্ধতি থাকিব লাগিব। সেয়ে যোৱা ইংৰাজী ১৩ আৰু ১৪ জুন, ২০০৯ তাৰিখে টি এম পি কে, এম এম কে আৰু টি এম এম কেৰ যুটীয়া আত্মানুসন্ধান শিবিৰ চিলাপথাৰত অনুষ্ঠিত হোৱা দলিলৰ দুটামান অনুচ্ছেদ উল্লেখ কৰিলো। উক্ত যুটীয়া আত্মানুসন্ধান শিবিৰৰ সাৰমৰ্মখিনিক **"আমাৰ সংগঠন আৰু সংগ্ৰামৰ দিক্ নিৰ্দেশনা দলিল"** শিৰোনামাৰে ধুনীয়া আৰু স্পষ্টকৈ সকলোৰে বুজিব পৰাকৈ উপস্থাপন কৰিছে। উক্ত দলিলত **"নাৰী সংগঠন সম্পৰ্কে দৃষ্টিভংগী"** পাতনিৰে উল্লেখ কৰিছে— *"আমাৰ সমাজত নাৰীৰ স্থান পুৰুষতকৈ তলত, যাৰ বাবে নাৰী অৱহেলিত আৰু অৱনমীত। সেই বাবেই সামাজিক পৰিৱৰ্তন, অৰ্থনৈতিক উন্নয়ন আৰু ৰাজনৈতিক অধিকাৰৰ বাবে কৰা সংগ্ৰামত আমি পুৰুষৰ লগতে নাৰীকো সমান অংশীদাৰী কৰাৰ বাবেই টাকাম মিচিং মিমৌ কৌবাঙ গঠন কৰিছোঁ।"* কিন্তু টি এম এম কেই বাৰে বাৰে অভিযোগ উত্থাপন কৰি আহিছে যে সংগঠনৰ ভিতৰত টি এম এম কেৰ সদস্যাসকলক সম-অধিকাৰ আৰু সম-মৰ্যদা দিয়া নহয়। টি এম পি কে আৰু এম এম কেৰ পুৰুষ নেতৃত্বই টি এম এম কেক কোনো গুৰুত্ব প্ৰদান নকৰে। কেৱল সভা-সমিতিত আলপৈচান ধৰা, অভ্যৰ্থনা কৰা, সম্বৰ্দ্ধনা জনোৱা আদি কামতহে ব্যৱহাৰ কৰে। বিভিন্ন চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত কৰা হয়। এই অভিযোগবোৰ একেবাৰে মিছা নহয়। নাৰীৰ প্ৰতি ইতিবাচক দৃষ্টিভংগীয়েও আমাৰ সংগঠন আৰু সংগ্ৰামক আগুৱাই নিয়াত সমস্যাৰ সৃষ্টি কৰিছে। নাৰীৰ সম-অধিকাৰৰ বিষয়টো এতিয়া সমগ্ৰ মানৱ জাতিৰ এক বিশ্বজনীন বিষয়। এই ক্ষেত্ৰত যদি আমাৰ কৰ্মসূচী নাথাকে, নাৰীৰ প্ৰতি আধুনিক আৰু প্ৰগতিশীল দৃষ্টিভংগী নাথাকে তেন্তে আমি বিপদত পৰাটো খাটাং। যোৱা পঞ্চায়ত নিৰ্বাচনতে মহিলাৰ বাবে সংৰক্ষিত বহু আসনত আমি উপযুক্ত মহিলা প্ৰাৰ্থী বিচাৰি হাবাথুৰি খাব লগা হৈছে। আমি টি এম এম কেক এক সবল নাৰী সংগঠন হিচাবে গঢ় দিয়া আৰু মহিলাৰ মাজত নেতৃত্ব বিকাশ ঘটাব নোৱাৰিলে মুখ থেকেচা খাব লাগিব। নাৰীৰ মাজতে বহু পশ্চাদমুখী, সুবিধাবাদী আৰু নেতিবাচক চিন্তাধাৰা আছে। সেইবিলাকৰ বিৰুদ্ধে সংগঠনৰ ভিতৰত আভ্যন্তৰীণ সংগ্ৰাম কৰিব লাগিব।

আন এটা গুৰুত্বপূৰ্ণ বিষয় যে **"নৱ প্ৰজন্মৰ প্ৰতি আকৰ্ষণ"** ৰ পাতনিৰে উল্লেখ কৰিছে সংগঠনৰ মজিয়াত আমি ইতিমধ্যে কেইবাবাৰো আলোচনা কৰিছো যে আমাৰ সংগঠনলৈ নৱ প্ৰজন্মৰ সদস্য-সদস্যা অৰ্থাৎ নতুন কেডাৰৰ আগমন যেনেদৰে হ'ব লাগিছিল তেনেদৰে হোৱা নাই। ইয়াৰ কাৰণ হিচাপে আমাৰ সক্ৰিয় প্ৰচেষ্টাৰে অভাৱৰ উপৰিও এনেকুৱা অভিযোগ উত্থাপন হৈছে যে সংগঠনৰ বৰ্তমানৰ নেতৃত্বই নতুন মানুহক সংগঠনত ঠাই দিবলৈ নিবিচাৰে। আনকি বহু ক্ষেত্ৰত বাধা প্ৰদানো কৰা হয়। সংগঠন কৰাৰ জৰিয়তে লাভ কৰি থকা সা-সুবিধাৰ ভাগ কমি যোৱাৰ আশংকাতে এনে মনোভাৱ গঢ় লৈছে বুলি কোৱা হৈছে। কোনোদিন নতুন পানী নোহোৱা পুখুৰী বা কুঁৱাৰ পানী লেতেৰা আৰু দুৰ্গন্ধময় হয় বুলি আমি জানো, ঠিক তেনেকৈ নতুন নেতা-কৰ্মীৰ আগমন নঘটা সংগঠনৰ অৱস্থাও স্থবিৰ নতুনত্বহীন আৰু দুৰ্গন্ধময় হয়। ■

আৰু শক্তিশালী কৰাত ধাৰাবাহিক প্ৰক্ৰিয়াৰ বাবে প্ৰণালীবদ্ধ পৰিকল্পনা গ্ৰহণ কৰাত সহায় কৰে। এজন নীতিনিষ্ঠ নেতাৰ নেতিবাচক দিশ হৈছে যে— মূল্যবোধৰ আধাৰত সৎ উদ্দেশ্যৰ বাবে সৎ পন্থাৰে নেতৃত্ব দিয়া হয়, জনগণে সমৰ্থন কৰে। আনকি জটিল সন্ধিক্ষণ আৰু প্ৰতিকূল পৰিস্থিতিতো সেই নেতাৰ পক্ষত জনগণে থিয় দিয়ে।

উক্ত আৰ্হি প্ৰণালীবদ্ধভাৱে বুজা আৰু প্ৰয়োগ কৰাৰ বাবে দহটা আদৰ্শক চাৰিটা পৰ্যায়ত অন্তৰ্ভুক্ত কৰিব পাৰি। এই চাৰিটা পৰ্যায় হৈছে— প্ৰথম পৰ্যায় — নিজকে স্পষ্ট কৰা (Define you), দ্বিতীয় পৰ্যায় ঃ নিজকে বিকাশ কৰা (Develope You) তৃতীয় পৰ্যায় ঃ আনক বিকাশ কৰা (Develope You) আৰু চতুৰ্থ পৰ্যায় ঃ বিশ্বাস (Believe)।

প্ৰথম পৰ্যায় ঃ (Define You)

নিজকে স্পষ্ট কৰা ঃ (Define You)

এই পদক্ষেপত তিনিটা আদৰ্শ অন্তৰ্ভুক্ত কৰা হৈছে—

১। অন্তদৃষ্টি বিকাশ কৰা (Develope a vision)

২। মূল্যবোধ চৰিত্ৰাঙ্কন কৰা (Charactererise intergrity)

৩। দৃষ্টান্তৰে নেতৃত্ব দিয়ক (Lead with Example)

১। অন্তদৃষ্টি বিকাশ কৰা (Develope a vision) ঃ

। আমি আৰু আমাৰ সংগঠনৰ লক্ষ্য সম্পৰ্কে স্পষ্ট সংক্ষিপ্ত আৰু ভাৱ প্ৰকাশ কৰিব পৰাকৈ অন্তদৃষ্টিৰ বিকাশ ঘটোৱা।

। আমাৰ ইঙ্গিত ভৱিষ্যতৰ ৰূপ সম্পৰ্কে এটা সঠিক নক্সা দাঙি ধৰা।

। এটা অন্তদৃষ্টিৰ বৰ্ণনাই জনগণক সংগ্ৰামৰ স'তে জড়িত হোৱাত উৎসাহিত কৰে।

। অন্তদৃষ্টি বিকাশ কৰাৰ সময়ত আনকো জড়িত কৰাতো নিশ্চিত কৰা।

। আমাৰ অনুগামীসকলৰ বাবে আমাৰ হাতত স্পষ্ট নিৰ্দেশনা আছেনে? নে আমি লক্ষ্যবিহীনভাৱে গৈ আছো। জনগণে, লক্ষ্যবিহীন নেতাক অনুসৰণ কৰিবলৈ আগ্ৰহী নহয়।

প্ৰত্যেক সফল সংগঠনৰ নিজস্ব অন্তদৃষ্টিসমূহক জীৱন্ত ৰূপত ব্যাখ্যা, বৰ্ণনা কৰাৰ দক্ষতাই, অনুগামীসকলক সক্ৰিয় কৰি তোলাত আমাৰ কৰ্মদক্ষতাক তাৎপৰ্যপূৰ্ণভাৱে প্ৰভাৱিত কৰে। আমি আমাৰ অন্তদৃষ্টি বিকশিত কৰাৰ সমান্তৰালভাৱে, স্পষ্টভাৱে প্ৰকাশ কৰিব আৰু পতিয়ন নিয়াব পৰা দক্ষতাই আমাৰ হৃদয়ত প্ৰবল অনুৰাগক জগাই তোলা আমাক উৎসাহিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমি সেই অনুৰাগক আমাৰ হৃদয়ৰ পৰা আমাৰ অনুগামীসকলৰ হৃদয়লৈ প্ৰৱাহিত কৰিব পাৰিব লাগিব।

২। ন্যায়নীষ্ঠতা চৰিত্ৰাঙ্কন কৰা (Characterise integrity) ঃ

। অতি গুৰুত্বপূৰ্ণ মূল্যবোধসমূহৰ আধাৰত ন্যায়নিষ্ঠতা চৰিত্ৰৰ স'তে সংহতিত স্পষ্ট কৰা। মূল্যবোধ হৈছে অভিমত আৰু বিশ্বাস যাৰ আধাৰত আমি ভুল-শুদ্ধ নিৰ্ণয় কৰো।

। অতি গুৰুত্বপূৰ্ণ মূল্যবোধসমূহ স্পষ্ট কৰোঁতে আমি আমাৰ হৃদয়ক শুনিব লাগিব।

। বছৰৰ পাছত বছৰ ধৰি সমাজ, সতীৰ্থ আৰু নিকট ব্যক্তিত্বই আমাৰ চৰিত্ৰক সবল কৰি আহিছে।

। আমি যেতিয়া গুৰুত্বপূৰ্ণ মূল্যবোধ আৰু নীতিপৰায়ণ বিধানৰ দ্বাৰা পৰিচালিত হৈ সততাৰে

২

# নীতিনিষ্ঠ নেতৃত্ব (Ethical Leadership) ৰণ'নীতিগত সংৰক্ষণ আৰ্হি (Strategeic Alignment Model)

অনুবাদ ঃ পৰমানন্দ চায়েঙ্গীয়া

আমি এখন গণতান্ত্ৰিক আৰু প্ৰগতিশীল সমাজ ব্যৱস্থাৰ হকে সংগ্ৰামৰ নেতৃত্ব দিছো। এনে সংগ্ৰামৰ নেতৃত্ব বহন কৰাৰ বাবে আমি সকলোৱে নীতিনিষ্ঠ হ'বই লাগিব। আমাৰ দীৰ্ঘদিনীয়া সংগ্ৰামত আমি সদাইয়েই নীতি আদৰ্শক গুৰুত্ব দি আহিছো। নীতি আদৰ্শক বাদ দি এখন সংগ্ৰাম দীৰ্ঘদিনৰ বাবে তিকাই ৰখাতো সম্ভৱ নহয়।

ৰণ'নীতিগত সংৰক্ষণ আৰ্হি হৈছে— নীতিনিষ্ঠ (Ethical) নেতৃত্বৰ দহটা আদৰ্শক পদ্ধতিগতভাৱে বুজা আৰু প্ৰয়োগ কৰাৰ পদক্ষেপ। সেয়েহে আমি একো একোজন নীতিনিষ্ঠা নেতাৰ ৰূপত গঢ়ি তুলিবলৈ অতি প্ৰয়োজনীয় আদৰ্শক বুজাৰ জৰিয়তে প্ৰয়োগ কৰাৰ বাবে পদক্ষেপবোৰক আয়ত্ত কৰিবলৈ সক্ষম হ'ব লাগিব। উক্ত আৰ্হি প্ৰণালীবদ্ধভাৱে বুজা আৰু প্ৰয়োগ কৰাৰ বাবে দহটা আদৰ্শক চাৰিটা পৰ্যায়ত অন্তৰ্ভূক্ত কৰিব পাৰি। ইয়াৰ বুনিয়াদী সত্যতা হৈছে আপুনি নিজকে সফলভাৱে আগুৱাই নিব নোৱৰালৈকে অন্য কাকোৱেই আগুৱাই নিব নোৱাৰে।

উক্ত ৰণনীতিৰ আধাৰত আমি প্ৰণালীবদ্ধভাৱে আমাৰ নেতৃত্বৰ যোগ্যতা বিকাশ ঘটাব পাৰিম। এই আৰ্হিয়ে আমাৰ নেতৃত্বৰ কৰ্মদক্ষতা গঢ় দিয়া

নেতৃত্বৰ দিওঁ, আমাৰ সিদ্ধান্তবোৰ সুৰক্ষিত হ'ব। এনে সুৰক্ষাই শান্তি নিশ্চিত কৰে।

আপোনাৰ ন্যায়নিষ্ঠতা আৰু চৰিত্ৰৰ স্পষ্টীকৰণে আপোনাৰ কাৰ্যপ্ৰণালীক স্থিৰতা আৰু দৃঢ়তা প্ৰদান কৰে। মুখ্য মূল্যবোধ আৰু বিশ্বাসসমূহ চিনাক্ত কৰাতো এজন নেতাৰ বাবে অতি প্ৰয়োজনীয়। আমি আমাৰ বিশ্বাসবোৰ অগ্ৰাধিকাৰ ভিত্তিত চিনাক্ত কৰা উচিত, কাৰণ যেতিয়াই কোনো দুটাৰ মাজত এটা বাচিব লগা হয় তেতিয়াই আমি আভ্যন্তৰীণ দ্বন্দ্বৰ সন্মুখীন হওঁ আৰু তেতিয়াই আমাক সঠিক সিদ্ধান্তৰ গ্ৰহণৰ বাবে বস্তুনিষ্ঠ সহায়ৰ প্ৰয়োজন হয়। আমাৰ মূল্যবোধসমূহৰ অগ্ৰাধিকাৰ ভিত্তিত আগতীয়া চিনাক্তকৰণে কোনো ন্যায় প্ৰদানৰ মুহূৰ্তত আৱেগমুক্ত হোৱাত সহায় কৰে। আনে নহয়, আমি নিজেই আমাৰ নিজেই আমাৰ নিজৰ মূল্যবোধ, অগ্ৰাধিকাৰ আৰু প্ৰাধান্যসমূহ চিহ্নিত কৰি ল'ব লাগিব। এনে স্থিতিয়ে কোনো প্ৰত্যাহ্বান বা নীতিনিষ্ঠ বাচনিৰ সন্মুখীন হওতে, বিভিন্ন মতাদৰ্শৰ ব্যক্তিৰ স'তে আলোচনা কৰোতে, সিদ্ধান্ত গ্ৰহণ কৰোতে আমাৰ আত্মবিশ্বাস অধিক দৃঢ় আৰু অবিচলিত হোৱাত সহায় কৰে। আমাৰ স্থিতিক প্ৰকাশ কৰিব পাৰো আৰু সঠিক নিৰ্বাচন কৰিব পাৰো।

৩। দৃষ্টান্তসহ নেতৃত্ব দিয়ক (Lead with example)ঃ

। আমি নিশ্চিত কৰিব পাৰিব লাগিব যে আমাৰ কথা আৰু কামৰ মাজত যাতে কোনো পাৰ্থক্য নাথাকে। আমাৰ ব্যক্তিত্ব সম্পৰ্কে আমাৰ মুখৰ কথাতকৈ কামেহে প্ৰমাণ কৰে।

। কোনো বিপদৰ সময়ত 'মই অমুকটো কৰিলোহেঁতেন, তমুকটো কৰিলোহেঁতেন' বুলি উফাইদাং মৰাটো বৰ সহজ।

। নেতৃত্ব সম্পৰ্কে সাধাৰণ বাস্তৱ এয়ে যে আমাক সকলোৱে নজৰ কৰি আছে। প্ৰশ্নটো হৈছে আমি আৰ্হি প্ৰদৰ্শন কৰিব পাৰিছো নে নাই? অনুগামীসকলে নেতাজনে কি ভাৱিছে তাৰ প্ৰা নহয়, নেতাজনৰ কামৰ প্ৰাহে শিকিব বিচাৰে।

। প্ৰত্যেক নেতাই দৃষ্টান্তসহ নেতৃত্ব দিয়ে। প্ৰশ্নটো হৈছে ভাল নে বেয়া? জনগণে দৃষ্টান্তৰ আধাৰতহে নেতা এজনক সন্মান বা বিশ্বাস কৰে।

আন সকলো দিশতকৈ আমাৰ কাম-কাজহে আমাৰ ব্যক্তিত্বক দাঙি ধৰে। আমি আমাৰ বক্তব্য আৰু চেতনাৰ স'তে আমাৰ কাম-কাজ একে শাৰীতে ৰাখিব লাগিব। এজন নীতিনিষ্ঠ নেতা মুখেৰে এটা ক'ব আৰু কামেৰে এটা কৰিব, এইটো কেতিয়াও হ'ব নোৱাৰে। আমি যি কওঁ তাকেই কৰিবলৈ আগ্ৰহী হ'ব লাগিব। আমাৰ ন্যায়নিষ্ঠতাক প্ৰদৰ্শন কৰাৰ জৰিয়তে এই কাম আৰম্ভ হ'ব লাগিব। আমাৰ মূল্যবোধসমূহৰ সতে সংলগ্ন আচৰণবোৰ আমি এবাৰ আয়ত্ত কৰিব পাৰিলেই কথামতেই কামৰ নিৰ্ণয় কৰিব পাৰিম। এতিয়া কেৱল ৰূপায়ণ কৰিব লাগিব। আমি কি কৈছিলে তাক অনুসৰণ কৰিব লাগিব। অৱশ্যেই এই কাম ইমান সহজ নহয়।

গোটেই দিনটো আমি নীতি, ভাল সম্পৰ্ক আৰু ইতিবাচক চিন্তা সম্পৰ্কে কথা পাতি থাকিব পাৰো। কিন্তু, নেতৃত্বত থকাসকলে উপৰোক্ত অভ্যাসসমূহৰ দৈনন্দিন দৃষ্টান্ত দাঙি ধৰিব নোৱাৰে, তেনেহ'লে অনুগামীসকলে সহজে তেওঁলোকক গ্ৰহণ কৰিব নোৱাৰে। আমাৰ অনুগামীসকলক কঠোৰ শ্ৰম কৰাৰ বাবে উৎসাহিত কৰা আৰু তেওঁলোকৰ পদ-মৰ্যাদাক

অধিক মূল্য দিয়াৰ উত্তম পদ্ধতিটো হৈছে তেওঁলোকৰ কামৰ স'তে জড়িত হোৱা। আমি যি উপদেশ দিওঁ, তাকেই কৰো। তাক অনুগামীসকলে প্ৰদৰ্শন কৰক, তেওঁলোকেও তাকেই কৰিব।

এজন সফল নেতা আত্মসচেতন হোৱাৰ উপৰি দায়িত্ব ল'বলৈ ভয় নকৰে। নেতৃত্ব কি সেইটো সকলোৱেই বুজে, কিন্তু অংগীকাৰবদ্ধতাৰ ক্ষেত্ৰতহে পাৰ্থক্যটো ওলাই পৰে।

দ্বিতীয় পৰ্যায় ঃ নিজক বিকাশ কৰা (Develope You) ঃ এই পদক্ষেপত তিনিটা আদৰ্শ অন্তৰ্ভুক্ত কৰা হৈছে—

১। সহজাত শক্তিক মৰ্যাদা দিয়ক।

২। জ্ঞানক আদৰ কৰক।

৩। হৃদয়ক সুৰক্ষা দিয়ক।

১। সহজাত শক্তিক মৰ্যাদা দিয়ক (Exteem Inherent Power) ঃ

। এইটো হৈছে আমাৰ প্ৰত্যেকৰ প্ৰকৃত শক্তিৰ গভীৰতালৈ ভুমুকি মৰা।

। আমি নিজকে বিকাশ কৰিবলৈ আমাৰ প্ৰকৃত সহজাত প্ৰতিভাসমূহ আৱিষ্কাৰ কৰি, সেই ক্ষেত্ৰসমূহতেই কেন্দ্ৰীভূত কৰিব লাগিব। মহান ফলসমূহ অতি সহজেই আহে।

আমাৰ আগে-পাছে কি আছে তাতকৈ আমাৰ আভ্যন্তৰত কি আছে সেইটোহে গুৰুত্বপূৰ্ণ। প্ৰত্যেক ব্যক্তিৰ সুকীয়া প্ৰতিভা থাকে। অৱশ্যে সেইবোৰ জনাতো ইমান সহজ নহয়। কিন্তু আমি আমাৰ প্ৰয়োগৰ বাবে বুজিবলৈ চেষ্টা কৰিব লাগিব আৰু সেইবোৰ বিকাশ কৰি প্ৰয়োগ কৰিব লাগিব। এই প্ৰক্ৰিয়াৰ এটা কঠিন অংশ, আমি কিহত ভাল তাক চিনাক্ত কৰিবলৈ প্ৰকৃত সাহস লাগে। কাৰণ ই অতি সৰল যে, উক্ত প্ৰক্ৰিয়াটোৱে আমি কিহত ভাল নহয়, তাক চিনাক্ত কৰিবলৈ বাধ্য কৰে। অন্বেষণ, আত্মানুসন্ধানৰ দ্বাৰাই হওক বা আন মতামতৰ আধাৰতেই হওক, আমি আমাৰ ব্যক্তিত্বত নিহিত হৈ থকা সহজাত শক্তি আৰু দুৰ্ব্বলতাসমূহ হৃদয়ংগম কৰোতে অতি প্ৰয়োজন। এই প্ৰক্ৰিয়াই আমাৰ প্ৰকৃত প্ৰতিভাসমূহ আৱিষ্কাৰ কৰাত সহায় কৰিব আৰু ইয়ে আমাৰ ব্যক্তি বিকাশৰ ক্ষেত্ৰত বিৰাট পৰিৱৰ্তনক প্ৰতিৰোধকাৰী কাৰকসমূহ বুজি পাবৰ বাবে সময়দিব লাগে। আমাৰ প্ৰতিবিম্বক স্বীকৃতি দিবলৈ সাহস লাগে।

২। জ্ঞানক আদৰ কৰক (Love learning)ঃ

। সাৰ্থক জীৱনজোৰা জ্ঞান আহৰণৰ প্ৰতি অংগীকাৰবদ্ধ হওক।

। জ্ঞান আহৰণ যে এক জীৱনজোৰা যাত্ৰা তাক উপলব্ধি কৰক আৰু আকোঁৱালি লওক।

। পৃথিৱীখন অতি দ্ৰুতবেগত পৰিৱৰ্তন হ'ব ধৰিছে। এতিয়া পদমৰ্যাদাৰ ওপৰত জিৰণি লোৱাৰ সময় নহয়। যি ধৰণেৰে আমি অতীতত আমি সফলতা লাভ কৰিছিলো, সেই একেধৰণেৰে বৰ্তমান সফলতা লাভ কৰাতো সহজ নহ'ব। পুৰণা কামকেই নতুন ধৰণে কৰিবলৈ শিকাৰ বাবে সক্ষম হ'বলৈ আৰু আগ্ৰহ কৰিবলৈ প্ৰস্তুত থাকিব লাগিব।

আমি পচন্দ কৰোৱেই বা নকৰো জ্ঞান আহৰণ অব্যাহত ৰখাতো আমাৰ বাবে অপৰিহাৰ্য্য অন্যথা আমি গুৰুত্বহীন হৈ পৰিম। আমি কেতিয়াও সকলো জ্ঞান আহৰণ কৰিব নোৱাৰো। পৃথিৱীখন ইমান দ্ৰুতগতিত পৰিৱৰ্তন হ'ব ধৰিছে যে যোৱাকালিৰ জ্ঞানো অপ্ৰচলিত হৈ পৰে। এজন নেতা হিচাপে জ্ঞানক আদৰিবই লাগিব আৰু অবিৰত ব্যক্তিত্ব বিকাশৰ প্ৰতি অংগীকাৰবদ্ধ হ'ব লাগিব। উদ্ভাৱনী তাগিদাই এক অবিৰত পৰিৱৰ্তন দাবী কৰে আৰু

অবিৰতত পৰিৱৰ্তনে অবিৰত জ্ঞান দাবী কৰে। আমাৰ জ্ঞান আহৰণৰ সহজাত শৈলী বুজা আৰু প্ৰয়োগ কৰাৰ জৰিয়তে জ্ঞান আহৰণ ভালপোৱা আৰম্ভ হয়।

৩। হৃদয়ক সুৰক্ষা প্ৰদান কৰক (Gaurd your heart) ঃ

। আৱেগিকভাৱে বুদ্ধিমান ধৈৰ্যশীল সাহস গঢ়ি তোলক।

। আৱেগ প্ৰৱণ সাহস বঢ়াওক আৰু যেতিয়া বিৰোধীপক্ষৰ সন্মুখীন হ'ব লগা হয়, সেইটো ব্যক্তিগত বুলি ধৰি নল'ব।

। আনকি ভাল কাম কৰিলেও জনগণে অভদ্ৰ কথাৰে সমালোচনা কৰিব।

। সাৰ্থকভাৱে নিজকে নেতৃত্ব শিকাৰ জৰিয়তেহে আনক নেতৃত্ব দিয়াৰ অধিকাৰ অৰ্জন কৰা যায়।

। যদি এজন নেতা জনপ্ৰিয়তাৰ প্ৰতিযোগিতাত দৌৰিছে,তেনেহ'লে হতাশা নিশ্চিত। কেতিয়াবা এটা শুদ্ধ সিদ্ধান্তৰ বাবে জনগণ উন্মুক্ত হৈ পৰিব আৰু তেওঁ উপহাস বা সমালোচনাৰ পাত্ৰ হৈ পৰে।

নীতিনিষ্ঠ নেতা হোৱা মানে বুজাই কেতিয়াবা তেওঁৰ পক্ষত কেনো এজনো নাথাকিলেও এটা স্থিতি গ্ৰহণ কৰিব লগা হয়। নিজৰ স্থিতিত অটল হৈ থাকিবলৈ সাহসৰ প্ৰয়োজন হয়। আপোনাৰ বিশ্বাসৰ ক্ষেত্ৰত অন্তৰায় সৃষ্টি কৰিব আৰু সৰ্বোত্তম প্ৰচেষ্টা স্বত্বেও আপোনাক বিমুখ কৰিব। সেইটো কেতিয়াবা বেদনাপূৰ্ণ হ'ব পাৰে। যেতিয়া জনেগণে আমাৰ, আমাৰ আদৰ্শ আৰু আমাৰ প্ৰমূল্যৰ বিৰুদ্ধে থিয় দিয়ে, তেতিয়া তাক ব্যক্তিগতভাৱে নোলোৱাকৈ থকাতো কঠিন হৈ পৰে। সেইটোহে আমি কেতিয়াও কৰিব নালাগে। আমি কথাবোৰ এবাৰ ব্যক্তিগতভাৱে ল'লেই উন্মাদ হৈ পৰো, অনুভূতিত আঘাত অনুভৱ কৰো আৰু তেতিয়া যিটো গুৰুত্বপূৰ্ণ তাক বিবেচনা কৰাৰ নিৰীক্ষণ শক্তি হেৰুৱাই পেলাও। সৰ্বোপৰি, আমাৰ বা আমাৰ বিষয়ে আনে কি কয় সেইবোৰ অন্তৰলৈ সুমুৱাই দিব নালাগে। এনে কৰিলে যুক্তিসংগত সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে আমাৰ সামৰ্থ হ্ৰাস পাব আৰু এজন অতি শক্তিশালী নীতিনিষ্ঠ নেতাৰো অধঃপতন ঘটিব পাৰে।

তৃতীয় পৰ্যায় ঃ আনক বিকাশ কৰা (Develope others) ঃ এই পদক্ষেপত তিনিটা আদৰ্শ অন্তৰ্ভুক্ত কৰা হৈছে— ১। বিজ্ঞভাৱে নিবিয়োগ কৰক। ২। নম্ৰতা প্ৰয়োগ কৰক। ৩। আনুগত্যক প্ৰভাৱিত কৰক।

১। বিজ্ঞভাৱে বিনিয়োগ কৰক (Invest Wisely) ঃ

। আমাৰ সবাতোকৈ মূল্যৱান সম্পদ সময়ক ক'ত আৰু কেনেকৈ ব্যৱস্থা কৰা হ'ব এই সম্পৰ্কে ক্ষীপ্ৰ সিদ্ধান্ত ল'ব লাগিব। মনত ৰাখিব যিয়েই চলি নাথাকক কিয় আমাৰ দলটো আমাৰ অতি গুৰুত্বপূৰ্ণ অংগীকাৰবদ্ধতা?

। আনক সহায় কৰিবলৈ, নিৰ্দেশনা দিবলৈ, আগবঢ়াবলৈ আৰু অনুপ্ৰাণিত কৰিবলৈ সময় ব্যয় কৰক।

। সময় সঠিক ব্যয়ৰ বাবে সময় নিয়ন্ত্ৰণ কৰক।

। এজন নেতাৰ কাম ৯ টাৰ পৰা ৫ টালৈ কৰা চাকৰি নহয়। মূল্য পোৱা যাবই, সেয়ে সম্পদখিনি ক'ত ব্যয় কৰা হ'ব জানি লওক।

কিমান দিনলৈকে সফলতা বৰ্তি থাকিব সেইটো নিৰ্ভৰ কৰিব আমি কেনেকৈ আমাৰ ব্যক্তি সম্পদ (শাৰীৰিক, মানসিক আৰু আৱেগিক) সমূহ ব্যৱহাৰ

কৰিম। বাস্তৱ এয়ে যে, সকলো দায়িত্ব পালন কৰাৰ বাবে সময় পৰ্যাপ্ত নহয়। সেয়েহে আমি কি কৰিম, কেতিয়া কৰিম আৰু কাৰ লগত কৰিম এই সম্পৰ্কে কিছুমান কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। যি জনগণ আৰু কাৰ্যকলাপত ইতিবাচক লাভা-লাভ পোৱা যায়, এনে কামতহে সময়ৰ ব্যয় নিশ্চিত কৰিব লাগিব।

২। নম্ৰতা প্ৰয়োগ কৰক (Exercise humility) ঃ

। আনৰ প্ৰতি উচ্চ প্ৰমূল্য, শ্ৰদ্ধা আৰু সন্মান প্ৰদৰ্শন কৰক।

। আনৰ বিকাশত সহায় কৰিবলৈ বিনয়ী হওক। নম্ৰতাই আনক শিকিবলৈ ক্ষমতা প্ৰদান কৰে।

। আপোনাৰ সহকৰ্মীসকলৰ মতামত মন দি শুনক।

প্ৰথম অৱস্থাত আমি কিয় নেতা হ'ব বিচাৰিছিলো? আমি যেতিয়া হ'লো, মনত পেলাওকচোন আমি কেনেকৈ হ'লো? স্বনিৰ্মিত গৰ্বৰ স্তম্ভমূলত নিজকে স্থাপন কৰি নল'ব, কাৰণ যিমানেই ওপৰৰ পৰা পৰিব সিমানেই দুখ পাব। বিনম্ৰতা মানে দুৰ্বল, ভীৰু বা সেও মনা নুবুজাই। নম্ৰতাই গৰ্ব, অহংকাৰ আৰু দাম্ভিকতাক নিয়ন্ত্ৰণ কৰে। সৰুৰেই হওক বা ডাঙৰেই হওক নম্ৰতাই আনৰ অৱদানৰ মূল্য দিয়ে।

অন্যসকলক, দিহা-পৰামৰ্শ, অভিমত আৰু উদ্বেগ সম্পৰ্কে সোধ-পোছ কৰক আৰু অকৃত্ৰিমভাৱে তেওঁলোকৰ প্ৰত্যোত্তৰ সমূহ শুনিবলৈ আগ্ৰহী হ'ব লাগিব।

৩। আনুগত্যক প্ৰভাৱিক কৰক (Leverage loyality) ঃ

। সংগঠনৰ প্ৰয়োজনবোৰৰ যত্ন লোৱা বাবে সক্ষম হ'বলৈ আমাৰ গোটৰ প্ৰয়োজনবোৰৰ যত্ন ল'বলৈ আমি এজন সেৱক নেতা হ'ব লাগিব।

গোটৰ সদস্যসকলে সন্মুখীন হোৱা হেঙাৰসমূহ আঁতৰাই দিব লাগিব যাতে তেওঁলোকে উচ্চহাৰত সফল হ'ব পাৰে।

। সংঠনৰ সফলতা এটা দলবদ্ধ কাম একেকেইজন সদস্যৰ পৰাই অধিক আৰু উন্নতৰ কৰ্ম সম্পাদন কৰাবলৈ প্ৰচেষ্টা কৰিব লাগিব।

। সেৱামূলক সত্বাই হৈছে সম্বন্ধসূচক নেতৃত্বৰ ভেটি। আমাৰ মাজত বৰ্তি থকা আস্থাৰ শক্তিৰ আধাৰত এই সম্বন্ধ অৱস্থান কৰে। যদি আমি এজন নেতাৰ কৰ্তব্যখিনি সংশ্লেষণ কৰিব লগা হয় তেন্তে জনগণক সেৱা কৰাটোৱেই হ'ব।

আনুগত্যতা বৰ্তি থাকে, যেতিয়া নেতা আৰু অনুগামীসকলৰ মাজত সৰল সম্বন্ধ বৰ্তি থাকে। ই বৰ্তি থাকে যেতিয়া অনুগামীসকলে কোনো ছাঁয়া নোহোৱাকৈ বিশ্বাস কৰে যে নেতাজনৰ হৃদয়ত বৃহত্তৰ ভৱিষ্যতৰ স্বাৰ্থ নিহিত হৈ আছে, আমি কিমান আস্থা সন্মান অৰ্জন কৰিব পাৰিছো তাৰ অভিব্যক্তিয়েই হৈছে আনুগত্যতা। আনুগত্যতা এইটো খাপ অৰ্জন কৰিবলৈ আমি নিশ্চয় এজন সেৱক নেতা হ'ব লাগিব।

নেতাসকলে সকলো সদস্যৰ মতে কাম কৰাৰ প্ৰয়োজন আছে, সংগঠনৰ সদস্যসকল কোন, তেওঁলোকে কেনেকৈ কাম কৰে, তেওঁলোকক কিহে উদ্গনি দিয়ে আৰু কিহে তেওঁলোকক নিৰাশ বা হতাশ কৰি আছে তাকো জানিব লাগিব। আস্থাই হৈছে এজন নেতাক সন্মান কৰাৰ মূল আধাৰ।

চতুৰ্থ পৰ্যায় বিশ্বাস (Believe have faith) ঃ ক) উচ্চতৰ শক্তিক বিশ্বাস কৰা প্ৰয়োজন। খ) জনগণক বিশ্বাস কৰা প্ৰয়োজন। গ) সংগঠনক

বিশ্বাস কৰা প্ৰয়োজন। ঘ) সবাতোকৈ গুৰুত্বপূৰ্ণৰ হৈছে — নিজক বিশ্বাস কৰা প্ৰয়োজন।

আপুনি যিটোৰেই বিশ্বাস কৰে সংঘটিত হ'বই। বিশ্বাসেই নীতিনিষ্ঠ নেতাৰ ভেঁটি স্বৰূপ। ইয়াৰ অবিহনে সকলো সামান্যতম হেঁচাতেই খণ্ড-বিখণ্ড হৈ যায়। ইয়াতেই আন নেতাসকলৰ সতে এজন নীতিনিষ্ঠ নেতাৰ পাৰ্থক্য ওলাই পৰে। তেওঁলোকে বুজে যে, বিশ্বাসেই হৈছে পৰম প্ৰভাৱশালী বিশ্বজননী শক্তি, যিয়ে যিকোনো পৰিস্থিতিক বিজয়ৰ পৰ্যায়লৈ পৰিৱৰ্তন কৰিব পাৰে। বিশ্বাস এনেকুৱা বস্তু নহয় যে এবাৰ আয়ত্ব কৰিলে চিৰদিনৰ বাবে থাকি যাব। এইটো এনেকুৱা বস্তু যিটোক নিশ্চয়কৈ বিচৰা ধৰণে প্ৰতিপালন আৰু পৰিচৰ্যা কৰি থাকিব লাগিব। তাৰ বাবে আপুনি প্ৰেৰণাদায়ক কাহিনী, জীৱনী আৰু ছবি পুনঃপুনঃ পঢ়িব আৰু চাব লাগিব, যিবোৰে আপোনাৰ বিশ্বাসক সদায় সজীৱ কৰি ৰাখিব।

এতিয়া আপুনি হয়তো ইয়াত তালিকাৰ্ভূক্ত আদৰ্শসমূহৰ আঁত ধৰিব পাৰিছে। যদি পৰা নাই তেন্তে আপুনি গুৰুত্বপূৰ্ণ বুলি ভবা যিকোনো এটা চয়ন কৰক আৰু তাৰ পৰাই আৰম্ভ কৰক। নীতিনিষ্ঠ নেতাৰ উক্ত দহটা আদৰ্শক অনুসৰণ কৰিয়েই আপুনি এজন আস্থাভাজন, সন্মানিত আৰু শক্তিশালী নেতালৈ ৰূপান্তৰ হ'ব পাৰে।

প্ৰক্ৰিয়া হিচাপে স্পষ্ট হ'লেও ই এটা অনন্ত যাত্ৰা। সকলোখিনি জনাৰ পাচতো এই যাত্ৰা শেষ নহয়। যথাৰ্থত ই আৰম্ভণিহে। এবাৰ কিছু প্ৰগতি লাভ কৰিলে বা অগ্ৰগতি প্ৰত্যক্ষ কৰিলেও পুনৰ আৰম্ভ কৰক। নিজকে পুনৰ ব্যাখ্যা কৰক। যদিও আপোনাৰ অগ্ৰগতি সন্তোষজনক নহয়, দেখিব আপোনাৰ বিশ্বাসৰ আধাৰ কিছু পৰিপক্ক ৰূপ লৈছে।

জীৱনটো হৈছে এটা অবিৰত যাত্ৰা। পাৰ্থক্যটো হৈছে আমি সংকুচিত হৈছো নতুবা বিকশিত হৈছো। প্ৰকৃতিৰ বুকুত কোনো বস্তুৰেই স্থিৰ নহয়। আমিও নহয়। সেয়েহে যাত্ৰা পথে আপোনাক নিৰ্বাচন কৰাৰ পূৰ্বেই, যাত্ৰা-পথ নিৰ্বাচন কৰি নিজৰ নিয়তি নিজেই নিয়ন্ত্ৰণ কৰিব লাগিব।■

# COMMUNITY LEADERSHIP

**Paramananda Chayengia**

What is a community leader? Are you One?

Community leaders take responsibility for the well-being and improvement of their communities. Are you a community leader'? Are you interested in becoming one? Try answering the questions in this leadership quiz. Are you someone who: Wants to improve your Community?

Has something to contribute?

Doesn't 't wait around for someone else to get the job done?

If you have answered, "yes" to any of the above questions, you are most likely a community leader already, or on your way to become one. You don't have to become a Member of Parliament or be given a title to be a leader. All your need to do is decide to take responsibility for some corner (or bigger chunk) of your community. Community leaders are often self-appointed. Many community leaders learn by trial and error. That's not a bad way to go; people mostly learn from experience. None- the less, flying by the seat of your pants can be a bumpy ride. So why not get some help along the way?

**Why should I be a community leader?**

Why should be a community leader? Leadership can be good for you. In fact, many people enjoy leading. You don 't have to

lead out obligation. You can choose to lead and participate in ways that energies you and help you grow, instead of leading in ways that drain you. You can choose to work on issues that you care about. You can take on challenges that are fun rewarding or interesting. It's up to you. Let's take a closer look at what you can gain from being a leader:

**You can make a difference :**

Do you ever daydream that you are the one to save the day? Perhaps you are the passer-by who dives into the water to rescue a drowning child. It is human to want to make a significant difference in the world.

**And you can :**

The day-to-day acts of community leadership are usually not as dramatic as described above, and they usually don 't inspire a chorus of recognition. Still, as a community leader, you can make a profound contribution. Establishing a day care centre, increasing job opportunities in your community, getting rid of litter, or empowering others to lead are all activities that are heroic in their own way.

When Isis Johnson of New Orleans was four years old she saw a news report about starving children in Ethiopia, which made her feel the need to act. At five, with her grandmother at her side, she went knocking on doors asking for food donation for poor people in her community. When she was six she collected 1,600 items to give to people in need. The next year, she collected 4,000 items. When Hurricane Andrew hit she collected 1648 pieces of clothing to send to people affected by the storm. Shortly after the hurricane, Isis's grandmother suggested she start a foundation. With the help of her grandmother and a lawyer she established the Isis Johnson Foundation. Isis was then eight years old. (From Kames and Bean, Girls and Young Women leading the way 1993.)

We may not all establish our own foundations by the time we are eight, but we can make a significant difference if we put our minds to it. Doing so can be infinitely satisfying.

**You can grow**

Often, people lead because it helps them grow and expand their lives. There is almost nothing as challenging as leading groups of people. As a leader, you may need to communicate to large numbers of people, negotiate and handle dicey situations. You will become more confident in yourself and in your world if you take action to lead others around you. Many successful leaders started without confidence or skills. Some people that are leaders today once had a hard time saying anything in a small group. If you are a shy person, listen to your heart. You're not alone. You can figure out how to make your voice heard. It just takes some practice. Leadership skills are built step-

by-step. No matter what your skills are right now, you can become a better leader if you work at it. You may find yourself doing things you never imagined you would!

**We need many leaders :**

There is no room in this world for more community leaders. The model of one leader at the top with everyone else at the bottom just doesn't work for communities. One or two leaders can't possibly solve all the complex problems that our communities face. With more community leaders, our communities will do better.

The more people become leaders, the more problems will be solved. We need community leaders to think about and organize around many issues development, economic growth, substance crime, the environment, health care and the list go and on. Each issue will require a troop of skilled leaders to handle them. We need leaders who are women young people (we were all young once), low income people, people with disabilities and many others have been told that they should follow others, not lead. We need leadership from all walks of life in order to be a truly democratic Society. How will all those leaders work together? Well, that is a skill that Community leaders need to learn. We all have to learn to co-operate We all need to put aside longing for turf, status and greed in order to achieve goals that benefit everyone.

**Here are some community leadership examples:**

A citizen speaks up at the city council open meeting. Her words reveal the key issue regarding a local problem; the resulting discussion leads to a workable solution.

A few people in the neighborhood successfully organize to protest public drinking.

A family member generates a plan to help a loved one to stop abusing alcohol, enlisting the support of other family members.

A young person organizes a football match in a field in the neighborhood.

**When do I lead?**

You can always lead. As we've said earlier, you can "lead" whether you are the designated leader or not. You can always thing and act like a leader. For example, while you are sitting in a committee meeting you can think about what will help move the group forward. Does the designated leader need some encouragement? Do people need a nudge to follow through? Do you need to take an unpopular stand on a issue? people are hungry for others to help. If you take initiative to improve a situation, you will almost always delight, relieve and surprise people.

You don't have to take over someone else's leadership role in order to help things go well. In fact, one way of helping a group

functional better is by supporting the official leader. You can do this by organizing others to help with the work, by listening to the leader and by encouraging the leader when she or he feels discouraged.

**How do I lead ?**

In this section, we'll talk about a community leader does and how to do it.

**How do people learn how to lead?**

Do you have to be a "born leader" in order to lead? No people learn how to lead. Even the people who seem to do it naturally had to learn the skills of leadership. They might have learned by watching their parents, teachers or clergy. might have been given a lot of responsibility when they were young and yiighr have been expected to take charge. They might even have taken c asses in "leadership development".

**The point is this:** If you don't feel that you area "born" leader, don't let that stop you. You can become a leader by:

Jumping in and practicing

Observing others leader

Finding a mentor

Taking a class or workshop

Reading books about Leaders and Leadership

**1. Dream bi to create our personal vision**

Maybe you didn't think that day dreaming was of being a leader. Well , it is! In fact, day dreaming is one of the first things you need to do as a leader. If you are going to be a leader, it is good and necessary to dream big for yourself and for what you want to accomplish. Lili Fini zanuck, a film director and producer said," Nothing happens without a dream. The daydreaming mind will wander to something greater than the conscious mind could ever have imagined. The more you visualize your dream, the more you understand it. That's how you begin. Soon you're on the road to realizing your dream." Young people often have big hopes and dreams for what they can do to imp rove their worlds. If each one of us could remember our dreams as children, we might recall that we had some ideas too.

**Try these Exercise:**

Interview a young person. Ask him or her that what would they could do to change the world. Ask them what they wish were different. Try to remember when you were a teenager. What did you want to change in the world? Put aside practical considerations and fears. Brainstem a list of dreams you would like to see come true. So how do you take your dream and make it a reality? You can start by creating your own personal vision statement. You put dream into words that communicate to others a picture of what you want to do. Organizations have vision statements and you, as a leader, can have your own vision statement, too. Martin Luther King Jr. have a dream that my four little children will one

day live in a nation where they will not be judged by the color of their skin but by the content of their character." Now that's a vision statement. Now it's your turn. Write out a few sentences of how you want some part of your world to be. Your vision statement will remain you of where you want to be going. As you wade through the day-to-day tasks of community organizing, sometimes without recognition or encouragement, remember to, "keep your eyes on the prize."

**2. Listen to people** :

Listen to what people have to say. You need their thinking. They will grow in confidence and become more engaged, if they know their opinions are valued. Even the most difficult people have some important things to say.

**3. Decide that you are the Person to take responsibility for your Community.** You have to make a decision to lead yourself as a community leader. No one else can contribute what you can. You have a point of point that no one else has. You have a set of skills that is unique. Your corner of the world will be different if you decide to act on its behalf.

**4. Set goals**

Give your vision a sharper image. Turn up the focus. Set some long-term and short term goals. That is how you carve a real path to your vision.

**5. Think about the individuals in the group** :

As a leader, you need to think about how each individual is affecting the group. Are there individuals whose talents are not being well used? Is someone acting in a way that is divisive or is draining the group of its energy? Is there a person who needs some help learning? how to work in a team'?

**6. Think about the group as a whole.**

Someone has to thing about the group as a whole. Is the group cohesive? Do people in the group have a shared vision? Is there trust and a sense of mutual support? Does the group need some training to help it function better? Are there some politics the group needs to strengthen it?

**7. Propose programs and policies**

Groups need direction and policies to keep them moving towards their goals. You don't have to be a director to make proposals. You can make proposals, then listen to people's responses and then make appropriate changes. Someone needs to take responsibility for moving the whole group forward.

**8. Get the work done**

Someone has to wade through the mud and do whatever it takes This includes getting others to help and making sure that all they are covered so that the job gets done right; when need be, it also means printing out labels, cleaning up the kitchen making those extra phone calls, staying up late, to

getting very early.

**9. Recruit and teach others to become leaders**

Last, but not least: One of the central and long- term jobs community leader is to develop other leaders. Developing leaders is how we build a strong community of individuals that can work together to achieve goals. It is the basis for how a democracy works. Developing leadership is a way you can have a behind you people who Will continue to advance your cause and your goals after you have left the scene.

Community leaders should spend a good chunk of their time recruiting encouraging supporting others to become leaders. Here are steps you can take:

Find people who have leadership potential. There are people all around you who would love to be invited to lead something.

Help people view themselves as leaders. You can do this by helping them notice the informal leadership they have already taken in their lives. Are they parents? That is certainly a leadership position.

Help people identify the reasons they want to lead. Listen to people talk about what is important to them and what they wish they could change.

Assist people to choose leadership goals that are attainable and which will help them build their confidence. Nothing succeeds like success.

Support people vehicle they work to reach their goals. Listen to them talk about their successes and their feelings of discouragement; appreciate them and encourage them to keep going.

Support people when they make mistakes. Everybody needs help when the make mistakes. Help them get on the right tract and encourage them to stick with it.

Challenge people to take the next step.

**What are some qualities of successful community leaders?**

You don't have to be a perfect human being to a community leader, either. That's good, since none of us are. But it might be helpful for you know a few of the characteristics that successful' community leaders often have:

**Integrity:** To trust you, have to know that you say what you believe and act accordingly. If people trust you they may follow you to the ends of the earth.

**Courage:** It's okay to shake in your boots, but someone has to go slay dragon and it might as well be you. Leadership means that you show others the way through the dark, scary, forest. Go ahead and speak the truth even when it 's not popular.

Ability to care about others: People will follow you if they you care about them and about others. The greater your ability to care about all types of people, the more

confidence they will have in you.

**Creativity and pigging support as a leader :**

All leaders need support from others to help them keep growing and get through the fears and discouragement they face. Also, leaders sometimes feel isolated in their jobs; they need others to listen to their thinking and they need to listen to others' ideas. You can develop relationships with people for sharing your lead ership Successes, discouragement and for processing the pile of information you are exposed to in your leadership role. You can step a regular time where you and another person or more can talk about being a leader. This process can be informal and unstructured. However, some-times a little structure in a leadership group can be helpful.

**Here are some suggestions for leadership groups:**

Start the meeting with each person having a chance to talk about what is going well this starts you out with a positive tone.

2. Give each about his or being interrupted and without being given advice. Five to ten minutes works well. (This provides people a period of time to follow their own train of-thought from beginning to end.) At times you might use these questions to help each person focus. Again, let each person answer them without being interrupted. -What have you accomplished in the last period of time? (Week, month)

-What is the state of your group of organization?

-Where do you have difficulties as the leader?

-What are your goals during the next period of time?

**A word on emotion**

All humans that live in the modern age get stressed Out now and then. And the demands of leadership can pile on even more stress. Leaders have to figure out how to handle emotions due to the stress of their jobs. You might feel crabby after a day of dealing with a myriad of problems. In fact, the more challenges you take on as a leader, the more Emotional fallout you may, experience and it isn't surprising that, it becomes harder to think straight.

Under stress, we may all become frozen or conduced in our fears, worries and discouragement. When that happens it is easy to react without thinking. Sometimes our feelings cause us to avoid actions, when actions are called for. Sometimes our fears drive us to act in ways that are unworkable. It is not unusual for people in leadership positions to deal with built-up emotions by hurting themselves. We all familiar with People who take drugs or alcohol, smoke, get sick etc. when stresses get too overwhelming.

Most of us have struggled with these ourselves. But you are too important to let

bad feelings damage you. Your own well-being is at least as important-it as the causes and people you are fighting for. Don't wait until you are in trouble before you deal with your emotions. so, what do you do when stresses build-up? One thing you can do is un load them. Get someone to listen to you and tell them what is going on. Tell someone what gets hard for you. If you get some good attention, then you can cast off some of the weight that hangs on you. You may feel renewed in your commitment and more able to think afresh about those difficult problems. Taking helps. So does crying and laughing. A good cry or hearty laugh with a co-worker or friend can clear a space in brain to sort out some of those knotty problems.

And chances are, if you can tell someone else what is going on for you, they will be more than happy to come to you when they need some help. In fact, then you ask for help you are modeling effective leadership. Here is a more formal version of the listening exercise described above:

1. Find a friend or co-worker you trust.
2. Ask your friend to listen to you without giving advice or interrupting.

   Ask them to not judge you for your feelings.
3. Ask them to keep confidentiality.
4. Take a specific amount of time to talk.
5. Ask the listener if they would like a turn to talk when you are finished. Setting up listening exchanges may feel awkward and embarrassing at first. Listening well to what people have to say in different from every day conversation. The exercise above will take some practice, but it will definitely help you to think more clearly and feel more positive about the work you are doing.

**To sum it up:**

It's just possible that community leadership is a job that is made for you. Remember, you are the one and the only one, who can decide what kind responsibility you would like to take to make sure things go well in your corner the world. Go ahead and dare to take hold of your dreams and do the work that is meaningful to you. You have the ability to make significant changes in the lives of the people with whom you work, live, and play. ■

৪

# খচৰা দলিল

## সাংগঠনিক অধিৱেশন

মিচিং মিমাগ কৌবাং, টাকাম মিচিং পৰিণ কৌবাঙ, টাকাম মিচিং মিমে কৌবাং
৩১ অক্টোবৰ আৰু ১ নবেম্বৰ, দিছাংমুখ, শিৱসাগৰ।

আমি মিচিং মিমাগ কৌবাঙৰ যোৱা ডিমৌ অধিৱেশনত আমাৰ সাংগঠনিক আসোৱাহ তথা দুৰ্বলতা সম্পৰ্কে আলোচনা কৰিছিলো আৰু সিবিলাক দূৰ কৰিবলৈ এখন সাংগঠনিক অধিৱেশন অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লৈছিলো। কিন্তু এইবছৰৰ অভূতপূৰ্ব আৰু বিধংশী বানপানীয়ে এনে এক পৰিস্থিতি সৃষ্টি কৰিছে য'ত আমি ব্যাপক প্ৰতিনিধিত্বৰে বহল ভিত্তিত পূৰ্ণাংগ অধিৱেশন অনুষ্ঠিত কৰাটো সম্ভৱপৰ হৈ উঠা নাই। সেয়েহে কম প্ৰতিনিধিত্বৰে অনুষ্টুপীয়াকৈ সাংগঠনিক অধিৱেশন পাতিব লগা হ'ল। আশা কৰো অধিৱেশনত উপস্থিত প্ৰতিনিধিসকলে অধিৱেশনৰ গুৰুত্বপূৰ্ণ আলোচনা আৰু সিদ্ধান্তসমূহ পৰ্য্যায়ক্ৰমে জিলা, আঞ্চলিক কমিটি আদি কৰি তৃণমূল পৰ্য্যায়লৈ নিষ্ঠাৰে কঢ়িয়াই নিব।

**গণতান্ত্ৰিক কেন্দ্ৰীকতাৰ নীতি পালন ঃ**

আমি আমাৰ সংবিধানত ঘোষনা কৰিছো যে আমাৰ সংগঠন গণতান্ত্ৰিক কেন্দ্ৰীকতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু বাস্তৱত আমি গণতান্ত্ৰিক কেন্দ্ৰীকতাৰ মৰ্মবস্তুক হৃদয়ঙ্গম কৰিব পৰা নাই। গণতান্ত্ৰিক কেন্দ্ৰীকতাৰ নীতিক পালন কৰিব পৰা নাই। জনগণৰ প্ৰিয় সংগ্ৰামী সংগঠন হিচাপে আমাৰ সংগঠনৰ জন্ম হৈছে। উমৈহতীয়া লক্ষ, উদ্দেশ্য, আশা আৰু প্ৰতিশ্ৰুতিৰে আমি সংগঠনত ঐক্যবদ্ধ হৈছো। কিন্তু সংগঠনৰ ঐক্য

কেতিয়াও পৰম বা Absolute নহয়। প্ৰকৃতাৰ্থত সংগঠন হ'ল ঐক্য আৰু বিৰোধৰ আন্তঃক্ৰিয়াৰ সমষ্টি সংগঠনত যেতিয়া বিৰোধৰ উপাদানসমূহে প্ৰাধান্য বিস্তাৰ কৰে তেতিয়াই তাছপাতৰ ঘৰৰ দৰে সংগঠন ভাঙি পৰে। সংগঠন বহু আৰু বিভিন্ন লোকৰ সমষ্টি। প্ৰত্যেককৰে চিন্তা আৰু ক্ৰিয়াও বেলেগ বেলেগ। এতেকে সংঘাত হোৱাটো স্বাভাৱিক। সংগঠনৰ ভিতৰৰ আন্তঃসাংগঠনিক বিৰোধ বিলাকৰ মীমাংসাৰ বাবে সংগঠনটোত যদি অৰ্ন্তনিহিত কোনো পদ্ধতি বা System নাথাকে তেন্তে ভিতৰুৱা বিৰোধে সংগঠন এটাক নিঃশেষ কৰি পেলাব পাৰে।

সংগঠন কৰাৰ বাবে শাসকীয় বা বুৰ্জোৱা দল বিলাকে একধৰণৰ আৰু তাৰ বিপৰীতে জনগণৰ সংগ্ৰামী দল বিলাকে আন এক ধৰণৰ সাংগঠনিক পদ্ধতি অৱলম্বন কৰে। শাসকীয় বা বুৰ্জোৱা শ্ৰেণী স্বাৰ্থক প্ৰতিনিধিত্ব কৰি একোজন গ্লেমাৰ সম্পন্ন নেতাক আৰু ৰাজনৈতিক ক্ষমতাক কেন্দ্ৰ কৰিয়েই শাসকীয় বা বুৰ্জোৱা দল বিলাক সংগঠন পৰিচালিত হয়। এনেবোৰ সংগঠনত হাইকামাণ্ডৰ সিদ্ধান্তই চূড়ান্ত। অৰ্থাৎ সংঘটনৰ সকলোবোৰ সিদ্ধান্তই কেন্দ্ৰীয়ভাৱে হাইকামাণ্ডে লয়। সংগঠনত আভ্যন্তৰীণ গণতন্ত্ৰ নাথাকে।

শাসকীয় বা বুৰ্জোৱা সংগঠনৰ পদ্ধতিৰ বিৰুদ্ধে জনগণৰ সংগ্ৰামী সংগঠন সমূহৰ পদ্ধতি গণতান্ত্ৰিক হ'বই লাগিব। অন্যথা এনে সংগঠনে জনগণক প্ৰতিনিধিত্ব কৰিব নোৱাৰে। সাধাৰণ ভাৱে আমি বুজো যে গণতান্ত্ৰিক মানে গৰীষ্ঠসংখ্যকৰ মতামত, নীতি, সিদ্ধান্ত ইত্যাদি। কিন্তু গৰীষ্ঠসংখ্যকে যিটো ক'ব সিয়েই হ'ব বুলি গণতান্ত্ৰিকতাৰ নামত স্বতঃস্ফূৰ্তভাৱে সংগঠন চলিবলৈ এৰি দিলেও সংগঠন চলিবলৈ এৰি দিলেও সংগঠন নহ'ব। বিশৃংখলতা আৰু নৈৰাজ্যবাদে সংগঠনক ডুবাই পেলাব।

আমাৰ সংগঠনৰ বিশালতা, বৈচিত্ৰতা আৰু বিভিন্ন ধৰণৰ বৈষম্যৰ মাজত সমন্বয় আৰু ঐক্য থাকিব লাগিব। গণতান্ত্ৰিকতাৰ নামত আমি বিভিন্ন জিলা কমিটি সমূহক স্বাধীন ভাৱে কাম কৰিবলৈ এৰি দিব নোৱাৰো। এনে কৰিলে একেটা ইছ্য বা বিষয়ত বেলেগ বেলেগ জিলা কমিটিয়ে বেলেগ বেলেগ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে আৰু তেতিয়া জিলা কমিটিসমূহ মূল সংগঠনৰ পৰা বিচ্ছিন্ন হৈ স্বতন্ত্ৰৰীয়া সংগঠনত পৰিণত হ'ব। কেন্দ্ৰীয় কমিটি পৰ্যৱসিত হ'ব— একধৰণৰ ফেডাৰেছনলৈ আৰু ই দুৰ্বল হৈ পৰিব।

সেয়েহে এটা সংগঠনৰ আভ্যন্তৰীণ গণতন্ত্ৰ শৃংখলাবদ্ধ হ'ব লাগিব। সমন্বয় আৰু ঐক্যৰ বাবে গণতান্ত্ৰিকতাৰ লগতে কেন্দ্ৰীকতাৰো প্ৰয়োজন। মতাদৰ্শগত ঐক্যই গণতান্ত্ৰিকতাৰ মূল কথা। গণতান্ত্ৰিক কেন্দ্ৰীকতাই এটা সংগঠনৰ কোনো সিদ্ধান্ত গ্ৰহণ বা কমিটি গঠন, নেতা নিৰ্বাচন আদিৰ ক্ষেত্ৰত সকলো স্তৰত সকলো সদস্য -সদস্যাৰ অংশগ্ৰহণৰ স্বাধীনতাক প্ৰতিষ্ঠা কৰে আৰু সংগঠনক ঐক্যবদ্ধ কৰি এজন মানুহত পৰিণত কৰে। গণতান্ত্ৰিক কেন্দ্ৰীকতাৰ মূল নীতিসমূহ হৈছে—

(ক) সংখ্যালঘু সংখ্যাগুৰুৰ অধীন (খ) ব্যক্তি সংগঠনৰ অধীন (গ) তলৰ কমিটি ওপৰৰ কমিটিৰ অধীন, (ঘ) সকলো কমিটি কেন্দ্ৰীয় কমিটিৰ অধীন আৰু (ঙ) সকলো স্তৰৰ সকলো কমিটি আৰু সকলো বিষয়ববীয়া গণতান্ত্ৰিক

নিৰ্বাচনৰ জৰিয়তে গঠিত বা নিৰ্বাচিত হ'ব।

গণতান্ত্ৰিক কেন্দ্ৰীকতাৰ এই নীতি সমূহক আমাৰ সংগঠনত কটুকটীয়াকৈ পালন আৰু অনুশীলন কৰিব নোৱাৰিলে আমি শক্তিশালী সংগ্ৰামী সংগঠনত পৰিণত হ'ব নোৱাৰিম।

**সংগঠনৰ গাঠনিগত কিছু সমস্যা ঃ**

আমাৰ সংগঠনৰ বৰ্ত্তমানৰ গাঠনিটো হৈছে কেন্দ্ৰীয় কমিটি- জিলা আঞ্চলিক কমিটি আৰু গাঁও কমিটি। আমি একোটা প্ৰাশাসনিক মহকুমাৰ এলেকাক লৈ আমাৰ এখন সাংগঠনিক জিলা কমিটি গঠন কৰে। কিন্তু দেখা গৈছে যে ব্ৰিটিছে এৰি থৈ যোৱা প্ৰশাসনিক গাঠনি এটাৰ ওপৰত নিৰ্ভৰ কৰিয়েই অসম চৰকাৰে জিলা, মহকুমা ইত্যাদি গঠন কৰিছে। ৰাইজৰ সা-সুবিধাতকৈ চৰকাৰৰ সা-সুবিধাইহে এই জিলা, মহকুমা ইত্যাদি গঠন কৰাত প্ৰাধান্য পাই আহিছে। আমিও তাকে অনুসৰণ কৰাত আমাৰো বহু সাংগঠনিক অসুবিধাই দেখা দিছে। এতেকে প্ৰশাসনিক মহকুমাক লৈ জিলা কমিটি গঠন কৰা নিয়মক ত্যাগ কৰি আমাৰ সাংগঠনিক সা-সুবিধালৈ লক্ষ্য ৰাখি জিলা কমিটিসমূহ গঠন কৰা নিয়ম গ্ৰহণ কৰা উচিত।

উদাহৰণ স্বৰূপে ধেমাজি জিলা কমিটিক দুখন জিলা কমিটিত ভাগ কৰিব পৰা যায়। মুক্তিয়াৰ, ছিলাপথাৰ,কুলাজান, উজনি, মধ্য আৰু নামনি ছিছি টঙানি আঞ্চলিক কমিটিসমূহক লৈ এখন জিলা কমিটি আৰু বাকী আঞ্চলিক কমিটি সমূহক লৈ আন এখন জিলা কমিটি গঠন কৰিব পৰা যায়। একেদৰে লক্ষীমপুৰ জিলা কমিটিক উজনি আৰু নামনি হিচাপে দুখন জিলা কমিটিক ভাগ কৰিব পৰা যায়।

আঞ্চলিক কমিটিসমূহৰ চাৰিসীমাৰ ক্ষেত্ৰতো আমি প্ৰয়োজন অনুসৰি পুনৰ বিবেচনা কৰা উচিত। প্ৰয়োজন সাপেক্ষে কেন্দ্ৰীয় কমিটিৰ পোনপটীয়া পৰিচালনাত বিশেষ কমিটি গঠনৰ ব্যৱস্থাও কৰিব লাগে।

লক্ষীমপুৰ আৰু ঢকুৱাখনা জিলাত বিভক্ত হৈ থকা অৰনৰি অঞ্চলটোক বিশেষ গুৰুত্বসহকাৰে সংগঠিত কৰাৰ বাবে কাৰ্য্যসূচী ল'ব লাগে।

সাংগঠনিক পুনৰ গঠনৰ প্ৰস্তাৱিত কৰ্মসূচী হঠাৎ সুৰমূৰ ভাৱে নকৰি এটা ধীৰ সুচিন্তিত প্ৰক্ৰিয়াৰ মাজেদি কৰিব লাগে যাতে খেলিমেলি আৰু ভুল বুজাবুজিত আমি সাঙোৰ খাই নপৰো।

**সংগঠনৰ বিষয়ববীয়াসকলৰ সৰ্য্যদা আৰু কামৰ বিতৰণ ঃ**

আমাৰ সংগঠনৰ এনে কিছুমান পদবী আছিল আৰু কিছুমান এতিয়াও আছে যিবোৰ নামমাত্ৰ। এম-এম-কেত এনে বহু কাৰ্য্যহীন পদবী এতিয়াও আছে। এনে কাৰ্য্যহীন পদবীয়ে পদমৰ্য্যদা হানি কৰে। ইয়াক দূৰ কৰা উচিত।

সংগঠনত কি কি পদবী থাকিব আৰু পদসমূহৰ মৰ্য্যদা কি হ'ব তাক নিৰ্দ্দিষ্ট কৰা উচিত। পদসমূহৰ মৰ্য্যদা আৰু কতৃত্ব প্ৰতিষ্ঠা কৰিব নোৱাৰিলে সংগনৰো মৰ্য্যদা আৰু কতৃত্ব প্ৰতিষ্ঠা কৰিব নোৱাৰি।

পদাধিকাৰী সকলে যাতে সঠিক ভাৱে কাৰ্য্যনিৰ্বাহ কৰে তাৰ বাবে প্ৰত্যেকৰে কাম-কাজ নিৰ্দ্দিষ্ট কৰি দিব লাগে। সমতুল ভাৱে কামৰ বিতৰণ হ'ব লাগে।

এই সম্পৰ্কে এখন সাংগঠনিক বিধি বা Organisational প্ৰস্তুত কৰিব লাগে।

**সংগঠনৰ পতাকা আৰু প্ৰতীকক জনপ্ৰিয় কৰি**

**তোলক ঃ**

সংগঠন এটাৰ চিন্তা, নীতি, নীতি, আদৰ্শক জনগণৰ মাজত জনপ্ৰিয় কৰি তোলাৰ বাবে, সংগঠনৰ উপস্থিতি সৰ্বত্ৰ বিৰাজমান কৰি তোলাৰ বাবে সংগঠনৰ পতাকা আৰু প্ৰতীকক সৰ্বত্ৰ জনপ্ৰিয় কৰি তুলিব লাগে। কিন্তু আমাৰ পতাকা আৰু জনপ্ৰিয় নহয়। সেয়ে প্ৰায়ে ভুল পতাকা আৰু প্ৰতীক ব্যৱহাৰ কৰা দেখা যায়। পতাকা আৰু প্ৰতীক সৰ্ম্পকে মাজতে হোৱা সংশোধনীয়েও যথেষ্ট খেলিমেলি ধাৰণা সৃষ্টি কৰি ৰাখিছে। পতাকা আৰু প্ৰতীক সকলোৱে আঁকি ব্যৱহাৰ কৰিব পৰাকৈ সহজ-সৰল হোৱা বাঞ্চনীয়।

সেয়েহে, এম এম কেৰ পতাকা সৰ্ম্পকে যোৱা জেংৰাইমুখ অধিৱেশন গ্ৰহণ কৰা সংশোধনী বাতিল কৰি পতাকাখন কেৱল ৰঙা আৰু হালধীয়া ৰঙৰ হওক। দ্বিতীয়তে প্ৰতীক চিহ্ন হিচাপে উদিত সূৰ্য্যৰ সলনি পূৰ্ণ সূৰ্য্য আৰু অৰ্ধ চন্দ্ৰ গ্ৰহণ কৰা হওক।

টি এম পি কে আৰু টি এম এম কেৰ ক্ষেত্ৰত বৰ্তমানৰ পতাকা আৰু প্ৰতীককে জনপ্ৰিয় কৰি তোলাৰ ব্যৱস্থা গ্ৰহণ কৰক।

সকলো কাৰ্য্যসূচীত পতাকা আৰু প্ৰতীক ব্যৱহাৰ কৰাটো বাধ্যতামূলক হ'ব লাগে।

**কমিটিৰ দ্বাৰা কাৰ্যনিৰ্বাহক ঃ**

গণতান্ত্ৰিক কেন্দ্ৰীকতাৰ নীতি মতে ব্যক্তি সংগঠনৰ অধীন। সংগঠনৰ দ্বাৰা ব্যক্তি পৰিচালিত হ'ব লাগে। ব্যক্তিৰে দ্বাৰা সংগঠন নহয়। সংগঠনৰ সিদ্ধান্তই চূড়ান্ত। সংগঠনৰ সিদ্ধান্ত এটাক প্ৰত্যেক আখৰে আখৰে পালন কৰিব লাগে। কিন্তু এনে বিজ্ঞান সন্মত নীতিৰ বিপৰীতে আমাৰ সংগঠনত ব্যক্তিত্ববাদৰ প্ৰাধান্যৰ বেমাৰ আছে। আমাৰ এনে নেতা কৰ্মী আছে যি সদায় নিজৰ খেয়াল খুছি মতে কাম কৰে, সমূহীয়া ভাৱে কাম কৰাৰ সলনি অকলে অকলে কৰে, সংগঠনৰ সিদ্ধান্তক উলংঘা কৰে। ফলত সংগঠনত বিশৃংখলতা সৃষ্টি হয়। সংগঠনৰ সমন্বয় আৰু সংহতি নাইকীয়া হয় ।আমাৰ এনে বহু নেতা আৰু কৰ্মী আছে যি কোনো কমিটিয়ে কোনো সিদ্ধান্ত লোৱাৰ পাছত সিদ্ধান্ত সম্পৰ্কে অজ্ঞতা প্ৰকাশ কৰে। কমিটিৰ সিদ্ধান্তৰ সৈতে যুক্ত হ'ব নিবিছাৰে। বহু ক্ষেত্ৰত দেখা যায় কমিটিক বাদ দি বহু নেতা আৰু কৰ্মীয়ে অকলে বা দুই তিনিজনে গ্ৰুপ সৃষ্টি কৰি সিদ্ধান্ত গ্ৰহণ কৰে বা কাম কৰে। এইবিলাকে সংগঠন বিৰোধী নৈৰাজ্যবাদী প্ৰৱণতা। এনে প্ৰৱণতা দূৰ কৰিবৰ বাবে তলৰ ব্যৱস্থাসমূহ ল'ব লাগিব—

ক) আমাৰ সংগঠনৰ বিভিন্ন স্তৰত গঠিত বিভিন্ন কমিটিসমূহক সক্ৰিয়, সজাগ আৰু কতৃত্বশীল কৰি তুলিব লাগিব।

খ) কমিটি সমূহৰ বৈঠক নিয়মীয়াকৈ অনুষ্ঠিত কৰিব লাগিব।

খ) কমিটিসমূহৰ বৈঠক নিয়মীয়াকৈ অনুষ্ঠিত কৰিব লাগিব।

গ) প্ৰত্যেকজন সদস্য সাংগঠনিক ভাৱে কোনো কমিটিৰ লগত যুক্ত হ'ব লাগিব আৰু কামৰ দায়িত্ব ল'ব লাগিব।

ঘ) প্ৰত্যেকৰে কামৰ দায়িত্ব নিৰ্দ্দিষ্ট কৰি দিব লাগিব।

ঙ) কমিটিৰ আনুষ্ঠানিক বৈঠকৰ বাহিৰে আন ঠাইত কোনো সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰিব।

চ) কমিটিৰ বৈঠকত কেৱল কমিটিৰ সদস্য-সদস্যা সকলহে উপস্থিতি থাকিব। তলৰ কমিটিৰ

সদস্য-সদস্যাই বিশেষ ভাৱে নিমন্ত্রিত নহ'লে ওপৰ কমিটিৰ উপস্থিত থাকিব নোৱাৰিব। এনে কৰিলে কমিটিৰ সদস্য-সদস্যা সকলৰ গুৰুত্ব বাঢ়িব আৰু কতৃত্ব প্রতিষ্ঠা হ'ব।

ছ) সিদ্ধান্ত গ্ৰহণৰ পাছত কমিটিৰ সকলো সদস্য-সদস্যাই সিদ্ধান্ত ৰূপায়ণৰ বাবে সমানে কাম কৰিব লাগিব।

জ) কোনো সিদ্ধান্ত সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত গ্ৰহণ কৰাৰ পিছত তাক কোনো সদস্য-সদস্যাই বিৰোধিতা কৰিব নোৱাৰিব। সকলোৱে সংখ্যাগৰীষ্ঠৰ সিদ্ধান্তক নিজৰ সিদ্ধান্ত বুলি গ্ৰহণ কৰিব লাগিব।

**শ্লোগানক জনপ্ৰিয় কৰক আৰু জনগণৰ মাজলৈ লৈ যাওক ঃ**

শ্লোগান হ'ল— কোনো সিদ্ধান্ত বা মেছেজক কম সময়ৰ ভিতৰত বিশাল জনগণৰ মাজলৈ কঢ়িয়াই নিয়া আৰু জনগণক সংগঠিত কৰাৰ বাবে এক পদ্ধতি। একেটা সময়তে শত্ৰুক আতংকিত কৰা কৰা আৰু আঘাত হনাৰো ই পদ্ধতি। এটা দীঘলীয়া বক্তব্যক একেটা সময়তে এক বিশাল এলেকাৰ অগণন জনতাৰ মাজলৈ নিয়াত মাধ্যমৰ বহু অসুবিধা আছে। কিন্তু দীঘলীয়া বক্তব্য এটাক মাত্র কেইটামান শব্দৰ এটা শ্লোগানলৈ সংকুচিত কৰিব পাৰি আৰু অতি সহজে জনগণৰ মাজলৈ কঢ়িয়াই লৈ যাব পাৰি। ইয়াৰোপৰি শ্লোগানৰ দ্বাৰা জনগণক জাগ্ৰত কৰিব পাৰি, উৎসাহিত কৰিব পাৰি আৰু সহজে সংগঠিত কৰিব পাৰি।

কেৱল গণ আন্দোলনৰ ক্ষেত্ৰতহে যে শ্লোগানৰ মূল্য আছে এনে নহয়; সাংগঠনিক, শিক্ষামূলক, সাংস্কৃতিক আদি কাৰ্যকলাপৰ ক্ষেত্ৰতো শ্লোগানৰ গুৰুত্ব সমানে থাকে। উদাহৰণ স্বৰূপে আমি এই সাংগঠনিকৰ অধিৱেশনৰ সিদ্ধান্তসমূহ আমাৰ সৰ্বস্তৰৰ কৰ্মীৰ মাজলৈ কঢ়িয়াই নিবলৈ শ্লোগান ঠিক কৰিব পাৰো যে 'শক্তিশালী আন্দোলনৰ বাবে শক্তিশালী সংগঠন গঢ়ি তোলক।"

সেয়েহে, যিকোনো সিদ্ধান্ত, বক্তব্য বা কাৰ্যসূচীক জনগণৰ মাজলৈ নিয়াৰ আগমুহূৰ্ত্তত সদায় এটা শ্লোগান ঠিক কৰি লোৱাটো নিয়মত পৰিণত কৰক।

**নতুন যোগ্য কেডাৰ (কৰ্মী) ৰ সন্ধান আৰু নিযুক্তি ঃ**

আমাৰ সংগঠনত বৰ্তমান যি পৰিমাণৰ নেতা আৰু কেডাৰ আছে সি যথেষ্ট নহয়। বিশেষকৈ নেতৃত্ব দিব পৰা গুণসম্পন্ন সদস্য-সদস্যাৰ সংখ্যা খুব কম। দ্বিতীয়তে কোনো সদস্য-সদস্যাই সংগঠনত চিৰস্থায়ী নহয়। বিভিন্ন কাৰণত বহুতেই আদবাটতেসংগঠন ত্যাগ কৰে আৰু বাকী সকলেও এদিন এই পৃথিৱী ত্যাগ কৰিব লাগিব। কিন্তু আমাৰ প্ৰিয় সংগঠনটো চিৰস্থায়ী হ'ব লাগিব। সেইকাৰণে আমাৰ আন সকলো কাম কাজৰ মাজত এটা প্ৰধান কাম হ'ল- জনগণৰ মাজৰ পৰা যোগ্য কৰ্মী, ভৱিষ্যতৰ নেতা বাচনি কৰা আৰু তেওঁলোকক সংগঠনৰ মাজলৈ অনা। তাৰবাবে জনগণৰ মাজৰ অগ্ৰণী অংশটোৰ লগত পুংখানুপুংখ ৰাজনৈতিক আলাপ-আলোচনা কৰাটো আমাৰ নিয়মীয়া অনুশীলন হ'ব লাগে।

**নিৰবিচ্ছিন্ন ৰাজনৈতিক কাম কাজ ঃ**

আমাৰ সংগ্ৰামত পথত মাজে মাজে বিৰতি আহি পৰাটো স্বাভাৱিক। এনে বিৰতিৰ সময়ত সাংগঠনিক কামকাজৰো বিৰতি আহে। এই বিৰতি

বিভিন্ন কাৰণত আহিব পাৰে। যি কাৰণতেই বিৰতি নাহক, এই বিৰতি বৰ বিপদজনক। এনে বিৰতিয়ে সংগঠনক এলেহুৱা আৰু দুৰ্বল কৰে। বিৰতিৰ পাছত সদায় কোনো ডাঙৰ বিপদ বা বাধা আহে যাক অতিক্ৰম কৰি যাবলৈ অধিক শক্তিৰ প্ৰয়োজন হয়। বিৰতিৰ সময়ত যি সংগঠন এলেহুৱা দুৰ্বল হৈ পৰে সি সন্মুখৰ সংকট বা বাধাৰ মুখামুখী হ'ব নোৱাৰি অধিক দুৰ্বল হৈ পৰে। এতেকে বিৰতি আহিলে বিৰতিৰ সময় খিনিতো সংগঠনক সজীৱ, সজাগ কৰি ৰাখিব লাগে আৰু শক্তি আহৰণ তথা সঞ্চয়ৰ বাবে সময়খিনি ব্যৱহাৰ কৰিব লাগে। নিৰবিচ্ছিন্ন ৰাজনৈতিক কামকাজ কৰিলেহে সংগঠন সদায় সজীৱ আৰু সজাগ হৈ থাকে। কোনো ৰাজনৈতিক ইচ্যু বা বিষয়ক আমি কেতিয়াও এৰাই চলিব নালাগে; বৰং যুক্তহে হ'ব লাগে। এজন শৰীৰ চৰ্চা কৰা মানুহে মাজতে বহি দিলে তেওঁৰ শৰীৰত মেদ জমা হয়, এলেহুৱা হয় আৰু তেওঁৰ শৰীৰ নষ্ট হয়। তেওঁ নিজৰ শৰীৰ অটুট ৰাখিবলৈ সদায় ব্যায়াম অনুশীলন কৰিবই লাগিব। একেদৰে আমিও সদায় ৰাজনৈতিক কামকাজ কৰিবই লাগিব। সকলো ধৰণৰ ৰাজনৈতিক ইচ্যুত আমি নিজকে সদায় যুক্ত ৰাখিব লাগিব।

**সামাজিক শাসন ঃ**

আমাৰ সংগঠন নিপীড়িত জনগনৰ; আমাৰ সংগ্ৰাম নিপীড়িত জনগণৰ মুক্তি বাবে। তাৰ বাবে আমাৰ সংগঠন এনে এক ৰাজনৈতিক শক্তিত পৰিণতি হ'বলৈ হ'লে এক শক্তিশালী সামাজিক ভেটি গঢ়ি তুলিব লাগিব। সামাজিক ভিত্তি অবিহনে ৰাজনৈতিক শক্তি মূৰ দাঙি উঠিব নোৱাৰে। এতেকে ৰাজনৈতিক শক্তিত পৰিণতি হোৱাৰ প্ৰয়াসৰ লগে লগে সামাজিক শক্তি হিচাবে বিকাশ লাভ কৰাৰ অনুশীলনো কৰিব লাগিব।

আমাৰ ৰাজনৈতিক ব্যৱস্থাটো যেনেকৈ ত্ৰুটিপূৰ্ণ আৰু যেনেকৈ কিছুমান প্ৰতিক্ৰিয়াশীল শক্তিয়ে আমাক শাসন কৰি আছে ঠিক তেনেকৈ আমাৰ সামাজিক ব্যৱস্থাটোতো বহু আসোঁৱাহ আছে। প্ৰতিক্ৰিয়াশীল শক্তিৰ লগতে প্ৰতিক্ৰিয়াশীল চিন্তা-ধাৰাইও আমাক সামাজিক ভাৱে শাসন কৰি আছে।. সামাজিক পৰিৱৰ্তন সচেতন সংগ্ৰামৰ দ্বাৰাইহে কৰিব পৰা যায়। সেয়েহে আমি সামাজিক ভাৱে শাসন কৰিব পৰা এটা শক্তিত পৰিণত হোৱাৰ প্ৰয়াস আৰু অনুশীলন কৰিব লাগিব। সামাজিক বিষয়সমূহত আমাৰ উপস্থিতি আৰু হস্তক্ষেপ অতি প্ৰয়োজনীয়। আমি সমাজক সফল ভাৱে সংগঠিত আৰু পৰিচালিত কৰিব পাৰিলেহে আমাৰ ৰাজনৈতিক সংগ্ৰাম সহজ হৈ পৰিব।

**জনগণক শিক্ষিত কৰক আৰু জনগণৰ পৰা শিক্ষা লওক ঃ**

আমাৰ ৰাজনৈতিক মতাদৰ্শ, নীতি, কৌশলগত অৱস্থান, আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় পৰিস্থিতি ইত্যাদি সম্পৰ্কে জনগণক শিক্ষিত কৰাটো আমাৰ কৰ্মী সকলৰ অন্যতম প্ৰধান কৰ্তব্য। জনগণক সংগঠিত কৰা, সজাগ কৰা আৰু আন্দোলনত যুক্ত কৰোৱাৰ বাবে মুল চাবি-কাঠি হৈছে জনগণক শিক্ষিত কৰা। আৱেগিকভাৱে বা ক্ষন্তেকীয়া স্বাৰ্থত সংগঠিত জনগণ সাময়িক ভাবেহে সংগঠনৰ লগত থাকিব। কিন্তু ৰাজনৈতিকভাৱে শিক্ষিত জনগণ চিৰস্থায়ী ভাৱে সংগঠনৰ লগত থাকিব, সংগঠনক সহায় আৰু সমৰ্থন কৰিব, কৰ্মীক আশ্ৰয় দিব, সৰ্বোপৰি বিপদৰ সময়ত সংগঠনক ৰক্ষণাবেক্ষণ দিব।

গুৰুত্বপূৰ্ণ সামাজিক, সাংস্কৃতিক আদি বিষয়তো জনগণক শিক্ষিত কৰা প্ৰয়োজন। বিভিন্ন সভা সমিতি, আলোচনা আদিৰ উপৰিও জনগণক শিক্ষিত কৰাৰ বাবে বিশেষ কাৰ্যসূচী সময়ে সময়ে ল'ব লাগে।

এনে বহু বিষয় আছে য'ত জনগণৰ জ্ঞান আমাতকৈ বহু বেছি। মানৱ জাতিৰ হাজাৰটা বছৰৰ ইতিহাস আৰু সংগ্ৰামৰ পৰা জনগণে অমূল্য জ্ঞান আৰু অভিজ্ঞতা আহৰণ কৰি ৰাখিছে। জনগণৰ এই জ্ঞান আৰু অভিজ্ঞতাক সন্মান জনাব লাগিব আৰু আন্তঃক্ৰিয়াৰ যোগেদি আমি সিবিলাকক শিকিব লাগিব।■

# NÉ:NG TANI:ÉM KÍNGGÍYA: MONAM (WOMAN EMPOWERMENT)

*Gubindo Taíd*

Do:ng amo:so né:ng tani: kama:mílo okkosin lemma:yai. Odok légangé to:dí to:dílo né:ng tani:ém lennam (sristi)lok kangga (protik) kísapé todaggom okolai oklailo bulum tani: kisapé toma:pé rénam-konam atta:r kisapésin tonamém ka:pa:dag. Monu-honghita (Manusanhita) do lutung , - "né:ng tani:ém ko:ka:do abudé, mímbírdolo milbo:dé odokké minédolo aodé ka:si:pa:ye. Né:ng tani:ém édílo:sin aísuapé du:monamdé kabomang. Yamné bidílo bima:mílo abudé, mímbírra du:dolo amír-asong ajonpé jonma:mílo milbo:dé odokké milbo:dok sikurdolo ka:si:ma:mílo aodé lure:kosupénépé baddo." *Greek* mé:rí:né *Plato (429-347 BC)*bík lukampé migomlo milbongé la: né:ng annyipagdé ka:sí:nam agerém gerpa:yé odok léga:pé atéglok okum agerém la: midang da:namém mépakpa:yé. Kapila:lé mo:rumém ka:si:pénélok atékpé atí ékuserangé (property) du:la:ma odokké ommangém onam,

usa:nam, ka:si:nam agerdé appíngké dumsu ageré. Kapila:né kapiné agerdé sékképé kabodagji édémpé imopa:yé odokké kapiné kumdang (institution) ageré réngamképé la: mo:rumképé aima:ji édém mépakpa:yé. Édémpé imílo mo:rumkolok midumlok ake:kopé kíbíg kané né:ng tani:lok gerpénamém réngamé pa:la:yé. *Greek*lok akoda mé:ríné *Aristotle (484-322 BC)* bik lukampé né:ng tani:é milbong tani:lok atta:r daggom pagbo pagném péyam bottaya:daggom aíké méngkampé ila:namé kama odokké milbongé rajnotik agerro milbong tani:é lukampépag né:ng tani:ém germopa:yé.

Édémpé to:dí to:dílo né:ng tani:ém jatérokompé lula gínamém ngolu ka:begdag. Né:ng tani:é milbongém péyam kéígya:dag, pagla:ya:ma émna mé:loko lenmoto. Mélo-konnopésin édémpé mé:namko asud-arutkopé dunga:da. Odok légangé né:ng éla: milbongém akammonam (gender equality) légangé UNO lokké luté:la Mo:rum Né:ng Komison (National Commission for Women), Mimong Né:ng Komison (State Women Commission) ém ba:lenla kapé imílo né:ng tani:ém kínggí:la:moyeji édémbulu síggabla agerém gernamém ka:pa:dung.

Bharotsok agomém lumílo né:ng milbong akamnam (gender equality) léga:pé Bharodlok Runggolo Néríng Pangkamlo (Fundamenta Rights) lo naré:pé lukanbitung. Sém kétínsula né:ng tani:lok ainam légangé bankí bangkí ayonémbulum molentung. Odogbuluk ara:lok kéíkké lukannam kídíngém lukanla:dag; -

1. ***The Provisions of The Protection of Women From Domestic Violence Act, 2005***. Milbongé lang érang tani:é né:ng tani:ém iri-sinyopé inamém motumnam légangé.

2. ***The Dowry Prohibition Act, 1961.*** Yamné gíné né:ng tani: éra:lok murkong manggom omptiém korad radla la:namém motumnam légangé.

3. ***The Immoral Traffic Prevention Act, 1986***. Né:ng tani:ém írma:né agerém imonamém motumnam légangé.

4. ***Maternity Benefit Act, 1961***. Omong pa:mango:dapé po:lo akke:ko odokké omong pa:bíddag lédudo po:lo akke:ko agerro gíma:pésin gerré manggom dormoangém pa:la:namém imonam.

5. ***The Muslim Women (Protection of Rights onDivorce) Act, 1986***. Musolman né:ng tani:ém mé:nam mé:sa:la Talak, Talak, Talak émna léumko luge:la lídémpé mépakkunamém lutumnam. Talak bipémílo bím turra du:nam légangé murkongém bipénamém imonam.

6. ***The Indecent Representation of Women (Prohibition) Act, 1986.***

Lusargo:namlo, tubjedla

la:lennamlo, adnamlo, moimang jignamlolobulu né:ng tani:ém aima:pé léngkannamém motumnam.

7. ***The Commission of Sati (Prevention) Act, 1987***. Milbongé siyémílo bíko sikodolo né:désin simínnam ili:-ikamém motumnam légangé.
8. ***The Hindu Adoption and Maintenance Act, 1956***. Né:ng omém usa:nam élang ka:si:nam légangé molannam ayon.
9. ***The Hindu Succession (Amendment) Act, 2005***. Kouwé lang ko:né:ngé ané-abulok ékusérangém (ompoti) ém akampé pa:la:moné ayon.
10. ***The Marriage Act, 1955***. Hindu midangém kapé momílo kabodoji édém lubiné ayon.
11. ***The Medical Termination of Pregnancy Act, 1971***. Ao géné né:ng tani:ém milbong tani:lok méngkampé níjemla orípé opagmonamém motumnam légangé.
12. ***The Hindu Minority and Guardianship Act, 1956***. Ajji:né Hindu ko:ko:néngém ao-omépé tosa:la usa:nam élang ka:sí:nam légangé.

Sémbulum mége:la:sin ager gerté:lo né:ng tani:é mungga:pé agerém gerra:dopé anguru:né ayon ékkém molentung. Édébulu -

1. ***The Factories Act, 1948***. Atí atí agomé dungge:la:sin né:ng tani:ém yo:lo agerém germonamém motumnam.
2. ***The Equal Remuneration Act, 1976***. Ager gerné né:ngai milbongai akam gerré manggom dormoangém pa:la:nam légangé.
3. ***The Sexual Harassment of Women at Workplace (Prevention, Prohibition and Redressal) Act, 2013***. Ager gerté:lo né:ng tani:ém iman-isannam manggom luman-lusannamém motumnam.

Bharotsok Runggosém lute:la taléngké lukannam takam ayon kídíngé né:ng tani:ém kínggí:monam légangé la:lentung. Sokki né:ng tani:é aide kínggí:sunamko ige:la réngam ainam légangé ainé agerko gerra:dag. Mé:popénam ageré aso aso:pé né:ng éla: milbongé akamdag, akampé kínggí:dag, akamné agerém gerra:dag émnam mé:lotko réngam ara:lo a:dubong.

Akoda mé:popénam agomdé okkon émmílo ané-abu kídarésin omé lang aowo akamo:dag émnam mé:lotko gédubong. Mélo-konnoupé né:ng oméko oyémílo éra:dok takamé mé:dirnam a:ngko gédungai. Édémpé ikolok né:ng tani:lok kíbígé ajji:ya:dungai. 1990 dítagdo né:nglok la: milo:lok kíyí:sunam midum kotégé (onupat) 927 : 1000-pé ila dungai. Émge:la gíné 30 dítag ara:so né:ng tani:lok midum kíbígé bojeya:la gídung. Migomlok Érang lang Ékér Pe:le:lok kíbíg

kílennamé lukanbikampé né:ng tani:lok la: milo:ng tani:lok kíyí:sunam midum kotégé (onupat) 927 : 1000-dokké 1020-1000-pé idung. Lupé lumílo né:ng tani:lok kíbígé bojeya:la gídung. To:dí to:dílo né:ng tani:ém milbong tani:é modub-morubla mé:lola ka:dungai. Odokké réngam éla: rajnotik pangkamém bulukkélok rotpagdungai. Milbong sikolo simínnam, ko:né:ngé ajjoupé mida:pé binam, tumbo né:ngém ami:l gítenla:moma:nam atí ili:-ikamki né:ng tani:ém iyod-gíyodla, ka:yod-kamadla, sa:jemnna iri-sinyom idungai. Milbong tani:ém toban-ya:né réngamlo né:ng tani:ém la: né:ng omém mé:lo-ka:lonamé dungkolok buluk turnamdé pékosunam turnamé émna mé:supé idungai. Né:ng tani:lok aki: ara:lok auwém la:pagnam agerém motunam légangé ayoném molentunggom sillopésin édémpé ao mokenamé kama:pé ika:bong émna migjemna lula:ma:da. Kupsila édémpiné agerém geryartíla du:da émna tadbegdag. Émdaggom Bharot sadindagdok lédupé bangkí bangkípé ayoném molenna kínggí:pé agerém gerbonamki odokké né:ng tani:lok ainam légangé né:ng tani:lok ékér éla: bangkí bangkí igulné asoni:ém la:lenla né:ng réngamlok moimangém aiya:pé lennadopé idumsudung. Odok légangé né:ng tani:é réngamém tujemna mékolokké aíé kéng émna kínggí:sula daglenpé iye. Édémpé daglen-gílenmílo ngoluk mo:sumso 50% koda midumé gílennampé iye. Édémpé gílenmílopag mo:rumsok 100% midumé gílenna réngamlok ainam légangé appíng agerém gernampé iye. Milbong tani:lok akam akampé né:ng tani:égom atí agerro imín-gímínla:ye. Odok légangé anggo kané kin-goko ngolum lagiye odokké né:ng tani:é édémpiné kin-goko pa:la:nam bédangko ma:ya:pé ilenbipa:ye.*

৬

# মিচিং বয়ন শিল্প

## নাহেন্দ্ৰ পাদুন

মিচিং ছোৱালীয়ে খোজ কাঢ়িবলৈ শিকাৰ আগতে নাচিব জানে আৰু কাপোৰ পিন্ধিবলৈ শিকাৰ আগতে ব'ব জানে। এনে শিল্পনৈপুণ্য পৃথিৱীৰ আন জনজাতিৰ মাজত বিৰল। ভাৰততো আন জাতি আৰু জনজাতিৰ মাজত বয়ন শিল্প তিৰোতাৰ মাজত আৱদ্ধ নাথাকে। কোনো কোনো জাতিৰ মাজৰ বয়ন শিল্প পুৰুষৰহে কাম। তিৰোতাই বোৱা কটা নকৰে। অসমৰ জনজাতিৰ মাজত বয়ন তিৰোতাৰ একচেটীয়া শিল্প আৰু গাইগুটীয়া অৰ্থনীতিৰ অঙ্গস্বৰূপ; বিশেষকৈ মিচিং তিৰোতাৰ বাবে। বোৱা কটাত পুৰুষে অংশ লোৱা নিষেধ।

মিচিং শিপিনীৰ তাঁতশাল দুবিধ। এবিধ সৰু, এফালে এটা টোলোঠা দুটা খুটাত আউজাই লৈ আনফালে কঁকালত এচটা চামৰাযুক্ত পেটীৰে মেৰিয়াই লোৱা হয়। ইয়াৰ ৰাচ নাইবা মাকো ব্যৱহাৰ নকৰে। এপাট চেপেটা বাঁহৰ মাৰিৰে (য়াপা) সূতা সুমুৱাই দি বয়। এইবিধ তাঁতশাল আৰু আৰু সহজ, ইচ্ছানুযায়ী ঘৰৰ ভিতৰলৈ, বাহিৰলৈ নাইবা পথাৰলৈ নিব পাৰি। 'গাদু' (জিম কাপোৰ), 'মিবু গালুগ' (মিবু চোলা), 'গাপা' কঁকালৰ টঙালি আৰু মোনা এইবিধ তাঁতশালত সহজে ব'ব পাৰি। অৰুণাচলৰ বেছিভাগ জনজাতিৰ মাজত এইবিধ তাঁতশালৰ প্ৰাধান্য আছে। আনবিধ তাঁতশাল হৈছে অসমত সচৰাচৰ প্ৰচলিত তাঁতশাল। দুয়োবিধ তাঁতশালকে মিচিং শিপিনীয়ে নিপুনতাৰে ব্যৱহাৰ কৰিব পাৰে।

মিচিং ভাষাত বোৱা কটা বিষয়ক যিমান শব্দাৱলী আছে আন কোনো বিষয়তে

সিমান শব্দ নাই। ইয়াৰ পৰাই বুজিব পাৰি যে মিচিং শিপিনীয়ে বয়ন শিল্পত কিমান গুৰুত্ব আৰোপ কৰে। এইবোৰ শব্দাৱলীয়েই শিল্প সাধনাৰ নিদৰ্শন দাঙি ধৰে। কাপোৰত তোলা ফুলৰ আৰ্হিবোৰকো কেইবাটাও নামেৰে শ্ৰেণীবিভাগ কৰিছে। যেনে- গামিক্, পঃৰে, আপ্পুন্, পাঃৰি, কেংচা, কংগাৰ ইত্যাদি।

ব্যৱহাৰ্য মন্ত্ৰ প্ৰয়োগ কৰাৰ আগতে যেনেকৈ আওঁৰাই লয়, মিচিং শিপিনীয়েও কাপোৰৰ ফুলবোৰৰ চানেকিত তুলি আওঁৰাই থয় আৰু তোলাৰ আগতে চানেকি মেলি লয়। 'মিমাং' চানেকি সাময়িক আৰু স্থায়ী দুই ধৰণৰ। ক'ৰবাত হঠাতে ফুলৰ আৰ্হি তুলি ল'বলৈ কলপাত চিৰি খেৰৰ কাঠি সুমুৱাই দি আৰ্হি নকল কৰে। কলপাতত তোলাৰ হেতুকে সিবোৰ স্থায়ী নহয়। স্থায়ী চানেকিত 'গাদু অন্ন' অৰ্থাৎ জিম সূতাত বাঁহৰ খৰিকা সুমুৱাই ফুলৰ আৰ্হি নকল কৰি ৰাখে। সেইবোৰ পুৰুষলৈ পৰম্পৰাক্ৰমে হাত বাগৰি গ'লেও নষ্ট নহয়। চানেকিত ফুল তোলা আৰু সেইবোৰ সংৰক্ষণ কৰা শিপিনীক বিদগ্ধ পণ্ডিতৰ দৰে গণ্য কৰে। বিবাহৰ ক্ষেত্ৰত বোৱা কটাৰ নিপুণতাক ছোৱালীৰ এটি অপৰিহাৰ্য অৰ্হতা বুলি মিচিং সমাজে গণ্য কৰে।

অসমৰ হাবিতলীয়া শুকান মাটিত যথেষ্ট পৰিমাণে কপাহ খেতি হয়। মিচিং তিৰোতাই নিজেই আচুতীয়াকৈ কপাহ খেতি কৰে। অৱশ্যে ব্যৱসায়িক ভিত্তিক কপাহ খেতি কৰি বোৱা কটা কৰা শিপিনীৰ সংখ্যা নিচেই তাকৰ। কপাহৰ পৰা 'গাদু' জিম কাপোৰ, 'গাদু গালুক', জিমৰ কোটচোলা তৈয়াৰ কৰে। 'মিৰি জিম' অসম বিখ্যাত। নৱবিবাহিতা পুত্ৰ-বধুক ল'ৰাৰ মাকে প্ৰথম দিনাই জিম কাপোৰ দিয়াটো এটা ৰীতি। কপাহী কাপোৰত বাদেও এড়ি আৰু মুগা পুহি তাৰ আঁহৰপৰা সূতা উলিয়াই কাপোৰ বয়। তাৰ উপৰি আজিকালি বজাৰৰ কলৰ সূতাৰ পৰাও বিবিধ কাপোৰ বয়।

মিচিং শিপিনীৰ আটাইতকৈ মন কৰিবলগীয়া কথা হ'ল ৰঙৰ নিৰ্বাচন আৰু তাৰ মিশ্ৰণ। ৰঙৰ জৰিয়তে সপোন বাস্তৱত ৰূপ দিব পাৰে। আটাইবোৰ ৰঙেই প্ৰাকৃতিক। যেনে- ৰঙা, ক'লা, সেউজীয়া, হালধিয়া আৰু বেঙুনীয়া। এটা ৰঙৰ সূতাৰ লগত আন ৰঙৰ সূতা মিহলাই ঈষৎ গাঢ় কৰি ল'ব পাৰে। কপাহী সূতাক 'বুৰ্‌বাং' নামৰ এবিধ গছৰ বাকলি পানীত উতলাই সেই পানীত জুবুৰিয়াই দি ৰঙা, গোলপীয়া আৰু তেজ ৰঙা কৰিব পাৰে। তেনেকৈ বগাক হালধী পানীত প্ৰয়োজন অনুসৰি ফুট ছাই দি সৰিয়হ ফুলীয়া বা গাঢ় হালধীয়া কৰিব পাৰে। কেইবাটাও ৰঙৰ মিশ্ৰণত একোটা নতুন ৰঙো সৃষ্টি কৰিব পাৰে মিচিং শিপিনীয়ে। ৰঙৰ উজ্জ্বলতা অধিক বিকিৰণশীল (Contrastive) কৰিবলৈ এটা ৰঙৰ কাপোৰৰ ওপৰত (base) বিপৰীত ৰঙৰ সূতাৰে ফুল বাছে। এই ক্ষেত্ৰত চিত্ৰশিল্পীৰ দৰে মিচিং শিপিনীৰো ৰঙৰ সৌন্দৰ্য্যবোধ মন কৰিবলগীয়া। ক'লা ৰঙৰ কাপোৰৰ ওপৰত বগা বা হালধীয়া ফুল বাছিলে ৰঙৰ বিৰোধৰ (Contrast) কাৰণে ফুল অধিক উজ্জ্বল হয়। তেনেকৈ বগাত ৰঙা বা সেউজীয়া পাৰি; ৰঙাত ক'লা, গাঢ় সেউজীয়া, বেঙুনীয়া, আৰু ব্ৰাউনৰ ৰঙৰ দীঘে বা পথালিয়ে গ্ৰাফিক ৰেখা দিয়ে। ৰঙা আৰু ক'লা মিহলি কৰিলে ব্ৰাউন ৰং, ক'লা আৰু বগাৰ পৰা গোলপীয়া ৰং, বগা আৰু হালধীয়াৰ পৰা সৰিয়হ ফুলৰ

ৰং, ক'লা, ৰঙা আৰু হালধীয়াৰ পৰা বেঙুনীয়া ৰঙৰ কাপোৰ বৈ উলিওৱাৰ পদ্ধতি মিচিং শিপিনীয়ে ভালকৈ জানে।

'এগে' (মেখেলা), 'দুমীৰ' (গামোচা), চেলেং চাদৰ আদিত বছা ফুলবোৰ ঘাইকৈ চুকীয়া (Diamond) কণীয়া (বা হাঁহ কণীয়া) ত্ৰিভুজীয়া (Cheveron) আৰু জ্যামিতিক ৰূপৰ। 'মাঃনী' লতীয়া বা চক্ৰ ৰেখাৰ আছে যদিও সম্পূৰ্ণ ঘুৰণীয়া ফুল বা কল্কা দেখা নাযায়। ঘুৰণীয়া কৰিবলৈ গ্ৰাফিক ৰূপত (Graphic pattern) বাছি উলিওৱা হয়। কোনো কোনোৱে আকৌ চুকীয়াৰ মাজত বহুতো চুকীয়া ত্ৰিভুজৰ ভিতৰত বিপৰীত ভূজীয়া ত্ৰিভুজ তোলা দেখা যায়। মিচিং 'পতালি' বা 'চেগবুং' অৰ্থাৎ বিবাহিতা তিৰোতাই কঁকালত পিন্ধা কাপোৰৰ 'গামিক্' ফুলৰ আৰ্হি কণীয়া দট্ ৰেখা (Dotted line) আৰু সৰল ৰেখাৰ পোৱা যায়। 'দুমীৰ' গামোচা, 'পঃতুব্' ওৰণিত প্ৰাকৃতিক ফুল, দট্ ৰেখা, সৰল ৰেখা থাকে। গামোচা আৰু এড়ী কাপোৰৰ দুমীৰ আৰু মিবু চোলাৰ তলফালে কটা খেৰৰ দৰে নোবোৱা একাংশ ওলমি থাকে। এড়ী আৰু জিম কাপোৰত দহি বটা থাকে। পুৰুষৰ সাধাৰণ ভাৱে পিন্ধিবলগীয়া চোলা আৰু মেখেলাৰ দৰে পথালিয়ে 'গাৰি' গ্ৰাফিক ৰেখা থকা কাপোৰো আছে। এইবিলাকতো ৰং মিশ্ৰণৰ বৈশিষ্ট্য লক্ষ্য ৰেখা, লতীয়া বা বেঁকা আৰু দট্‌ৰেখা। (Strips মিচিং 'কংগাৰ') পোৱা যায়। দীঘে লতীয়া নাইবা ত্ৰিভূজীয়া ৰেখা প্ৰায় দেখা নাযায়। ৰেখাবোৰৰ ঠেক ৰঙৰ বিৰোধ বা বিকিৰণৰ ওপৰত । এই ক্ষেত্ৰত ৰঙৰ বিৰোধ বা মিশ্ৰণত শিপিনীৰ পাৰদৰ্শিতা ফুটি ওলায়।

মেখেলা, ৰিহা, কেব্বুং আৰু 'চেগৰীক'ৰ পাৰি আৰু মূৰত এটা বা কেইবাটাও ৰেখাৰ সন্মিলন হ'ব পাৰে। মেখেলাৰ পাতলিৰ ওপৰত লতীয়া ৰেখাও (Curved line) থাকে। কাপোৰত এইবোৰ ব'বলৈ সহজ। পাৰি আৰু পাতলিৰ কাৰুকাৰ্য সৰল আৰু পোনপটীয়া; কেতিয়াবা ঘনাই বৈ দিয়া এনে ধৰণৰ ৰেখাৰ চিত্ৰই কাব্যিক অনুপ্ৰাসৰ সৃষ্টি কৰে। কিন্তু কাব্যৰ পদান্ত মিলৰ দৰে ই একঘেঁয়ে নহয়, বৰং বিচিত্ৰতাহে প্ৰকাশ পায়।

বুকু কোলা গালুগৰ (চোলাৰ) পিঠি ফালে আৰু তলৰ ফালে চুকীয়া আৰু পূৰণ চিহ্নৰ ৰেখা থাকে। ক'লা মেখেলাৰ বগা ৰঙৰ আঁঠুলৈকে পোৱা কণীয়া ফুলে আন্ধাৰ ৰাতিৰ আকাশৰ তৰাকে প্ৰতিৰূপায়িত কৰে। নোমাল জিম কাপোৰ নোমাল পহুৰ ছালৰ প্ৰতিৰূপ। চতুভূৰ্জীয়া (Square and grid) ৰেখা সাধাৰণতে পোৱা নাযায়।

জীৱ-জন্তুৰ চিত্ৰ মিচিং বয়ন শিল্পত কম। আধুনিকীকৰণ কৰা দুই এটা ফুলৰ চানেকীত এতিয়া দেখা গৈছে। কিন্তু সিবিলাকক মিচিং মৌলিক চানেকি বুলিব নোৱাৰি। চৰাই, গছ আৰু বিভিন্ন ফুলৰ আকৃতি পোৱা যায়। কিন্তু সেইবোৰ কাপোৰৰ ফুলৰ ৰূপায়িত কৰোঁতে গ্ৰাফিক ৰূপত আৰু খুব কম ৰেখাৰ জৰিয়তে প্ৰকাশ কৰে। মেখেলাত চৰাই আৰু মাছৰ চিত্ৰ জ্যামিতিক ৰূপত বাছি উলিয়ায়। মানুহৰ চিত্ৰও কম। সচৰাচৰ মেখেলা আৰু গামোচাত মানুহৰ চিত্ৰ নিদিয়ে।

আধুনিক বজাৰৰ প্ৰভাৱৰ বাহিৰে মিচিং শিপিনীয়ে এমব্ৰডায়েৰী কৰাৰ বিষয়ে গম পোৱা নাযায়। চিলাই

কলৰ কাম আৰু এমব্ৰডায়েৰী নতুন যুগৰ প্ৰভাৱ।

মিচিং শিপিনীৰ প্ৰতিটো ফুল, চানেকি আৰু কঙ্কাৰ সুকীয়া নাম আছে। ফুল আৰু চানেকিত কেতিয়াবা অৰ্থও অন্তৰ্নিহিত হৈ থাকে। প্ৰকৃততে প্ৰতিটো কাপোৰৰ ফুলেই প্ৰকৃতিৰ অনুকৰণ। গতিকে সিবিলাকৰ নামাকৰণত সময় আৰু ঠাই বিশেষ সুকীয়া হ'লেও মূলতঃ ইয়াৰ উৎস একেই আছিল বুলিব পাৰি। কিছুমান চানেকিক মানুহৰ মূৰ, ভৰি, তীৰৰ জোঙা আগ, চকু, মাছৰ বাকলি, ৰাতিৰ ক'লা আকাশৰ তৰা, বেলিৰ কিৰণ ৰেখা (ঠেং), লতা, ফুল, পাত আৰু ৰামধেনুৰ লগত ৰিজনি দিয়ে। চুকীয়াৰ মাজত ফোট থকা ফুলৰ চানেকিক প্ৰায়ে মানুহ আৰু মাছৰ চকুৰ লগত ৰিজোৱা হয়।

ইংৰাজী V আকৃতিৰ Chevron চানেকি সাধাৰণতে বেত বাঁহৰ কামত বেছিকৈ দেখা যায়। মিচিং ভাষাত ইয়াক 'আলাম' বোলে।

ৰঙৰ ক্ষেত্ৰটো একোটাহঁত প্ৰতীকধৰ্মী অৰ্থ মিচিং শিপিনীয়ে বিচাৰি পায় ৰঙা ৰঙে তেজ, ক'লাই আন্ধাৰ, সেউজীয়াই গছ-গছনিৰ পাত, হালধীয়াই সৰিয়হ ফুল বুজায়।

কাপোৰ বোৱা কটা আৰু পিন্ধাটো কিছুমান বিশ্বাস অন্তৰ্নিৰ্হিত হৈ আছে। ঘৰৰ মুখিয়ালে লোকে মাঙ্গলিক কামলৈ যাত্ৰা কৰিলে তাঁত বাতি কৰা নিষেধ। গাঁৱৰ কোনো লোকৰ মৃত্যু হ'লে সেই দিনাই তাঁত বোৱা নিষেধ। তিৰোতাই ঋতুমতী হ'বৰ সময়ত ক'লা মেখেলা পিন্ধাৰ নিয়ম। কোনো অনুষ্ঠানত মিবু বা দেওধায়ে 'মিবু দাগনাম্' কৰিলে নতুন মিবু গালুগ পিন্ধোৱা হয়। বিয়াৰ সময়ত দৰা কইনাক হাতে বোৱা কাপোৰ পিন্ধাব লাগে। অবিবাহিতা গাভৰুৱে 'পতালি' বা চেগৰাগ নিপিন্ধে; তেনেকৈ বিবাহিতাই চেগবুং নিপিন্ধি চেগৰাগহে পিন্ধিব লাগে। বিবাহিতা অবিবাহিতাৰ ইও এক প্ৰতীক।

আজিৰ ৰকেটৰ যুগত মিচিং বয়ন শিল্পতো বাহিৰৰ প্ৰভাৱ যথেষ্ট পৰিছে। অৰুণাচলৰ জনজাতিৰ লোকশিল্পৰ পৰা আৰম্ভ কৰি অসমৰ প্ৰতিবেশী জাতিৰ আৰু কলত বোৱা কাপোৰৰ বিবিধ চিত্ৰ চানেকি মিচিং শিপিনীয়ে গ্ৰহণ কৰিছে। যুগ অনুযায়ী মানুহৰ ৰুচিৰো পৰিৱৰ্তন হয়। তথাপি কলাৰ মিশ্ৰণ আৰু বাহিৰৰ প্ৰভাৱক বাধা দি সুকীয়াকৈ উন্নীত কৰিব পাৰিলে জাতিৰ স্বকীয় কলা নিৰূপণত ইতিহাসে সদায় কৰে।■

৭

# ৰাজনৈতিক ক্ষেত্ৰখনত মিচিং নাৰীৰ গতি-পৰিক্ৰমা

**ডাঃ বিদ্যেশ্বৰ দলে**

সমাজ একোখনৰ পৰিৱৰ্তন তথা প্ৰগতি সংশ্লিষ্ট সমাজখনৰ পুৰুষ আৰু নাৰীসকলে গ্ৰহণ কৰা ইতিবাচক ভূমিকাৰ দ্বাৰাহে সাধিত হয়। নাৰীক নিলগাই ৰাখি অকল পুৰুষে একপক্ষীয়ভাৱে গ্ৰহণ কৰা পদক্ষেপে সমাজৰ সৰ্বাংগীন উন্নতি সাধিব নোৱাৰে। নাৰী আৰু পুৰুষে সমিল-মিলেৰে যৌথভাৱে লোৱা সুপৰিকল্পিত বাস্তৱ সন্মত কাৰ্যব্যৱস্থাৰ দ্বাৰাহে সমাজ এখনৰ সামগ্ৰিক উন্নয়ন সাধন কৰিব পৰা যায়। ই এটা সাৰ্বজনীন সত্য। আনহাতে সমাজৰ উন্নতি আৰু প্ৰগতি সাধিবলৈ হ'লে পুৰুষ আৰু নাৰী সকলোৰে সামাজিক, সাংস্কৃতিক, শৈক্ষিক, অৰ্থনৈতিক তথা ৰাজনৈতিক দিশত সজাগতা, সচেতনতা থাকিব লাগিব। এইটো মন কৰিব লগা যে সাম্প্ৰতিক সময়ত সমাজ ও জাতিৰ উন্নতি সাধন কৰিবলৈ হ'লে ৰাজনৈতিক শক্তি আৰু ক্ষমতা আহৰণ কৰাটো অতি প্ৰয়োজনীয় বুলি বিবেচিত হৈছে। অৰ্থাৎ সমাজত সঞ্চিত হৈ থকা সমস্যাবোৰ সমাধান কৰা আৰু বিভিন্ন দিশত উন্নয়নমূলক কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ হ'লে ৰাজনৈতিক সদিচ্ছা আৰু পদক্ষেপ এৰাব নোৱৰা বিধি ব্যৱস্থা। কাৰণ আজিৰ পৃথিৱীত ৰাজনৈতিক শক্তি আৰু ক্ষমতাই সকলো ক্ষেত্ৰতেই প্ৰভাৱ বিস্তাৰ কৰে তথা নিৰ্ণায়ক ভূমিকা পালন কৰে। এনেস্থলত সমাজৰ উন্নতিৰ প্ৰগতি সাধনৰ ক্ষেত্ৰত পুৰুষ আৰু নাৰী উভয়েই সামাজিক আৰু ৰাজনৈতিক দায়বদ্ধতাৰে বন্ধা।

এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত মিচিং নাৰী সমাজে কেনে পৃষ্ঠভূমিত ৰাজনৈতিক ক্ষেত্ৰখনত খোজ পেলাবলৈ আৰম্ভ কৰিছিল তাক বিচাৰ কৰি চোৱা উচিত হ'ব। এই বিশেষ দিশটো মিচিং জনজীৱন ধাৰাৰ সতে সংগতি ৰাখি বিচাৰ বিশ্লেষণ কৰা প্ৰয়োজন। মিচিংসকল কৃষিজীৱী। কৃষিয়েই জীৱন ধাৰণৰ প্ৰধান অৱলম্বন। সেয়াই কৃষি উৎপাদন আৰু সেইবোৰক সংগ্ৰহ সংৰক্ষণ কৰা কামতেই তেওঁলোকে অধিক সময় আৰু শক্তি বিনিয়োগ কৰে। বিশেষকৈ অতীতত এনে কথাই আছিল মিচিং সমাজৰ ক্ষেত্ৰত বাস্তৱ ছবি। অসমৰ অন্যান্য জাতি গোষ্ঠীসমূহৰ তুলনাত মিচিং সমাজখন আছিল সকলো দিশতেই অনগ্ৰসৰ। সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক দিশত পিছপৰা, শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আছিল একেবাৰে পিছপৰা। ৰাজনৈতিক চিন্তা-চেতনা সজাগতা আহিবলৈ হ'লে সমাজখন কিছু হ'লেও শিক্ষা-দীক্ষাত আগবাঢ়িব লাগিব। কিন্তু অতি পিছতিয়াকৈ কুৰি শতিকাৰ আগছোৱাতহে মিচিং সমাজত আধুনিক শিক্ষাই ছেগা-চুৰুকাকৈ ইয়াৰ প্ৰাৰম্ভিক যাত্ৰা আৰম্ভ কৰিছিল। উল্লেখ্য যে ঊনবিংশ শতিকাৰ একেবাৰে শেষ দশকত ১৮৯২ চনত সোৱণশিৰি অঞ্চলৰ সৰিয়নিত লামোচুক এল.পি স্কুল প্ৰতিষ্ঠা কৰা হৈছিল। জানিব পৰা মতে এইখনেই মিচিং গাঁৱত প্ৰতিষ্ঠা কৰা প্ৰথমখন প্ৰাথমিক বিদ্যালয়। ক'বলৈ গলে এই প্ৰাথমিক বিদ্যালয়খনকেই আৰম্ভণিৰ বিন্দু হিচাপে লৈ মিচিং সমাজত ক্ৰমশঃ গতিত আধুনিক শিক্ষাই যাত্ৰা আৰম্ভ কৰিছিল। আৰু পিছলৈ লাহে লাহে অন্য কিছু মিচিং গাঁৱত কেইখনমান প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা লাভ কৰি মিচিং সমাজত প্ৰাথমিক শিক্ষাৰ প্ৰসাৰত অৰিহণা যোগাইছিল। অৱশ্যে এই প্ৰসাৰৰ গতি আছিল অতি মন্থৰ। এই কথা উল্লেখ কৰিব লাগিব যে এল.পি. স্কুল প্ৰতিষ্ঠা কৰাৰ বহু বছৰ পিছলৈকে মিচিং গাঁৱত কোনো এম.ই স্কুল (Middle English School) প্ৰতিষ্ঠিত হোৱা নাছিল। সেয়াই প্ৰাথমিক পৰ্যায়ৰ শিক্ষা শেষ হোৱাৰ পিছত ইয়াৰ পাছৰ পৰ্যায়ৰ শিক্ষা লাভ কৰিবলৈ মিচিং ছাত্ৰবোৰে নগৰ-চহৰৰ এম.ই স্কুলবোৰলৈ যাব লগা হৈছিল। তেনে বিদ্যালয়বোৰৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল যে উত্তৰ লখিমপুৰৰ মধ্য ইংৰাজী চৰকাৰী বিদ্যালয়। এইখন বিদ্যালয়ৰ পৰাই জাপিধৰ পেগুৱে ১৯০২ চনত এম. ই. স্কুল পাছ কৰিছিল। প্ৰাপ্ত তথ্যমতে জাপিধৰ পেগুৱেই হ'ল প্ৰথম এম ই পাছ কৰা মিচিং ব্যক্তি। তেওঁৰ পিছত সোনাৰাম পাঃএগং কটকী, তোলাৰাম দলে, আদিয়ে এম.ই পাছ কৰিছিল বুলি জনা যায়। মিচিং জনসমাজৰ আধুনিক শিক্ষাৰ প্ৰাৰম্ভিক যাত্ৰাৰ সংক্ষিপ্ত ইতিহাসখনলৈ মনোনিৱেশ কৰিলে দেখা যায় যে— প্ৰথম মেট্ৰিক পাছ কৰা লোক- বিৰু চন্দ্ৰ পাতিৰ (১৯১৯) চন, প্ৰথম বি.এ পাছ কৰা লোক— চাৰু চন্দ্ৰ দলে ১৯২৬ চন, প্ৰথম বি.এছ.চি. পাছ কৰা লোক মহীচন্দ্ৰ মিৰি (পাতিৰ) ১৯২৭ চন, প্ৰথম এম.এ পাছ কৰা লোক— মালচন্দ্ৰ পেগু- ১৯৪৯ চন, প্ৰথম এম.এছ.চি পাছ কৰা লোক— আদিত্য দলে ১৯৫৪ চন, প্ৰথম এম.বি.বি.এছ. ডাক্তৰ— ডাঃ নোমল চন্দ্ৰ পেগু ১৯৫৪ চন, প্ৰথম ইঞ্জিনীয়াৰিং পাছ কৰা লোক— উৎপল মিৰি (পাতিৰ) ১৯৬৩ চন। আনহাতে মিচিং নাৰী শিক্ষাৰ প্ৰাৰম্ভিক যাত্ৰাৰ ছবিখন এনেধৰণৰ— প্ৰথম মেট্ৰিক পাছ কৰা মহিলা- পাৰ্বতী পেগু দলে ১৯৪৭ চন, প্ৰথম বি.এ. পাছ কৰা মহিলা— চপলা মিৰি (পাতিৰ) ১৯৫৮ চন, প্ৰথম বি.এচ.চি পাছ কৰা মহিলা- অযোধ্যা দলে- ১৯৭১, প্ৰথম এম.এ পাছ কৰা মহিলা— চপলা মিৰি (পাতিৰ) ১৯৭১, প্ৰথম এম.বি.বি.এছ. ডাক্তৰ- ডাঃ বীনাপানী দলে ১৯৬৮ চন, প্ৰথম মহিলা ইঞ্জিনিয়াৰ— গীতামণি দলে- ১৯৮০ চন।

এইটো লক্ষণীয় যে মিচিং সমাজখন সামগ্ৰিক ভাৱে শিক্ষা দীক্ষাৰ ক্ষেত্ৰত পিছপৰা। আৰু তাৰে ভিতৰত নাৰীসকল আৰু অধিক পিছপৰা। এনেকুৱা

সামাজিক শৈক্ষিক পৃষ্ঠভূমিতেই মিচিং নাৰীসকলে ৰাজনৈতিক ক্ষেত্ৰখনত খোজ দিবলৈ আৰম্ভ কৰিছিল। অসমৰ অন্যতম খিলঞ্জীয়া জনজাতি জনগোষ্ঠী মিচিংসকল শদিয়াৰ পৰা ভৰলী লৈকে বিভিন্ন ঠাইত সিঁচৰিত হৈ গাঁও পাতি বসবাস কৰিছে। প্ৰথম অৱস্থাত তেওঁলোকৰ কোনো জাতীয় সামাজিক মঞ্চ নাছিল। মাত্ৰ ১৯২৪ চনত সদৌ অসম মিৰি সন্মিলন গঠন কৰা হৈছিল। অৱশ্যে ইয়াক ১৯৫৫ চনত 'মিচিং বাঃনৌ কৌবাং" বুলি নাম সলনি কৰা হয়। মিচিং সকলে এই বাঃনৌ কৌবাঙৰ ছত্ৰ ছায়াতেই সমবেত হৈ তেওঁলোকৰ জাতীয় ঐক্য প্ৰকাশ কৰি এক বিশেষ জনগোষ্ঠী ৰূপে স্বকীয় পৰিচয় দাঙি ধৰে। বাঃনৌ কৌৱাঙে মিচিংসকলৰ মাজত আৱেগিক ঐক্য সাধন কৰাৰ লগতে শিক্ষা-দীক্ষা, সমাজ-সংস্কৃতিৰ দিশত সজাগতা আৰু সচেতনা গঢ়ি তোলাত সক্ৰিয় ভূমিকা পালন কৰে। কালক্ৰমত বাঃনৌ কৌৱাং মিচিং জনসমাজৰ জাতীয় সংগঠন ৰূপে পৰিগণিত হয়। আৰু সেই মতেই কৰ্মক্ষেত্ৰত আগবাঢ়ে। মিচিং বাঃনৌ কৌবাঙে গ্ৰহণ কৰা উল্লেখযোগ্য পদক্ষেপবোৰ হ'ল— সামাজিক সংস্কাৰ সাধন আৰু মিচিং সমাজত আধুনিক শিক্ষাৰ প্ৰসাৰ সুগম কৰি তুলিছিল। এটা কথা উল্লেখনীয় যে সামাজিক সাংস্কৃতিক তথা শৈক্ষিক ক্ষেত্ৰত আশাশুধীয়া পদক্ষেপ লৈ সমাজখন আগবাঢ়ি যোৱাত সহায় কৰিছিল যদিও মিচিং বাঃনৌ কৌবাঙৰ তেনে কোনো স্পষ্ট ৰাজনৈতিক দৃষ্টিভংগী নাছিল, ৰাজনৈতিক চিন্তা-দৰ্শন নাছিল। অৱশ্যে আঞ্চলিক তথা ৰাষ্ট্ৰীয় ৰাজনৈতিক দলত থকা কোনো কোনো লোকে মিচিং বাঃনৌ কৌবাঙৰ মঞ্চক নিজৰ ৰাজনৈতিক জীৱন গঢ়াৰ বাবে ব্যৱহাৰ নকৰা হ'ল। কিন্তু মিচিং জাতিৰ বাবে কোনো উল্লেখযোগ্য ৰাজনৈতিক পদক্ষেপ লোৱা নাছিল। সেয়াই মিচিং বাঃনৌ কৌবাঙ কেৱল সামাজিক সাংস্কৃতিক সংগঠন ৰূপেই থাকি গ'ল। যাৰ ফলত বাঃনৌ কৌবাঙে নতুন দিনৰ ৰাজনৈতিক সমস্যাবোৰ মোকাবিলা কৰাত যথোচিত পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰিলে।

মিচিং বাঃনৌ কৌবাঙ মিচিং জনসমাজৰ প্ৰথম জাতীয় সংগঠন আৰু ইয়াক মিচিংসকলৰ মাতৃ-সংগঠন হিচাপে জ্ঞান কৰা হয়। সেইমতে বাঃনৌ কৌবাঙে মিচিং সমাজৰ সংগঠনসমূহৰ অভিভাৱক স্বৰূপ আৰু সেই অনুসাৰে ই কাৰ্য্য সম্পাদন কৰা কাম্য আছিল। অৱশ্যে মিচিং সমাজৰ প্ৰথম সংগঠন হিচাপে ইয়াৰ কাৰ্য্যকৰণৰ দিশত অভিজ্ঞতা প্ৰথম অৱস্থাত কম আছিল। সেয়াই সীমিত সংখ্যক শিক্ষিত আৰু অভিজ্ঞ ব্যক্তিৰে কাম কৰিব লগা হোৱাত সকলো দিশ সুচাৰুৰূপে পৰিচালনা কৰিব পৰা নাছিল। এইটো মন কৰিব লগা যে প্ৰথম অৱস্থাত এমুঠিমান উচ্চ শিক্ষিত লোকৰ দ্বাৰাহে কামবোৰ কৰা হৈছিল আৰু তেওঁলোকৰ নেতৃত্বতেই বাঃনৌ কৌবাং চলিছিল আৰু ইয়াত পুৰুষৰ প্ৰাধান্য আছিল। নাৰীৰ স্থান আছিল গৌণ। অৱশ্যে বাঃনৌ কৌবাঙৰ বিভিন্ন কামত বিশেষকৈ সাংস্কৃতিক কাৰ্য্যসূচীবোৰত মহিলাসকলক জড়িত কৰিছিল। সেইসময়ত বাঃনৌ কৌবাঙৰ সতে নিবিড়ভাৱে জড়িত মিচিং মহিলাসকল আছিল— শৰ্মাৱতী দলে, মানসী পেগু, পদ্মেশ্বৰী পেগু, জয়ন্তী চুংক্ৰাং, পমিলা দলে, মিলেশ্বৰী কুলি, প্ৰেমলতা দলে, লাৱণ্য লাগাছু, অম্ৰাৱতী দ'লে, পাৰ্বতী পেগু, তৰাদৈ পাইত, লক্ষীপ্ৰভা দলে, ৰেৱতী তায়ে, ভোলাৱতী পাইত, ইলাচী দলে, ৰেৱতী পামে, অযোদ্যা দলে আদি। ইয়াৰে শৰ্মাৱতী দলেক তেওঁৰ কৰ্মদক্ষতা আৰু কৰ্ত্তব্য নিষ্ঠাৰ বাবে বাঃনৌ কৌবাঙৰ সম্বৰ্দ্ধনা জনাই 'লৌংকান কাঃয়ুম" (Le'ngKan Ka:yum) উপাধি প্ৰদান কৰি সন্মান প্ৰদৰ্শন কৰিছিল। কিন্তু বহু দিনলৈকে কোনো নাৰীয়ে মিচিং বাঃনৌ কৌবাঙৰ নেতৃস্থানীয় পদত অধিষ্ঠিত হোৱা নাছিল। ইয়াৰ কাৰণ হয়তো পুৰুষ প্ৰধান সমাজ ব্যৱস্থা তথা শিক্ষিত ও অভিজ্ঞ মিচিং নাৰীৰ অভাৱ। লক্ষণীয় যে মাত্ৰ ১৯৯২ চনত বদতিঘাটত অনুষ্ঠিত বাঃনৌ কৌবাঙৰ ৩১ তম সাধাৰণ অধিৱেশনত শ্ৰীমতী কবিতা

দলে পেগু বাংনী কৌবাঙৰ উপসভাপতি ৰূপে নিৰ্বাচিত হৈছিল। আৰু ২০০৫ চনত বৰ্ষামুখত অনুষ্ঠিত বাংনী কৌবাঙৰ ৩৩ তম সাধাৰণ অধিৱেশনত শ্ৰীমতী অযোধ্যা দলে পেগু উপ-সভাপতি পদত অধিষ্ঠিত হৈছিল। এই দুগৰাকী উপ-সভাপতিৰ বাদে আৰু কোনো মহিলা বাংনী কৌবাঙৰ উচ্চ পদত অধিষ্ঠিত হোৱা নাই।

মিচিং নাৰী সমাজৰ ক্ষেত্ৰত ঘটা এটা যুগান্তকাৰী ঘটনা হ'ল " Takam Mime' ke'bang-TMMK" (সদৌ মিচিং মহিলা ফ্ৰণ্ট, Mising Women's Front. ) গঠন। উল্লেখ যে ১৯৮৯ চনৰ ২ আৰু ৩ ছেপ্তেম্বৰ তাৰিখে ধেমাজি জিলাৰ জীয়াধলত ৰাজনৈতিক বিষয়ক লৈ পোন প্ৰথমবাৰৰ বাবে মিচিং জাতীয় অভিৱৰ্তন (Mising National Convention) অনুষ্ঠিত হৈছিল। TMPK ৰ দ্বাৰা আহ্বান কৰা এই অভিৱৰ্ত্তন তৎকালীন অসমৰ ৰাজনৈতিক পৰিৱেশ-পৰিস্থিতিৰ কথা আলোচনা কৰা হৈছিল। বিশেষকৈ অসমৰ জনজাতীয় লোকসকলে জনজাতীয় স্বায়ত্তশাসন (Tribal Autonomy) ৰ কথা আলোচনা কৰা হৈছিল। সভাত জনজাতিসকলৰ বাবে স্বায়ত্তশাসনৰ প্ৰয়োজনীয়তা সাব্যস্ত কৰা হয় আৰু মিচিংসকলেও স্বায়ত্তশাসনৰ বাবে দাবী আৰু আন্দোলন তথা সংগ্ৰাম কৰাৰ বাবে প্ৰস্তাৱ গৃহীত হয়। সেই উদ্দেশ্যে এখন Mising Autonomous Demand Committee গঠন কৰা হয়। প্ৰণিধানযোগ্য যে— এই অভিৱৰ্তনত এই কথা গভীৰভাৱে উপলব্ধি কৰা হয় যে— স্বায়ত্তশাসনৰ বাবে কৰিব লগা সংগ্ৰামখনত সমাজৰ সকলো স্তৰৰ লোকক জড়িত কৰিব লাগিব। সেইমৰ্মে মিচিং নাৰী সংগঠন এখনৰ প্ৰয়োজনীয়তা গভীৰভাৱে উপলব্ধি কৰা হয় আৰু এখন পূৰ্ণ পৰ্যায়ৰ মিচিং নাৰী সংস্থা গঠন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু সেই অনুসাৰে পদক্ষেপ লোৱা হয়। জীয়াধলৰ জাতীয় অভিৱৰ্তনত গৃহীত প্ৰস্তাৱ অনুযায়ী ১৯৯০ চনৰ জানুৱাৰী মাহত গোগামুখত মিচিং মহিলা অভিৱৰ্তন অনুষ্ঠিত হয়। আৰু সেই অভিৱৰ্তনতে ১০ জানুৱাৰী তাৰিখে "Takam Mising Mime Ke'bang- TMMK" য়ে জন্ম লাভ কৰে। মিচিং নাৰী সমাজে এখন বিশেষ মঞ্চত সমবেত হৈ সংগঠিত ৰূপত মিচিং জাতীয় স্বাৰ্থ সাধনৰ বাবে কাম কৰিবলৈ সংগ্ৰাম কৰিবলৈ সুযোগ লাভ কৰে। মিচিং সমাজ আৰু মিচিং নাৰীসকলৰ বাবে ই এক ঐতিহাসিক পৰিঘটনা। মিচিং নাৰীসকলে এক নতুন চিন্তা চেতনাৰে কাম কৰাত ব্ৰতী হোৱাৰ দুৱাৰ মুকলি হ'ল। TMMK ৰ সাংগঠনিক দিশত নেতৃত্ব প্ৰদান কৰি কাম কৰা মহিলাসকলৰ তালিকাখন এনেধৰণৰ সভানেত্ৰীসকল— মিমৌ প্ৰভাৱতী দলে (প্ৰতিষ্ঠাপক সভানেত্ৰী), মিমৌ অযোধ্যা পেগু, মিমৌ ভানুমতী পেগু, মিমৌ মূল্যৰীনা পেগু, মিমৌ উষাৰাণী কুম্বাং। সম্পাদিকাসকল — মিমৌ উষাৰাণী কুম্বাং (প্ৰতিষ্ঠাপক সম্পাদিকা), মিমৌ নন্দিতা পেগু, মিমৌ জোৎস্না পেগু, মিমৌ কমলা দলে, মিমৌ বিচিত্ৰা দলে, মিমৌ মৃণালিনী কাগয়ুং, মিমৌ বন্তীবালা পেগু এইকেইগৰাকী নেতৃস্থানীয় মহিলাসকলে সবল নেতৃত্ব প্ৰদান কৰি TMPK ক মিচিং জাতীয় স্বাৰ্থ ৰক্ষা কৰা আৰু উন্নতিৰ পথত আগুৱাই নিয়াত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। অৱশ্যে এইকেইগৰাকীৰ উপৰিও উপ-সভাপতি, সহঃসম্পাদিকা, সদস্যসকলেও নিষ্ঠা আৰু সততাৰে কাম কৰি TMPKক মিচিং সমাজৰ বাবে গ্ৰহণযোগ্য কৰি তুলিছে।

এইটো উল্লেখনীয় যে TMMK পূৰাপূৰি ৰাজনৈতিক দল নহয় ইয়াৰ ৰাজনৈতিক দৃষ্টিভংগী আৰু ৰাজনৈতিক চিন্তা দৰ্শন থকা নাৰী সংগঠন যি মিচিং জাতিৰ উন্নয়ন সাধনৰ উদ্দেশ্যত উৎসাৰ্গিত। প্ৰতিষ্ঠাৰ দিন ধৰি TMMK ই মিচিং কৃষ্টি-সংস্কৃতি, সামাজিক ৰীতি-নীতিৰ সংস্কাৰ সাধন আৰু পৰিৱৰ্তন অনাৰ বাবে নিৰন্তৰভাৱে কাম কৰাৰ উপৰিও মিচিংসকলৰ বাবে স্বায়ত্ত লাভৰ বাবে চলাই নিয়া আন্দোলন ও সংগ্ৰামত

সক্রিয় ভূমিকা লৈ আহিছে। এই দৃষ্টি কোণৰ পৰা চালে ৰাজনৈতিক ক্ষেত্ৰখনত মিচিং নাৰীয়ে উল্লেখনীয়ভাৱেই জড়িত হৈ পৰিছে। আৰু TMMK ৰ থাকি কাম কৰাৰ ফলত মিচিং নাৰীৰ ৰাজনীতি সম্পৰ্কীয় চিন্তা ধাৰা তথা জ্ঞান অভিজ্ঞতাৰ উৎকৰ্ষ সাধন হৈছে বুলি ক'ব পাৰি।

মিচিং নাৰী সমাজৰ ৰাজনৈতিক ক্ষেত্ৰখনত খোজ পেলোৱাৰ আন এটা উল্লেখনীয় দিশ হ'ল পঞ্চায়তীৰাজ ব্যৱস্থাত অংশ গ্ৰহণ। এইটো পৰিলক্ষিত হৈছে যে বিগত কেউতা দশকত অসমত অনুষ্ঠিত হোৱা পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত তথা জিলা পৰিষদৰ নিৰ্বাচনবোৰত মিচিং নাৰীসকলে প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ কৰি আহিছে আৰু বিভিন্ন পদত নিৰ্বাচিত হৈ সাধ্যনুসাৰে কাৰ্যনিৰ্বাহক কৰিছে। ইও মিচিং নাৰীৰ উল্লেখযোগ ৰাজনৈতিক কৰ্ম সম্পাদনা। এই ক্ষেত্ৰখনত উল্লেখনীয়ভাৱে কৰ্ম সম্পাদন কৰা মিচিং নাৰী কেইগৰাকী হ'ল— মিমৌ ঊষাৰাণী কুম্বাং, মিমৌ কমলা দলে, মিমৌ বিচিত্ৰা দলে, জিলা পৰিষদৰ সদস্যা, মিমৌ অঞ্জলী মৰাং, জিলা পৰিষদ সদস্যা, মিমৌ বন্তী পেগু, জিলা পৰিষদ সদস্যা। এই কেইগৰাকীৰ উপৰিও কেইবাগৰাকী মিচিং মহিলাই আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী, পঞ্চায়ত সভানেত্ৰী আৰু সদস্যাৰ পদত নিৰ্বাচিত হৈ দায়িত্ব পালন কৰিছে।

মিচিং নাৰীসকলৰ ৰাজনৈতিক দিশত অন্যতম কৃতিত্বপূৰ্ণ কাৰ্য সম্পাদন হৈছে মিচিং স্বায়ত্তশাসন পৰিষদ (Mising Autonomous Council) ৰ শাসন ব্যৱস্থাত অংশ গ্ৰহণ কৰাটো। উল্লেখ্য যে ২০১৩ চন আৰু ২০১৮ চনত মিচিং স্বায়ত্তশাসন পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল। এই পৰিষদীয় নিৰ্বাচনত মিচিং নাৰীসকলে অংশ গ্ৰহণ কৰিছে। আৰু কেইবাগৰাকী মিচিং মহিলা সদস্যাৰূপে নিৰ্বাচিত হৈ কাৰ্য্যনিৰ্বাহ কৰিছে। সেই কেইগৰাকী হ'ল— মিমৌ মূল্যৱীণা পেগু, মিমৌ ৰঞ্জনা পেগু, মিমৌ গীতাঞ্জলী বৰি, মিমৌ মোহিনী কুটুম, মিমৌ ইন্দিৰা কুম্বাং, মিমৌ মমতা দলে, মিমৌ ববিতা নৰহ ইত্যাদি। এইদৰে মিচিং স্বায়ত্তশাসন পৰিষদত সক্ৰিয় অংশ গ্ৰহণ কৰি পৰিষদৰ শাসন কাৰ্যত জড়িত হোৱাটো মিচিং নাৰী সমাজৰ ৰাজনৈতিক সচেতনতা তথা দায়বদ্ধতাৰ কথাকেই উন্মোচিত কৰে। এইটো মন কৰিবলগীয়া যে অতি কম শিক্ষিত হাৰ থকা মিচিং নাৰী সমাজৰ পৰা ক্ৰমশঃ গতিত ৰাজনৈতিকভাৱে সচেতন মহিলা ওলাই আহি ৰাজনৈতিক ক্ষেত্ৰখনত সক্ৰিয় অংশগ্ৰহণ কৰাটো এটা উল্লেখনীয় দিশ। অৱশ্যে অন্যান্য জাতি-গোষ্ঠীৰ তুলনাত ৰাজনৈতিক ক্ষেত্ৰখনত মিচিং নাৰীৰ সংখ্যা তাকৰ আৰু উচ্চ স্থানত উপনীত হোৱা মিচিং নাৰীৰ সংখ্যা অতি নগণ্য। উল্লেখ্য যে এতিয়ালৈকে মিচিং মহিলা বিধায়ক মাত্ৰ এগৰাকী। তেওঁ হ'ল মিমৌ সুমিত্ৰা দলে পাতিৰ। তেওঁ কংগ্ৰেছ দলৰ পৰা দুবাৰকৈ বিধায়িকা নিৰ্বাচিত হৈছিল। তেওঁৰ বাদে অন্য কোনো মিচিং নাৰীয়ে বিধায়িকা বা তেনে উচ্চস্তৰীয় স্থানলৈ উধাব পৰা নাই।

ওপৰত কৰি অহা আলোচনাটোৰ পৰা এইটো স্পষ্ট হয় যে মিচিং নাৰীসকলে ৰাজনৈতিক ক্ষেত্ৰখনত কিছু আগবাঢ়িছে যদিও সন্তোষজনক বুলি ক'ব নোৱাৰি। দেশ স্বাধীনতা লাভৰ ৭৩ বছৰৰ পাছত আৰু স্বাধীনতাৰ পাছত হোৱা প্ৰথমটো সাধাৰণ নিৰ্বাচনৰ ৬৮ বছৰৰ পাছতো মিচিং নাৰীয়ে ৰাজনৈতিক দিশত সবল ৰূপত অগ্ৰগতি লাভ কৰিব পৰা নাই। তাৰ কাৰণ হয়তো মিচিং সমাজখনৰ সামগ্ৰিক অনগ্ৰসৰতা আৰু নাৰী শিক্ষাৰ প্ৰতি আওকণীয়া মনোভাৱ। এতিয়ালৈকে মিচিং নাৰী সমাজৰ পৰা মাত্ৰ এগৰাকী বিধায়িকা নিৰ্বাচিত হৈছে। আনহাতে পুৰুষৰ ফালৰ পৰা ২৩ গৰাকী মিচিং বিধায়ক আৰু তিনি গৰাকী পুৰুষ সাংসদ নিৰ্বাচিত হৈছে। পুৰুষ আৰু নাৰীৰ মাজৰ বিধায়ক আৰু সাংসদৰ সংখ্যাগত ব্যৱধান লক্ষণীয়। ইয়াৰ অন্তৰালত থকা কাৰণ নিশ্চয় বহুত। যিহেতু মিচিং সমাজখন কৃষি জীৱি আৰু মিচিং সমাজত শিক্ষা-দীক্ষাৰ প্ৰসাৰ পলমকৈ হৈছে। তাতে নাৰী শিক্ষাৰ প্ৰতি সমাজখন আওকণীয়া আছিল। নাৰী

শিক্ষাৰ গুৰুত্ব দিয়া হোৱা নাছিল। সজাগতা সচেতনতা সকলো ক্ষেত্ৰতে কম আছিল। সেই কাৰণে মিচিং নাৰীসকলে ৰাজনীতিৰ জগতখনলৈ মনোনিৱেশ কৰা নাছিল। অৱশ্যে অতি সাম্প্ৰতিক অৱস্থাৰ পৰিৱৰ্তন ঘটিছে। আজি মিচিং নাৰীসকল শিক্ষা দীক্ষাত যথেষ্ট আগবাঢ়িছে। ৰাজনৈতিক দিশৰ সজাগতা, সচেতনতা বাঢ়িছে। মিচিং নাৰী সমাজ সম্প্ৰতি ৰাজনৈতিক চিন্তা-চেতনাৰে উদ্বুদ্ধ হৈছে, সংগঠিত ৰূপত ৰাজনৈতিক আন্দোলন তথা সংগ্ৰামত ব্ৰতী হৈছে। ই নিশ্চয় আশা ব্যঞ্জক কথা। আজিৰ আধুনিক পৃথিৱীৰ পৰিৱৰ্তিত পৰিস্থিতিত নিজৰ ৰাজনৈতিক অধিকাৰ, তথা সামাজিক সাংস্কৃতিক, অৰ্থনৈতিক অধিকাৰ সাব্যস্ত কৰিবলৈ মিচিং নাৰী সমাজ সংগঠিত ৰূপত এক সংগ্ৰামী সত্তা হৈ জীয়াই থাকিব। লগতে নিষ্ঠা, সততা আৰু সংকল্পৰে কাৰ্য্য ক্ষেত্ৰত আগবাঢ়িব আৰু সৰ্বদা অতন্দ্ৰ প্ৰহৰী হৈ মিচিং সমাজৰ উত্তৰণত অনন্য ভূমিকা পালন কৰিব বুলি ৰাইজে আশা আৰু বিশ্বাস ৰাখিছে। ■

৮

# মিচিং সমাজৰ 'কাল-সংহতি' বা 'কেৱলীয়া ধৰ্ম'— এক নিৰ্মোহ বিশ্লেষণ

কালিনাথ পাংগিং

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অসম আৰু অৰুণাচল ৰাজ্যৰ ঠায়ে ঠায়ে বসবাস কৰি থকা মিচিংসকল ধৰ্মাচৰণগতভাৱে জড়োপাসক (Animists) জনগোষ্ঠী। নিজকে 'আবুতানি' বা 'আব'তানি'ৰ বংশধৰ বুলি পৰিচয় দিয়া মিচিংসকলে 'দঃঞি-পঃল' (সূৰ্য-চন্দ্ৰ)ক সাক্ষী কৰি তেওঁলোকৰ লোক বিশ্বাসৰ মাঙ্গলিক আৰু অমাঙ্গলিক দেৱ-দেৱী, জড় পদাৰ্থসমূহক পূজা উপাসনা কৰে। তেওঁলোকৰ প্ৰকৃত ধৰ্মাচৰণ হৈছে তাহানিৰে পৰা চলি অহা আৰু নতুনকৈ সংস্কাৰমুখী কৰা 'দঃঞি-পঃল' ধৰ্মৰ অন্তৰ্গৰ আচৰণ। আদিতে মিচিংসকলে নিজস্ব লোক-বিশ্বাস আৰু পৰম্পৰাত গঢ় লৈ উঠা পূজা-পাতলসমূহক 'মিবু' বা 'মিবৃ' নামৰ এবিধ পুৰোহিতৰ জৰিয়তে সমাধা কৰিছিল যদিও অসমত হিন্দু ধৰ্মৰ বিশেষভাৱে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ সংস্পৰ্শলৈ অহাৰ পিছত সেই পৰম্পৰা শিথিল হৈ আহিবলৈ ধৰে আৰু 'কেৱলীয়া' নামৰ এবিধ ধৰ্মাচৰণৰ জৰিয়তে সকাম-নিকাম আৰু পূজা-পাতল কৰিবলৈ আৰম্ভ কৰে। মিচিংসকলে গুৰুজনাৰ নৱবৈষ্ণৱ ধৰ্মৰ সংস্পৰ্শলৈ আহি বৈষ্ণৱ আদৰ্শৰ বিশেষভাৱে কাল-সংহতিৰ 'কেৱলীয়া' পন্থাৰ আচাৰ-আচৰণ পালন কৰাৰ লগতে তাহানিৰে পৰা পালন কৰি অহা নিজস্ব লোকাচাৰকো এৰি নিদিয়াকৈ দুয়োটা আচৰণকেই সমান্তৰালভাৱে পালন কৰি থাকিল। সেই অৰ্থত মিচিংসকল 'বৈষ্ণৱী হিন্দু' আৰু 'দঃঞি-

পঃল' এই দ্বৈতধৰ্মৰ বিশ্বাসত বিশ্বাসী জনগোষ্ঠী।

মিচিংসকলে সামগ্ৰীকভাৱে পালন কৰি থকা ধৰ্মমতটো হ'ল— নৱবৈষ্ণৱ ধৰ্মৰ চাৰি সংহতিৰ 'কাল-সংহতি' পন্থৰ কেৱলীয়া গোটৰ ধৰ্মাচৰণ। তেওঁলোকে কেতিয়াৰ পৰা কাল-সংহতিৰ কেৱলীয়া ধৰ্মমতৰ আচৰণ কৰিবলৈ ল'লে তাৰ সঠিক চন তাৰিখ পাবলৈ নাই যদিও গুৰু দুজনাৰ মৃত্যুৰ পিছত মাধৱদেৱৰ প্ৰধান শিষ্য, কাল-সংহতিৰ প্ৰতিষ্ঠাপক গুৰু ভৱানীপুৰীয়া গোপলদেৱৰ সময়ৰ পৰাহে পূৰ্ণগতিত শৰণ-ভজন ল'বলৈ আৰম্ভ কৰে বুলি ধাৰণা কৰা হৈছে। ইয়াৰ আগতে অৱশ্যে মহপুৰুষ শঙ্কৰদেৱৰ সময়তেই মিচিঙৰ পৰমানন্দই গুৰুজনৰ ওচৰত শৰণ লৈ বৈষ্ণৱ সংস্পৰ্শলৈ আহিছিল।

মিচিংসকলে পালন কৰা ধৰ্মাচৰণক 'কাল-সঙ্গতি', 'গুপুত ধৰ্ম', 'অময়া ভকতি', 'কেৱলীয়া' বা 'ৰাতি খোৱা' ধৰ্ম বুলিও জনা যায় যদিও 'কেৱলীয়া ধৰ্ম' নামেৰে বেছিকৈ জনাজাত। ভৱানীপুৰীয়া গোপাল আতাদেৱৰ অন্যতম শিষ্য বৰ যদুমণি আৰু সৰু যদুমণিৰ প্ৰিয় শিষ্য ৰমাই বা ৰামদেৱ। পৰৱৰ্তী সময়ত সেই ৰামদেৱৰ শিষ্যসকলেই উজনি অসমত 'ৰাতি খোৱা' বা 'ৰাতি সেৱা' ধৰ্মৰ বহল প্ৰচাৰ কৰিছিল বুলি জনা যায়। অসম কাল-সংহতি সন্মিলনীৰ দ্বাৰা প্ৰকাশ কৰা প্ৰচাৰ প্ৰত্ৰিকাত কাল-সংহতিৰ মূল সত্ৰসমূহক চিহ্নিত কৰিছে এইদৰে—

(ক) চেচাঁ আৰু মৈৰাবাৰী সত্ৰ (শিৱসাগৰ)ঃ প্ৰতিষ্ঠাপক— বৰ কৃষ্ণদেৱ

(খ) চলিহা বাৰেঘৰ সত্ৰ (মেজেঙা, শিৱসাগৰ) প্ৰতিষ্ঠাপক— সৰু কৃষ্ণদেৱ

(গ) বুদবৰী সত্ৰঃ প্ৰতিষ্ঠাপক— বিজয়ানন্দদেৱ

(ঘ) কাটনিপাৰ সত্ৰঃ প্ৰতিষ্ঠাপক— সুনন্দদেৱ। সেইজনা সুনন্দদেৱেই সবাটোকৈ আগৰ 'ৰাতি সেৱা'ৰ প্ৰচাৰক। সেই কথাৰ প্ৰমাণ তেখেত সকলৰ মাজত প্ৰচলিত নাম-গীতত উল্লেখ পোৱা যায় এইদৰে—

(ক) কৈছে সুনন্দদেৱে শুনা বন্ধুসৱে
দিয়া সৎসঙ্গতে ঠাই।

(খ) শ্ৰীসুনন্দদেৱৰ গুপুত ভকতি
শুদ্ধ জীৱই বিচাৰি লয়।

সুনন্দদেৱ আছিল অপুত্ৰক। সৰু কৃষ্ণদেৱৰ শিষ্য—সুদৰ্শনদেৱ, বিজয়ানন্দদেৱ আৰু সুনন্দদেৱ। আকৌ সুদৰ্শনদেৱৰ শিষ্য ৰামদেৱ বা ৰমাই আৰু সুনন্দদেৱৰ শিষ্য ব্ৰহ্ম কানাই আৰু ৰুদ্ৰ কানাই। সুদৰ্শনদেৱৰ শিষ্য ৰামদেৱৰ নামো সেই প্ৰাৰ্থনা ঘোষাসমূহত পোৱা যায়—

(ক) ৰহস্য থানৰে ৰহস্য ভকতি
ৰসিকা সকলে গাই,
কৈছে শ্ৰীৰামদেৱে শুনা বন্ধুসৱে
এই ৰস শংকৰে গাই (খাই ?)।

ওপৰত উল্লেখিত সত্ৰবোৰৰ বাদেও ম'ৰা মৰা, জকাই, গজলা, কৰতিপাৰ আৰু নমাটি আদি সত্ৰবোৰতো মিচিংসকলে শৰণ লৈছিল। এই সত্ৰবোৰৰ ভিতৰত চেচাঁ সত্ৰতেই সৰ্বাধিক মিচিঙে শৰণ লৈছিল বুলি জনা যায়। মিচিং অধ্যুষিত অঞ্চল ধেমাজিৰ পৰা ভৰলীলৈকে বহুজন মিচিং মানুহে চেঁচা সত্ৰত শৰণ লৈছিল। ১৯৬৭ চনলৈকে প্ৰায় এক লাখতকৈ অধিক মিচিঙে শৰণ লৈছিল বুলি জনা যায়।

সংহতি ধৰ্মাচৰণক চাৰিটা সংহতিত বিভাজিত কৰা হৈছে যাক চাৰি সংহতি বুলি জনা যায়। এই চাৰি সংহতি হৈছে— (ক) ব্ৰহ্ম সংহতি (খ) পুৰুষ

সংহতি (গ) কাল-সংহতি আৰু (ঘ) নিকা সংহতি। কাল-সংহতিৰ প্ৰতিষ্ঠাতা ভৱানীপুৰীয়া গোপাল আতা। তেওঁৰ শিষ্যবৰ্গ হ'ল— ১। বৰ যদুমনি ২। সৰু যদুমনি ৩। মুৰাৰি ৪। নাৰায়ণ ৫। সনাতন ৬। অনিৰুদ্ধ ৭। শ্ৰীৰাম ৮। ৰামচন্দ্ৰ ৯। পুৰুষোত্তম ১০। ৰামচৰণ ১১। পৰমানন্দ ১২। দলৈ সনাতন।

কাল-সংহতিৰ হৰণ-ভজন পদ্ধতিত শূদ্ৰ গোসাঁই বা সাধুৰ দ্বাৰা শৰণ দিয়া হয়। এই শৰণ-ভজন পদ্ধতিক দুটা পদ্ধতিত বিভাজিত কৰা হৈছে— কেঁচা ভকত আৰু পকা ভকত। কেঁচা নৈবদ্য-পিঠাগুৰি, কল, চানা, মগু আদিৰে সেৱা কৰা গোটটোক কেঁচা ভকত আৰু ৰন্ধা নৈবেদ্য- মদ বা সাজ, গাহৰি, কুকুৰা মাংস আদিৰে সেৱা কৰা গোটটোক পকা ভকত নামেৰে নামাকৰণ কৰা হ'ল। অৱশ্যে কেৱলীয়া মিচিংসকলৰ ক্ষেত্ৰত সেই 'পকা-কেঁচা'ৰ অৰ্থ অলপ বেলেগ। তেখেত সকলে সাধুৰ দ্বাৰা শৰণ লোৱা সকলক 'পকা ভকত' বা 'ভকত' আৰু শৰণ নোলোৱা সকলক 'কেঁচা ভকত' বা 'কেঁচা,কেঞ্চা' বুলি অভিহিত কৰে।

ৰাতিসেৱা ধৰ্মৰ মানুহবোৰক "পূৰ্ণভগীয়া ভকত" বা "বৰখেলীয়া ভকত" বুলি কোৱা হয়। এই ভকত সকলে—

১। মদ (সাজ), গাহৰি বা কুকুৰা মাংসৰে সেৱা আগবঢ়ায়।

২। সাধুৰে সৈতে সকলো ভকতে একেটা পাত্ৰতে মদ খায়।

৩। প্ৰতিজন ভকতক ভকতনী বা সেৱকীয়ে মদ, মাংস খুৱায়।

এই ধৰ্ম পন্থাটোকেই "কেৱল ধৰ্ম" বোলে। কেৱন মানে একমাত্ৰ শিৱ বা মহাদেৱ। এই পন্থৰ আচৰণত ৰন্ধা বা সিদ্ধ কৰা মাছ-মাংসৰে ঈশ্বৰক সেৱা কৰা হয়।

ৰাতিসেৱাৰ আনুষ্ঠানিক পৰ্ববোৰ হৈছে— (ক) শলিতা লগোৱা (খ) ডাঙৰীয়া সেৱা আৰু (গ) বৰসেৱা।

বৰখেলীয়া ভকতসকলে কেইবাটাও স্তৰেৰে অগ্ৰসৰ হ'ব লাগে। এই স্তৰবোৰ হৈছে— ১। পাঞ্চনমীয়া ভকত
২। চৈয়িতীয়া ভকত ৩। কেৱলী ভকত ৪। দিগম্বৰী ভকত আৰু ৫। কেৱলী।

১। পাঞ্চনমীয়া ভকত (পাঁচ নাম) ঃ অজ জনাৰ্দনৰ পাঁচটা নাম। তেওঁলোকে 'চৰণ'লৈকে নাম পায়।

২। চৈয়িতীয়া ভকত ঃ বাৰটা নাম পায় আৰু অজৰ 'হৃদি'ক সেৱা কৰে। বাৰমাহ অৰ্থাৎ চৈত্ৰলৈকে অতিক্ৰম কৰোঁতা সকলে এইনাম পায়।

৩। কেৱলী ভকত (কেৱলীয়া ভকত) ঃ উচ্চ খাপৰ কেৱল এজনকে যি জানে তেওঁক কেৱলী বোলে।

কেৱলীয়ে আকৌ তিনিটা স্তৰেদি ওপৰলৈ উধাব লাগে। সেই কেইটা হৈছে— (ক) কৰণী (খ) দিগম্বৰী (গ) কেৱলী।

(ক) কৰণী ঃ মহা সত্যক উপলব্ধি কৰাৰ আৰম্ভণি হ'ল কৰণী। পঞ্চনমীয়া আৰু চৈয়িতীয়া হৈছে আৰম্ভনিৰ সাধনা। এই দুটা সাধনাত উত্তীৰ্ণ হৈ অতিক্ৰম কৰিলেহে কৰণী হবগৈ পাৰে।

(খ) দিগম্বৰী ঃ কৰণীক কেইবাবছৰো নিৰিক্ষণ কৰাৰ পিছত উত্তীৰ্ণ হ'লে দিগম্বৰী হ'ব পাৰে। সেৱাৰ সময়ত দিগম্বৰীয়ে তেওঁলোকৰ ভকতসকলৰ মাজত নগ্ন হৈ থাকিব লাগে।

(গ) কেৱলী ঃ প্ৰকৃত কেৱলী হ'ল শেষ আৰু উচ্চতম স্তৰ। এই স্তৰত ভকতে সকলো

পৰিব্যাপ্তীৰে উদাসীন হৈ বাস্তৱ সত্তাৰ সতে মহাসত্যক উপলব্ধি কৰাতহে মনোনিৱেশ কৰে।

এই পন্থৰ শেষ স্তৰ অৰ্থাৎ কেৱলী স্তৰত উপনীত হ'বলৈ সংসাৰৰ সকলো মায়া-মোহ ত্যাগ কৰিব পৰা কঠোৰ নীতি-নিয়মৰ মাজেদি অগ্ৰসৰ হ'ব লাগে। পাঞ্চনমীয়া আৰু চৈয়িতীয়া স্তৰৰ পৰা কৰণী স্তৰ পাবলৈও তেনে এক কঠোৰ নীতি-নিয়মৰ মাজেদি পাৰ হ'ব লাগে। কোৱা হৈছে— মানৱ শৰীৰত উত্তেজনা সৃষ্টি কৰিব পৰা পণ্যৰ লগতে উলঙ্গ নাৰীৰ দৃশ্যৰে কৰণী স্তৰ প্ৰত্যাশী ভকত জনক পৰীক্ষা লোৱা হয়। এই সম্পৰ্কে 1918 চনৰ 14 মে' তাৰিখে Reports, Assam Research Society of Kamrup Anusandhan Samiti, Vol. 10-3-64, pp, 44-45 ত প্ৰকাশ পোৱা লেখনিত এচ.চি গোস্বামীয়ে উল্লেখ কৰিছে এইদৰে— "In a covered enclosure call *dhol-ghar* (secret chamber) a Bhakat or devotee of this line who aspires to be a *Karani*, is examined by a naked woman. All other man and woman having access to this *dhol-ghar*, including the door-keepers, have to be naked. Meat, drink and other tempting eatables are placed within the dhol-ghar. If the aspirant can subdue his passions in the midst of so many temptation, he is then accepted as *Karani* and given access to all the secret worshipers and inner truth of the sect." ঢল-ঘৰৰ যোগেদি আয়োজন কৰা এনে আচৰণলৈ লক্ষ্য কৰি বহুতে 'কেৱলীয়া' বা ৰাতিসেৱা ধৰ্ম হিন্দু তান্ত্ৰিকৰ পঞ্চমাকাৰ সাধনা আৰু বৌদ্ধ ধৰ্মৰ ব্ৰজযানৰ মতৰ লগত সাদৃশ্যৰ কথা ক'ব খোজে।

মিচিং সমাজৰ মাজত প্ৰচলিত কেৱলীয়া ভকত সকলৰ ধৰ্মাচৰণৰ প্ৰতি লক্ষ্য কৰিলে 'ৰাতি সেৱা' আচৰণৰ সকলো বৈশিষ্ট্যই প্ৰতিফলিত হয়। কেৱলীয়া ধৰ্মৰ নামেৰে ৰাতি খোৱা ধৰ্ম যে মিচিং সমাজত প্ৰচলন হৈ আছে এই কথা উপন্যাস সম্ৰাট ৰজনী কান্ত বৰদলৈদেৱেও তেখেতৰ "মিৰি জীয়ৰী" উপন্যাসত উল্লেখ কৰি গৈছে এইদৰে— "অসমত ৰাতিসেৱা বুলি এবিধ ধৰ্ম আছে। ই বৰ গুপুত ধৰ্ম । এই সম্প্ৰদায়ৰ মানুহবিলাকক 'পকাভকত' বোলে। ইয়াত সকলো জাতিৰে মানুহ আছে। ধৰ্মটোনো কি এতিয়াও কোনেও উলিয়াব পৰা নাই। ৰাতিয়েই সেৱা বহে ৰাতিয়েই ভাঙে। ইয়াত কেইবাটাও বেলেগ বেলেগ ক্ৰিয়া থকা বুলি আমি শুনিছোঁ। গোপী ধৰা, নগাকীৰ্তন, ফুলকীৰ্তন, দিগম্বৰী ইত্যাদি ক্ৰিয়াৰ নাম আমি শুনিবলৈ পাইছোঁ। কিন্তু এই ক্ৰিয়াবিলাকতনো কি কৰে বাস্তৱিকতে আজিলৈকে এই কথা কোনেও উলিয়াব পৰা নাই। সকলো দেশতে এনেকুৱা একোটি 'গুপ্তধৰ্ম' আছে বুলি শুনো। শিলং জয়ন্তীয়াত 'কিশোৰী ভজন' নামেৰে এটি গুপ্ত ধৰ্মৰ কথা শুনিছোঁ। পচিমৰ সভ্য জগততো ইউৰোপীয়ৰ মাজতো 'লজ বা ক্ৰিমেশন' নামেৰে এটা ক্ৰিয়া আছে। আজি দুই হাজাৰ বছৰেও এই ক্ৰিয়াৰ মুল কথা কি কোনেও উলিয়াব পৰা নাই। যি মানুহে জানিবৰ অভিপ্ৰায়ে এনেবিলাক দলত ভুক্ত হয় তেওঁ যদি হাজাৰ বিদ্বান বা ধনী-মানী মানুহ হয় তত্ৰাচ এবাৰ দীক্ষিত হ'লে আৰু অদীক্ষিত মানুহক আনকি নিজৰ ল'ৰা-তিৰোতাকো নকয়। কিয় নকয়, কিয় ধৰ্মৰ বা জ্ঞানৰ পোহৰ সংসাৰত এটায়ে জানিব পৰাকৈ প্ৰচাৰ নকৰে ইয়াৰ একোকে বুজিব নোৱাৰি।" (মিৰি জীয়ৰী,পৃষ্ঠা-১৬)। সাহিত্যিক তৰুণ চন্দ্ৰ পামেগামেও তেখেতৰ "মিচিং ধৰ্ম,

বিশ্বাস আৰু গেনা নামৰ টোকাত উল্লেখ কৰিছে এইদৰে— "ভকতীয়া হোৱা আৰু ভকত সকলে নামঘৰত ৰাতিবিহাৰ সেৱা কৰা ৰীতি সংমিশ্রিত ধৰ্মবিশ্বাস। মিচিং সকলৰ মাজত বছৰি সামুহিকভাৱে গাঁৱৰ কল্যাণৰ কাৰণে এই ৰাতিখোৱা বা ৰাতিসেৱা ধৰ্মও নামঘৰত পালন কৰে। বহুতে এই ধৰ্মক মিচিঙৰ আদিম ধৰ্ম বুলি ক'ব খোজে। কিন্তু মিচিং সকলৰ আদিম ধৰ্মবিশ্বাসত শৰণ-ভজন লোৱা বা ভকত হোৱাৰ কোনো প্ৰচলন নাই। এই ৰাতি সেৱাৰ আশীৰ্বাদ প্ৰথা অসমীয়া মাধ্যমত চলে। আনহাতে আদিম বিশ্বাসৰ ধৰ্মানুষ্ঠানত তেওঁলোকে 'আনী দঃগ্ৰিঙ তাল্লাংকা, আবু পঃল তাল্লাংকা' বুলি কথিত ভাষাতে আৰম্ভ কৰে। ৰাতি বিহাৰত গোৱা 'যাওঁং দিৰে দিৰে গইনে গম্বীৰে, মাতাত গোৱা তালি লৈয়ে' (যাওঁ ধীৰে ধীৰে গহীনে গম্ভীৰে মাথাত গোৱা থালি লৈহে) মিচিঙৰ নিজা ভাষা কেতিয়াও নহয়। সাজতোলা (সাতোলা) বা ভকত সকলৰ মুখত 'আপঙ'ৰ বাতি দাঙি ধৰি গোৱা নামবোৰো ভঙা ভঙা অসমীয়া। ই শঙ্কৰী যুগৰ এটা বিকৃত ধৰ্মৰূপ" (তৰুণ পামেগাম ৰচনাৱলী, দ্বিতীয় খণ্ড,পৃষ্ঠা-১৬১) ।

কেৱলীয়া ধৰ্মমতৰ অন্তৰ্গৰ্ত সচৰাচৰ মিচিং সাধু-ভকত সকলে আচৰণ কৰা নীতি-পদ্ধতিবোৰ হৈছে— (ক) ঢল ঘৰ সদৃশ বন্ধ কোঠাত শৰণ-ভজন ক্ৰিয়া (খ) শৰণ-ভজনৰ প্ৰায়ভাগ কাম অতি গোপনীয়ভাৱে ৰাতিৰ ভিতৰতে সমাপন কৰা (গ) মজবুট বেৰেৰে আগুৰা নামঘৰ (ঘ) নামঘৰৰ ভিতৰত মদ আৰু মাংসৰ অবাদ ব্যৱহাৰ (ঙ) মহিলা ভকতনীয়ে পুৰুষ ভকত সকলক সন্মান-ভক্তিৰে মদ খুৱোৱা (চ) মুখ্য ভকতজনক একমাত্ৰ ঈশ্চৰ (কেৱল) জ্ঞান কৰা (ছ) শৰণ-ভজন নোলোৱা ব্যক্তিৰ হাতে নোখোৱা (জ) নামঘৰত দিগম্বৰী আৰু বৰসেৱা সকাম আদিৰ লগতে সময়ে সময়ে গাঁৱৰ নামঘৰত আৰু ভকতৰ মৃত্যুৰ পিছত কৰা আদ্য-শ্ৰাদ্ধৰ ৰাতি 'বিহাৰ গমন' নামৰ ক্ৰিয়া-কৰ্মৰ প্ৰচলন আদি। মিচিং সকলৰ কেৱলীয়া পন্থৰ ভকত সকলে পৰিচালনা কৰা 'নামঘৰ' বোৰত মনিকূটৰ অস্তিত্ব আছে যদিও গুৰু আসন স্থাপনৰ নিয়ম-প্ৰণালীও সন্দেহৰ উৰ্ধত নহয় যেন লাগে। সচৰাচৰতে নামঘৰৰ গুৰু আসনভাগি সাতখলপীয়া আৰু প্ৰতিটো প্ৰতীকৰ সংখ্যা আঠাইছটা। এই আঠাইছ সংখ্যাটো বিদ্বৎ পুৰুষৰ আঠাইছটা তত্বৰ প্ৰতীক। এই প্ৰতীকবোৰ হৈছে— পঞ্চ মহাভুত, পঞ্চ কামেন্দ্ৰীয়, পঞ্চ জ্ঞানেন্দ্ৰীয়, পঞ্চ তন্মাত্ৰ, তিনি গুণ, প্ৰকৃতি, পুৰুষ, মন, বুদ্ধি, অহংকাৰ আৰু চিত্ত। গুৰু আসনভাগক জীৱনৰ আধ্যাত্মিক উৎকৰ্ষ সাধনৰ প্ৰতীক বুলি কোৱা হয়। চাৰি সংহতিৰ ভিতৰত পুৰুষ আৰু নিকা সংহতিৰ নামঘৰত গুৰুআসন, ব্ৰহ্ম সংহতিৰ নামঘৰত সিংহাসন আৰু কাল-সংহতিৰ নামঘৰত গৰুড়াসন প্ৰতিষ্ঠা কৰাৰ নিয়ম।

এই পন্থৰ মুল ধৰ্মীয় আচৰণতবোৰত কৈৰাতজ্ঞৰ আদৰ্শত প্ৰতিষ্ঠিতভাৱে ইয়াৰ লোকাচাৰবোৰত শৈৱ, শক্তি, বৌদ্ধ আৰু বৈষ্ণৱ ধৰ্মৰ আদৰ্শও কম-বেছি পৰিমানে মিশ্ৰণ হৈ আছে। তেঁওলোকে পালন কৰি থকা কেৱলীয়া ধৰ্মাচৰণত গুৰুজনাৰ বৈষ্ণৱ আদৰ্শৰ লগতে শৈৱ, শক্তি আৰু বৌদ্ধ আদৰ্শও বিদ্যমান। কেৱলীয়া ধৰ্মৰ ঘোষাত শিৱ-পাৰ্বতীক উদ্দেশ্যি গোৱা গীত-পদবোৰ তাৰেই জ্বলন্ত উদাহৰণ। যেনে—

(ক) হৰে পাৰ্বতীৰ ৰহস্য ভকতিৰ
এহাক সাৰ কৰি ধৰা,
পাৰ্বতী যি মাতে ভকতি কৰিলে
এহাৰ কহু নিৰ্ণয়।।
(খ)চিনিয়া ভকতি ধৰা মোৰ বান্ধৱ
চিনিয়া ভকতি ধৰা,
হৰে পাৰ্বতীৰ ৰহস্য ভকতি
ইহাক সাৰ কৰি ধৰা।।

শক্তিদেৱীক আইৰূপে পূজা কৰা আৰু ভকতনী সকলক আইৰূপে কল্পনা কৰি পৰস্পৰে পৰস্পৰক 'আই' বুলি সম্বোধন কৰা কাৰ্যই শিৱ-পাৰ্বতীৰ কথাকেই সোঁৱৰাই দিয়ে।

সমান্তৰালভাৱে কেৱলীয়া ধৰ্মমতৰ মিচিং ভক্ত সকলে সংসাৰৰ মায়ামোহ ত্যাগ কৰি ভকত-ভকতনীৰ মাজত মায়াহীনভাৱে নিৰ্বাণ প্ৰাপ্তীৰ বাবে কৰা ধৰ্মীয় আচৰণ, কৰণী বা কেৱলী স্তৰ প্ৰাপ্তীৰ বাবে পালন কৰিবলীয়া হোৱা কঠোৰ বিধি-বিধান, বিহাৰ গমন অনুষ্ঠান আদি সমুহত বৌদ্ধ-তান্ত্রিক আচৰণৰ বৈশিষ্ট বিদ্যমান। এই সকলোবোৰ লক্ষ্য কৰিয়ে ডিম্বেশ্বৰ নেওগদেৱে তেখেতৰ 'যুগনায়ক শঙ্কৰদেৱ' গ্রন্থত উল্লেখ কৰা— " শঙ্কৰাচাৰ্যৰ আন্দোলনৰ ফলত বৌদ্ধ ধৰ্ম দেখাত লুপ্তপ্রায় হয় সঁচা, কিন্তু এখন দাপোন ভাগি শতখন হোৱাৰ দৰে সি মহাযান, হীনযান, কালচক্ৰযান, সহজযান, বৌদ্ধ তান্ত্রিক আদি নানা ধৰ্ম সম্প্ৰদায়ত বিভক্ত হয়, আৰু এওঁলোকৰ ভিতৰত তান্ত্রিক ক্রিয়া আৰু শক্তি-উপাসনা আদি সোমোৱাত তেওঁলোকৰ যোগেদি দেশত নানান আচাৰ প্ৰৱৰ্তিত হ'ল। এইবোৰ সম্প্ৰদায়ৰ ভিতৰত বজ্ৰযান অসমত প্ৰধান, আৰু 'সাধনামালা', 'গুহ্যসমাজ' আৰু 'গুহ্যসিদ্ধি' প্ৰভৃতি পুথিৰ যোগে তাৰ মত প্ৰচাৰ হয়। বৰ্তমান অসমৰ ৰাতি-খোৱা সম্প্ৰদায়ৰ পুথিবোৰ সম্ভৱ এইবোৰৰ ভাঙনি বা সাৰাংশ" (যুগনায়ক শঙ্কৰদেৱ, পৃষ্ঠা-২৮৩ ) বাক্যৰে কেৱলীয়া ধৰ্মৰ ঘোষা-পদবোৰ ব্যৱহাৰ হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে। তদুপৰি বৌদ্ধ ধৰ্মত নাৰীক শৰণ-ভজন দিয়াৰ দৰে মিচিং সকলৰ কেৱলীয়া ধৰ্মৰ সাধু-সাতোলা সকলেও নাৰী-পুৰুষ উভয়কে যুগল হিচাপে শৰণ দিয়ে। অৱশ্যে তেখেতসকলৰ শৰণ দিয়া পদ্ধতিক শৰণ দিয়া বুলি নকয় "জন্ম দিয়া" বুলিহে কোৱা শুনাযায়। আৰু জন্ম দিয়া সাধুগুৰুজনক 'প্ৰভু-গুৰু' বুলি সম্বোধন নকৰি 'বাপ বা দেউতা' বুলিহে সসন্মানে সম্বোধন কৰে।

কেৱলীয়া ধৰ্মাৱলম্বী মিচিং সকলে এক শৰণ বৈষ্ণৱ ধৰ্মত শৰণ ললেও বিশেষভাৱে কেৱলীয়া মিচিং সকলে শ্ৰীমন্ত শঙ্কৰদেৱৰ **"কৃষ্ণৰ কথাত যিটো ৰসিক, ব্ৰাহ্মণ জন্ম তাৰ লাগৈ কিক।। স্মৰোক মাত্ৰ হৰি দিনে ৰাতি, নবাছে ভকতি জাতি-অজাতি।।**(কীৰ্তন-১২৯) আদি ভক্তি মাৰ্গ দৰ্শণৰ পৰা আঁতৰি থাকিল। ভক্তিমাৰ্গ দৰ্শণৰ বাবে সৃষ্টি কৰি থৈ যোৱা গুৰুদুজনাৰ কীৰ্তন, নামঘোষা, ভাগৱত আদি ধৰ্মপুথিবোৰৰ সাৰমৰ্মবোৰ উপলব্ধি কৰি আয়ত্ব কৰাৰ পৰিৱৰ্তে ভোগ সৰ্বস্ব নাম-পদবোৰ আয়ত্ব কৰাত মনোনিৱেশ কৰিলে। নিচা জাতীয় বা উত্তেজক পণ্য ব্যৱহাৰৰ পৰা আঁতৰি অহাৰ বিপৰীতে ঈশ্বৰ উপাসনাৰ দৰে ভক্তি বন্দনাৰ কামতো এনে সমাগ্ৰীবোৰ পূজাৰ পৱিত্ৰ নৈবেদ্য হিচাপে ব্যৱহাৰ কৰাৰ উপৰিও নিজেও এনে পণ্য ব্যৱাহাৰ কৰি আত্মতুষ্টি লভাৰ নিমিত্তে — **'নামৰে ধৰ্মৰে মই থালি বনালোঁ পৰম যতন কৰি, তালৰে ঢাকনি গুচোৱা দোকানী মই পিওঁ আঁজলি ভৰি'** আদি নাম লোৱাত নিজেও ব্যস্ত থাকিল। অহিংসাই

পৰম ধৰ্মৰ বিপৰীতে জীৱ হত্যাত প্ৰেৰণা যোগোৱাত আগ্ৰহান্বিত হৈ পৰিল ,(অৱশ্যে তেখেত সকলে নিজে জীৱ হত্যা নকৰে)। গুৰুজনাৰ **"নমাৰিবে পশুক এৰিবে মাংস আশা, দেৱকো উদ্দেশ্যি পশু নকৰিবে হিংসা"** বাণী যেন ক'ৰবাট পৰি ৰ'লগৈ। অস্পৃশ্যতাক বিষৰ্জন দিয়াৰ পৰিৱৰ্তে হৰণ-ভজন নোলোৱাৰ অজুহাতত নিজৰ বন্ধু-বান্ধৱ আনকি নিজে জন্ম দিয়া পুত্ৰ-কন্যাৰ হাতে ৰন্ধা ৰন্ধন-প্ৰকৰণো গ্ৰহণ কৰাৰ পৰা বিৰত থাকিল। তদুপৰি গুৰু-শৰণ নোলোৱাৰ বাবে সন্তান সকলক মৃত্যুমুখী জন্মদাত্ৰী পিতৃ-মাতৃকো চুবলৈ দিয়াৰ পৰা বাৰণ নীতি প্ৰয়োগ কৰিলে। সেই সকলোবোৰত যেন এক বিশৃঙ্খল সমাজ ব্যৱস্থাই গা কৰি উঠিল। শিক্ষিত সমাজৰ মাজত বিচাৰ বিবেচনা চলিল, পৰীক্ষা-নিৰীক্ষা চলিল। কাল সংহতিৰ নামত এয়া যেন চলি আছে এটা আনুষ্ঠানিক ব্যভিচাৰ, ভোগ সৰ্বচ্চৰ এক অমানৱীয় ধৰ্ম আদৰ্শ। এনে ব্যভিচাৰী আচৰণৰ পৰা সমাজক মুক্ত কৰিবলৈ শিক্ষিত মিচিঙৰ মাজত আলোচনা চলিল। আদৰ্শবিহীন ব্যভিচাৰী ধৰ্মাদৰ্শণ বন্ধ কৰিবলৈ মিচিং সকলৰ সৰ্বোচ্চ জাতীয় অনুষ্ঠান 'সদৌ অসম মিৰি সন্মিলন' (বৰ্তমান মিচিং বাঃনী কৌবাং)ৰ মঞ্চত পোন প্ৰথমবাৰৰ বাবে আনুষ্ঠানিকভাৱে এই বিষয়টো উত্থাপন কৰা হ'ল। ১৯৩৫ চনত বহা 'সদৌ অসম মিৰি সন্মিলন'ৰ পঞ্চম অধিৱেশনত এই সম্পৰ্কত মিচিং সমাজৰ উত্তৰণৰ বাবে লোৱা কেইবাটাও প্ৰস্তাৱৰ লগতে (ক) বৰ্তমান ধৰণৰ শৰণ-ভজন সমাজৰ পৰা বৰ্জন, (খ) ৰাতিখোৱা ধৰ্মপন্থা সমাজৰ পৰা নিৰ্মুল আদি প্ৰস্তাৱ সমুহো সৰ্বসন্মতিক্ৰমে গৃহীত কৰে। ১৮৫৬ শকৰ ১ শাওণ তাৰিখৰ 'তিনিদিনীয়া অসমীয়া' কাকতত কাৰ্ক চন্দ্ৰ দলেৰ "হিন্দু ধৰ্ম আৰু মিৰি সমাজ" নামৰ প্ৰৱন্ধটি প্ৰকাশ পায়। তেখেতে লিখিছিল— " কিন্তু হিন্দু ধৰ্ম মিৰি সমাজত প্ৰচাৰ কৰাৰ লগে লগে এটা ভয়ঙ্কৰ কেৰোণ সোমাই মিৰি সমাজক অনিষ্ট কৰা দেখিহে আমাৰ দুখ লাগিছে। এই কেৰোণ হৈছে 'কালসঙ্গতি ধৰ্ম'। ইয়াক 'গুপুত ধৰ্ম', 'অময়া ভকতি' বা 'ৰাতি খোৱা' চাৰিবেদৰ বাহিৰৰ ধৰ্ম বুলিও তেৰাসকলে কয়। মিৰি সমাজৰ পৰা এই ব্যভিচাৰী 'কালসঙ্গতি' ধৰ্ম নিৰ্ম্মুল কৰি আচল হিন্দু ধৰ্মৰ কথা খিনি শিক্ষা দি 'আমি হিন্দু ধৰ্মৰ মানুহ' বুলি মিৰিসকলক পৰিচয় দিবলৈ শিক্ষা আৰু সাহ দিয়াই আমাৰ আচল উদ্দেশ্য'। (অসম কাল-সংহতি সন্মিলনৰ বিজ্ঞাপন)। এই সম্পৰ্কত লিখা তৰুণ চন্দ্ৰ পামেগামৰ ' মিৰি বুৰঞ্জী' নামৰ প্ৰৱন্ধটিও যোৰহাটৰ চৰকাৰী হাইস্কুলৰ বসন্ত সংখ্যাৰ 'জেউতি'(১৮৫৬ শকৰ ৮ মাঘ)ত প্ৰকাশ পায়। তেখেতে লিখিছিল— 'ব্ৰহ্মসংহতি বা মহপুৰুষীয়া ধৰ্মত দীক্ষিত হৈয়ো মিৰিসকলৰ বেচি ভাগেই কালসঙ্গতি ধৰ্মতহে ধৰে।' পৰৱৰ্তী সময়ত মাজুলিৰ গেজেৰা গাঁৱত বহা 'সদৌ অসম মিৰি সন্মিলন'ত লোৱা প্ৰস্তাৱটিৰ বিহীত ব্যৱস্থাৰ বাবে 'অসম কাল-সংহতি সন্মিলনী' লৈ প্ৰেৰণ কৰে। উক্ত প্ৰস্তাৱটি আছিল এনেধৰণৰ— "অসম কাল-সংহতি সন্মিলনীৰ প্ৰতিনিধি হিচাপে শ্ৰীযুত ধৰ্মকান্ত গোস্বামী মহোদয়ে সভাত প্ৰকাশ্যভাৱে কয় যে মিৰি সমাজত প্ৰচলিত 'ৰাতি খোৱা' ধৰ্ম আচল কাল-সংহতি ধৰ্ম নহয়, ই এটা মিৰি বিলাকৰ মাজত কাল-সংহতিৰ নামত প্ৰচাৰিত ফাকি ধৰ্ম। এই সন্মিলনে উক্ত কাল-সংহতি সন্মিলনীক এই কথা প্ৰমাণ দি এখন পুস্তিকা প্ৰচাৰ কৰি বৃহৎভাৱে মিৰি বিলাকক বুজাই দিবলৈ অনুৰোধ জনায়।" উক্ত প্ৰস্তাৱৰ ভিত্তিতেই ১৮৬৩ শকৰ

১৮মাঘ তাৰিখে 'অসম কাল-সংহতি সন্মিলনী'ৰ কাৰ্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত মৰ্মে কাল-সংহতিভুক্ত ব্ৰাহ্মণ আৰু কায়স্থৰ সত্তৰ গৰাকী গোসাইৰ নাম-চহীৰে এখনি বিজ্ঞাপন প্ৰকাশ কৰে। সেই বিজ্ঞাপনৰ প্ৰতিলিপি আছিল এনেধৰণৰ—" 'ৰাতি খোৱা' মত সম্পৰ্কে বিজ্ঞাপন।

আমি জানিবলৈ পোৱা গৈছে যে, মিৰি আৰু আন কোনো কোনো জাতিৰ মাজত সোমাই একশ্ৰেণীৰ ধৰ্মপ্ৰচাৰকে 'ৰাতি খোৱা' নামেৰে জনাজাত এবিধ সুৰাৰ যোগেৰে আচৰণ কৰা অৰীতিয়া ধৰ্মমত 'কাল-সংহতি'ৰ ধৰ্ম বুলি গোপনে প্ৰচাৰ কৰি নিজৰ স্বাৰ্থ পূৰণ কৰি আছে। এই শ্ৰেণীৰ ধৰ্ম প্ৰচাৰকে এনে চোৰাং ধৰ্ম প্ৰচাৰ কৰিছে বুলি আমাৰ সমাজত ক'বলৈহে সাহ নকৰে,অথচ অজলা মিৰি বা অন্য এনেকুৱা জাতিক এই 'অৰীতিয়া' মতকেই কাল-সংহতিৰ 'পূৰ্ণভগীয়া' ধৰ্ম বুলি দি সিবিলাকক বিপথগামী কৰি ধৰ্মৰ নামত ঘোৰ প্ৰৱঞ্চনা কৰিছে।

আমি ধৰ্মতঃ ডাঠি কওঁ যে, এই 'ৰাতি খোৱা' মত কাল-সংহতিৰ ধৰ্মমত কেতিয়াও নহয় আৰু যি বিলাকে এই মত কাল-সংহতিৰ ধৰ্মমত বুলি প্ৰচাৰ কৰিছে তেওঁলোকে পৱিত্ৰ মহাপুৰুষীয়া ধৰ্মৰ দ্ৰোহ আচৰণ কৰিছে। এনে ধৰ্মদ্ৰোহীক মিৰি আদি জাতিৰ লোকসকলে কেতিয়াও প্ৰশ্ৰয় নিদিয়ে যেন।

কাল-সংহতি এটি বিশুদ্ধ মহাপুৰুষীয়া সম্প্ৰদায়। মহাপুৰুষ শ্ৰীমাধৱদেৱৰ প্ৰিয়তম শিষ্য আৰু অনুৱৰ্তী ধৰ্মাধিকাৰী মহাপুৰুষ শ্ৰীগোপালদেৱ (ভৱানীপুৰীয়া গোপাল আতা) এই সংহতিৰ মূল প্ৰতিষ্ঠাতা। মহাপুৰুষ শ্ৰীগোপালদেৱ আৰু তেখেতৰ বৰজন আজ্ঞাপৰ ধৰ্মাচাৰ্যৰ পৰা হোৱা এই সংহতিৰ মূল সত্ৰবিলাকত এই 'ৰাতি খোৱা' প্ৰথা কোনোৰে কদাপি উলিয়াব নোৱাৰে।

আমি মিৰি আৰু আন্যান্য জাতিৰ লোক সকলক সতৰ্ক কৰি দিওঁ যে, তেওঁলোকে উক্ত 'ৰাতি খোৱা' মতটো কাল-সংহতিৰ ধৰ্ম বুলি যেন কেতিয়াও নকয়।" (অসম কাল-সংহতি সন্মিলনীৰ বিজ্ঞাপন)।

এই কেৱলীয়া বা ৰাতি খোৱা ধৰ্মমতৰ বিৰোদ্ধে উলিওৱা বিজ্ঞপনত স্বাক্ষৰ কৰা ব্ৰহ্মণ-গোসাই সকল আছিল ক্ৰমে—

আহতগুৰি সত্ৰ সত্ৰাধিকাৰ- শ্ৰীশ্ৰী অচ্যুত চন্দ্ৰ দেৱগোস্বামী, দিহিং সত্ৰৰ (শিৱসাগৰ)সত্ৰাধিকাৰ-শ্ৰীশ্ৰীবৈকুণ্ঠশোভন চন্দ্ৰ, কৰতিপাৰ সত্ৰৰ (কলিয়াবৰ) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীমুক্তিদেৱ গোস্বামী, ভোলাগুৰি সত্ৰত সত্ৰাধিকাৰ(কলিয়াবৰ) সত্ৰাধিকাৰ- শ্ৰীশ্ৰীলক্ষ্মীকান্ত গোস্বামী, বাঢ়েপুখুৰী সত্ৰত (আহতগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী থানুচন্দ্ৰ গোস্বামী, বাগাকুৰুৱা সত্ৰৰ (জামুগুৰিহাট) সত্ৰাধিকাৰ — শ্ৰীশ্ৰী বিশ্বম্ভৰ গোস্বামী, তামোলবাৰী সত্ৰৰ সত্ৰাধিকাৰ-শ্ৰীশ্ৰীকনকচন্দ্ৰ দেৱগোস্বামী, কৰতীপাৰ সত্ৰৰ (জামুগুৰিহাট) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীফণেশ্বৰ গেস্বামী, নমাটি সত্ৰৰ (আহতগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীতীৰ্থনাথ গোস্বামী, আহতগুৰি সত্ৰৰ (কলিয়াবৰ) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীমোহনচন্দ্ৰ দেৱগোস্বামী, আহতগুৰি সত্ৰৰ (জাজৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী কেশপদ গোস্বামী, কাঠপাৰ সত্ৰৰ (হেলেম) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী কুমুদ চন্দ্ৰ দেৱগোস্বামী, কাঠপাৰ সত্ৰৰ (কলিয়াবৰ) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী ভৱানন্দ দেৱগোস্বামী, তামোলবাৰী সত্ৰৰ (নাজিৰা) সত্ৰাধিকাৰ—শ্ৰীশ্ৰী গৌৰীভল্লৱ গোস্বামী, খৌবামোচৰ সত্ৰৰ (বেবেজীয়া) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী হোমেশ চন্দ্ৰ দেৱগোস্বামী, সৌকাজান গজলা সত্ৰৰ (নাজিৰা)

সত্ৰাধিকাৰ-শ্ৰীশ্ৰী ৰত্নেশ্বৰ অধিকাৰ গোসাই, পুৰণিমাটি মায়ামৰা সত্ৰৰ (গটঙ্গা) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী উৎসৱানন্দ অধিকাৰ গোস্বামী, দহঘৰ সত্ৰৰ (চতিয়া) লত্ৰাধিকাৰ-শ্ৰীশ্ৰীঋষভ চন্দ্ৰ গোস্বামী অধিকাৰ, বৰঠাই নগৰীয়া সত্ৰৰ (চিনামৰা) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীদেৱেন্দ্ৰ নাথ অধিকাৰ গোসাই, চৰাইবাহী সত্ৰৰ (আহতগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীকনক চন্দ্ৰ গোস্বামী অধিকাৰ, ডেকা চাপৰি সত্ৰৰ (জামুগুৰি হাট) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী হৰকান্ত গোস্বামী অধিকাৰ, কলাকটা সত্ৰৰ (আহতগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী হেমচন্দ্ৰ গোস্বামী অধিকাৰ, কলাকটা সত্ৰৰ (শেনচোৱা,নগাওঁ) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী দেবানন্দ মহন্ত অধিকাৰ, নাচনিপাৰ সত্ৰৰ (পুৰণিগুদাম) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী মহেশ চন্দ্ৰ মহন্ত অধিকাৰ, দিহিং-নমাটি সত্ৰৰ নাজিৰা)সত্ৰাধিকাৰ-শ্ৰীশ্ৰী ঘনকান্ত অধিকাৰ গোসাই, দিহিং-নমাটি সত্ৰৰ (নাজিৰা) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীগোপাল চন্দ্ৰ অধিকাৰ গোসাই, কৰঙা চেঁচা সত্ৰৰ (ৰঙাজান) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী ভদ্ৰ চন্দ্ৰ গোস্বামী অধিকাৰ, বাৰেঘৰ (চলিহা) সত্ৰৰ (নাজিৰা) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী মহেশ চন্দ্ৰ অধিকাৰ গোসাই, বুধবৰী সত্ৰৰ (নাজিৰা) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী যোগানন্দ অধিকাৰ গোসাই, কাংশপাৰ সত্ৰৰ (চিনামৰা) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী কুমুদ চন্দ্ৰ অধিকাৰ গোসাই, কাংশপাৰ সত্ৰৰ (তিতাবৰ) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী জয়দেৱ অধিকাৰ গোসাই, নৰমাটি কাটনিপাৰ সত্ৰৰ (হলগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীযুগদেৱ অধিকাৰ গোস্বামী, জকাই সত্ৰৰ (গোলাঘাট) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীপূৰ্ণ চন্দ্ৰ অধিকাৰ গোসাই, নাহৰখাট সত্ৰৰ (চতিয়া) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীলীলাধৰ গোস্বামী অধিকাৰ, সোণাৰিপাৰ সত্ৰৰ (জামুগুৰিহাট) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী উমাকান্ত গোস্বামী অধিকাৰ, সোণাৰিপাৰ সত্ৰৰ (জামুগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী গোবিন্দ্ৰ চন্দ্ৰ অধিকাৰ গোসাই, জুৰকটা সত্ৰৰ (চিনামৰা) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীলালস্বৰ অধিকাৰ গোসাই, চেঁচা সত্ৰৰ (জামুগুৰিহাট) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী দুৰ্লভনাৰায়ণ গোস্বামী অধিকাৰ, সৰুভাগ দিহিং সত্ৰৰ (চাৰিআলি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী ডিম্বেশ্বৰ গোস্বামী অধিকাৰ, জৰিগুৰি গজলা সত্ৰৰ (তিতাবৰ) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীথোপোৰ চন্দ্ৰ অধিকাৰ গোসাই, বাংশবাৰী সত্ৰৰ (জামুগুৰিহাট) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী লোকনাথ গোস্বামী অধিকাৰ, দিনজয় মহামাৰা সত্ৰৰ (চাবুৱা)সত্ৰাধিকাৰ-শ্ৰীশ্ৰী মহদানন্দ চন্দ্ৰ অধিকাৰ গোস্বামী, গজলা সত্ৰৰ (জাজী) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী নোমল চন্দ্ৰ অধিকাৰ মহন্ত, হৰিদ্ৰাতি সত্ৰৰ (আহতগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীপূৰ্ণচন্দ্ৰ মহন্ত অধিকাৰ, থুৰামুখ গজলা সত্ৰৰ (নামটিদ'ল) সত্ৰৰ সত্ৰাধিকাৰ-শ্ৰীশ্ৰী পদ্মনাথ মহন্ত অধিকাৰ, চকলা সত্ৰৰ (আহতগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী পদ্মচন্দ্ৰ অধিকাৰ গোস্বামী, হালধীআটি সত্ৰৰ (চতিয়া) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীঋষভ চন্দ্ৰ অধিকাৰ গোস্বামী, চৰিপোতা সত্ৰৰ (জাজৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী নৰেন্দ্ৰানাথ মহন্ত অধিকাৰ, উলুবাৰী সত্ৰৰ (জাজৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী জগন্নাথ মহন্ত অধিকাৰ, মায়ামৰা বাসিকুচি সত্ৰৰ (দিক্ৰং) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী বৈষ্ণৱানন্দ চন্দ্ৰ গোস্বামী অধিকাৰ, কোৰেখনা গজলা সত্ৰৰ (খোৱাং) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীহলিৰাম অধিকাৰ গোসাই, দবামৰা গজলা সত্ৰৰ (ৰাটিং) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীঘনকান্ত মহন্ত অধিকাৰ, গজলা সত্ৰৰ (ৰঙাজান) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী টোলকান্ত মহন্ত অধিকাৰ, হালধিআটি সত্ৰৰ (আহতগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী প্ৰাণৰঞ্জন গোস্বামী অধিকাৰ, দবামৰা গজলা সত্ৰৰ (আহতগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী

বংশীদেৱ গোস্বামী অধিকাৰ, দিহিং-নমাটি সত্ৰৰ (নামদি'ল) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী কীৰ্তিনাথ মহন্ত অধিকাৰ, ৰাজনাখাট গজলা সত্ৰৰ (তিতাবৰ) সত্ৰাদিকাৰ-শ্ৰীশ্ৰী ৰূপকান্ত মহন্ত অধিকাৰ, হালধিহাটি সত্ৰৰ (জাজৰি) সত্ৰাদিকাৰ-শ্ৰীশ্ৰী বাঞ্চিকান্ত মহন্ত অধিকাৰ, বাংশবাৰী সত্ৰৰ (যোৰহাট) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী ডিম্বেশ্বৰ গোস্বামী অধিকাৰ, চাপৰি সত্ৰৰ (আহতগুৰি) সত্ৰাদিকাৰ-শ্ৰীশ্ৰীশৰৎচন্দ্ৰ গোস্বামী অধিকাৰ, সৰুঠাই নগৰীয়া সত্ৰৰ (ৰঙাজান) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী কৃষ্ণকান্ত অধিকাৰ গোসাই, আহতগুৰি সত্ৰৰ (ধলৰ সত্ৰ) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীজীৱেশ্বৰ গোস্বামী অধিকাৰ, হেমাৰবীৰ সত্ৰৰ (জাজৰি) সত্ৰাদিধকাৰ-শ্ৰীশ্ৰী থুলেশ্বৰ মহন্ত অধিকাৰ, দিহিং-নমাটি সত্ৰৰ (নামটিদ'ল) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী সম্ভুনাথ মহন্ত অধিকাৰ, হালধিআটি সত্ৰৰ (আহতগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী চন্দ্ৰনাথ গোস্বামী অধিকাৰ, চকলা সত্ৰৰ (আহতগুৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীউমেশ্বৰ গোস্বামী অধিকাৰ, আমতলা গজলা সত্ৰৰ (জাজৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীসহদেৱ মহন্ত অধিকাৰ, আমতলা গজলা সত্ৰৰ (জাজৰি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰীৰমাকান্ত মহন্ত অধিকাৰ, দিহিং-নমাটি সত্ৰৰ (নামটিদ'ল) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী বেদকান্ত মহন্ত অধিকাৰ, সৰুভাগ দিহিং সত্ৰৰ (উত্তৰ গুৱাহাটি) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী ত্ৰৈলোক্যশোভনচন্দ্ৰ গোস্বামী, ডিমৌ কাংশপাৰ সত্ৰৰ (টিয়ক) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী লোকনাথ মহন্ত অধিকাৰ, তৈলপানী সত্ৰৰ (কৰঙা, চিনামৰা) সত্ৰাধিকাৰ-শ্ৰীশ্ৰী যাদৱচন্দ্ৰ অধিকাৰ গোস্বামী আদি।

আগত উল্লেখ কৰি অহা মিৰি সন্মিলনৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই 'অসম কাল-সংহতি সন্মিলনী'য়ে জাৰি কৰা জাননী পত্ৰৰ পিছতো মিচিং সমাজৰ মাজত কাল-সংহতিৰ নাম লৈ 'কেৱলীয়া' বা 'ৰাতি খোৱা' ধৰ্ম প্ৰচলন হৈ থাকিল। মিৰি সন্মিলনৰ অনুৰোধৰ হেঁচাত পৰি কাল-সংহতি সন্মিলনীয়েও কেইটামান জাননী পত্ৰ প্ৰেৰণ কৰিয়েই দায়িত্ব সামৰিলে। পৰৱৰ্তী সময়ত নিৰক্ষৰ মিচিং সমাজত চলি থকা ব্যভিচাৰী ধৰ্ম আচৰণৰ সংস্কাৰৰ বাবে হাতে-কামে লগা পৰিলক্ষিত নহ'ল। বিপৰীতে গুৰু গোসাই সকলে শৰণীয়া শিষ্য সকলৰ পৰা বছৰে বছৰে বাধ্যতামুলকভাৱে কৰ-কাটল সংগ্ৰহ কৰা কাম কিন্তু চলি থাকিল।

হিন্দু দৰ্শনৰ পৱিত্ৰ পুথি গীতাত এষাৰ কথা আছে—"**শ্ৰেয়ান স্বধৰ্মো বিঃগুণ, পৰধৰ্ম স্বনুনিষ্ঠাৎ, স্বধৰ্মে নিধনো শ্ৰেয়, পৰ ধৰ্মো ভয়াবহ।**" উক্ত কথাষাৰীৰ প্ৰতি গুৰুত্ব আৰোপ কৰিও এইটো ক'ব পাৰি অতিকৈ বিঃগুণ থকা ধৰ্ম আচৰণ বা মানৱীয় প্ৰমূল্যবোধহীন ধৰ্মাদৰ্শই সমাজ এখনক বিশৃঙ্খল কৰি তোলে। মিচিং সকলে পালন কৰি থকা কেৱলীয়া ধৰ্ম দৰ্শনক নিৰ্মোহভাৱে যদি বিশ্লেষণ কৰোঁ তেন্তে সুগুণতকৈ বিঃগুণৰ আচৰণ বৈশিষ্টই অধিকভাৱে প্ৰকট হোৱা পৰিলক্ষিত হয়। সেয়েহে এই কেৱলীয়া ধৰ্মৰ গণ্ডীত বিচৰণ কৰি ডাঙৰ-দীঘল হোৱা সন্তান-সন্ততি সকলৰ মাজতেই কেৱলীয়া ধৰ্মৰ প্ৰতি অনীহা প্ৰকট হোৱা পৰিলক্ষিত হৈছে। এই পন্থত শৰণ-ভজন লোৱা শিষ্যৰ সংখ্যা দিনক দিনে কমি আহিছে। সেই পন্থৰ ভকত সকলে নিজেই ঘোষণা কৰা— "**অচিনাক চিনালা অখাদ্যক খুৱালা, সেহিহে দেৱৰে সাজ / আমাৰ বন্ধুসৰে যি ধৰ্ম আচৰে, চাৰিও বেদৰে বাজ**" নামৰ চাৰি বেদৰ বাহিৰৰ ধৰ্মত বিশ্বাস ৰাখিবলৈ টান পাইছে বা "**হে পূৰ্ণস্বামী নিলক্ষ দোকানি, পূৰিয়ো**

**মনৰে কাম / বৈকুণ্ঠৰে পৰা ধাৰে বৈ আহিছে, ইটো ৰস সাজ নাম"** বুলি মস্তিষ্ক বিনষ্ট কৰিব পৰা বা সমাজত উশৃঙ্খল সৃষ্টি কৰিব পৰা মদ্যক দেৱতা-ঈশ্চৰৰ নৈবেদ্য হিচাপে ব্যৱহাৰ কৰি পূজা-অৰ্চনা কৰা নীতিত নৱ প্ৰজন্ম কেতিয়াও সন্তোষ্ট হ'ব পৰা নাই । সেই কাৰণতেই খুব সম্ভৱ বহুতো মিচিঙে নিৰ্বাণপ্ৰাপ্তি বা আধ্যাত্মিক চিন্তা-চেতনাৰ সঠিক মাৰ্গ দৰ্শন পাবলৈ অন্য ধৰ্মলৈ ধৰ্মান্তৰিত হোৱাৰ মানসিকতা পোষণ কৰিবলৈ আৰম্ভ কৰিছে।

ধৰ্মবিশ্বাস বিষয়টো এটা অতি স্পৰ্শকাতৰ বিষয় । তদুপৰি কোনো ধৰ্মকেই অৱমূল্যায়ন কৰিব নেপায় বা নিন্দা কৰিব নাপায়। উক্ত মৰ্মবাণীক অন্তঃকৰণেৰে শ্ৰদ্ধা জনায়ো ক'ব পাৰি যে ,বৰ্তমান মিচিং সমাজত প্ৰচলিত 'কেৱলীয়া ধৰ্ম' ৰ সংস্কাৰ সাধন কৰাটো নিতান্তই প্ৰয়োজন হৈ পৰিছে। এয়া সময়ৰো আহ্বান । ■

*সহায়ক পুথি আৰু টোকাসমূহ ঃ-*

১। যুগনায়ক শঙ্কৰদেৱ ঃ ডিম্বেশ্বৰ নেওগ
২। তৰুণ চন্দ্ৰপামেগাম ৰচনাৱলী, দ্বিতীয় খণ্ড ঃ সম্পাদনা— ভৃগুমুনি কাগয়ুং (২০০০)
৩। যুগনায়ক শ্ৰীমন্ত শঙ্কৰদেৱ ঃ দীপক হাজৰিকা (২০১৩)
৪। অসম কাল-সংহতি সন্মিলনীৰ বিজ্ঞাপন ঃ প্ৰকাশক— শ্ৰীথুলেশ্বৰ মহন্ত সত্ৰাধিকাৰ।
৫। মিৰি জীয়ৰীঃ ৰজনীকান্ত বৰদলৈ (১৮৯৫)।

৯

# মিচিং নাৰীৰ শিক্ষা ঃ এটি খতিয়ান

## ড° দীপক কুমাৰ দলে

মিচিংসকল অসমৰ দ্বিতীয় বৃহৎ জনগোষ্ঠী। সুদূৰ অতীজৰেপৰা কৃষি-কৰ্মকে জীৱন-জীৱিকাৰ প্ৰধান সম্বলৰূপে অৱলম্বন কৰা মিচিংসকলৰ অতীত ইতিহাস জানিবলৈ লিখিত তথ্য নাই। মিচিংসকলৰ ক্ৰমবিকাশ, প্ৰব্ৰজন আৰু পৰম্পৰাগত সামাজিক বিশ্বাসবোৰ অলিখিত ৰূপত মুখে মুখে কাল বাগৰি আহিছে। অতীত ইতিহাস সম্পৰ্কীয় লিখিত বুৰঞ্জী নাথাকিলেও মিচিংসকলৰ পৌৰাণিক গীত আঃবাংবোৰত জনগোষ্ঠীটোৰ পূৰ্বৰ বাসস্থান, প্ৰব্ৰজন আৰু ক্ৰমবিকাশ সম্পৰ্কীয় তথ্য পোৱা গৈছে। নৃ-তাত্ত্বিক, সমাজ-গৱেষক আৰু চিন্তাবিদসকলৰ যুক্তিৰ লগত আঃবাঙৰ অন্তৰ্নিহিত কাহিনীৰ মিল আছে। সুনীতি কুমাৰ চট্টোপাধ্যায়, ছাৰ জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্ছন, পল. কে. বেনেডিক্ট, টিয়ান্‌চিন জেক্‌চন চান, ডাঃ নুমল পেগু, টাবু টাইদ, নাহেন্দ্ৰ পাদুন, ড° টাই এঞৰি, ড° নাঙিন লেগ, পিটাৰ পেগু, চন্দনা গোস্বামী প্ৰমুখ্যে চিন্তাবিদসকলে মিচিংসকলক ভাষাগত দিশৰপৰা চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত তিব্বত-বৰ্মীয় ভাষীক লোক আৰু গোষ্ঠীগত ফালৰপৰা মঙ্গোলীয় প্ৰজাতিৰ বুলি ঠাৱৰ কৰিছে। মঙ্গোলীয় গোষ্ঠীৰ লোকসকলৰ আদিম বাসস্থান চীনদেশৰপৰা ইতিহাসে ঢুকি নোপোৱা কালতে প্ৰব্ৰজন কৰি তিব্বত অতিক্ৰমি মিচিংসকলে অসমত থিতাপি লোৱা বুলি জানিব পৰা যায়।

মিচিং সমাজ পিতৃপ্ৰধান সমাজ যদিও সামাজিক জীৱনত নাৰীসকলৰ অবাধ স্বাধীনতা আছে বুলি ক'ব পাৰি। কিয়নো এগৰাকী মিচিং নাৰীয়ে পুৰুষৰ সমানে ঘৰৰপৰা পথাৰ পৰ্যন্ত অনেক কামত অংশ গ্ৰহণ কৰে। কৰ্মহীন জীৱনক ভাগ্যহীন জীৱন বুলি আখ্যা দিয়া মিচিং নাৰীয়ে পুৰুষৰ তুলনাত একোখন ঘৰৰ ৯৫ শতাংশ দায়িত্ব অকাতৰে পালন কৰা দেখা যায়। এই নিবন্ধত পৰিসৰ আৰু সময়ৰ প্ৰতি লক্ষ্য ৰাখি অন্যান্য দিশবোৰৰ পৰা আঁতৰি আহি কেৱল মিচিং নাৰীৰ শিক্ষা সম্পৰ্কেহে আলোচনা কৰাৰ প্ৰয়াস কৰিছোঁ।

শিক্ষাবিদ পদ্মশ্ৰী ইন্দিৰা মিৰিয়ে ১৯৬৬ চনত ধেমাজি জিলাৰ কুলাজান মিচিং বাঃনৌ কৌবাঙৰ অধিবেশনৰ স্মৃতিগ্ৰন্থত "মিৰি জীয়ৰীৰ শিক্ষা" শীৰ্ষক নিবন্ধত লিখিছে- '.....স্বাস্থ্যত, ব্যৱহাৰিক জ্ঞানত, নাৰীসুলভ স্বভাৱত মিৰি জীয়ৰীক জিনিব পৰা জীয়ৰী অসমত বিৰল। কিন্তু দুখৰ বিষয় যে এনে ৰত্নৰো সম্পূৰ্ণ বিকাশ হ'ব পৰা নাই শিক্ষাৰ অভাৱত।' পদ্মশ্ৰী ইন্দিৰা মিৰিৰ এই মন্তব্য সত্তৰ-আশীৰ দশকলৈকে মিচিং সমাজত সম্পূৰ্ণ খাপ খাইছিল। আশী আৰু নব্বৈৰ দশকমানৰপৰাহে মিচিং পিতৃ-মাতৃ তথা অভিভাৱকসকলে নাৰী শিক্ষাৰ দিশতো কিছু মন দিয়া পৰিলক্ষিত হৈছে। অৱশ্যে চেগা-চোৰোকাকৈ তাৰ আগতো দুই-এগৰাকী নাৰীৰ শিক্ষা গ্ৰহণ কৰাৰ উমান পোৱা যায় যদিও এয়া এপাচি শাকত এটা জালুকৰ নিচিনাহে আছিল। কিয়নো, মিচিং সমাজৰ প্ৰথম গৰাকী মেট্ৰিকুলেট নাৰী ঢকুৱাখনা তাগাদ গাঁৱৰ পাৰ্বতী পেগুৱে মেট্ৰিক পাছ কৰিছিল ১৯৪৭ চনত। পাৰ্বতী পেগু ১৯৪৫ চনতেই মেট্ৰিক পৰীক্ষাৰ্থী আছিল যদিও উপযুক্ত মিতিৰৰ পৰা বিয়াৰ প্ৰস্তাৱ অহাৰ বাবে পিতৃ-মাতৃ, পৰিয়ালৰ অভিভাৱক, জ্ঞাতিবৰ্গই পঢ়া-শুনা সামৰি বিয়াত বহিবলৈ বাধ্য কৰাইছিল। বিয়াৰ পাছতেহে পাৰ্বতী পেগুৱে দলে ঘৰৰ সদস্যা হৈ ১৯৪৭ চনত মেট্ৰিক পৰীক্ষা দি পাছ কৰে যদিও তাৰপৰা আৰু উচ্চ শিক্ষা গ্ৰহণ কৰা নহ'ল। পাৰ্বতী পেগুৰ সেই সময়ৰ মিচিং সমাজ-ব্যৱস্থাত উচ্চ শিক্ষা দূৰৰে কথা, পঢ়া-শুনাৰ প্ৰতি মিচিং পিতৃ-মাতৃৰ চিন্তা কৰাৰ থল মুঠেই নাছিল। তাৰ মূলতে সেই সময়ত গাঁৱৰ ওচৰত পঢ়াশালিৰ অভাৱ আৰু যাতায়তৰ দুৰৱস্থা। ঘৰৰপৰা আঁতৰ হৈ হোষ্টেল বা ভাড়া ঘৰত থাকি কন্যা সন্তানৰ শিক্ষা গ্ৰহণ সমাজত একপ্ৰকাৰৰ অভিশাপ বুলিয়ে গণ্য কৰিছিল।

**নাৰী শিক্ষাৰ প্ৰতি মিচিং পিতৃ-মাতৃৰ মনোভাৱ**

সম্প্ৰতি মিচিং পিতৃ-মাতৃসকলে পুত্ৰ সন্তানৰ সমানে কন্যা সন্তানকো পঢ়াশালিলৈ পঠিয়াবলৈ যত্ন কৰা পৰিলক্ষিত হৈছে। আশীৰ দশকলৈকে মিচিং সমাজত কন্যা সন্তানৰ শিক্ষা একপ্ৰকাৰে অৱহেলিত আছিল। শিক্ষা-দীক্ষাৰ প্ৰতি আগ্ৰহী কন্যা সন্তানক সমাজে সন্দেহৰ চকুৰে চাইছিল। 'হাজাৰ হওঁক লাও পাতৰ তল'- এই আপ্তবাক্যক মিচিং অভিভাৱকে চৰম সত্য জ্ঞান কৰিছিল। তাতে কৃষিজীৱী পিতৃ-মাতৃৰ ঘৰত পাঁচ-ছয় বছৰ বয়সৰেপৰাই কন্যা সন্তানৰ বোজা অধিক হৈ উঠে। মাতৃৰ সমানে নিচেই পুৱাতে উঠি উৰালত ধান বনা, কুকুৰা-গাহৰি চোৰা-চিতা কৰা, কেঁচুৱাৰ ধাই হোৱা, তাঁতশালত কাপোৰ বোৱা, মাকৰ সোঁহাত স্বৰূপ হৈ ঘৰৰ পৰা পথাৰ পৰ্যন্ত ব্যস্ত হ'ব লগাত পৰে মিচিং কন্যা সন্তান। সত্তৰ-আশীৰ দশকলৈকে কন্যা সন্তানক শিক্ষা দি লাভ নাই বুলিয়ে সমাজে গণ্য কৰিছিল। কিয়নো,

ডাঙৰ-দীঘল হৈ এদিনাখন পিতৃ-মাতৃৰ ঘৰৰ সাৰথি হোৱাৰ পিছতে সময়ত বিয়া হৈ নিজৰ প্ৰকৃত ঘৰখনক চোৱা-চিতা কৰাই জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য বুলি পিতৃ-মাতৃ তথা সমাজে কন্যা সন্তানৰ বাবে অঘোষিত নিয়ম বান্ধি লোৱাৰ নিচিনা আছিল। তাতে স্কুল-কলেজ নোহোৱা, বাট-পথৰ দুৰৱস্থা আদি এশ এবুৰি সমস্যাই মিচিং অধ্যুষিত অঞ্চলবোৰত নিজৰ সন্তানক পঢ়াই-শুনাই বিদ্বান কৰি তোলা কথাটো মাক-বাপেকৰ বাবে সাহস কৰিব পৰা কথা হোৱা নাছিল। সৰহভাগ মিচিং পিতৃ-মাতৃয়ে 'মাটি আছে, খেতি কৰি খাব' এনে মন্তব্যৰে নিজৰ সন্তানৰ পঢ়া-শুনাৰ অধ্যায়টোক সামৰিছিল। ফলস্বৰূপে কুৰি শতিকাৰ ষাঠিৰ দশকলৈকে ১২ গৰাকীমানহে শিক্ষিত মিচিং সন্তান ওলাই আহিছিল। তাৰ মাজতে পৰৱৰ্তী সময়ত কমলা দলেয়ে স্নাতক, বীণা দলেয়ে বিলাতৰপৰা চিকিৎসা বিজ্ঞানৰ উচ্চ ডিগ্ৰী আৰু চপলা মিৰিয়ে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল বুলি জনা যায়। ডাঃ বীণা দলেৰ মাতৃ সুগৃহিণীৰূপে পৰিচিত চম্পাৱতী দলেয়ে কন্যা সন্তানৰ পঢ়া-শুনাৰ ক্ষেত্ৰত আপোচ নকৰি নিয়ম বান্ধি দিছিল- 'প্ৰথমে ঘৰৰ কাম, তাৰ পিছতেহে নিজৰ পঢ়া কাম।' মাতৃৰ কাঢ়া শাসনত ঘৰৰ আৰু পঢ়াৰ কাম চেগ চাই কৰিব জনা কন্যা সন্তান ক্ৰমে বীণা, বিভা আৰু গীতাই সুকলমে ডিগ্ৰী আহৰণ কৰি সমাজত নিজৰ নাম ৰাখিবলৈ সক্ষম হয়।

**মিচিং পিতৃ-মাতৃৰ আৰ্থিক দুৰৱস্থা আৰু মিচিং নাৰীৰ শিক্ষা ঃ** কৃষিজীৱী মিচিং সমাজখনৰ আৰ্থিক অৱস্থা আজিকোপতি সবল নহয় বুলি ক'ব পাৰি। আৰ্থিক স্বচ্ছলতাই হ'ল একোখন ঘৰৰ ধৰণীস্বৰূপ। তেনে ঘৰে নিজৰ সন্তানৰ কল্যাণৰ হকে নানান পৰিকল্পনা কৰাৰ অৱকাশ পায়। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছৰেপৰা সকলো দিশতে স্বাৱলম্বীতা আহিব বুলি আশা কৰা মিচিংসকলৰ হিতে বিপৰীত হোৱাৰ নিচিনাহে হৈছিল। নৈ-পৰীয়া কৃষিজীৱী ৰাইজক বিশেষকৈ ১৯৫০ চনৰ ভূমিকম্পই কঁকাল ভাঙি দিয়া যেন হ'ল। ভূমিকম্পৰ পৰৱৰ্তী কালত গৰাখহনীয়া, বছৰি বানপানীৰ উপদ্ৰৱৰ বাবে দিহিঙে-দিপাঙে আশ্ৰয় বিচাৰি ফুৰিব লগা হোৱা মিচিংসকলৰ বাবে সন্তানক শিক্ষিত কৰাৰ কথাবোৰ কল্পনাতীত হৈ পৰিছিল। লাহে লাহে ন ন ঠাইত থিতাপি লৈ একোখন ঘৰ নিগাজী হোৱাৰ বহু বছৰ পিছলৈকো বহুতৰ বাবে সন্তানৰ শিক্ষা গ্ৰহণ কৰাৰ কথাবোৰ ঘৰৰ পিতৃ-মাতৃৰ বাবে চিন্তনীয় বিষয় নাছিল। যিসকল মিচিঙে নিৰাপদ স্থানত পূৰ্বৰেপৰা বসবাস কৰিছিল, সেইসকল মিচিঙৰপৰা সময়ে সময়ে দুই-এজনকৈ শিক্ষিত ল'ৰা-ছোৱালী ওলাই আহিছিল। তাতো ল'ৰাৰ বিপৰীতে ছোৱালী প্ৰায় নাছিল বুলিয়েই ক'ব পাৰি। একোখন ঘৰৰ ল'ৰা সন্তানৰ বিপৰীতে কন্যা সন্তানৰ বাবে পুৱা শুই উঠাৰেপৰা গধূলিলৈকে কামৰ দীঘলীয়া তালিকা আহি পৰে। বিশেষকৈ নিচেই পুৱাতে বিছনা এৰি উৰালত ধান বনা, ভঁৰালৰ চোতালত মৰনা মৰা, গাহৰি-কুকুৰাৰ প্ৰতিপাল কৰা, পথাৰ যাত্ৰা, পথাৰত ধান ৰোৱা, ধান দোৱা, কঠীয়া তোলা, আলু-কচু ৰোৱা, ঘৰৰ লগতে আচুতীয়াকৈ খেতি কৰা, নৈ-বিলত মাছ মৰা, তাঁতশালত কাপোৰ বোৱা, ঘৰৰ বাহিৰে-ভিতৰে চাফাই কৰা, উৎসৱে-পৰ্বে অংশ গ্ৰহণ কৰা ইত্যাদিবোৰ কন্যা সন্তানৰ কামৰ তালিকাত পৰে। এইবোৰ কামত পাকৈত কন্যা সন্তানক মিতিৰ পক্ষই সোনকালেই বোৱাৰী কৰি আনিব বিচাৰে। তেনেকৈয়ে ষাঠীৰ দশকৰপৰা

আশীৰ দশকলৈকে মিচিং সমাজত নাৰীৰ জীৱন ৰথ পৰিচালিত হৈছিল। বিশেষকৈ একোখন ঘৰৰ পিতৃ-মাতৃৰ আৰ্থিক দিশটোৱে নাৰী সন্তানৰ শিক্ষাৰ দিশত এসময়ত বৰ বেয়াকৈ প্ৰভাৱ পেলাইছিল। উপায়বিহীন পিতৃ-মাতৃয়ে সাত-আঠ বছৰৰ পৰা তেৰ-চৈধ্য বছৰীয়া জীয়েককো আপোন মানুহৰ ঘৰত কেঁচুৱাৰ ধাতৃৰূপে থব লগা হৈছিল। কন্যাহঁতৰ পঢ়া-শুনাৰ বিষয়টো গুৰুত্বহীন আছিল। তাৰ বিপৰীতে কুকুৰা, গাহৰি পুহি, আঁচুতীয়া খেতি কৰি দুই-এপইচা নিজাকৈ আৰ্জি লোৱাতহে কন্যা সন্তাকক অনুপ্ৰাণিত কৰিছিল। ৰাতিৰ পিছত দিন, দুখৰ পিছত সুখ আহে বুলি কোৱাৰ দৰে সম্প্ৰতি ভিতৰুৱা মিচিং গাঁওবোৰতো বিদ্যালয় হৈছে। তেনেকৈ শিক্ষিত ল'ৰা-ছোৱালীৰ সংখ্যাও বৃদ্ধি পাইছে।

**মিচিং নাৰীৰ শিক্ষা আৰু সমাজৰ দৃষ্টিভংগীঃ** মিচিংসকল পৰম্পৰাগত বিশ্বাসত অত্যন্ত বিশ্বাসী। পূৰ্বৰেপৰা পালি অহা উৎসৱ, পূজা-পাৰ্বন যেনে- আলি-আঃয়ে লিগাং, পঃৰাগ, দবুৰ, বিহু আদিবোৰ অতি আগ্ৰহ আৰু উছাহেৰে পালন কৰে। এইবোৰ উছৱত আপং, কুকুৰা, গাহৰি আদিৰ প্ৰয়োজন হয়। আনহাতে উৎসৱত পৰিধান কৰা জাতীয় সাজ-পাৰবোৰ মিচিং নাৰীয়ে ঘৰৰ তাঁতশালত নিজেই তৈয়াৰ কৰি লব লগাত পৰে। যিহেতু এইবোৰক কিনি আনিবলৈ বজাৰো নাই বা তেনেকৈ অৰ্থ ব্যয় কৰি কিনি লোৱাতো সকলোৰে বাবে সম্ভৱ নহয়। মিচিং গাঁওবোৰত জ্যেষ্ঠ, গণ্য-মান্যসকলৰ কথা প্ৰায়ে মানি চলা হয়। জ্যেষ্ঠসকলে যিটো কৰিব নালাগে বুলি কয়, এয়া কল্যাণৰ হকে হ'লেও তাক সহজতে পৰিহাৰ কৰা দেখা যায়। ল'ৰা সন্তানৰ সমানে কন্যা সন্তানে পঢ়াশালিমুখী হোৱাটোক এসময়ত মিচিং সমাজে আচহুৱা আৰু শিক্ষা আহৰণ কৰাতো নিজৰ পৰম্পৰাগত ৰীতি-নীতিৰ বাহিৰত বুলিয়ে গণ্য কৰিছিল। তাতে কন্যা সন্তানৰ ওপৰত বেছিকৈ বিৰূপ মন্তব্য আগবঢ়াইছিল। কন্যা সন্তানে নিজৰ মাতৃভাষাৰ লগতে অন্য ভাষা ব্যৱহাৰ কৰিলেও 'এইজনীয়ে মাক-বাপেকৰে নহয়, গাঁৱৰো বদনাম যোৱাব, সমাজৰো জাত যোৱাব' বুলি ঠাট্টা কৰিছিল। বিশেষভাৱে কন্যা সন্তানৰ পিন্ধা-উৰা, চাল-চলন, মাত-কথা, ব্যৱহাৰ-পাতি আদিৰ ওপৰত সমাজৰ কাঢ়া নজৰ পৰিছিল। দুই-এটা অসমীয়া, ইংৰাজী বা হিন্দী শব্দ কথাৰ মাজত ব্যৱহাৰ কৰিলেও তেনে কন্যাৰ ক্ষেত্ৰত 'জাত গ'ল, সমাজকো ধ্বংস কৰিব, নিজেও ধ্বংস হ'ব' বুলি নিজৰ কন্যা সন্তানক লগ লোৱাৰ ক্ষেত্ৰতো বাধা আৰোপ কৰিছিল। তাতে যদি গাঁৱৰে কোনোবা ছোৱালীয়ে গাঁৱৰপৰা আঁতৰত থাকি কোনোবা ভাৰা ঘৰ বা হোষ্টেলত থাকি পঢ়া-শুনা কৰে, তেনে কন্যাক সমাজে সন্দেহৰ চকুৰে চাইছিল। মিতিৰ পাতিৰ বিচৰা মিতিৰ পক্ষই মিতিৰ ভাঙি আঁতৰিছিল। একোখন মিচিং ঘৰৰ বাবে কন্যা সন্তান অবিবাহিত হৈ থকাটোক সমাজে অভিশাপ বুলিয়ে গণ্য কৰিছিল। সেইবোৰৰপৰা বাচি থাকিবৰ বাবেও বহু সময়ত মিচিং অভিভাৱকে নিজৰ কন্যা সন্তানক বিদ্যালয়লৈ পঠিয়াবলৈ সাহস কৰিব নোৱাৰিছিল। মিচিং সমাজৰ মূধাফুটাসকলেও জাত যোৱাৰ ভয়তেই হওক বা অবিবাহিত হৈ থকাৰ ভয়তেই হওক, কন্যা সন্তানৰ শিক্ষাক এসময়ত সমৰ্থন নকৰিছিল। তাৰ উপৰি মিচিং ছোৱালীয়ে অনা মিচিঙৰ লগত বিয়া হোৱাৰ সম্ভাৱনাৰ প্ৰতি অত্যন্ত সচেতন আছিল এসময়ৰ মিচিং অভিভাৱক তথা মিচিং সমাজ। সেয়েহে পিতৃ-মাতৃ নতু নিজৰ

জ্ঞাতিবৰ্গৰ চকুৰ আঁতৰত কন্যা সন্তানৰ অৱস্থানক সমূলি পছন্দ নকৰিছিল মিচিং অভিভাৱকসকলে। একোখন ঘৰত কন্যা সন্তানৰ প্ৰতি যেনেকৈ আদৰ আছিল, তেনেকৈ শাসন বা নিয়ন্ত্ৰণো আছিল। কাৰোবাৰ ঘৰৰ কন্যা সন্তানে সমাজৰ লোকচক্ষুত কু-পথে খোজ দিলে, সমাজেই পিতৃ-মাতৃক অৱগত কৰি তেনে কন্যা সন্তানক সাৱধান কৰি দিয়াৰ নিয়ম আছিল। মুঠৰ ওপৰত এটা সময়ত মিচিং নাৰীৰ শিক্ষা আৰু সামাজিক জীৱন সম্পূৰ্ণ সমাজৰ নেদেখা এনাজৰীৰে সুখ, শান্তিৰ বাবে সমাজৰদ্বাৰাই পৰিচালিত আছিল।

সম্প্ৰতি মিচিং সমাজত পুৰুষৰ সমানে নাৰীয়ে সমাজৰ কল্যাণৰ হকে মাত মাতি আহিছে। শিক্ষা-দীক্ষা, সমাজনীতি, ৰাজনীতি সকলোতে মিচিং নাৰীয়ে অংশ গ্ৰহণ কৰা দেখিবলৈ পোৱা গৈছে। ক্ৰমশঃ কিংবদন্তীৰ কাহিনীৰ নিচিনা হৈ অহা মিচিং ৰমণী য়াকা পেগু, য়ামেন দলেহঁত মিচিং সমাজতেই ঠিকনাবিহীন হৈ অহা কাৰ্যত আশ্চৰ্য প্ৰকাশ কৰিব লগাত পৰিছে। য়াকা, য়ামেনহঁত যদিও অশিক্ষিত আছিল, কিন্তু সাহস আৰু কৰ্তব্য পালনত অকণো পিছ হুঁহকা বিধৰ নাছিল। তেনেকৈ সমাজৰ পৰা অন্ধবিশ্বাস আঁতৰাই শিক্ষিত সমাজৰ অনুকৰণ কৰাৰ বাবে গাঁৱে গাঁৱে নৈশ বিদ্যালয়ৰ শিক্ষাৰ জৰিয়তে লিখিব পঢ়িব পৰা কৰি তোলা, সমাজৰপৰা মাদক দ্ৰব্য বিশেষকৈ কানি, ভাং খোৱা বন্ধ কৰিবৰ বাবে, তাঁতশালক অধিক সক্ৰিয় কৰিবলৈ নিজে আৰ্হিস্বৰূপ হৈ আগভাগ লোৱা সৰমাৱতী পেগু বা লীংকান কায়ুমৰ নিচিনা মিচিং নাৰী মিচিং সমাজত ষাঠী-সত্তৰৰ দশকত আৱিৰ্ভাৱ হৈছিল। তাৰো আগত স্বাধীনতা যুঁজাৰুৰূপে অংশ গ্ৰহণ কৰা প্ৰমিলা মেদক কেৱল মিচিঙৰে বাবে নহয়, দেশৰে আদৰ্শ নাৰী আছিল। 'ভাৰতবৰ্ষই স্বাধীনতা লাভ নকৰা পৰ্যন্ত বিয়াত নোসোমাও' বুলি প্ৰতিজ্ঞা কৰি ১৯৩০-৩১ চনৰ পৰা ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল গোলাঘাট দুসুঁতিমুখৰ জীয়ৰী প্ৰমিলা মেদকে। কুৰি শতিকাৰ ত্ৰিশৰ দশকত বিদ্যালয়লৈ পঢ়িবলৈ যোৱা ছোৱালী ভদ্ৰিৱালা দলে আৰু উলুপি পাতিৰক ৰাইজে ইতিকিং আৰু ঠাট্টাৰে ওপচাই পেলাইছিল। চল্লিশৰ দশকত পাৰ্বতী পেগুৱে ৰাইজৰ সমালোচনাক একাষৰীয়া কৰি ১৯৪৭ চনত মেট্ৰিক পাছ কৰি ইতিহাসৰ বুকুত নিজৰ নাম লিপিবদ্ধ কৰিবলৈ সক্ষম হৈছিল। এসময়ত শূন্য ঘৰত নাৰী শিক্ষাৰ শিক্ষিতৰ হাৰ থকা মিচিং সমাজত শেহতীয়া পিয়ল অনুসৰি নাৰী শিক্ষাৰ হাৰ ৬০ শতাংশ হৈছে। সত্তৰ-আশীৰ দশকৰপৰা মিচিং গাঁওবোৰলৈ যাতায়তৰ পথ সুগম হৈ শিক্ষাৰ পৰিৱেশ নামি অহাৰ লগতে বিদ্যালয় প্ৰতিষ্ঠা হোৱাত চামে চামে মিচিং কন্যাই বিদ্যালয়লৈ ঢাপলি মেলিবলৈ আৰম্ভ কৰিছিল। ফলস্বৰূপে পৰৱৰ্তী কালত আমি পালোঁ অধ্যাপিকা, শিক্ষয়িত্ৰী, প্ৰশাসনিক বিষয়া, অধিবক্তা, নাৰ্চ আৰু অগণন সমাজ সেৱিকাক।

এইখিনিতে মিচিং সমাজৰ কেইগৰাকীমান উল্লেখযোগ্য নাৰীৰ নাম উল্লেখ কৰা হ'ল- (তথ্যখিনিত আঁসোৱাহ থাকিব পাৰে। সদাশয় পঢুৱৈসকলে অৱগত কৰিলে কৃতজ্ঞ হ'ম।)

১। প্ৰথম শিক্ষয়িত্ৰী (প্ৰাথমিক বিদ্যালয়, '৩৬) — ভদ্ৰিৱালা পাতিৰ

২। প্ৰথম স্বাধীনতা সংগ্ৰামী — প্ৰমিলা মেদক

৩। প্ৰথম মেট্ৰিকুলেট—পাৰ্বতী পেগু দলে

৪। প্ৰথম বিলাৎ ফেৰৎ চিকিৎসক, অধ্যাপিকা — বীণাপাণি দলে

৫। প্ৰথম বিশ্ববিদ্যালয়ৰ অধ্যাপিকা —চপলা মিৰি
৬। প্ৰথম গাৰ্হস্থ্য বিজ্ঞানৰ স্নাতক—বিভা দলে
৭। প্ৰথম অভিযান্ত্ৰিক কলেজৰ অধ্যাপিকা — গীতা দলে
৮। প্ৰথম বি.এ.— কমলা দলে
৯। প্ৰথম বি.এচ.চি.— অযোধ্যা দলে
১০। প্ৰথম এম.এ. (ক'লা)— চপলা মিৰি
১১। প্ৰথম এম.এচ.চি.— স্বৰ্ণলতা পেগু
১২। প্ৰথম বি.এ., বি.এড.— বীণা কমান পাদুন
১৩। প্ৰথম বি.এ., বি.টি.— বিজয়া পায়েংটায়ে
১৪। প্ৰথম আই.এ.এচ.— শকুন্তলা দলে
১৫। প্ৰথম আই.পি.এচ.— দ্যুতিৰাণী দলে
১৬। প্ৰথম এ.চি.এচ.— গৌৰী ৰেগন, নীলিমা চায়েঙীয়া
১৭। প্ৰথম এল.এল.বি.— সুমিত্ৰা পেগু দলে
১৮। প্ৰথম এ.ই.এচ. — নিৰদা দলে পেগু
১৯। প্ৰথম এ.জে.এচ.— লীনা দলে, প্ৰণিতা মৰাং
২০। প্ৰথম পশু চিকিৎসা বিজ্ঞানৰ স্নাতক— হিমাদ্ৰী পেগু
২১। প্ৰথম আই.আই.টিয়ান— ববিতা পেগু
২২। প্ৰথম পদ্মশ্ৰী— ইন্দিৰা মিৰি (বিবাহ সূত্ৰে)
২৩। প্ৰথম বিধায়িকা (দুবাৰকৈ)— সুমিত্ৰা দলে পাতিৰ
২৪। প্ৰথম সাংসদ (দুবাৰকৈ)— ৰাণী নৰহ (বিবাহ সূত্ৰে)
২৫। প্ৰথম অমূল্য কাকতি আৰু অমলপ্ৰভা বঁটা প্ৰাপক— মিলাদৈ মেদক
২৬। প্ৰথম অনাতাঁৰ শিল্পী —ৰীতাদেৱী মেদক
২৭। প্ৰথম ৰেকিবুদ্দিন আহমেদ বঁটা প্ৰাপক— তৰাৰতী মিলি বৰি
২৮। প্ৰথম অনাতাঁৰ শিল্পী (অসমীয়া)— দিপ্তীৰাণী মেদক পেগু
২৯। প্ৰথম ডক্তৰেট— শ্বেতা পেগু কুটুম
৩০। প্ৰথম ভাৰতভূষণ সন্মান—সৃষ্টিৰাণী টাইদ।

সুখৰ কথা যে, তাঁতৰ শালত সপোনৰ সৰগ ৰছনা কৰিব জনা মিচিং জীয়ৰীয়ে সম্প্ৰতি শিক্ষাৰ জৰিয়তে দেশৰ, দহৰ সেৱা কৰিববৈলে সক্ষম হৈছে। এই কথা ওপৰৰ তথ্যখিনিয়ে প্ৰমাণ কৰে। শিক্ষা-দীক্ষাৰ লগতে খেলা-ধূলাতো সময়ে সময়ে মিচিং কন্যাই দেশলৈ সুনাম কঢ়িয়াই আনিছে। অঞ্জুমণি টাকু, নিজুমণি দলে, ৰঞ্জনা পেগুৰ নিচিনা কন্যা সন্তানে ক্ৰীড়াৰ জৰিয়তে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত নিজৰ নাম উজলাবলৈ সক্ষম হৈছে। পঢ়া-শুনাৰ লগতে খেল-ধেমালিৰ বাবে উপযুক্ত পৰিৱেশ পালে মিচিং নাৰীয়েও সমাজৰ, দেশৰ নাম উজ্জ্বলাবলৈ সক্ষম হ'বই, তাত সন্দেহৰ অৱকাশ নাই।■

<u>সহায়ক গ্ৰন্থ ঃ</u>

১। মিচিং বাঃনী কৌবাং
ঐতিহ্য আৰু ইতিহাসৰ ৰেঙণিঃ ডাঃ বিদ্যেশ্বৰ দলে,
মিৰ' মিগাং পাব্লিকেচন, জনাই, জানুৱাৰী ২০১৮

১০

# মিচিং নাৰী

## জাতিৰাম কমান

মিচিং নাৰীয়ে উৰালত ঢেকী দিব জানে, পথাৰত ভুঁই ৰুব জানে, ধান দাব জানে, হাবিৰ পৰা খৰি লুৰিব পাৰে, নৈ'ৰ ঘাটৰ পৰা পানী আনিব পাৰে, কোলাত কেঁচুৱা বোকোচা কৰিও হাল জুৰিব পাৰে আৰু হাঁহ, গাহৰি, কুকুৰা আদিও পালন কৰিব পাৰে। এয়া হ'ল মিচিং মহিলা তিৰোতাৰ মহাত্ম্য। অন্য জনজাতীয় নাৰীৰ দৰে মিচিং নাৰীসকলো বৰ কষ্টসহিষ্ণু আৰু পৰিশ্ৰমী। কিন্তু পৰিতাপৰ কথাটো হ'ল যে, মিচিং নাৰীসকল বৰ পৰিশ্ৰমী হ'লেও কিন্তু লেখা পঢ়াতহে কিছু পিছপৰা। মিচিং গ্ৰাম্য সমাজৰ শতকৰা আশীভাগ মহিলা আজিৰ দিনতো নিৰক্ষৰ বুলি ক'লেও হয়তু বঢ়াই কোৱা নহ'ব নিশ্চয়।

আমাৰ মিচিং সমাজৰ অগ্ৰণী মিচিং মহিলা বুলি ক'লে থাউকতে মনলৈ অহা নামটো হ'ল প্ৰয়াত ইন্দিৰা মিৰি। ইন্দিৰা মিৰি জন্মসূত্ৰে নামনি অসমৰ সেনাপতি উপাধিধাৰী জীয়ৰী যদিও বিবাহসূত্ৰে প্ৰয়াত বন বিষয়া, বন সংৰক্ষক, কাজিৰঙা ৰাষ্ট্ৰীয় অভয়াৰণ্যৰ হোতা স্বৰ্গীয় মুহি চন্দ্ৰ মিৰি (পাতিৰ)ৰ পৰিবাৰ আছিল বাবে অৱশ্যেই তেওঁক এগৰাকী মিচিং জনগোষ্ঠীয় অগ্ৰণী নাৰী বুলি কোৱাতো অনুচিত নহ'ব নিশ্চয়। মুহি মিৰিৰ পৰিবাৰ প্ৰয়াত ইন্দিৰা মিৰি নিজেও এগৰাকী বিলাত ফেৰৎ মহিয়সী বিদ্বান মহিলা আছিল। তেওঁ অসমীয়া ভাষাৰ উত্তৰণৰ হেতু তদানীন্তন নেফা [NEFA,North East Frontier Agency,উত্তৰ-পূব সীমান্ত অঞ্চল)ত

**প্ৰাপ্তবয়স্ক মহিলাৰ বাবে সাক্ষৰতা অভিযান ঃ**

মিচিং সমাজৰ সিংহভাগ গ্ৰাম্য মহিলা এতিয়াও নিৰক্ষৰ। চৰকাৰে সময়ে সময়ে প্ৰাপ্তবয়স্ক শিক্ষাৰ আচঁনি ল'লেও ইয়াৰ স্থায়িত্ব দেখা পোৱা নাযায়। মিমী কৌবাঙে প্ৰত্যেকখন গাঁৱত শাখা সংগঠনৰ যোগেদি Informal Education ৰ জৰিয়তে প্ৰাথমিক জ্ঞান প্ৰদান কৰাৰ উদ্যোগ ল'ব পাৰে। ইয়াৰ বাবে গাঁৱৰ শিক্ষিত যুৱতীসকলে স্বেচ্ছাই বিনামূলীয়া নৈশ পাঠদানৰ ব্যৱস্থা কৰিব পাৰে। তেনে কৰিলেও অন্ততঃ গাঁৱৰ বহু মহিলা সাক্ষৰ হ'ব পাৰিব।

**শিশুৰ পুষ্টিসাধনৰ বাবে মাতৃশিক্ষা ঃ**

সুস্থ সবল নাগৰিক গঢ়িবলৈ স্বাস্থ্যবান শিশুৰ আৱশ্যক। শিশুৰ স্বাস্থ্য এশ শতাংশই মাতৃৰ ওপৰত নিৰ্ভৰশীল। আমাৰ বেছিভাগ গাঁৱলীয়া মাতৃয়েই নিজৰ সন্তানৰ সুস্বাস্থ্যৰ প্ৰতি বেছি সচেতন হোৱা দেখা নাযায়। ইয়াৰ একমাত্ৰ কাৰণ হ'ল স্বাস্থ্যবিধিৰ প্ৰতি আমাৰ গ্ৰাম্য মাতৃসকলৰ অজ্ঞতা। এইখিনিতে মিচিং মহিলা সংগঠনৰ স্বেচ্ছাসেৱিকাসকলে বিধিসন্মত স্বাস্থ্যৰ প্ৰাথমিক জ্ঞানখিনি মাতৃসকলক দিব পাৰে স্বাস্থ্যবান শিশু গঢ়াৰ ক্ষেত্ৰত। সন্তান জন্ম হোৱাৰ পৰা সন্তানক কেনেকৈ প্ৰতিপালন কৰিব লাগে, কেনেকৈ চাফ-চিকুণকৈ ৰাখিব লাগে, ইম্মুনাইজেশ্যন, টিকাকৰণ আদিৰ আৱশ্যকতাৰ প্ৰাথমিক জ্ঞানবোৰ ঘৰে ঘৰে দিয়াৰ ব্যৱস্থা কৰিব পাৰে। অৱশ্যেই সেই কামবোৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্যকৰ্মীৰ। কিন্তু হ'লেও শাখা মিমী কৌবাঙৰ সদস্যাসকলে আনঅফিচিয়েলী তেনে কৰ্মবোৰত অংশগ্ৰহণ কৰি গ্ৰাম্য মাতৃসকলক উৎসাহিত কৰিব পাৰে।

**বয়ন আৰু ৰেচম শিল্পৰ উন্নয়ন সাধন ঃ**

মিচিং তিৰোতাসকল স্বাভাৱিকতে নিপুণ শিপিনী। মিচিং নাৰীৰ প্ৰায়ভাগেই তাঁতবোৱা কামত পাৰ্গত। মিচিং জনগোষ্ঠীয় জাতীয় সাজ-পাৰবোৰেই তাৰ জীৱন্ত প্ৰমাণ। মিচিং শিপিনীয়ে বোৱা ৰং বিৰঙী মেখলা ছাদৰ(ৰি:বি গাছেং) ইত্যাদি বহু জনপ্ৰিয় পাৰম্পৰিক সাজ-পাৰ। মিচিং সংস্কৃতিক জীয়াই ৰখাত ৰং বিৰঙী মিচিং জনগোষ্ঠীয় সাজ-পাৰসমূহৰ অৱদান প্ৰভূত পৰিমাণে বিদ্যমান।

ৰেচম শিল্পতো মিচিং মহিলা পাৰ্গত। এৰি মুগা, পাট মুগাৰ বাবে এৰি পলু পাট পলু কেনেকৈ প্ৰতিপালন কৰিব লাগে, কেনেকৈ মুগাৰ পৰা সূতা কাটি কাপোৰ বব পাৰি সেই সকলো কলাতেই সিদ্ধহস্ত মিচিং মহিলাসকল। কিন্তু উপযুক্ত কাৰিকৰী আন্তঃগাঁথনিৰ অভাৱত হস্ততাঁত শিল্পসমূহ পাৰম্পৰিক ৰূপত চালুকীয়া অৱস্থাতেই সীমিত হৈ আছে। শাখা মহিলা সংগঠনৰ বিষয়ববীয়াসকলে চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত যোগাযোগ ৰাখি গাঁৱে গাঁৱে যন্ত্ৰচালিত তাঁতশাল স্থাপনৰ বাবে চৰকাৰক দাবী জনাই প্ৰয়োজনীয় প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰে। তাঁতশিল্পক গ্ৰাম্য এলেকাত বৈপ্লৱিক পৰিৱৰ্তন অনাৰ হেতু মিমী কৌবাঙে সাংগঠনিক এজেণ্ডা হিচাপে ল'ব পাৰে। হস্ততাঁত শিল্পবোৰৰ বৈপ্লৱিক পৰিৱৰ্তন সাধন নহ'লে অদূৰ ভৱিষ্যতে তাঁতশিল্পটো মৰহি যোৱাৰ অৱকাশ নথকা নহয়।

**উন্নত পদ্ধতিৰে গাহৰি, হাঁহ- কুকুৰা আৰু ছাগলী পালনৰ প্ৰশিক্ষণ ঃ**

গাহৰি, হাঁহ, কুকুৰা, ছাগলী পালন সমূহ মিচিং তিৰোতাসকলে পৰম্পৰাগতভাৱে পালন কৰি অহা বৃত্তি। এই বৃত্তিসমূহ তেওঁলোকে জীৱিকাৰ বাবে

শিক্ষা বিষয়া হৈ শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত বহুতো আহোপুৰুষাৰ্থ কৰিছিল।

সাম্প্ৰতিককালত অৱশ্যে ইন্দিৰা মিৰি আদিৰ দৰে আঙুলিৰ মূৰত গণিব পৰা শিক্ষিত মহিলা মিচিং সমাজত নগণ্য পৰিমাণে সীমিত আছে বুলি ক'লে হয়তু ভুল কোৱা হ'ব। আজিৰ তাৰিখত অকল চহৰবাসী মিচিঙৰেই নহয়; বৰঞ্চ গ্ৰাম্য অঞ্চলতো শিক্ষিত মিচিং মহিলা বুজন সংখ্যক হ'ল বুলিলে বঢ়াই কোৱা নহ'ব নিশ্চয়। সৰ্ব ভাৰতীয় প্ৰশাসনিক আৰু সামৰিক সেৱাকে ধৰি এক বুজন সংখ্যক ডাক্তৰ-নাৰ্ছ, প্ৰফেছৰ, শিক্ষক-কৰ্মচাৰী আদি অফিছে-কাছাৰীয়ে দেখা হ'ল। কিন্তু হ'লেও দেশত হোৱা আজিৰ নাৰী শিক্ষাৰ অগ্ৰগতিৰ অনুপাতে এতিয়াও যথেষ্ট কম। মিচিং সমাজত নাৰী শিক্ষা আৰু নাৰী সৱলীকৰণৰ বাবে প্ৰয়োজনীয় বহু পৰিকল্পনা আৰু কৰণীয় বহুখিনি কাম এতিয়াও আছে।

২। অধিক বাঢ়ণ ক্ষমতা ঃ আন ঘৰচীয়া জীৱ-জন্তুৰ তুলনাত গাহৰিৰ বাঢ়ণ ক্ষমতা যথেষ্ট বেছি । এটা গাহৰিয়ে প্ৰায় ৩.৫ ৰ পৰা ৪ কিলোগ্ৰাম দানা খাই দেহৰ ওজন ১ কিঃ গ্ৰাঃ পৰ্য্যন্ত বৃদ্ধি কৰিব পাৰে ।

৩। মাংসৰ উৎপাদন ঃ গাহৰিটোৰ দেহৰ ওজনৰ শতকৰা ৭০ পৰা ৭৫ ভাগ মাংসৰ উৎপাদন পোৱা যায় ।

৪। খাদ্য ঃ পেলনীয়া আৰু থলুৱা খাদ্য খুৱায়েই গাহৰি পালন কৰিব পাৰি। সেয়ে লাভৰ পৰিমাণ অধিক হয় ।

**গাহৰিৰ জাত ঃ** আমাৰ অঞ্চলত খাপ খাব পৰা গাহৰিৰ জাতবাৰ হ'ল— হেম্পচায়াৰ, লাৰ্জ হোৱাইট ইয়ৰ্কছায়াৰ, ঘুংৰু, চেডেলেবক, লেণ্ডৰেচ, ডিউৰক আদি।

**আফ্ৰিকান গাহৰি জ্বৰ আৰু জৈৱ সুৰক্ষাৰ ব্যৱস্থা ঃ**

সাম্প্ৰতিক সময়ত পশুপালন আৰু পশু চিকিৎসাত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বানটো হৈছে ছোৱাইন ফিবাৰ (African Swine Fever) বা আফ্ৰিকান গাহৰি জ্বৰ মহামাৰীৰ ফলত অস্বাভাৱিকভাৱে ব্যাপক সংখ্যক গাহৰি মৃত্যু অব্যাহত থকাতো। এই বেমাৰৰ কাৰণে কোনো ঔষধ বা ভেক্চিন আৱিষ্কাৰ বৰ্তমান হোৱা নাই। যোৱা বছৰত আফ্ৰিকান গাহৰি জ্বৰত হাজাৰ হাজাৰ গাহৰি মৃত্যু হোৱা গ্ৰাম্য অৰ্থনীতি যথেষ্ট লোকচান হৈছে। বৰ্তমান গাহৰিৰ চাহিদা পুৰাবলৈ বহিঃৰাজ্যৰ পৰা অসমলৈ গাহৰি ৰপ্তানি হৈ আছে। যদি এতিয়া গাহৰি পালন কৰিব লাগে তেতিয়া হ'লে জৈৱ সুৰক্ষাৰ ব্যৱস্থাৰেহে গাহৰি পালন কৰিব লাগিব। মুকলিকৈ এৰি দি গাহৰি পালন কৰা সম্পূৰ্ণৰূপে বন্ধ কৰা উচিত। আৱদ্ধ পদ্ধতিৰে গাহৰি পালন কৰাতো অন্ততঃ প্ৰয়োজন। জৈৱ সুৰক্ষাৰ ব্যৱস্থবোৰ হ'ল—

১। মৃত্যু হোৱা গাহৰিৰ মৃতদেহ কমেও ৬ ফুট দ'কৈ গাত খান্দি চুণ বা নিমখ ঢালি পুতি পেলাব।

২। মৃত গাহৰি কেতিয়াও মুকলি ঠাই, নৈ, বিল, খাল আদিত নেপেলাব।

৩। গাহৰি পালকসকলে নিজৰ নিজৰ গাহৰি পামসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিব ।

৪। গাহৰি পামসমূহৰ জৈৱ সুৰক্ষা নিশ্চিতৰূপে পালন কৰক। এক লিটাৰ পানীত ব্লিচিং পাউদাৰ তিনি চামুচ (১৫ গ্ৰাম) লগতে নিমখ তিনি চামুচ মিশ্ৰণ বনাই পামসমূহ মহামাৰী হোৱা দিনত এদিন দুদিনৰ মূৰে মূৰে চেনিটাইজ্ কৰিব লাগে। ১০০ মি.লি. চ'ডিয়াম হাইপঅক্লৰাইট ($Na_2ClO$) ১০ লিটাৰ পানীৰ মিশ্ৰণ বনাই চেনিটাইজ্ কৰিব পাৰি। নহ'লে একো নাপালেও সাধাৰণ কাপোৰ ধোৱা ডিটাৰজেন পাউদাৰৰ মিশ্ৰণ বনাইও পামসমূহ ধুই চেনিটাইজ্ কৰিব পাৰি। তেনে কৰিলে ভাইৰাচ ধ্বংস হয়।

৫। গাহৰি অস্বাভাৱিক মৃত্যু হ'লে পামসমূহলৈ অন্য ঠাইৰ পৰা নতুন গাহৰি আনি নোসোমাব আৰু নিজৰ পামৰ পৰাও কোনো গাহৰি উলিয়াই অন্য ঠাইলৈ নপঠিয়াব।

৬। গাহৰি পামত কোনো কাৰণতে নতুন ব্যক্তিক প্ৰৱেশ কৰিবলৈ নিদিব। পশু চিকিৎসক বা পামত

কাম কৰি থকা লোকসকলেও ভালদৰে হাত-ভৰি ধুই পামত সোমাব লাগে।

৭। অসংগঠিত ৰূপত বাসস্থানৰ নাতি দূৰৈত পালন কৰা গাহৰিসমূহৰ ক্ষেত্ৰটো উল্লেখিত নিয়মসমূহ পালন কৰক। গাওঁসমূহত এৰি দিয়া গাহৰিবোৰ গৰাল বনাই আৱদ্ধ কৰি ৰাখি ওপৰত কোৱাৰ দৰে চেনিটাইজ্ কৰিব ।

৮। মহামাৰীৰ সময়ত গাঁৱে গাঁৱে ৰাইজৰ সজাগতা বা ব জৈৱ সুৰক্ষাৰ কথাবোৰ মাইক আদিৰ দ্বাৰা ব্যাপকভাৱে প্ৰচাৰৰ ব্যৱস্থা কৰিব লাগে।

৯। গাহৰিৰ যিকোনো ৰোগৰ লক্ষণ দেখা মাত্ৰেই তাৎক্ষণিকভাৱে ওচৰৰ পশু চিকিৎসালয় বা পশু স্বাস্থ্য উপকেন্দ্ৰৰ সৈতে যোগাযোগ কৰক ।

১০। গাহৰি পালকসকলে গাহৰি পালনৰ ক্ষেত্ৰত যিকোনো সমস্যাৰ সন্মুখীন হ'লে ততালিকে পশু পালন আৰু পশুচিকিৎসা বিভাগ, অসমৰ ট'ল ফ্ৰী নম্বৰ ১৯৬২ ত যোগাযোগ কৰিব পাৰিব।

**ছাগলী পালন ঃ**

বিজ্ঞানসম্মত ছাগলী পালন এক লাভজনক ব্যৱসায়। ছাগলী যিকোনো পৰিৱেশতে জীয়াই থকাৰ উপৰিও ইহঁতৰ গাখীৰ, মাংস, ছাল, নোম, মলমূত্ৰ আদি মানৰ সমাজে অতীজৰে পৰা ব্যৱহাৰ কৰি আহিছে। তাৰ উপৰিও পূজা-পাৰ্বণ আদিতো ছাগলীৰ ব্যৱহাৰৰ বাবে ছাগলী সৰ্ববজন সমাদৃত। অতি দুখীয়া মানুহে ছাগলী কম খৰচত, কম ঠাইত পুহিব পাৰে। এই ছাগলী পালনত পুৰুষ-মহিলা উভয়ে জড়িত হোৱা দেখা যায়। ছাগলীক সেই কাৰণে 'দুখীয়াৰ গাই গৰু' বুলি কোৱা হয়। নিবনুৱা যুৱক-যুৱতীসকলে ছাগলী পালন কৰিলে নিবনুৱা সমস্যা দূৰীকৰণত লগতে প্ৰ'টিনযুক্ত খাদ্যৰ অভাৱ পূৰণ কৰিব পৰা হ'ব ।

আমাৰ ৰাজ্যত জলবায়ু উষ্ণ, সিক্ত আৰু ইয়াত বহু পৰিমাণে বৰষুণ হয়। প্ৰচুৰ পৰিমাণে বৰষুণ হয় বাবে প্ৰতিবছৰে ব্ৰহ্মপুত্ৰ উপত্যকাত বানপানী হয় । বানপানীয়ে মাটিৰ পলস পেলাই সাৰুৱা কৰে। সেইকাৰণে আমাৰ ৰাজ্যখনত প্ৰচুৰ পৰিমাণে ঘাঁহ উৎপাদন হয় । যাৰ ফলত ইয়াত তৃণেভাজী প্ৰাণী পোহা অতি সহজ।

আমাৰ অঞ্চলবোৰত পালন কৰিব পৰা ছাগলীৰ জাতবোৰ হৈছে— অসম পাৰ্বত্য ছাগলী, ব্লেক বেঙ্গল, বিটাল, চিৰহী, যমুনাপাৰি, বাৰবাৰী, চুৰতী আদি । সাধাণতে দেখা যায় যে অসম পাৰ্বত ছাগলী আৰু ব্লেক বেঙ্গল ছাগলীৰ ভাল মাইকী আৰু অন্য জাতৰ মতা ছাগলীৰে ফাৰ্ম কৰিলে বেছি লাভজনক হয়। থলুৱা জাতৰ ছাগলী আমাৰ পৰিৱেশত সহজে খাব খুৱাব পাৰে আৰু বেমাৰ-আজাৰও কম। আনহাতে ওপৰত উল্লেখ কৰা অন্য জাতৰ মতাৰ লগত মিলন ঘটালে তাৰ পোৱালীবোৰৰ আকাৰ আমাৰ থলুৱা জাতৰ ছাগলীতকৈ ডাঙৰ হয়। ছাগলী পালন কৰোতে মুকলি পদ্ধতি, অৰ্দ্ধ মুকলি পদ্ধতি আৰু আৱদ্ধ পদ্ধতি যিকোনো এটা পদ্ধতিৰে ঠাই, সুবিধা অনুসাৰে ছাগলী পালন কৰিব পৰা পাৰি।

**গো-পালন ঃ**

আমাৰ স্থানীয় গাই-গৰুৰ গাখীৰ উৎপাদন একেবাৰে সামান্য। সেয়ে অধিক গাখীৰ উৎপাদন কৰিববলৈ হ'লে বৰ্ণসংকৰ জাৰ্চি গাই পালন কৰিব লাগিব। এই বৰ্ণসংকৰ জাৰ্চি গৰু পাবলৈ কৃত্ৰিম প্ৰজননৰ সু-ব্যৱস্থা আছে। স্থানীয় পশু চিকিৎসালয়, কৃত্ৰিম প্ৰজনন কেন্দ্ৰ বা উপকেন্দ্ৰত এই ব্যৱস্থা উপলদ্ধ। কিন্তু বৰ্ণ সংকৰ গাই-গৰুৱে গাখীৰ উৎপাদন বঢ়াবা নোৱাৰে যদিও উচিত পৰিমাণৰ সুষম দানা আৰু কেঁচা ঘাঁহ যোগান ধৰা নহয়। সেয়ে এই

দিশবোৰো চাব লাগিব। তাৰ বা ব উন্নত জাঁতৰ ঘাঁহ খেতিও কৰিব লাগিব। এইদৰে অধিক দুগ্ধ উৎপাদনৰ লক্ষ্যত উপণীত হ'ব পৰা যাব। কথা হ'ল বিজ্ঞানসন্মত গো পালনে অকল গাখীৰৰ উৎপাদনে নবঢ়ায়, ই পৰিয়ালক আৰ্থিক নিৰাপত্তাও দিয়ে ।

দুগ্ধ পামৰ আৰ্থিক সফলতাৰ ক্ষেত্ৰত পশুধনৰ স্বাস্থ্যৰ সুৰক্ষা এক গুৰুত্বপূৰ্ণ উপাদান। বিশেষকৈ বৰ্ণসংকৰ জাতৰ গাই গৰুসমূহক সংক্ৰামক আৰু মাৰাত্মক ৰোগসমূহৰ পৰা মুক্ত ৰখাৰ বাবে নিয়মীয়া প্ৰতিষেধক ছিটা দিয়াব লাগে। তেনেদৰে পাক প্ৰক্ৰিয়াজনিত ৰোগ যেনে— পেটফুলা, বদ্‌হজম আদি ৰোগৰ প্ৰতি সাৱধানতা অৱলম্বন কৰিব লাগে । মিল্ক ফিভাৰ আদি মেটাবলিজিম সম্পৰ্কিত ৰোগৰ প্ৰতিৰোধৰ বাবে নিয়মীয়াকৈ কেলচিয়াম, মেগনেছিয়াম আদি জাতীয় ঔষধ খুৱাই থাকিব লাগিব। যিহেতু এই ৰোগ অধিক গাখীৰ উৎপাদনক্ষম গাই গৰুত হয়। যিকোনো ৰোগত আক্ৰান্ত হোৱা লক্ষণ দেখা পালেই পশু চিকিৎসকৰ সহায় ল'ব লাগে ।

মিচিং মহিলাসকলে পৰম্পৰা ৰক্ষা কৰি পুৰণিকলীয়া পদ্ধতিৰ পৰা ওলাই আহি বিজ্ঞানসন্মত আধুনিক পদ্ধতি অৱলম্বন কৰি কৃষি বা পশুপালন ক্ষেত্ৰত মনোনিৱেশ কৰা উচিত। পশু পালনৰ উপৰিও মৎস্য পালন, ৰবি শস্য খেতি, পলু পালন, হস্তওঁাত আৰু বস্ত্ৰ উদ্যোগত আদি বিভিন্ন ক্ষেত্ৰত ব্যৱসায় গঢ়ি তুলি লাভৱান হ'ব পাৰিব।■

১৪

# অসমীয়া মোৰ প্ৰথম পৰিচয়, শেষ পৰিচয় মোৰ অসমীয়া

**মাধৱচন্দ্ৰ পাৰ**

যোৱা ১৪ মে' মঙলবাৰৰ 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত এন আৰ চিৰ আপত্তিৰ নামত খিলঞ্জীয়াকো হাৰাশাস্তি বাঞ্জয়ৰ নায়ক মহানন্দ গোস্বামীৰ পৰিয়ালৰ চাৰি কন্যালৈও আসনৰ জাননী তথা কৃতী শিক্ষয়িত্ৰী বঁটাপ্ৰাপক বুলু গোস্বামীৰ মতে তেওঁৰ তিনি ভগ্নীলৈ থানাত হাজিৰ হ'বলৈ জাননী প্ৰেৰণৰ বাতৰি পঢ়ি ময়ো এজন নিৰপৰাধী দোষত দোষী হিচাপে জাননীপ্ৰাপ্ত ব্যক্তি হোৱা হেতুকে অচিনাকি যদিও শ্ৰদ্ধাৰ বুলু গোস্বামী বাইদেউ তথা তেওঁৰ দুখী পৰিয়ালবৰ্গলৈ সমবেদনা জনালো। কাৰণ ময়ো এজন শিক্ষক হিচাপে বহু বছৰ অসম চৰকাৰৰ শিক্ষা বিভাগৰ চাকৰিৰ পৰা বৰ্তমান অৱসৰপ্ৰাপ্ত ব্যক্তি। সেয়ে লগত কিছু লিখাৰ প্ৰয়াস কৰিলো।

প্ৰবাদ আছে অন্যান্য জাতি-জনজাতিৰ লগতে মিচিংসকলেও সুদূৰ ইয়াংচিকিয়াঙকৰ পৰা তিব্বত হৈ অৰুণাচল প্ৰদেশ (আগৰ আবৰ পাহাৰ) চিয়াঙৰ পাৰে পাৰে আহি পৰ্বতে, কন্দৰে, হাবিয়ে-বননিয়ে কটাই কালক্ৰমত পূৰ্বপুৰুষসকল অলিখিত ইতিহাসৰ পাতত বিলীন হ'ল। উত্তৰ পুৰুষসকলৰ একাংশই পূবৰ শদিয়া অঞ্চল হৈ শিৱসাগৰ, যোৰহাট, গোলাঘাট তথা আন একাংশই পশ্চিমৰ কামেঙৰ সোৱাণশিৰি হৈ লখিমপুৰ, গহপুৰ, তেজপুৰ হৈ বৰ্তমান বুঢ়ৈ-ভৰলী ইত্যাদিত থিতাপি ল'লে। অৱশিষ্ট একাংশ

বৰ্তমান চিয়াঙৰ ভূখণ্ডত থিতাপি লৈ পাচিঘাট, জোনাই, ধেমাজি অঞ্চলত সিঁচৰতি হৈ বসবাস কৰি জীৱন ধাৰণ কৰিছে। বৰ্তমান জোনাই মহকুমাৰ অন্তৰ্গত পবা সংৰক্ষিত বনাঞ্চলৰ কাষতে দক্ষিণ দিশৰ ফালে 'পবা' নামেৰে গাঁও এখনত তথা বৰ্তমান পবা সংৰক্ষিত বনাঞ্চলৰ উত্তৰ-পূব দিশত অৰুণাচলৰ চিয়াং জিলাৰ অন্তৰ্গত অয়ান গাঁৱত আমাৰ পূৰ্বপুৰুষসকল বসবাস কৰি আহিছিল আৰু বৰ্তমানো আমাৰ বংশৰ পৰিয়াল তাতেই আছে। আমাৰ বংশধৰসকলে সেই তেতিয়াৰ পৰাই অয়ান, বৰ্তমান পুৰণা জেলম গাঁৱৰ এলেকা তথা দক্ষিণফালে পবা নামে গাঁৱত থিতাপি লৈছিল। সময়ৰ মূৰকত কিছু প্ৰাকৃতিক দুৰ্যোগৰ অনুমান সাপেক্ষে দূৰদৰ্শী ব্ৰিটিছ চাহাবসকলে 'পবা' গাঁওখনৰ পৰা উত্তৰ-পূব দিশত বৰ্তমান কেমি এলেকালৈ হস্তান্তৰ কৰায়।

সেই সময়ৰ শদিয়াৰ Political officer J.H.F. Willliams চাহাবৰ আদেশ Memo No. 66-G/Dtd. Psg 25th, August 1943 যোগে মোৰ পিতৃ স্বৰ্গীয় টেমুদ পাৰদেৱক অয়ান গাঁৱৰ কিছু দূৰত কেমি গাঁও স্থাপন কৰাই তাৰ গাঁওবুঢ়াৰ পদত নিযুক্তি দি চৰকাৰী তথা গাঁৱৰ সামাজিক দায়িত্ব ল'বলৈ নিৰ্দেশ দিয়ে। সেই তেতিয়াৰ দিনৰ পৰাই আমি এই কেমি গাঁৱতেই অসম-অৰুণাচল সীমাত বসবাস কৰি আহিছে।

এইখন গাঁৱতেই (১৯৩৬ চনত কবুত স্থাপিত) কেমি চৰকাৰী প্ৰাথমিক বিদ্যালয়ত ক মান শ্ৰেণীত নামভৰ্তি কৰি শিক্ষাৰ প্ৰথম চকু মেলিছিলো। ১৯৫৫-৫৬ চনত। আমাৰ শিক্ষক আছিল শদিয়াৰ দিচৈ গাঁৱৰ নমস্য ভদ্ৰকান্ত হাজৰিকাদেৱ। ১৯৫০ চনৰ প্ৰলয়ংকাৰী ভূমিকম্পৰ প্ৰকোপত শেষ হোৱা 'কবু' নামৰ ঠাইৰ পৰা বিদ্যালয়ৰ লগতে ছাৰেও সপৰিয়ালে আমাৰ গাঁওখনলৈ উঠি আহিছিল। সেই তেতিয়াৰ পৰাই শিক্ষাগুৰু হিচাপে তেখেতেও আমাক মিচিং বুলি জানি গৈছিল। সেই তেতিয়াৰ ব্ৰিটিছ আমোলৰ 'পবা' নামৰ গাঁৱৰ পৰা আহি বৰ্তমান কেমি গাঁৱত থিতাপি লোৱা ব্যক্তি বুলি অসমত ধেমাজি, লখিমপুৰ, জোনাই, মহকুমাৰ লগতে অৰুণাচলৰ চিয়াঙৰ বহুতো গণ্য-মান্য ব্যক্তি, গাঁওবুঢ়া, কটকী, জামাদাৰ, এম.এল.এ, এম.পি., ডি.চি, ডি. এফ.অ', মন্ত্ৰীসকলেও আমাৰ পৰিয়ালক স্থায়ী বাসিন্দা হিচাপে চিনি পায়।

অৰুণাচলৰ সেই তেতিয়াৰ আলং হাইস্কুলত পঢ়া কালত ১৯৬২ চনৰ চীনা যুদ্ধৰ পিছত অসমৰ বিশিষ্ট আৰু স্বনামধন্য ব্যক্তি লেখক, পণ্ডিত শ্ৰদ্ধাৰ ড° মহেশ্বৰ নেওগ ছাৰ তথা লীলা গগৈদেৱ ব্যক্তিদ্বয়ে সম্প্ৰীতিৰ যাত্ৰা লৈ আহি অসম-অৰুণাচল ৰ সহমৰ্মিতা সম্প্ৰীতিৰ সভা পাতি গৈছিল। সেই সভাত ছাত্ৰ হিচাপে আমিও যোগদান কৰি তেখেতসকলৰ পৰা মৰম আদায় কৰিছিলো। ফলস্বৰূপে তেখেতসকলে অসমলৈ ঘূৰি গৈ দুয়োজনৰে লিখিত কিতাপ, নেওগ ছাৰৰ 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' আৰু লীলা গগৈ ছাৰৰ 'কপলিং ছিগা ৰে'ল' কিতাপ দুখন অসমীয়া বাবু নামৰ এজনৰ দ্বাৰা মোলৈ পঠিয়াইছিল। কিতাপকেইখন পাই অফুৰন্ত আনন্দিত হৈছিলো। সম্প্ৰীতিৰ যাত্ৰাৰ পৰা ঘূৰি গৈ ড° নেওগ ছাৰৰ তেতিয়াৰ জনপ্ৰিয় বাতৰি কাকত 'অসম বাণী'ত 'চিয়াম পৰীয়াৰ কথাৰে' বুলি সম্প্ৰীতিৰ যাত্ৰাৰ ভ্ৰমণ বৃত্তান্তৰ 'তেওঁ অসমৰ মূৰ্কংচেলেকৰ মিচিং ল'ৰা (ছাত্ৰ)' বুলি মোৰ বিষয়ে উল্লেখ কৰা পঢ়িবলৈ পাই নথৈ আনন্দ আৰু গৌৰৱবোধ কৰিছিলো।

ইয়াৰ পিছৰ পৰ্যায়ত যোৱা ১৯৬৭-৬৮ চনক কুলাজানত অনুষ্ঠিত মিচিং বানে কেবাঙৰ সময়ত ভূপেনদা তথা শ্ৰদ্ধাৰ বিষুও ৰাভাদেৱক লগ পাইছিলো। মোৰ প্ৰয়াত ককাইদেউ চুচেন পাৱদেৱক কৰমৰ্দন কৰি আদি ল'ৰা বুলি নেকি ভালকে ভূপেনদাই চিয়াঙৰে গালং, লুইতৰে খামতি বুলি মৰমেৰে মোলৈ চাই চাই গীত জুৰিলে। বৰ আমোদ পাইছিলো।

ইয়াৰ পিছৰ পৰ্যায়ত ১৯৭৭-৭৮ চনত আমি চিয়াং সদৰ ঠাই পাচিঘাটত মিচিং আলি-আয়ে-লৃগাং উৎসৱ পাতিছিলে তেনেতে মই খবৰ পালো মৰমৰ, আদৰৰ সুধাকণ্ঠ ভূপেনদা পাচিঘাটত কেনেবাকৈ উপস্থিত হৈছে। জীপগাড়ী এখন লৈ তেখেতক বিচাৰি পাচিঘাট চহৰ চলাথ কৰি অৱশেষত Hig Reason এলেকাৰ এজন অসমীয়া বাবুক বাসস্থানত আৱিষ্কাৰ কৰি তেখেতক লৃগাঙলৈ নিমন্ত্ৰণ জনালো। তেনেতে ভূপেন দাই চিঞৰি চিঞৰি ক'লে— 'পাচিঘাটত লৃগাং পাতিছে অথচ মই নাযাম- ক'ত পাতিছে? মনটো উৰি যাওঁ, উৰি যাওঁ লাগিছে' বুলি আমাৰ জীপগাড়ীখনত উঠি বহিল। আথে-বেথে ভূপেনদাক সভাথলীলৈ নি আপং, পুৰাঙেৰে ৰাইজে আপ্যায়ন কৰিলে। কিছু সময় লৃগাঙত কৃষ্টিৰ নাচ-গান উপভোগ কৰি ঘূৰি যাবলৈ ওলাই 'মাধৱ তোমাৰ জীৱন এটি সুন্দৰ অইনিঃতমৰ দৰে হওক' বুলি এখনি Autograph (স্মৃতি লেখা) দি মৰমত হাত বুলাই ভূপেনদা পাচিঘাটৰ জনসমুদ্ৰৰ ক'ৰবাত হেৰাই গৈছিল। আজি সেই মৰম আৰু আশীৰ্বাদৰ Autograph খনি বুকুত সাৱটি ভূপেনদাৰ মহানতাৰ কথা ভাৱি থাকো আৰু মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ এক প্ৰেৰণাৰ উৎস বিচাৰি পাওঁ।

আলং হাইস্কুলত তেতিয়াৰ প্ৰধান শিক্ষক, নমস্য স্বৰ্গীয় গুৰু জগদীশ চলিহাৰ লগতে গুৰুবৃন্দ বীৰেশ্বৰ গগৈ ছাৰ, প্ৰতাপ চন্দ্ৰ মহন্ত, নৰেন বৰকটকী, যদু কাকতি, লেখক সাহিত্যিক তীৰ্থ ফুকন প্ৰভৃতি শিক্ষাগুৰুসকলে মোক মিচিং ছাত্ৰ হিচাপে মৰম কৰা উপলব্ধি কৰিছিলো। হেডছাৰ চলিহাই মোক বিশেষভাৱে মৰম-আদৰ কৰি আলঙৰ ছাত্ৰাবাসত থাকিবলৈ সুবিধা কৰি দিয়াৰ লগতে ৰেচন-পানীও যোগাৰ কৰি দিছিল। তেজুলৈ বদলি হৈ যোৱাৰ পিছতো মোৰ লগতে কেইজনমান ছাত্ৰ বন্ধুলৈ Commendation Certificate লিখি তেজুৰ পৰা পঠিয়াইছিল।

পাচিঘাটৰ জে এন কলেজৰ শিক্ষাগুৰুসকলৰ কথা নক'লোৱেই যেনিবা, তথাপি তাৰে ভিতৰৰ শ্ৰদ্ধেয় জ্যোতিষ পাঠক তথা ড° ৰমেশ পাঠক ছাৰৰ কথা নকৈ নোৱাৰিছো। ইয়াৰে জে চি পাঠক ছাৰে সেই সময়ৰ PUC Course ৰ পৰীক্ষাত উত্তীৰ্ণ একমাত্ৰ মিচিং ছাত্ৰ বুলি মোক মৰমেৰে উৎসাহ উদ্দীপনা দিছিল। তেখেতৰ পিছত জোনাই মহকুমাৰ এছ ডি অ' হিচাপেও পাইছিলো।

আনজন পাঠক শিক্ষাগুৰু ৰমেশচন্দ্ৰ পাঠক ছাৰ মহোদয়। বৰ্তমান সাহিত্যাচাৰ্য ড° ৰামেশ পাঠক বুলিলে সকলোৱে ছাৰক চিনি পায় নিশ্চয়। তেখেত বৰ্তমান গুৱাহাটী লখিমী নগৰ নিবাসী। তেখেতৰ মৰম-আদৰবোৰ কোনো দিনে পাহৰিব নোৱাৰো। কেতিয়াবা গুৱাহাটীলৈ গ'লে তেখেতৰ বাসস্থানলৈ আহি দেখা সাক্ষাৎ কৰোগৈ। লগ পালে ছাৰে সেই সময়ৰ গুৰু শিষ্যৰ পৱিত্ৰ সম্বন্ধৰ তথা আজি গুৰু-শিষ্যৰ কথা ভাৱি দুখ প্ৰকাশ কৰে। লগ পালে ছাৰে জোনাই পাচিঘাটৰ খা-খবৰ সুধিও Nostalgic হৈ পৰা অনুভৱ কৰো। তেখেতে মিচিং ছাত্ৰ হিচাপে মই এজন অসমীয়া ভাষা-সাহিত্য ভালপোৱা বুলি

জানিয়েই নেকি অলপ বেছি মৰম কৰা উপলব্ধি কৰি আহিছো।

ঠিক তেনেদৰে জোনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক আমাৰ চিৰনমস্য গিৰীশ শৰ্মা ছাৰ বৰ্তমান জোনাইৰ স্থায়ী বাসিন্দা। বৰ্তমান জোনাইত আমাৰ জ্যেষ্ঠ নাগৰিক সংস্থাৰ মাননীয় সভাপতিৰ গুৰুদায়িত্ব বহন কৰি আহিছে। তেখেতসকলেও মোক মিচিং ছাত্ৰ তথা ইয়াৰ স্থানীয় বাসিন্দা বুলি জানে।

অৰুণাচলৰ পাঁচখন জিলাৰ বহুতো ছাত্ৰ-ছাত্ৰীকে জে এন কলেজৰ সহপাঠী ৰূপত পাইছিলো। আজি সকলোৰে নাম ল'ব নোৱাৰিলেও প্ৰধান হিচাপে অৰুণাচলৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গেগং আপাংদেৱে আজিও বন্ধুত্বৰ শিকলিত আমিবোৰক বান্ধি ৰাখিছে। বহুতৰে ভিতৰত তেওঁৰ মন্ত্ৰীসভাৰ সদস্য চিৰাপৰ বন্ধু চেঙাম ঙেমু তথা লুহিতৰ আনীনী ফালৰ কাপ্ৰিংশ্ব ক্ৰুং প্ৰভৃতি বন্ধুসকলেও মোক মিচিং সম্প্ৰদায়ৰ ব্যক্তি বুলি জানি গৈছিল।

ইয়াৰ উপৰি আমাৰ জোনাই সমষ্টিৰ Hearthrob MLA শ্ৰদ্ধাৰ ভূৱন পেগু আৰু ১৪ নং সমষ্টিৰ এম পি প্ৰদান বৰুৱা মহোদয়েও মোক মিচিং সম্প্ৰদায়ৰ ব্যক্তি বুলি চিনি পায়।

মোৰ পূজ্য পিতাৰ Legacy data ব্যৱহাৰ কৰি জোনাই মহকুমাৰ এন আৰ চি কাৰ্যালয়ৰ স্থানীয় বাসিন্দাৰ প্ৰমাণপত্ৰ মোৰ ককাইদেউ দুজনৰ তথা ভাই দুজনৰ পৰিয়ালবৰ্গই কোনো বিপৰ্যয়ৰ সন্মুখীন নোহোৱাকৈ লাভ কৰি থৈছে। অথচ মোৰ পৰিয়ালসমূহে আনৰ Legacy Data ব্যৱহাৰ কৰিছে বুলি সুদূৰ মাৰ্ঘেৰিটাৰ এন আৰ চি কাৰ্যালয়ৰ পৰা তাত হাজিৰ হৈ জবাব দিবলৈকে মোৰ নামত চমন জাৰি কৰিছে তাৰ প্ৰশাসনে। এয়া জোনাই মহকুমাৰ নে মাৰ্ঘেৰিটাৰ এন আৰ চি কাৰ্যালয়সমূহৰ কৰ্মকৰ্তাৰ হেমাহিৰ অৱমাননা কৰাৰ প্ৰয়াস? বিদেশী চিনাক্তকৰণৰ নামত খিলঞ্জীয়াক হাৰাশাস্তি কৰাৰ কি মতলব আমি বুজিব পৰা নাই। মোৰ কাৰো লগত শত্ৰুতা বা কোনেও মোৰ লগত শত্ৰুতা কৰা কথা মনত নপৰে এইক্ষেত্ৰত। ওপৰত উল্লেখিত মৃত বা জীৱিত সকলো হিতাকাংক্ষী ব্যক্তিৰ সান্নিধ্য লাভ কৰি শান্তিৰে জীয়াই থকাৰ প্ৰয়াস কৰি আহিছো। বৰ্তমানৰ ভৱিষ্যতৰ দিনবোৰত এনেদৰেই শান্তিৰেই জীয়াই থকাৰ আশা পুহি ৰাখিছো। কাৰণ এন আৰ চিৰ এনে নিয়ম কাৰ্যকলাপত অভিশপ্ত অসমৰ বহুতো ব্যক্তিয়ে আত্মহননৰ পন্থাৰে অসমী আইৰ বুকুৰ পৰা চিৰবিদায় লোৱাৰ বাতৰি ৰেডিঅ', টিভি আদিত দেখিবলৈ সঘনে পাই থাকো।

মই তথা মোৰ পৰিয়ালবৰ্গই হেনো কোনো দিনে নেদেখা-নুশুনা, কল্পনাৰ বাহিৰৰ Prem Bahadur নামৰ এজন নেপালী সম্প্ৰদায়ৰ ব্যক্তিৰ Legacy Data ব্যৱহাৰ কৰি এন আৰ চিত অন্তৰ্ভুক্ত কৰিছো। মোৰ দেউতাৰ Legacy Data ককাইদেউ বা ভাইটিবোৰৰ লগতে একেলগে জোনাইৰ এন আৰ চি কাৰ্যালয়ত জমা দিয়াৰ ফলত তেওঁলোকৰ স্বদেশী শুদ্ধ নাগৰিকৰ প্ৰমাণ হ'ল। মই কিন্তু নেপালী সম্প্ৰদায়ৰ Legacy Data ৰ অন্তভুৰ্ক্ত হৈ মিচিং নে নেপালী নিজেও ভাৱি নোপোৱা অৱস্থাত পেলালে এন আৰ চিৰ কৰ্মকৰ্তাসকলে। কাৰণ এই কাৰ্য তেওঁলোকেহে এন আৰ চি কাৰ্যালয়ত সম্পন্ন কৰে। তেনেস্থলত ভেকুলী পোৱালি অৰ্থাৎ লালুকীবোৰে জন্মৰ লগতে সৰু এডাল নেজ লৈ আহে যদিও পূৰ্ণবয়স্ক অৱস্থাত Metamorphosis সূত্ৰত নেজডাল হেৰুৱাই পেলোৱাৰ দৰেই। মইনো কি সূত্ৰত লালুকীৰ দৰে

মোট সলাই মিচিংৰ পৰা নেপালী সম্প্ৰদায়লৈ Metamorphosis হৈ নেপাল বা দাৰ্জিলিঙৰ নাগৰিক হ'ম ভাবি এন আৰ চিৰ ঘৃণনীয় কাৰ্য কৰা কৰ্মকৰ্তাসকলক ধিক্কাৰ দিছো। সেয়ে ইয়াৰ সুবিচাৰৰ ভাৰ সদৌ অসমবাসীৰ গুণী-জ্ঞানী ব্যক্তি তথা সৰ্বকালৰ জনপ্ৰিয় অসমৰ মাননীয় মুখ্যমন্ত্ৰীদেৱলৈ অৰ্পণ কৰিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যোৱা ২২ জুন তাৰিখৰ প্ৰতিদিন কাকতৰ যোগেদি কোনো বৈধ ভাৰতীয় নাগৰিকে শংকিত হোৱাৰ কাৰণ নাই বুলি দিল্লীৰ পৰাও সদৰী কৰিছে।

অৱশেষত ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ গীতিকাৰ, সুৰকাৰ শ্ৰদ্ধাৰ চৈয়দ ছাদুল্লা ছাৰৰ গীতৰ কলি— 'অসমীয়া মোৰ প্ৰথম পৰিচয়, শেষ পৰিচয় মোৰ অসমীয়া' গীতটিৰ সাৰমৰ্ম সাৰোগত কৰিয়েই মায়ং প্ৰাথমিক শিক্ষাখণ্ড বিভাগৰ কৰ্মৰত শিক্ষয়িত্ৰী শ্ৰদ্ধাৰ বুলুমাই গোস্বামী বাইদেউ তথা তেখেতৰ এন আৰ চিৰ অভিশাপত অভিশপ্ত পৰিয়ালবৰ্গলৈ সহমৰ্মিতাৰে এই লেখা সামৰিছো। কাৰণ ময়ো যে তেনে এন আৰ চিৰ অভিশাপত অভিশপ্ত এজন অৱসৰপ্ৰাপ্ত অশীতিপৰৰ শিক্ষক ব্যক্তি। ■

- নাৰীৰ অধিকাৰৰ হকে মাত মাতক, একত্ৰিত হওক।
- এগৰাকী নাৰী কাৰোবাৰ মাতৃ, জী,পত্নী বা ভগ্নী। নাৰীৰ প্ৰতি দু-ব্যৱহাৰ বন্ধ কৰক ।
- এখন সুন্দৰ আৰু সুস্থ সমাজ গঢ়ি তুলিবৰ বাবে নাৰী পুৰুষৰ সম অধিকাৰ প্ৰতিষ্ঠা কৰক ।

১৫

# আলি-আয়ে-লৃগাং আৰু মিচিং জাতিৰ জীৱন শৈলী

## তোষেশ্বৰ মিৰি আগৰৱালা

আলি-আয়ে-লৃগাং হৈছে মিচিং জাতীয় জীৱনৰ সবাতোকৈ জনপ্ৰিয় উৎসৱ। ই এক কৃষিকেন্দ্ৰীক উৎসৱ। কৃষি-কৰ্ম আৰম্ভ কৰাৰ আগতে পালন কৰা এক পৰম্পৰাগত উৎসৱ। আলি-আয়ে-লৃগাং ফাগুন মাহৰ প্ৰথম বুধবাৰত উদ্‌যাপন কৰা হয়। উল্লেখযোগ্য যে প্ৰাগঐতিহাসিক সময়ত কৃষি আৱিস্কাৰ হৈছিল। কৃষি আৱিস্কাৰ আছিল মানৱ সভ্যতাৰ প্ৰথম স্তৰ। প্ৰাচীন স্তৰত মানুহ একান্তভাৱে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল আছিল। খাদ্যৰ সন্ধানত অঘৰী জীৱন-যাপন কৰিছিল। কিন্তু কালক্ৰমত পলসুৱা মাটিত বীজ পৰি গুটি গজা মানুহে হয়তু লক্ষ্য কৰিছিল। সেই গুটি গজা প্ৰক্ৰিয়া লক্ষ্য কৰি মানুহে সম্ভৱতঃ খাদ্যৰ বাবে উপযুক্ত বীজ সংগ্ৰহ কৰি এদিন নিৰ্দিষ্ট এডোখৰ মাটিত সিঁচিছিল। তেনেদৰে মানুহ এদিন কৃষি-কৰ্মৰ প্ৰতি আকৰ্ষিত হৈছিল। এনেদৰে মানৱ জাতিলৈ কৃষিৰ আগমন হ'ল। মানুহৰ অঘৰী জীৱনৰ অৱসান ঘটিল। কৃষি-কৰ্মই মানুহক সমাজ পাতি জীয়াই থকাৰ সন্ধান দিলে। মানুহক সভ্যতাৰ সন্ধান দিলে। তেনেদৰেই অনাদিকালত মিচিং জাতিৰ সভ্যতা-সংস্কৃতিতো কৃষিৰ আগমন ঘটিল। কৃষি হৈছে মিচিং জাতিৰ সবাতোকৈ প্ৰাচীন কৰ্ম-সংস্কৃতি। প্ৰণিধানযোগ্য যে, মিচিং বংশাৱলী মংগোলীয় ফৈদৰ জনগোষ্ঠী। আদিতে ছিয়াং উপত্যকা আছিল জাতিটোৰ প্ৰাচীন বাসভূমি। এনে পাহাৰীয়া অঞ্চলত ঝুম খেতি কৰি জীৱন নিৰ্বাহ কৰিছিল। প্ৰবাদমতে

অতীত কালত প্ৰধানকৈ দুই ধৰণৰ খেতি-বাতি কৰিছিল। তাক নামকৰণ কৰা হৈছিল— দপং আৰীগ আৰু আম আৰীগ ।

**দপং আৰীগ ঃ** দপং আৰীগ বা খেতি বুলিলে কেৱল আলুজাতীয় খেতিক বুজাইছিল। মিচিং ভাষাত দপং শব্দৰ অৰ্থ হৈছে— জলপানৰূপে খোৱা খাদ্য। আলুজাতীয় উদ্ভিদ আছিল তাহানি কালত মিচিং জাতিৰ জলপান জাতীয় খাদ্য। আজিকালিও আলুজাতীয় খেতি মিচিং সমাজত অতি জনপ্ৰিয়। আলু জাতীয় উদ্ভিদক মিচিং ভাষাত আলি বুলি কোৱা হয়। আলু খেতিৰ ভিতৰত প্ৰধানকৈ তানি আলি, ঙিনতি আলি, তাকে আলি, পাকয়ং আলি, নাঙৰ আলি, উলি আলি, উলাগ আলি, উচা আলি, গেচা আলি, এঙে, কামৰ্অ আলি, কামপ্অ আলি, লদৰ, পাগ্লি, মায়ং আলি ইত্যাদি খেতি কৰা হয়। ইয়াৰে কিছু প্ৰজাতি আলু বৰ্তমান বিলুপ্তি হৈ গৈছে। উল্লেখিত প্ৰজাতিৰ আলু জাতীয় উদ্ভিদবোৰক জলপান নতুবা লঘু আহাৰ হিচাপে ব্যৱহাৰ কৰাটো মিচিং সমাজৰ এক পৰম্পৰাগত ৰীতি। সেইবাবে আলুজাতীয় খেতিক দপং আৰীগ বুলি কোৱা হৈছিল। দপং আৰীগ্  হৈছে মিচিং জাতিৰ অতি জনপ্ৰিয় খেতি। বৰ্তমান খেতি হৈছে জাতিটোৰ অৰ্থনীতিৰ মেৰুদণ্ডস্বৰূপ। দৈনন্দিন খাদ্য-দ্ৰব্যৰূপে আলু খেতিৰ চাহিদা বৰ্তমান যথেষ্ট বৃদ্ধিও পাইছে। গতিকে বহুতে আলু খেতিক এতিয়া ব্যৱসায় ভিত্তিত খেতি কৰিব লৈছে।

**আম্ আৰীগ্ ঃ** উল্লেখযোগ্য যে কৃষি হৈছে জাতিটোৰ প্ৰধান জীৱিকা। বিভিন্ন প্ৰজাতি খেতিৰ ভিতৰত ধান খেতিয়েই হৈছে প্ৰধান খেতি। ধান খেতিক মিচিং ভাষাত আম আৰীগ্ বুলি কোৱা হয় । অতীতত আম্ আৰীগ বা ধান খেতিৰ ভিতৰত আমৰ্অ আৰীগ্ (আহু খেতি) আছিল প্ৰধান খেতি। তলত মিচিং সমাজত অতীত কালত প্ৰচলিত ধানৰ বিভিন্ন প্ৰজাতিবোৰ শ্ৰেণীকৰণ কৰি দেখুওৱা হ'ল। অৱশ্যে ইয়াৰে অধিকাংশ প্ৰজাতি ধান প্ৰায় লুপ্ত হৈ গৈছে। যদিও মাজে মাজে কিছু প্ৰজাতি ধানৰ খেতি কৰা এতিয়াও দেখা যায়।

(১) আমৰ্অ বা আহু খেতিত কৰা ধানৰ প্ৰজাতিবোৰ হ'ল— মালভোগ আমৰঅ, নেঙান আমৰঅ, মাগুৰি আমৰ্অ, আমপি আমৰ্অ, মেচাব আমৰ্অ প্ৰজাতিৰ ধানখেতি কৰা হৈছিল।

(২)আম্পি আম বা বৰা ধানৰ প্ৰজাতিবোৰ হ'ল— আমৰ্অ আম্পি, গনৰ আম্পি, পৗআক আম্পি, জিজিকং আম্পি ইত্যাদি।

(৩) গোমধান জাতীয় খেতিৰ ভিতৰত প্ৰধানকৈ আএাক আৰীগ্, মিৰুং আৰীগ্, টৗপাং আৰীগ্ , চিদুম মেপুত ইত্যাদ।

ওপৰত উল্লেখ কৰা বিভিন্ন প্ৰজাতিৰ শইচবোৰ এসময় মিছিং জাতিৰ প্ৰধান খাদ্য আছিল। এতিয়াৰ দৰে শালি খেতি তেতিয়া মানুহে কৰা নাছিল। খেতি কৰা পদ্ধতি আছিল ঝুম পদ্ধতি। আম আৰীগ আৰু দপং আৰীগবোৰক ঝুম পদ্ধতিৰে খেতি কৰা হৈছিল। তাৰোপৰি আহু ধান বা আমৰ্অ আম সংৰক্ষণ কৰিবলৈ বৰ সুবিধাজনক আছিল। আমৰ্অ ধান সহজে নষ্ট হোৱা নাছিল। আমৰ্অ ধানৰ বীজবোৰ বহুদিনলৈকে সংৰক্ষণ কৰিব পাৰিছিল। সেইকাৰণে অতীতত মিচিং জাতিৰ বাবে আহু খেতি আছিল জীৱিকাৰ প্ৰধান উপায়। পোক-পতংগই সহজে নষ্ট কৰিব পৰা নাছিল।

তথাপি খেতি-বাতি কৰোঁতে প্ৰকৃতি সংৰক্ষণৰ দিশবোৰক গুৰুত্ব সহকাৰে অধ্যয়ন কৰিছিল। গছ-লতিকা, বন-বিৰিখ যধে-মধে নষ্ট কৰা নাছিল। কাৰণ

তাৰ কু-প্ৰভাৱ খেতি-বাতিৰ ওপৰত পৰিছিল। কৃষিজীৱী জাতিটোৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱ যথেষ্ট গভীৰ। জীৱন শিল্প প্ৰকৃতিৰ দৰে বৰ্ণময়। সমাজত প্ৰচলিত লোকাচাৰবোৰ কৃষিকেন্দ্ৰিক। কাৰণ কৃষি হৈছে জাতিটোৰ বাবে আৰ্থ-সামজিক মেৰুদণ্ডস্বৰূপ। গতিকে সমাজ জীৱনৰ প্ৰতিটো কাৰ্য-কলাপত প্ৰকৃতিৰ বৈশিষ্ট্যৰাজি বিৰাজমান আছিল। মিচিং জাতিৰ সবাতোকৈ আদৰৰ উৎসৱ হৈছে আলি-আয়ে-লৃগাং। আলি-আয়ে-লৃগাং উৎসৱ হৈছে এক কৃষিকেন্দ্ৰিক উৎসৱ। আলি আয়ে লিগাং শব্দৰ বুৎপত্তিগত অৰ্থই ইয়াৰ তাৎপৰ্য প্ৰকাশ কৰিছে। কাৰণ আলি-আয়ে-লিগাংৰ অৰ্থ হৈছে— আলু আৰু গুটিজাতীয় শইচৰ ৰোৱা বা সিঁচা কাৰ্যৰ শুভাৰম্ভৰ দিন। অৰ্থাৎ আলি মানে— আলুজাতীয় শইচ আৰু আয়ে মানে— গুটিজাতীয় শইচ। লৃগাংৰ অৰ্থ হৈছে— সিঁচা বা ৰোৱা কাৰ্যৰ শুভাৰম্ভ। আলি-আয়ে-লৃগাংৰ প্ৰধান বৈশিষ্ট্য হৈছে — (১) মাংগলিক কাৰ্য (২) ৰং-ৰহস্য।

তলত চমুকৈ উৎসৱটিক প্ৰকৃততে কেনেকৈ উদ্‌যাপন কৰা হয় তাৰ সংক্ষিপ্ত বিৱৰণ এটি দাঙি ধৰা হ'ল।

**মাংগলিক কাৰ্য ঃ** আলি আৰু আয়ে লৃগাংৰ দিনা ৰাতিপুৱাই পথাৰত পূজা আয়োজন কৰা হয়। সেই সময়ত মিবু বা ঘৰৰ জেষ্ঠ্যজনৰ সহায়ত কেৱল পূজা-পাৰ্বণহে কৰা হয়। প্ৰথমতে এডোখৰ মাটি চহোৱা হয়। মাটিডৰাৰ চাৰিওচুকত মেগেলা গছ একোডালকৈ গুজি দিয়া হয়। তাৰ পাচত আমৰ্‌অ আম, এঙে, তাকে, পাগল্লি-আলি সিঁচা আৰু ৰোৱা হয়। লগে লগে মেগেলা পাতবোৰ একেলগ কৰি এনেকৈ বান্ধি দিয়া হয়। যাতে চৰাই-চিৰিকটিয়ে শইচৰ বীজবোৰ অনিষ্ট কৰিব নোৱাৰে। লগতে কাষতে প্ৰতীকিমূলকভাবে কুমচুং (ভঁৰাল) আৰু টঙি ঘৰ নিৰ্মাণ কৰা হয়। মিছিং সমাজত কুমচুং শব্দৰ অৰ্থ হৈছে— ধান ৰখা ভঁৰাল আৰু টঙী ঘৰ হৈছে পথাৰৰ মাজত থকা জিৰণি ঘৰ। তাৰ পাচতে দবুৰ পূজা আৰম্ভ কৰা হয়। দবুৰ পূজা মিচিং সমাজত চাৰি প্ৰকাৰৰ আছে। যেনে— (১) মঃপুন দবুৰ (২) কঃচন দবুৰ (৩) ৰাবান কঃচন দবুৰ (৪) বৗৰতৗ দবুৰ। আলি-আয়ে-লৃগাংত মপুন দবুৰ কৰা হয়। মঃপুন শব্দৰ অৰ্থ হৈছে— মঃ মানে আমঙ (মাটি) আৰু পুন মানে— আপ্পুন (উদ্ভিদৰ ফুল)। অৰ্থাৎ মাটিত গজি ফুল-ফল লগা খাদ্য শইচৰ কথাকে সম্ভৱতঃ বুজোৱা হৈছে। মিচিং সমাজত মাটিক মাতৃ গণ্য কৰা হয়। মাটি ভাল হ'লে খেতি-বাতি ভাল হয়। খেতি-বাতি ভাল হ'লে চহা জীৱনৰ সুখ-শান্তি হয়। গতিকে মাটিকো পূজা কৰা হয়। লগতে খেতি-বাতি কৰিবলৈ যাওঁতে অনিচ্ছাকৃতভাৱে পোক-পতংগ, গছ-বিৰিখ, ঘাঁহ-বন, জীৱ-জন্তু আদিৰ জীৱনো অনিষ্ট কৰিবলগীয়া হয়। তাৰ কাৰণে জীৱকূলৰ ওপৰত কৰা পাপৰ প্ৰায়চিত্তৰ বাবে লিগাঙত দবুৰ পূজা কৰা হয়।

দবুৰ পূজাৰ পদ্ধতি হৈছে— প্ৰথমতে মাটিৰে পাঁচটা আসন নিৰ্মাণ কৰা হয়। আসন পাঁচটাৰ নাম ৰখা হয় যথাক্ৰমে—(১) দঞিঃ-পল্ (২) দমুগ-দংকাং (৩) কাৰচিং-কাৰতাগ (৪) ৰিৰি-পৰি (ৰেমি নানৗ নতুবা কিনৗ নানৗ) (৫) চিনেঃ-মঃব ইত্যাদি।

উল্লেখিত আসন পাঁচটাৰ চাৰিওফালে বাৰডাল মেগেলা গছ গুজি দিয়া হয়। তাৰ পাচত ২৯ টা পেৰৗ (বাঁহেৰে তৈয়াৰ কৰা হয়) লগত দিয়া হয়। প্ৰতিটো পেৰৗত তৰা পাত, ৰুকটাক্, তাবৗং পাত বান্ধি দি ১২ ডাল কঃপুন (বাঁহৰ চাঁচিৰে তৈয়াৰ কৰা একধৰণৰ ফুল) মাটিত গুজি দি পূজাৰ আসন

তৈয়াৰ কৰা হয়। আসনৰ দুই মূৰত বাঁহেৰে তৈয়াৰ কৰা দুডাল তাবি-বিৰি্ ৰখা হয় (এবিধ ঐশ্বৰীক শক্তিধাৰী সাপ)। মিচিং সমাজত বিশ্বাস কৰামতে সাপ দুডালে অনাদি কালৰে পৰা জাতিটোক নিৰাপত্তা দি আহিছে। গতিকে আলি-আয়ে-লৃগাংত দুডাল সাপকো পূজা-অৰ্চনা কৰা হয়। পূজাত তাকে, আমবি্ন, ৰকপী, নকয়াং আদি দ্ৰব্য-সামগ্ৰী ব্যৱহাৰ কৰা হয়।পূজা সম্পন্ন কৰাৰ পাচত মুৰং ঘৰত প্ৰৱেশ কৰে। মুৰং ঘৰ বহু নীতি-নিয়মৰ মাজেৰে সজা হয়। অৱশেষত শইচ সিঁচা কাম সমাপন কৰা হয়। তাৰ পাছত ভোজ-ভাত খাই মুৰং ঘৰৰ পৰা ৰং-ৰহস্য আৰম্ভ হয়। ভোজ বুলিলে পুৰাং আপিন (কৌ পাত, অ্ৰাক পাত আৰু তৰা পাতেৰে সিজোৱা বৰা চাউলৰ ভাত), কেচাঙ (আদা আৰু শুকান মাছেৰে প্ৰস্তুত কৰা বিশেষ ধৰণৰ পিটিকা জাতীয় খাদ্য), পঃৰঅ আপং (ছাঁই মদ) প্ৰধান।

এইখিনিতে অতীত কালত লিগাং উৎসৱ কঠোৰ নীতি-নিয়মৰ মাজেদি উদ্‌যাপিত হৈছিল বয়োজেষ্ঠ্যসকলে কয়। আনকি এতিয়াৰ দৰে মাছ, কুকুৰা, গাহৰি হত্যা কৰাৰ নিয়ম নাছিল হেনো। কাৰণ লৃগাংত মপুন দবুৰ কৰাটো অন্যতম নিয়ম। কিন্তু খেতি-বাতি কৰোঁতে অনিচ্ছাকৃতভাবে জীৱ হত্যা কৰা হয়। এনে পাপৰ পৰা প্ৰায়চিত্তৰ কাৰণে দবুৰ কৰা হয়। সেইকাৰণে সেইসময়ত জীৱ হত্যা কৰাটো বাধা-নিষেধ আছিল। প্ৰয়োজনীয় মাছ-মাংসৰ কাৰণে আগৰ মানুহে লৃগাং উৎসৱ আৰম্ভ হোৱাৰ আগতে পহু আৰু মাছ চিকাৰলৈ গৈছিল। এনেদৰে যোৱা চিকাৰক তাহানিতে আঃপটা আৰু গীঃতা বুলি কোৱা হৈছিল। আঃপটা হৈছে— সমূহীয়াভাবে গাঁওবাসীয়ে কৰা পহু চিকাৰ। চিকাৰ কৰি পোৱা পহু মাংসবোৰক জুইত শুকুৱাই ৰাখিছিল। তেনেদৰে শুকুৱাই ৰখা মাংসক 'দিনচাক' বুলিছিল। আনহাতে গীঃতা হৈছে— সমূহীয়াভাৱে গাঁওবাসীয়ে কৰা মাছ চিকাৰ। চিকাৰত পোৱা মাছবোৰকো জুইত শুকুৱা হৈছিল। তেনেদৰে শুকুৱা মাছক 'ঙচান' বুলিছিল।

লৃগাং উৎসৱ উদ্‌যাপন পদ্ধতি আছিল এদিন এৰি এদিন ৰং-ৰহস্য কৰিছিল। এনেদৰে পালন কৰা ব্যৱস্থাক 'লিলোপ-লিটাৰ' বুলিছিল। সাতদিনৰ দিনা কুকুৰ লৈ 'কিৰোগ-ৰুগনাম' (লিগাংৰ শেষত গাঁওবাসীয়ে মিলি বিশেষ ধৰণেৰে কৰা পশু চিকাৰ) কৰিছিল। তাৰ পাচদিনাৰ পৰা ৰং-ৰহস্য ত্যাগ কৰি কৃষি-কৰ্মত একান্তমনে আত্মনিয়োগ কৰিছিল। সেইসময়ত খেতি আছিল জীৱনৰ সৰ্বোত্তম বাঞ্ছা কৰা সপোন। কালক্ৰমত কৃষি-কৰ্মৰ সতে জড়িত জীৱনৰ কাম-কাজবোৰ উৎসৱলৈ ৰূপান্তৰিত সম্ভৱতঃ হ'ল। প্ৰাকৃতিক স্তৰৰ পৰা সাংস্কৃতিক স্তৰলৈ সমাজ উত্তৰণ ঘটিল। জীৱনশৈলী অভাৱনীয় ৰূপত সলনি হ'ল। জীৱিকাৰ উৎস সলনি হ'বলৈ ধৰিলে। জীৱন-যাপনৰ পদ্ধতিত আমূল পৰিবৰ্তন হ'ল। তথাপি আলি-আয়ে-লৃগাংৰ প্ৰাসংগিকতা লেখমাত্ৰাও কমি যোৱা নাই। এতিয়াও আলি-আয়ে-লৃগাং হৈছে জাতিটোৰ আত্ম পৰিচয়। কৰ্ম-সংস্কৃতিৰ ভেটি। ক'লা-সংস্কৃতিৰ ভাণ্ডাৰ।

এইখিনিতে আলি-আয়ে-লৃগাংৰ উৎপত্তি সম্পৰ্কে সমাজত প্ৰচলিত লোক-কাহিনী এটি উল্লেখ কৰিছোঁ। পৌৰাণিক কাহিনীমতে পৃথিৱীৰ আলি-আয়েৰ বীজ সৃষ্টিকৰ্তা দেৱীৰ নাম হৈছে— ৰেমি নানী বা কিনী নানী। ৰেমি নানীৰ বাসস্থান হৈছে কঃজে পাতাং। ৰেমি নানীৰ বিষয়ে জানিবলৈ পৃথিৱীৰ সৃষ্টিৰ স্তৰসমূহৰ বিষয়ে সম্যক ধাৰণা থকাটো প্ৰয়োজন। আবাংমতে জীৱ সৃষ্টি হোৱাৰ

আগতে বিশ্বব্ৰহ্মাণ্ড ৰূপ আছিল 'কৌয়ুম'। 'কৌয়ুম' শব্দৰ অৰ্থ হৈছে— ঘোৰ অন্ধকাৰ। অৰ্থাৎ নিৰাকাৰ। তাৰ পাচত লাহে লাহে পোহৰ সৃষ্টি হ'ল। এই অৱস্থাক 'য়ুমকাং স্তৰ' বুলি কোৱা হয়। 'য়ুমকাং স্তৰ'ৰ পাচত 'কাঃচি স্তৰ' সৃষ্টি হ'ল। 'কাঃচি স্তৰত' জলীয় বাষ্পৰ সৃষ্টি হোৱা বুলি মিবুৱে কয়। তাৰ পাচত 'চিয়াং স্তৰ'ৰ সৃষ্টি হ'ল। চিয়াং হৈছে বিশ্বব্ৰহ্মাণ্ড প্ৰচণ্ড চেঁচা হৈ থকা অৱস্থাক বুজায়। চিয়াং স্তৰৰ পাচত 'আনবঃ স্তৰ'ৰ সৃষ্টি হ'ল। আনবঃ স্তৰত চেঁচা অৱস্থাৰ পৰা নাতিশীতোষ্ণ অৱস্থালৈ পৃথিৱী ৰূপান্তৰিত হয়। আন বঃ স্তৰৰ পাচত 'বমুগ স্তৰ'ৰ সৃষ্টি হোৱা বুলি বিশ্বাস কৰে। বমুগ স্তৰত বিশ্বব্ৰহ্মাণ্ড সম্পূৰ্ণ উষ্ণ পিণ্ডলৈ ৰূপান্তৰিত হয়। বমুক স্তৰৰ পাচত 'মুকচেং স্তৰ' য'ত গৰম আৰু ঠাণ্ডা জলবায়ুৰ সৃষ্টি হ'ল। মুগচেং স্তৰৰ পাচত 'চেদী স্তৰ'। চেদী স্তৰ হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ স্তৰ। কাৰণ চেদী স্তৰ সৃষ্টি হোৱাৰ পাছতহে জীৱৰ সৃষ্টি হোৱা বুলি আবাংত উল্লেখ কৰে। গতিকে আবাংত চেদীক— (১) চেদী নানী (২) চেদী বাংবু বুলি স্মৰণ কৰা হয়। তাৰ পাচতহে দিলুং, লিটুং, টুয়ে, য়েপী, পীদং (মাটি, পানী, শিল, বতাহ, বৰষুণ আদি) সৃষ্টি হোৱা বুলি কয়।

পৃথিৱী সৃষ্টিৰ সৰ্বশেষ স্তৰটো হৈছে— পীদং স্তৰ। এই স্তৰৰ পৰা মানৱ জাতিৰ সৃষ্টি হোৱা বুলি আবাংত উল্লেখ কৰে। আবাং মতে, মানৱ জাতিৰ প্ৰথম পুৰুষজন হৈছে আৱতানি। আৱতানিয়ে 'ৰীগী ৰীগাম' (পুণ্য ভূমি)ৰ পৰা সোণৰ জখলাইদি পৃথিৱীলৈ নামি আহিছিল বুলি মিবুৱে কয়। পৃথিৱীত তেতিয়া দঞ্ৰিঙ-পল্ৰ বাহিৰে জনশূন্য আছিল। গতিকে পৃথিৱীত নামি আহি আৱতানিয়ে দঞ্ৰিঙ-পল্ৰ কাষ চাপে। দঞ্ৰিঙ-পলৰ কাৰমি্ নামৰ এজনী জীয়েক আছিল। সৃষ্টিকৰ্তাৰ বিধানমতে আৱতানিয়ে পৃথিৱীত নামি আহি কাৰমিৰ প্ৰেমত পৰে। সেইসূত্ৰে কাৰ্মিৰ ঘৰলৈ সঘনে অহা-যোৱা কৰিব ধৰিলে। কিন্তু কাৰ্মিক বিয়া কৰিবলৈ ইতিমধ্যে এজন যুৱক দঞ্ৰিঙ-পল্ৰ ঘৰত 'মাগ্ব দুকনাম' (জোঁৱাই খাটি) কৰি আছিল। গতিকে আৱতানি আৰু যুৱকজনৰ মাজত তলে তলে ভীষণ প্ৰতিযোগিতা আৰম্ভ হৈছিল। এনিশাৰ কথা। নিশাটো জোনাক নিশা আছিল। কাৰ্মিক লগ কৰাৰ মানসেৰে আৱতানি কাৰমি্ৰ ঘৰলৈ আহিল। কিন্তু তুংগেঙত (চাং ঘৰৰ দুৱাৰমুখত জিৰণি ল'ব পৰাকৈ সাঁজি উলিওৱা এডোখৰ বহা ঠাই) কাৰ্মি আৰু যুৱকজন কথা পাতি আছিল।

মাজত আৱতানিও সোমাল। কাৰ্মিহঁতৰ চোতালত প্ৰকাণ্ড উৰাল এটা আছিল। উৰালত আৱতানি আৰু যুৱকজন বহিল। তিনিওজনে দুপৰ নিশালৈকে কথা পাতি থাকিল। যুৱকজন মনে মনে আৱতানিক বৰ বেয়া পাইছিল যদিও মুখ খুলি একো ক'ব পৰা নাছিল। অৱশেষত যুৱকজনে আৱতানিক ইগি-এত্কামীনচুনাম আৰু দেংকি-কুতলক ( এক ধৰণৰ বাজি মৰা খেল) খেল খেলিবলৈ আমন্ত্ৰণ কৰিলে। আৱতানিয়ে দেকিং কুতলক খেলিবলৈহে সন্মতি জনালে। দেংকি-কুতলক হৈছে— উড়ালৰ দুয়োমূৰত বহি খেলা এবিধ খেল। এই খেলবিধ কেৱল মিছিং সমাজত প্ৰচলিত। বৰ্তমান কিন্তু লুপ্তপ্ৰায়। খেলবিধ খেলিবলৈ শৰীৰত যথেষ্ট শক্তিৰ প্ৰয়োজন।

আৱতানিৰ প্ৰতিদ্বন্দ্বীজনৰ মূৰত দুমেৰ (মিছিং সমাজত প্ৰচলিত মূৰত মৰা এবিধ পাগুৰি ধৰণৰ দীঘল কাপোৰ) মাৰিছে। তেওঁৰ মুখমণ্ডলটো চিনিব নোৱাৰি। তথাপি আৱতানি যুৱকজনৰ সতে দেংকি

কুটলক খেল খেলিব ধৰিলে। ইপিনে ফৰিং ফুটা জোনাক নিশা। সকলো স্পষ্টকৈ দেখা গৈছে। মাজে মাজে উড়ালৰ পৰা দুয়ো চিটিকি পৰিব ধৰিছে। যদিও কোনোমতেহে খামোচি ধৰি নিজক ৰক্ষা কৰাত ব্যস্ত। কাৰমিয়ে তুংগীঙৰ পৰা দুয়োৰে বাজি উপভোগ কৰি আছে। এনেতে হঠাত অঘটনটো ঘটিল। আৰতানিৰ প্ৰতিদ্বন্দ্বী যুৱকজন হঠাতে উড়ালৰ পৰা বাগৰি পৰিল। নিজক বচাব খুজিও নোৱাৰিলে। আৰতানিয়ে খেলটো জিকাৰ আনন্দত চিঞৰি উঠিল। কিন্তু কাৰ্মিয়ে জোৰে জোৰে চিঞৰিব ধৰিলে। কাৰমিৰ চিঞৰ শুনি দঞি-পল ঘৰৰ ভিতৰৰ পৰা দৌৰি ওলাই আহিল। যুৱকজন মাটিত পৰি আছে। পাগুৰিটো মূৰত নাই। মাথোঁ যুৱকজনৰ কিম্ভুত-কিমাকাৰ চকুহাল জোনৰ পোহৰত তিৰ্বিৰাই আছে। যুৱকজনৰ চকু যুৰি দেখি সকলোৱে আচৰিত হৈ চালে। চকুহাল ঘূৰণীয়া আৰু পিতলবৰণীয়া আছিল। লাজ পাই যুৱকজন চৰাই হৈ উৰি গ'ল। সেই চৰাইটো পাচলৈ ফেঁচা চৰাই হ'ল বুলি মিছিং সমাজত বিশ্বাস কৰে। ফেঁচা চৰাইৰ জন্ম তেনেকৈ হোৱা বুলি মিবুৱে কয়। সেই নিশাই আৰতানি আৰু কাৰমিৰ গন্ধৰ্ব বিয়া হ'ল। তেওঁলোকৰ যুগ্ম জীৱন আৰম্ভ হ'ল। আবাংমতে কাৰ্মি আৰু আৰতানি হৈছে মানৱ জাতিৰ প্ৰথম পৰিয়াল। দঞি-পল্অই তেওঁলোকক পৰামৰ্শ দিলে যে, পৃথিৱীত জীয়াই থাকিবলৈ হ'লে খেতি-বাতি কৰিব লাগিব। কিন্তু তেতিয়ালৈকে খেতি-বাতি কেনেকৈ কৰা হয় আৰতানিয়ে জনা নাছিল। গতিকে দঞি-পল্ই তেওঁলোকক নিনোৰ দেৱতাক স্মৰণ কৰিব ক'লে। নিনোৰ দেৱতা হৈছে— কোৰ, কুঠাৰ, দা সৃষ্টিকৰ্তা দেৱতা। কথামতে নিনোৰ দেৱতাক স্মৰণ কৰাৰ লগে লগে নিনোৰ দেৱতাই তেওঁলোকক কোৰ, কুঠাৰ, দা প্ৰদান কৰিলে। কোৰ, কুঠাৰ আৰু দা পোৱাৰ পাচত হাবি-জংঘল কাটি এডোখৰ মাটি চাফ-চিকুণ কৰিলে। তাৰ পাচত দঞি-পল্‌ৰ পৰামৰ্শক্ৰমে ৰেমি নানীৰ ওচৰলৈ গ'ল। লগত কুকুৰ এটাই সংগ দিলে। ৰেমি নানী হৈছে— পৃথিৱীৰ ফল-মূলৰ অধিষ্ঠাধাত্ৰি দেৱী। কঃজে পাতাংৰ নিবাসী। কঃজে পাতাং হৈছে এনে এটা পবিত্ৰ হ্ৰদ য'ত অভাৱ-অনাটন, জড়া-পীড়াৰ স্থান নাই। কঃজে পাতাংত উপস্থিত হৈ ৰেমি নানীক স্মৰণ কৰা মাত্ৰে ৰেমি নানী আৱিৰ্ভাৱ হ'ল। আৰতানিয়ে লগে লগে আগমনৰ উদ্দেশ্য ব্যক্ত কৰিলে। ৰেমি নানীয়ে পৰামৰ্শ দিলে সৌ আহু ধান গুটিৰ ওপৰত লগত অহা কুকুৰটোক বাগৰিব দিয়া। কুকুৰটোৰ নোমত যিমান ধান লাগি আহিব তাকহে নিব পাৰিব বুলি ক'লে। কুকুৰৰ নোমত লাগি অহা ধানৰ বীজেৰে কিমান খেতি কৰা হ'ব সেই কথা ভাবি প্ৰথমতে আৰতানি আচৰিত হৈছিল কিন্তু ৰেমি নানীয়ে তেওঁক বুজালে যে এয়া হৈছে মিতব্যয়ীৰ এক নীতি। নহ'লে পৃথিৱীৰ পৰা সকলো বস্তু সময়ৰ আগতে শেষ হৈ যাব। তেতিয়া জীৱ-কূলৰ সংকট হ'ব। অৱশেষত কুকুৰৰ নোমত লাগি অহা ধানখিনি লৈ প্ৰত্যাৱৰ্তন কৰিলে। তাৰ পাচত চাফ-চিকুণ কৰি মাটি ডৰাত আহুধান সিঁচিলে। কিন্তু পছু-পক্ষী, বনৰীয়া জীৱ-জন্তুৰ পৰা কিদৰে সংৰক্ষণ কৰিব লাগে সেই বিষয়ে তেওঁলোকৰ পূৰ্বজ্ঞান নাছিল। সেইকাৰণে সিঁচাৰ পাছত এবাৰো পথাৰলৈ নাহিল। কিন্তু এবছৰ মূৰত এদিন পথাৰলৈ আহি দেখে যে ইতিমধ্যে বনৰীয়া জীৱ-জন্তু, পছু-পক্ষীয়ে ধাননি ডৰা তহিলং কৰি থৈছে। এথোকো ধান নাপালে। মাথোঁ ধাননি ডৰাৰ মাজত থকা গছ এজোপাত কপৌ চৰাই এটাই ৰুণ দি আছে। অৰ্থাৎ 'তাংকী ক

কী কী ঔমনা মাৰি ৰিলা দুঙায়'। কথাটোক তৎক্ষণাত দঞ্ৰিং-পল্‌ক অৱগত কৰিলে। দঞ্ৰিং-পল্‌ৰ পৰামশ'ক্ৰমে আৰতানিয়ে কাৰী-তৰী দেৱতাক স্মৰণ কৰিলে। কাৰী -তৰী তৎক্ষণাত ধেনু কাড় লৈ আৰ্বিভাৱ হ'ল। লগে লগে কপৌ চৰাইটোক হত্যা কৰা হ'ল। পাছৰ বছৰত পুনৰ ৰেমী নানীৰ পৰা আহুধানৰ গুটি আনি মাটি ডৰাত সিঁচিলে। কিন্তু এইবাৰ ধান সিঁচাৰ পাচত মাটিডৰাৰ চাৰিওকোণত প্ৰথমে চাৰিডাল মেগেলা গুজি দিলে। চাৰিওডাল মেগেলাৰ পাতখিনি এনেদৰে মাটিডৰাৰ ওপৰত চাৱনি কৰিলে পছু-পক্ষী সোমাব নোৱাৰা হ'ল। তাৰ পাচত খেতি-বাতি কৰোঁতে অনিচ্ছাকৃতভাৱে বহুতো পছু-পক্ষী,পোক-পতংগ হত্যা কৰাৰ বাবে দবুৰ পূজা কৰা হয়। ইয়াৰ পাচত হাত-চাপৰি বজাই পাঁচবাৰ মাটিডৰাৰ চাৰিওফালে ঘূৰি ৰং-ৰহস্য কৰা হ'ল। পাচলৈ এইদৰে গাঁওবাসীয়ে খেতি কৰিব ধৰিলে। কিন্তু আলি-আয়ে ৰুই গাঁৱলৈ উভতি আহি গাঁৱৰ যিকোনো এঘৰত আদা দাঙাঙ (ধান সিঁচাৰ পাচত গাঁৱলৈ ঘূৰি আহি যাৰ ঘৰত ভোজ-ভাত খোৱা হয় আৰু ঘৰৰ গৰাকীয়ে সকলো দায়িত্ব গাত পাতি লয় তেনে প্ৰথাকে মিচিংত 'আদা-দাঙাঙ' বুলি কোৱা হয়) কৰিবলৈ আৰম্ভ কৰে। তেতিয়া আলি -আয়ে-লিগাঙী বুলি চিএৰি গাঁওবাসীক জনোৱা হয়। পাচলৈ বাৰ্তা দিয়া মানুহজনক বাৰীক সন্মান দিয়া হয়। তাৰ পাচত লীনং-বাৰবাং বজায় পাঁচদিন আলি-লৃগাং উদ্‌যাপন কৰিছিল। সময়ৰ গতিত বৰ্তমান লৃগাং উদ্‌যাপন নীতি কিছু সালসলনি হৈছে যদিও লৃগাং হৈছে জাতিটোৰ আত্মা আৰু আত্মপৰিচয়।■

- *নাৰীৰ ওপৰত চলা শোষণ, নিৰ্যাতন, ধৰ্ষণ আদি বন্ধ কৰক।*
- *নাৰীৰ সমস্যা সমাধান, সকলো নাৰীশক্তি এক হওক।*
- *নাৰীজনিত অপৰাধৰ বিচাৰ প্ৰক্ৰিয়া জোৰদাৰ আৰু খৰতকীয়া কৰক।*
- *ধৰ্ষণকাৰীসকলক ক্ষীপ্ৰ গতিত (Fast track) আদালতত বিচাৰ কৰি কঠোৰৰ পৰা কঠোৰতম শাস্তি দিয়ক।*

১৬

(ৰস ৰচনা)

# ক'ভিডকালিন আমাৰ চিন্তা-চৰ্চা

## ভূপেন চন্দ্ৰ পেগু

(১)

অত্যন্ত তাগিদাত পৰিহে আজিকালি কাগজ-কলমলৈ মনত পৰা হৈছে। লকডাউন বুলি দিনতো ঘৰতে গেৰেলা হৈ পৰি থকা সময়খিনিত বাৰেকুৰি চিন্তা-ভাৱনাই মনটোক আৱৰি ধৰে। তাৰে কিছুমানক, সময় সাপেক্ষ যেন লগা বিষয়বোৰক ধৰি ৰাখি শেহতীয়া "ক'ভিডকালিন সময়ৰ আমাৰ চিন্তা-চৰ্চা" বুলি আমাৰ উঠি অহা চামলৈ সাঁচি থোৱাৰ প্ৰৱণতা এটাও কেতিয়াবা জাগি নুঠা নহয়! পিছে, অতদিনে নিশাটোৰ বাহিৰে এটা দিনো ঘৰত নিগাজিকৈ নথকা, পোক লগা কুকুৰৰ দৰে দৌৰি ফুৰা স্বভাৱ এটাই গঢ় লোৱা মনটোক আজিলৈকে বান্ধিব নোৱৰাটোৱেই য'ত কাল হৈছে। কেতিয়াবা মনটোক পঢ়া টেবুলত বান্ধি কাগজ-কলম উলিয়াই মনৰ কথাবোৰক শব্দৰে জুখিয়াই চাবলৈ গৈ অথাই সাগৰত কক্‌বকাই মৰো! জীৱিকা এটা যোগাৰ হোৱাৰ পিছৰে পৰা পিতাইৰ হেঁচাত পৰি পঢ়াৰ নামত সেই তেতিয়াই ৰুই থোৱা জ্ঞানৰ বটবৃক্ষত যে এচুলোঁ পানীও দিয়া হোৱা নাই, সেয়া এতিয়াহে অনুভৱ কৰিছোঁ। তাৰ মাজতে বিষয়-বাসনাৰ টনা-টনিবোৰ আছেই নহয়! পঢ়া টেবুলত বহা মানে শ্ৰীমতীৰ 'হেৰি! চাহ এটুপি দিওনে? বোলো, ভাত কি দি ৰান্ধো? আজি অমুকটো নাই, অমুকৰ ঘৰত অমুকটোহে হ'ল..!'— ইত্যাদি ধৰণৰ সময়-অসময়ৰ আপডেটবোৰ আছেই। ইমান দিনে এৰাল দিয়া গৰুৱে এৰাল খুলিলে ম'হ-ডাহৰ পৰা মুক্তি পাবলৈ বৃথা চেকুৰ এটা দিয়াৰ দৰে অতবোৰ জঞ্জালৰ পৰা আমিও আঁতৰি আছিলো নেকি বাৰু! এনে অজস্ৰ চিন্তা-ভাৱনাবোৰক কিবা এটা ৰূপ দিয়াৰ স্বাৰ্থত বহু সময়ত, শ্ৰীমতীৰ ভাষাত,

আমি অযথা গহীন হৈ পৰো। কেতিয়াবা ভাৱ-ভাষাৰ টনা-আজোৰাৰ মাজত কোনোধৰণৰ সন্তোষজনক সমাধানৰ সূত্ৰ উলিয়াব নোৱাৰি ইয়াৰ সমস্ত দোষ শ্ৰীমতীৰ ওপৰতে জাপি দি ভেকাহি একোটা মাৰি পঠিয়াওঁ। লেঠাটো তাতেই লাগে!আই ঔ গোহাঁই....ৰে পাতনি মেলা এটা খণ্ড যুদ্ধৰ শেষত কাগজ-কলম থেকেচি "থাক" ধৰণৰ শব্দ একোটাৰে সেইদিনালৈ লেখা-মেলাৰ নাটকখনৰ যৱনিশা পৰে। আজি প্ৰায় ডেৰটা বছৰেই হ'ল এনেবোৰ ঘৰুৱা ক'ৰণাৰ সতে যুঁজ দি থকা। আলসুৱা আক্ষেপ এটাৰে ঘৰৰ পৰা ওলাই গৈ নিশাটোলৈ গা টঙাই আহিবলৈকো আগৰ দৰে পৰিৱেশ নাই! পুলিচৰ টিকাকৰণতকৈ ঘৰতে জ্বলি-পুৰি থকাই ভাল বুলিয়ে এই পন্থা লোৱা নাই! এইবোৰ কাৰণেই নেকি এইকেইদিন অস্বাভাৱিকভাৱে খিংখিঙীয়া স্বভাৱ এটাই গঢ় লৈ উঠিছে! লক্‌ডাউনৰ ফলত কলেজৰ হোষ্টেল এৰি ঘৰত আহি থকা মোৰ ডাঙৰ জীৰো একেই অভিযোগ— 'পাপাক যে আজি-কালি একো কথাই ক'ব নোৱাৰি, ইম্মানেই চেণ্টিমেণ্টেল যে...! ' এনেবোৰ অভিযোগত নিজকে চিকুটি চাওঁ, 'ঠিকেই আছোনে!' শেষত, আজি-কালি 'থকা দিন কেইটাত ঘৰ-পৰিয়ালৰ পৰিৱেশ গৰম কৰি ইমানো চিৰিয়াচ হোৱাৰ দৰকাৰেই বা কি!' ধৰণৰ ভাৱ এটাৰে নিজকে নিয়ন্ত্ৰণ কৰাৰ পথ এটা বাচি লৈছো!

(২)

পিছে, এইকেইদিন টেমাটো গৰম হৈ থকাৰ কাৰণো নোহোৱা নহয়! বিশেষভাৱে, আমাৰ জাতীয় সংগঠনৰ আঞ্চলিক সমিতি এটাৰ বিশেষ কাৰ্যসূচী উপলক্ষে প্ৰকাশ কৰি উলিয়াবলগীয়া স্মৃতিগ্ৰন্থ এখনৰ বাবে লেখা এটা বিচাৰি কিছুদিনৰ আগতে সম্পাদকে পত্ৰ এখন দি থৈ গৈছে। দুসপ্তাহৰ সময় দি আদৰৰ দাবী এটাও দি গৈছে— 'বোলে মোৰ পৰা লেখা এটা লাগিবই!'। তাগিদাত পৰি কলম ধৰা আমাৰ দৰে তৰাং জ্ঞানৰ তথাকথিত শিক্ষিতৰ পৰা ৰাইজে বা কি ভাবি লেখা বিচাৰে এইটো হ'লে নাজানিলো! পিছে এনেবোৰ তাগিদাই যে সমাজত আমাৰ অস্তিত্ব জাহিৰ কৰাত সঞ্জীৱনীৰ কাম কৰি আহিছে সেয়া হ'লে নিশ্চিত। তাগিদাটো পাই ভাবিছিলো, লক্‌ডাউনত অজস্ৰ সময়, কিবা এটা কৰিব পাৰিম নিশ্চয়! পিছে, এতিয়াহে ফৰিঙৰ মৰণ! ভাৱ নাই, ভাষা নাই। সাহিত্য সৃষ্টিৰ দায়িত্ব চম্ভালো কোন সতে! এনেই অতবোৰ জঞ্জালৰ মাজত এতিয়া "কি ক'ৰ ক'ৰ" ধৰণেৰে বহি আছো। কথাটো হ'লে কাকো কোৱা নাই। মনে মনে আত্মসন্মানবোধৰ জুই একুৰাও উমি উমি জ্বলি আছে।

দুপৰীয়াৰ ভাতকেইটা খাই লৈ বিছনাত পিঠিটো পেলাই দশো-দিশ ভাৱিছোঁ, কি কৰো! কিনো লিখো! মনতে জুখিয়াই চাইছো, লিখিব পৰাকৈ একো বিষয়েই দেখোন বিচাৰি পোৱা নাই। দেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ বিষয়েইবা কি লিখো! চৰম মূল্য বৃদ্ধিয়ে এফালৰ পৰা গ্ৰাস কৰি আহিছে ৰাইজৰ সুখ-স্বাচ্ছন্দ্য, বিপন্ন কৰিছে স্বাভাৱিক জন-জীৱন! ৰাইজৰ এনে সংকট কালত নীৰৱে এই সকলোবোৰ চাই থকা সমাজৰ কাণ্ডাৰীস্বৰূপ জ্ঞানী মানুহবোৰলৈ চালে ধৃতৰাষ্ট্ৰৰ অন্ধতাত সমভাগী হৈ চকুত পটি বন্ধা গান্ধাৰীলৈকেহে আমাক মনত পেলাই দিয়ে! পূৰ্বৰ তুলনাত দেশত আন্দোলন তথা অন্যান্য প্ৰতিবাদী কাৰ্যসূচী অৰ্থাৎ গণ্ডাই গণ্ডাই দিয়া অসম বন্ধ, পথ বন্ধ, চাক্কা জাম আদিবোৰ কমিছে! পিছে সেই অনুপাতে বস্তু বা নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধি কমা নাই! পূৰ্বে দেশত মূল্য বৃদ্ধি হোৱা মানে ইয়াৰ বাবে দায়ী হৈছিল আমাৰ দল-সংগঠনবোৰ। ক্ষমতাত থকা চৰকাৰৰ আঙুলি চিধাই দেশৰ দল-সংগঠনে

বন্ধ আহ্বানেৰে জনোৱা আন্দোলন অথবা প্ৰতিবাদী কাৰ্যসূচীলৈ টোৱাইছিল। অন্ততঃ আমাৰ মুলুকত সেই যুক্তি তীৰ্যকভাৱে কাৰ্যকৰী হৈছিল। এনে যুক্তিৰে পতিয়ন নিয়াইছিল যে, চৰকাৰ মূল্যবৃদ্ধিৰ ক্ষেত্ৰত ৰাইজৰ পক্ষতে আছে! মাথো, অসমৰ দল-সংগঠনৰ দ্বাৰা সঘনাই আহ্বান জনোৱা বিভিন্ন বন্ধ আন্দোলনৰ বাবে বাহিৰৰ পৰা অহা বস্তু তথা নিত্য প্ৰয়োজনীয় সামগ্ৰীবোৰ সময়মতে আহিব নোৱৰা কাৰকেহে মূল্যবৃদ্ধিত অৰিহণা যোগাইছে! সেইবোৰ যুক্তিত ৰাইজ পতিয়নো গৈছিল বাবে বিভিন্ন মাধ্যমৰ যোগেদি, আমাৰ বুদ্ধিজীৱী তথা ৰাইজেও, সেই বন্ধ সংস্কৃতিৰ বিৰুদ্ধে এক সবল জনমত গঠনত উঠি পৰি লাগিছিল। হয়তু আমাৰ জাতীয় তথা সামাজিক সংগঠনসমূহেও বিষয়টোৰ যুক্তিযুক্ততালৈ চাই প্ৰতিবাদী কাৰ্যসূচীসমূহ কিছু সংশোধিত ৰূপত চলাই নিয়াৰ পন্থা হাতত লৈছে! যোৱা প্ৰায় এটা দশক ৰাইজে সেয়া নিশ্চয় প্ৰত্যক্ষ কৰিছে!

(৩)

মূল্যবৃদ্ধিৰ এটা দিঘলীয়া ৰে'ল এটাই যেন আমাৰ চকুৰ আগদি দূৰন্ত গতিত চেকুঁৰিছে! তাৰ বিপৰীতে হেৰুৱা সপোন এটাই যেন আমাক খেদি আহিছে! আমাৰ শৈশৱ কাললৈকে মূল্য নিৰূপণৰ মাধ্যম 'অনা'ৰ পৰৱৰ্তী পৰ্যায় 'নয়া' পইচাৰ প্ৰচলন আছিল। মনে মনে পিতাইৰ জেপ জোকাৰি লৈ অনা এনে নয়া পইচাৰে আমি পঢ়াশালিৰ বাটত টপা খেলি পঢ়াৰ সময় খেদি পিছলৈ মাষ্টৰৰ পিটন খোৱাৰ কথাবোৰলৈ মনত পৰিলে এতিয়াও গা বেজবেজায়। অংকৰ হিচাপ নজনাকৈয়ে এক নয়া, দুই, তিনি, পাঁচ, দহ, বিশ নয়া, তাৰ পিছত চাৰিঅনা (পচিশ পইচা), আঠঅনা (পঞ্চাশ পইচা) বাৰঅনা আদি হিচাপবোৰ আমাৰ বাবে সহজ আছিল। মনে মনে ঘৰৰ কুকুৰাৰ কণী এটা স্থানীয় গাঁৱৰ দোকানত দিলে দোকানীয়ে দহ পইচা বা পোন্ধৰ পইচাৰে মূল্য সোধাইছিল। মনত আছে, পিতায়ে চাৰিঅনা-আঠঅনা একোটা দি পূজা চাবলৈ পঠিওৱা আৰু সেইখিনিৰে প্ৰয়োজনীয় আমাৰ পূজাৰ পুতলা, বিশেষকৈ পুতলা পিষ্টল, কিনাৰ উপৰিও চানা-মিঠাই খাই ঘৰলৈ উভতা! বেছি দিনৰো কথা নহয়, মাথো পঞ্চাশ বছৰৰো কম দিনৰ কথা। আনকি গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়নৰত অৱস্থাত, অৰ্থাৎ ২৯৯১-৯৩ বৰ্ষৰ সময়চোৱাৰ, আমাৰ তিনিবছৰৰ মাহিলী গড় ব্যয় আছিল ৪৮০ টকা মাথো। আজি মাথো ২৭-২৮ বছৰৰ ভিতৰত যিটো অবিশ্বাস্য এক সাধুকথা যেন হৈ পৰিছে! কিহৰ পৰিৱৰ্তন এয়া! দেশৰ নে দেশ পৰিচালনা কৰা ৰাজনীতিৰ! নে জনগণৰ জীৱন-জীৱিকা অথবা বিচাৰ-বিবেচনাৰ!

কৈশোৰৰ পৰৱৰ্তী সময়ৰ বিভিন্ন প্ৰয়োজন পূৰণৰ স্বাৰ্থত আমি জ্ঞানৰ লেচেৰি বুটলি এদিন পঢ়িছিলো দেশ এখনৰ অৰ্থনৈতিক গাঁথনিৰ কিছু কথা আৰু লাভ কৰিছিলো অৰ্থনীতিৰ কিছু প্ৰাথমিক তথা তাত্ত্বিক জ্ঞান। এই সীমিত জ্ঞানৰ আধাৰত আমি ধাৰণা কৰিছিলো যে দেশ এখনত দেখা দিয়া দ্ৰুত মূল্যবৃদ্ধিৰ কাৰকসমূহৰ ভিতৰত দেশখনৰ জনসংখ্যা বৃদ্ধি, নিম্ন উৎপাদন, যোগান-চাহিদাৰ তাৰতম্য, দেশৰ জৰুৰীকালীন সমস্যা, ইত্যাদি সমস্যাবোৰ ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে! সাম্প্ৰতিক কালত উৰ্দ্ধগতিত বৃদ্ধি পোৱা সামগ্ৰী মূল্যৰ উল্লেখিত কাৰকসমূহৰ ভিতৰত দেশৰ জৰুৰীকালীন সমস্যা হিচাপে ক'ভিড-১৯-ক জগৰীয়া কৰিলেও সেয়া প্ৰায় দুটা বছৰৰ সমস্যাহে! কিন্তু, দেশৰ মূল্যবৃদ্ধি এই দুটা বছৰতে যে উৰ্দ্ধগামী হৈছে সেয়াটো নহয়! সাম্প্ৰতিক পৰিস্থিতিক লৈ চলা এনেবোৰ যুক্তিৰ শেষত আমাৰ দৰে সাধাৰণ খাটি খোৱাৰ মূৰত

বিকশিত এটা সাধাৰণ সিদ্ধান্ত হ'ল— শাসকীয় পক্ষৰ ৰাজনৈতিক মুনাফা লাভৰ লক্ষ্যৰে গ্ৰহণ কৰা কেতবোৰ আঁচনি! আমি কোনো ৰাজনৈতিক দলৰে সমৰ্থক নহওঁ অথবা আমাৰ কোনো অৰ্থনৈতিক শ্ৰেণীৰ প্ৰতি বিৰোধ ভাৱ নাই। সততে আমি দেখা পোৱা কেতবোৰ ভাৰসাম্যহীন যেন লগা চৰকাৰী পদক্ষেপ অথবা পন্থাৰ বিপৰীতে আমাৰ মানসিক বিশ্লেষণৰ অন্তত উদয় হোৱা সাধাৰণ প্ৰশ্নৰ এয়া অৱতাৰণাৰ প্ৰয়াসহে মাথো। এনে এটা প্ৰশ্ন হ'ল— নিৰ্বাচনৰ আগমুহূৰ্তত দুখীয়া-দৰিদ্ৰ জনসাধাৰণৰ উন্নয়নৰ স্বাৰ্থক দোহাই গ্ৰহণ কৰা চৰকাৰী বিভিন্ন আঁচনিয়ে, যাৰ সৰহখিনিয়েই বিনামূলীয়া, দেশৰ অৰ্থব্যৱস্থাৰ পৰিকাঠমো গঠনত কিমান গভীৰভাৱে প্ৰভাৱ পেলাই আহিছে ইয়াৰ প্ৰকৃত তথ্য চৰকাৰে ৰাজহুৱা কৰিবনে? 'উলুৰ লগত বগৰী পুৱা'ৰ দৰে দেশৰ এই দুখীয়া-দৰিদ্ৰ শ্ৰেণীয়েও চৰকাৰৰ এনে ভোটকেন্দ্ৰিক বিনামূলীয়া আঁচনি ৰূপায়ণৰ বাবে হোৱা সামগ্ৰিক ব্যয়ৰ বোজা ভাৰসাম্যহীনভাৱে বহন কৰিব লগা হোৱা নাই জানো?' পূৰ্বৰ দৰে মূল্যবৃদ্ধিৰ সকলো অভিযোগ জাপি দিবলৈকো আজি এটা দশক ধৰি, অন্ততঃ আমাৰ অসম মুলুকত, জাতীয় দল-সংগঠনবোৰে বন্ধ সংস্কৃতি পৰিহাৰ কৰি সামাজৰ উন্নয়ন আৰু নিৰাপত্তাৰ স্বাৰ্থত খাটি আছে! এতিয়া দোষ দিয়ে কাক?

শিক্ষাক মৌলিক অধিকাৰৰ আওতালৈ আনি নতুন শিক্ষা নীতিয়ে পূৰ্বৰ ৬-১৪ বছৰৰ পৰিৱৰ্তে ৩-২১ বছৰ কৰিলে। অৰ্থাৎ তিনি বছৰ বয়সৰ শিশুৰ প্ৰাথমিক শিক্ষাৰ বাবে যাৱতীয় সুযোগ-সুবিধাৰ পৰা আৰম্ভ কৰি উচ্চতৰ মাধ্যমিকৰ শেষলৈকে শিক্ষাৰ এই গুৰুত্বপূৰ্ণ সময়খিনিৰ বাবে সংবিধানৰ ৪৫ নং অনুচ্ছেদৰ সুবিধাসমূহ প্ৰদান কৰা হ'ব। সেয়া স্বাভাৱিকতেই প্ৰসংশনীয় পদক্ষেপ। পিছে, বিশ্ববিদ্যালয় পৰ্যায়লৈকে বিনামূলীয়া শিক্ষা প্ৰদানৰ ব্যৱস্থা আমাৰ দৰে আৰ্থিকভাৱে দুৰ্বল ৰাজ্য এখনৰ পক্ষে কিমান যুক্তিযুক্ত সেয়া অন্ততঃ মূল্যবৃদ্ধিয়ে কোঙা কৰা সন্ধিক্ষণত বিচাৰ্যৰ বিষয় বুলি আমি ভাবোঁ! আনহাতে, মহিলা শিক্ষা উন্নয়ন আৰু মহিলা সৱলীকৰণৰ লক্ষ্যৰে উচ্চতৰ মাধ্যমিকত সুখ্যাতিৰে উত্তীৰ্ণ মেধাৱী ছাত্ৰীলৈ স্কুটি দিয়াৰ পৰিকল্পনাই দেশৰ কোনটো শৈক্ষিক দিশৰ উত্তৰণ ঘটাব সেয়া পিছে এতিয়াও পৰিষ্কাৰ নহয়। অকল বিদ্যালয়লৈ অহা-যোৱাৰ ব্যয়ৰ ক্ষেত্ৰত সকাহ দিয়াৰ লক্ষ্যৰে বুলি আৰম্ভ কৰা অভিলাষী আঁচনিৰে এখন ব্যয়বহুল স্কুটি ছাত্ৰীসকলৰ হাতত তুলি দি চৰকাৰে পেট্ৰল-ডিজেলৰ চৰম মূল্যবৃদ্ধিৰ সময়ত অভিভাৱকসকলক কেনেধৰণৰ সকাহ দিয়াৰ পৰিকল্পনা সেয়াহে বৰ্তমান সময়ৰ চিন্তনীয় বিষয়! আবেগিকভাৱে অপৈণত ছাত্ৰ-ছাত্ৰীসকলৰ হাতত তুলি দিয়া এনে যান্ত্ৰিক সুবিধাবোৰে উৎশৃঙ্খল যুৱ-মানসিকতা বৃদ্ধিত ইন্ধন যোগাই অহাৰ তথ্য চৰকাৰী আবকাৰী আৰু বিশেষভাৱে পৰিবহণ বিভাগৰ দৈনন্দিন অপৰাধৰ পৰিসংখ্যাই যি সময়ত আমাক শংকিত কৰি আহিছে সেই সময়তে চৰকাৰীভাৱে উৎসাহিত কৰা এনে পন্থাই স্বাভাৱিকতে বহু প্ৰশ্নৰ অৱতাৰণা কৰে! এনে পৰিস্থিতিত সচেতন ৰাইজৰ মনত উদয় হোৱা 'শৈক্ষিক উন্নয়নৰ নামত বাইক-স্কুটি বিতৰণৰ পৰিকল্পনা বা আঁচনি প্ৰকৃততে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ স্বাৰ্থত নে ৰাজনৈতিকভাৱে সমৰ্থন আদায়ৰ স্বাৰ্থত' ধৰণৰ প্ৰশ্ন নিশ্চয়কৈ অস্বাভাৱিক হ'ব নোৱাৰে! ইপিনে, ক'ভিডকালিন পৰিস্থিতিয়ে দেশৰ সাম্প্ৰতিক অৰ্থ ব্যবস্থাক চৰম সংকটৰ মাজলৈ ঠেলি দিয়াৰ মাজতে নিৰ্বাচনী বৈতৰণি পাৰ কৰাৰ স্বাৰ্থত দিয়া ঋণ মাফৰ প্ৰতিশ্ৰুতিয়ে ৰাজ্যত নতুনকৈ ৰাজনৈতিক জোৱাৰ তুলিছে। ঋণ লৈ সুন্দৰ জীৱন-

যাপন কৰা পৰিয়ালৰ মহিলাও এতিয়া 'ঋণ মাফ' আন্দোলনৰ নেতৃত্ববহনকাৰী নেতা। পিছে দোষী কোন ? অসমৰ সাধাৰণ ৰাইজৰ এনে কিবা প্ৰয়োজন আছিল জানো যে চৰকাৰক ঋণ মাফৰ দৰে আঁচনি বা ব্যৱস্থা গ্ৰহণৰ বাবে হেঁচা দিবলগীয়া হোৱাকৈ! তেন্তে, কাৰ স্বাৰ্থত ঘোষণা কৰা হৈছিল এনে প্ৰতিশ্ৰুতি ? ৰাজহুৱা ধন ব্যয় নকৰাকৈ চৰকাৰে ঋণ মাফৰ ব্যৱস্থা যদি কাৰ্যকৰী কৰিব পাৰে, তেন্তে কাৰো ক'বলগীয়া নাথাকে। পিছে, সৰ্বসাধাৰণ ৰাইজৰ মূৰত ৰাম টাঙোন সোধাই, বিভিন্ন শিতানত মূল্যবৃদ্ধি ঘটাই, সংগ্ৰহ কৰা ধনেৰে কাৰোবাৰ গাদী সুৰক্ষিত কৰাটোত মুৰ্খ হৈ থাকিব জানো সচেতন ৰাইজে! ৰাজ্যৰ কৰ্মচাৰীৰ এদিনৰ বেতন কৰ্তনেৰে দেশৰ অৰ্থনৈতিক সমস্যাৰ জোৰা-থাপলি মৰা চৰকাৰ এখনে সিমানো অভিলাষী হয় কেনেকৈ?

এতিয়া গুণগত শিক্ষাৰ সময়। শৈক্ষিক পৰিৱেশ সংশোধনৰ বিভিন্ন নীতি-আঁচনিসমূহৰ ভিতৰত বন্ধৰ দিন কমোৱা, শিক্ষকৰ শিক্ষাদানৰ সময় বৃদ্ধি, পাৰিপাৰ্শ্বিক পৰিৱেশ সুৰক্ষিত কৰাৰ স্বাৰ্থত ছাত্ৰ-ছাত্ৰীক পৰিৱেশ সজাগতামূলক বিভিন্ন কাৰ্যসূচী গ্ৰহণ, পিছপৰা শিক্ষাৰ্থীৰ প্ৰতি লক্ষ্য ৰাখি অতিৰিক্ত শিক্ষাদানৰ দায়িত্ব শিক্ষকে বহন কৰিবলগীয়া নীতি, ইত্যাদি বহু কৰ্ম-তালিকা ইতিমধ্যে শিক্ষকৰ হাতত তুলি দিয়া হৈছে, যি নিতান্তই কৰণীয়, আদৰণীয় তথা গ্ৰহণযোগ্য। পিছে, নিয়মিত শিক্ষাদানৰ দায়িত্ব লোৱা সেই একে কেইজন শিক্ষককে চৰকাৰী বিভিন্ন কামত অতিৰিক্তভাৱে নিয়োজিত কৰি চৰকাৰে নিজৰ ভৰিত নিজেই কুঠাৰ মৰা নাই জানো! শেহতীয়াকৈ আমাৰ মুলুকত বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয় আদি স্থাপনৰ ধূম উঠিছে। ছাত্ৰ-ছাত্ৰী থাকক বা নাথাকক, শৈক্ষিক ব্যৱস্থাপনাৰ দিশত প্ৰয়োজন থাকক বা নাথাকক অথবা শিক্ষক তথা শিক্ষাদানৰ আন্তঃগাঁথনি থাকক বা নাথাকক কথা নাই, ঘোষণা কৰাৰ ক্ষমতা বা সুবিধাকণ থাকিলেই হ'ল— ধৰণেৰে এতিয়া ৩০-৪০ কিলোমিটাৰৰ অন্তৰে অন্তৰে বিশ্ববিদ্যালয়, চিকিৎসা মহাবিদ্যালয়বোৰ গজি উঠিছে। এই সকলোবোৰ পিছে চৰকাৰী পৃষ্ঠপোষকতাতেই হৈছে। পূৰ্বতে বিদ্যালয়-মহাবিদ্যালয় স্থাপনৰ অন্তৰালত ৰাইজৰ প্ৰয়োজন পূৰণৰ স্বাৰ্থ এটা জড়িত হৈ আছিল। এতিয়া সেয়া চৰকাৰৰ! গ্ৰাম্যাঞ্চলৰ চিকিৎসালয়সমূহত বিভিন্ন বিভাগৰ বিশেষজ্ঞ চিকিৎসক নিযুক্তিৰে চিকিৎসা বিভাগটোক আধুনিকীকৰণ কৰাৰ প্ৰতিশ্ৰুতিবোৰ এতিয়া ৰাইজলৈ এৰিলে! লাহে লাহে ৰাইজৰ বাবে সু-স্বাস্থ্যৰ সুবিধা প্ৰদানৰ শ্ল'গান পূৰণৰ দায়িত্বও ব্যক্তিগত নাৰ্চিং হোমলৈ এৰিছে! এইবাবেই বিশেষজ্ঞ চিকিৎসকসকলৰ লক্ষ্য এতিয়া ব্যক্তিগত নাৰ্চিং হোমসমূহ! ঔষধৰ আকাশলঙ্ঘী মূল্যবৃদ্ধিও এতিয়া ৰাইজৰ স্বাস্থ্য হানিৰ কাৰক.... !

হঠাৎ কলিংবেলটোৰ দৰে মানুহজনীৰে চিএঁৰে আমাৰ সম্বিত ঘূৰাই আনিলে। 'বোলো অ'তবাৰ মাতিলো.., কত হেৰাই আছেনো! যাওক, আগফালে আপোনাক বিচাৰি আলহী আহিছে'। এঙামুৰী এটাৰে আগফালৰ বাৰান্দালৈ আহি দেখো মানে লেখা বিচাৰি অহা সংগঠনৰ দুজন সদস্য। অযথা সময় নষ্ট নকৰি মনে মনে অ'ত পৰে ভাবি থকা কথাবোৰকে জুখিয়াই কিবা কৰি লেখাটো যুগুতাই দিয়াৰ প্ৰতিশ্ৰুতিৰে তেওঁলোকক বিদায় দিলোঁ।■

১৭

# প্ৰকৃতিৰ সন্তান মিচিংসকলৰ জীৱন চৰ্যা

**ৰয়েল পেগু**

বৰ্ণিল সংস্কৃতি, জীৱন চৰ্যাৰে বৰ্ণময় মিচিং সমাজ। মিচিংসকলক প্ৰকৃতিৰ সন্তান বুলি কোৱা হয়। কোৱা হয় মিচিংসকলক নৈপৰীয়া বুলি। মিচিংসকলৰ জনজীৱন গভীৰভাৱে সম্পৃক্ত হৈ আছে অসমৰ কেঁচা মাটি আৰু বৃহত্তৰ অসমীয়া জাতি গঠনৰ বোঁৱতী জীপাল সংস্কৃতিৰ ধাৰাৰ সৈতে। নৈৰ পাৰত শাৰী শাৰীকৈ বাঁহ, বেত, খেৰেৰে নিৰ্মিত চাং ঘৰত জীৱন চৰ্যা কৰি অহা মিচিংসকল মূলত কৃষিজীৱী। কৃষি আৰু পশুপালনেই জীয়াই থকাৰ প্ৰধান সম্বল। নৈ পাৰৰ সেউজীয়া জীপাল ধৰা কৃষিপথাৰ। বছৰৰ বিভিন্ন বতৰ অনুযায়ী শস্যৰে শ্যামলা হয় সপোনৰ পথাৰ। সোণোৱালী ধাননি পথাৰত মিচিং জীয়ৰী-বোৱাৰীয়ে চপাই সোণগুটি। হালধীয়া সৰিয়হ ফুলৰ অনাবিল হাঁহিত সৰগৰ জোনাক সাৰটে মিচিং ডেকা-গাভৰু। সন্ধিয়া বেলা হাঁহ-কুকুৰা, গাহৰি, গৰু-ম'হেৰে ৰজনজনাই মিচিংসকলৰ গ্ৰাম্য পৰিৱেশ।

নৈপৰীয়া নৈসৰ্গিক সৌন্দৰ্যৰে ভৰা পৰিৱেশত বাস কৰা সহজ-সৰল তথা কৃষিজীৱী মিচিং লোকৰ জীৱনজোৰা শ্ৰমক এফাঁকি অই-নিঃতম আৰু এপাক নাচোনে মহীয়ান কৰি ৰাখিছে।

অসমৰ অন্যতম ভূমিপুত্ৰ খিলঞ্জীয়া জনজাতীয় জনগোষ্ঠী মিচিংসকলে নিজে দঃঞি-পঃল অৰ্থাৎ সূৰ্য-চন্দ্ৰৰ সন্তান বুলি কয়। নিজকে আবতানিৰ বংশধৰ বুলি গৌৰৱবোধ কৰে।

মিচিংসকল নৃতাত্ত্বিক দিশৰ পৰা মংগোলয়দ বা মংগলীয় জনগোষ্ঠীৰ

অন্তৰ্গত। ভাষাতত্ত্বৰ ফালৰ পৰা বৃহত্তৰ চীন-তিব্বতীয় পৰিয়ালৰ অন্তৰ্গত। মিচিংসকলৰ আছে স্বকীয় ভাষা। যাক কোৱা হয়— 'মিচিং ভাষা'। মিচিংসকলে দক্ষিণ চীনৰ পৰা তিব্বত হৈ দীঘলীয়া সময় ধৰি প্ৰব্ৰজন কৰি আহি অৰুণাচল প্ৰদেশ হৈ ভাৰতত প্ৰৱেশ কৰিছিল। জনপ্ৰৱাদমতে মিচিংসকলে 'কিলিংকাংগৌ' বা 'কিলিংলৃতৌং' নামৰ সু-উচ্চ পৰ্বতৰ পৰা সোণ-ৰূপৰ জখলাৰে নামি আহিছিল। মিচিংসকলৰ লোকগীত কাঃবান, আঃবাং, অই-নিঃতম আদিত মিচিংসকলৰ প্ৰব্ৰজনৰ ইতিহাস পোৱা যায়। মিচিংসকল উজনিৰ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ লগতে গুৱাহাটী মহানগৰীটো বসবাস কৰি আহিছে।

মিচিংসকলৰ সামাজিক জীৱন সৰল পদ্ধতিৰে পৰিচালিত। পৰিয়ালেই মিচিংসকলৰ সামাজিক গাঁথনিৰ প্ৰথম স্তৰ। যৌথ পৰিয়াল ব্যৱস্থা মিচিংসকলৰ অন্যতম বৈশিষ্ট্য। কিন্তু পৰিৱৰ্তিত সমাজ ব্যৱস্থাত একক বা সৰু পৰিয়ালৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। মিচিংসকলৰ গাঁৱৰ মুৰব্বীজনক গাঃম বোলে।

শস্য-মৎস্যৰে সমৃদ্ধ নৈপৰীয়া গ্ৰাম্য মিচিং সমাজ জীৱন। নৈ-বিলত উভৈনদী কৈ পোৱা মাছ-কাছ বহু মিচিং পৰিয়ালৰ জীৱিকাৰ বিকল্প সম্বল। বহু মিচিং পৰিয়ালে পশু পালনকো বিকল্প জীৱিকা হিচাপে গ্ৰহণ কৰি আহিছে।

মিচিংসকলৰ পৰম্পৰাগত সাজপাৰৰ সুকীয়া পৰিচয় আৰু সমাদৰ আছে। হস্ত-তাঁত আৰু বয়নশিল্পত পাকইত-নিপুন মিচিং মহিলা-জীয়ৰী। ভিন্নৰঙী ফুলবছা পৰম্পৰাগত মিচিং সাজপাৰৰ জনপ্ৰিয়তাৰ তুলনা নাই। মিচিং ছোৱালীয়ে সৰুৰে পৰাই নিজৰ ঘৰত বয়নশিল্পৰ প্ৰশিক্ষণ লয়। জাতীয় চানেকী বহন কৰা বয়নশিল্পই মিচিংসকলক অনন্য শিল্পীজাতি হিচাপে পৰিচয় দিছে। মিচিংসকলৰ বস্ত্ৰ সম্পদৰ ভিতৰত গাদু, ৰিবি গাচেং, মিবু গালুগ, তঙানি দুমেৰ, য়াম্ব গাচৰ, তাপুমগাচৰ, উগন, গনবৰ, এগে, গাজগ এগে, গাচৰ, ৰিঃবি, গেৰ আদিয়ে প্ৰধান।

পৰম্পৰাগত খাদ্য সম্ভাৰেৰে অতিকৈ চহকী মিচিংসকল। পোৰাং আপিন (তৰা পাতত সিজোৱা ভাত), জুশালত দিয়া গাহৰি মাংস, পুৰা মাছৰ পিটিকা, পঃৰ আপং আদি পৰম্পৰাগত তথা স্বকীয় খাদ্য সম্ভাৰেৰে চহকী মিচিং সমাজ।

শিমলু-কম্বং ফুলৰ ৰঙে ৰঙিয়াল কৰি তোলে পৃথিৱী। শিমলু-কম্বঙৰ ফুলৰ আঁৰে আঁৰে বিভিন্ন চৰাই-চিৰিকটিৰ সুৰীয়া গীত। চৰাই-চিৰিকটিৰ কলৰৱত উৎসৱ মুখৰ পৰিৱেশ গছে-ডালে, চৌপাশে। প্ৰকৃতিয়ে বৰণ সলাইছে। এয়া ফাগুন। ফাগুন মানেইটো প্ৰকৃতিৰ সন্তান কৃষিজীৱী নৈপৰীয়া মিচিংসকলৰ হেঁপাহৰ আলি-আয়ে লৃগাঙ। আলি-আয়ে লৃগাং মিচিংসকলৰ কৃষিভিত্তিক জাতীয় উৎসৱ। স্বকীয় কৃষ্টি-সংস্কৃতিৰ লগতে কৃষিজীৱী নৈপৰীয়া মিচিংসকলৰ কৰ্ম-সংস্কৃতিক আলি-আয়ে লৃগাঙে সমৃদ্ধ, চহকী, জীপাল কৰি ৰাখিছে। আলি-আয়ে লৃগাঙৰ বতৰত ৰিবি গাচেং, মিবু গালুগ, তঙানি দুমেৰ আদি বোৱাত ব্যস্ত মিচিং কনেং। ৰজনজনাই তাঁত মাকোৰ শব্দত। এই লৃগাঙৰ বতৰতে গুমৰাগ নৃত্য আৰু লোকবাদ্য ডেনদুন, দুমপাগ, ডেনতুকৰ ছেৱে ছেৱে ব্যস্ত মিচিং ডেকা-গাভৰু। লৃগাঙত মিচিং জাতিৰ মন ৰঙেৰে ভৰে, প্ৰতিভাত হৈ স্বকীয় কৃষ্টি-সংস্কৃতি। প্ৰতিগৰাকী সংস্কৃতিৱান মিচিংৰ হৃদয়ত গভীৰভাৱে প্ৰোথিত হৈ আছে আলি-আয়ে লৃগাং। সেয়া কোৱা হয়- লৃগাং যেতিয়ালৈকে থাকিব তেতিয়ালৈকে থাকিব মিচিং সমাজ।

মুৰংঘৰ মিচিংসকলৰ এক বিশেষ স্বকীয় শৈলীৰে নিৰ্মাণ কৰা বিশেষ চাংঘৰ। মুৰংঘৰ তলত পাঁচ তৰপ আৰু ওপৰত পাঁচ তৰপ কৈ বিশেষ শৈলীৰ নিৰ্মাণ কৰা হয়। মৰং অৰ্থাৎ মুকলি ঠাইত নিৰ্মাণ কৰা বাবেই হয়তো মুৰংঘৰ নাম ৰখা হ'ল। মুৰংঘৰত মিচিংসকলৰ জাতীয় উৎসৱ পঃৰাগ উদ্‌যাপন কৰা হয়। মুৰংঘৰত গাঁৱৰ সমূহীয়া পূজা আদি কৰা হয়। তদুপৰি গাঁৱৰ সকলো সামাজিক বিষয়, সমস্যা আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুৰংঘৰক মিচিং সমাজে পৱিত্ৰ স্থান হিচাপে জ্ঞান কৰে।

মিচিংসকলৰ বহুবিধ আপুৰুগীয়া সম্পদ আছে। ইয়াৰে উল্লেখযোগ্য কেইবাটামান হ'ল ক্ৰমে— য়কচা, লীঃনং, আজুক তাপুং, দীৰকি তাপুং, বয়নশিল্পৰ ভিতৰত গাদু, তাপুমগাচৰ আদি । ইয়াৰে বহু কেইটা আপুৰুগীয়া সম্পদ বিলুপ্তিৰ গৰাহত। বহু আপুৰুগীয়া সম্পদ নতুন প্ৰজন্মই চিনি নোপোৱা হৈছে। জাতীয় পৰিচয় বহন কৰা এই আপুৰুগীয়া সম্পদবোৰ সংৰক্ষণৰ গুৰুত্ব অপৰিসীম। মিচিংসকলৰ স্বকীয় বস্ত্ৰ সম্পদ, পৰম্পৰাগত খাদ্য সম্ভাৰে বিশ্ব দৰবাৰত মিচিংসকলক সুকীয়া পৰিচয় তথা স্থান প্ৰদান কৰাৰ লগতে ব্যৱসায়িক দিশটো যথেষ্ট চাহিদা থকা পৰিলক্ষিত হৈ আহিছে। মিচিং স্বায়ত্তশাসিত পৰিষদেও মিচিংসকলৰ স্বকীয় বস্ত্ৰ সম্পদ, পৰম্পৰাগত খাদ্য সম্ভাৰক বিশ্ব দৰবাৰত চিনাকি কৰি দিবলৈ প্ৰতি বছৰে মিচিংসকলৰ বয়নশিল্পৰ বিশেষ মেলা আয়োজন কৰি আহিছে।

প্ৰকৃতিৰ ওমাল বুকুত জীৱন-যাপন কৰা মিচিংসকলৰ বহু সম্পদ আৰু সম্ভাৱনা আছে। একেদৰে সন্মুখত আছে বহু প্ৰত্যাহ্বান। মিচিংসকলৰ ভূমি অধিকাৰ, ষষ্ঠ অনুসূচীৰ স্বায়ত্তশাসন, মিচিং ভাষা শিক্ষা, স্বকীয় কৃষ্টি-সংস্কৃতি সুৰক্ষা, সংৰক্ষণ তথা বিকাশ, গ্ৰামাঞ্চলত গুণগত শিক্ষা, নিবনুৱা সমস্যা, শিশু আৰু নাৰী সবলীকৰণ, বান-গৰাখহনীয়া আদি বহু জাতীয় সমস্যা আছে।

ভাষা-কৃষ্টি-সংস্কৃতিয়েই এটা জাতিৰ অস্তিত্বৰ প্ৰথম পৰিচয়। মিচিংসকলে এক পূৰ্ণাংগ জাতি হিচাপে জীয়াই থাকিবলৈ হ'লে আৰ্থ-সামাজিক, ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰাৰ উপৰি নিজৰ স্বকীয় ভাষা, কৃষ্টি-সংস্কৃতি, পৰম্পৰ, লোকাচাৰ, ধৰ্মীয় বিশ্বাস আদি জীয়াই ৰাখিব লাগিব। মিচিং দোৱানক 1985 চনতে অসম চৰকাৰে ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰে। কিন্তু আজি আনুষ্ঠানিক মিচিং ভাষা শিক্ষা অতি পুতৌজনকভাৱে চলা পৰিলক্ষিত হৈছে। ই জাতিৰ বাবে অতিকৈ দুৰ্ভাগ্যজনক।

মিচিং স্বায়ত্তশাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰা বিষয়টো এতিয়াও অমীমাংসিত হৈ আছে। মিচিং স্বায়ত্তশাসিত পৰিষদক সাংবিধানীক মৰ্যাদা প্ৰদান কৰিলেহে জাতিটোৰ ৰাজনৈতিক অধিকাৰ সুৰক্ষিত হোৱাৰ লগতে সৰ্বাংগীন উন্নয়ন সাধন হ'ব বুলি সংগ্ৰামী মিচিং ৰাইজৰ দৃঢ় বিশ্বাস। লক্ষ্য উপনীত হ'বলৈ হ''লে মিচিং ৰাইজৰ ঐক্যবদ্ধ সংগ্ৰামী সত্তাক সুদৃঢ় কৰিব লাগিব। সংগ্ৰামত সফল হ'বলৈ হ'লে বিচক্ষণ নেতৃত্ব, আপোচহীন চৰিত্ৰ, সু-নিপুণ ৰণকৌশল, পৰিকল্পিত ঐক্যবদ্ধ সংগ্ৰামৰ বিকল্প নাই। ৰাজনীতিৰ উৰ্ধত জাতিৰ স্বাৰ্থক আগস্থান দিব পাৰিলেহে সুৰক্ষিত হ'ব জাতিৰ ভৱিষ্যত।

শিক্ষাই হৈছে সভ্যতাৰ সোপান বগোৱাৰ প্ৰধান মাধ্যম, চালিকা শক্তি। শিক্ষা হৈছে সমাজ গঠনৰ প্ৰধান মাপকাঠি। শিক্ষা অবিহনে মানুহ চকু থাকিবও অন্ধৰ নিচিনা। সভ্য সমাজৰ লগত খোজত খোজ

মিলাই আগবাঢ়িবলৈ হ'লে গুণগত শিক্ষা আহৰণ কৰিবই লাগিব। কিন্তু আজিও গ্ৰাম্য মিচিং সমাজত শৈক্ষিক পৰিবেশ উদ্বেগজনক। ইপিনে আজি একবিংশ শতিকাটো মিচিং সমাজক অন্ধবিশ্বাস-কু-সংস্কাৰে আগুৰি ৰাখিছে। এই অন্ধবিশ্বাস আৰু কু-সংস্কাৰবোৰ উপযুক্ত শিক্ষা আৰু সজাগতামূলক কাৰ্যসূচীৰে দূৰ কৰি সমাজক অন্ধবিশ্বাস আৰু কু-সংস্কাৰমুক্ত কৰিব লাগিব।

মিচিংসকল অসমৰ ভূমিপুত্ৰ। কিন্তু এই ভূমিপুত্ৰ খিলঞ্জীয়াৰ জনজাতি জনগোষ্ঠীটোৰ আজি বহু পৰিয়াল ভূমিহীন। বানপানী আৰু গৰাখহনীয়াৰ লগতে বিভিন্ন কাৰণত কৃষিজীৱী নৈপৰীয়া মিচিং ৰাইজে ভূমিহীন হ'বলগা হৈছে। তদুপৰি প্ৰজন্ম প্ৰজন্ম ধৰি বনাঞ্চল বসবাস কৰা প্ৰকৃতিৰ সন্তান মিচিংসকলে বিভিন্ন ঠাইত ভূমি অধিকাৰ পৰা বঞ্চিত। ফলত ভূমিপুত্ৰ মিচিংসকলৰ ভূমি অধিকাৰ সাব্যস্ত কৰিলেহে ভৱিষ্যত সুৰক্ষিত হ'ব, অন্যথাই অঘৰী, ভূমিহীন জাতিলৈ প্ৰয়বহিত হ'ব।

নৈপৰীয়া মিচিংসকলৰ বান-গৰাখহনীয়া প্ৰধান সমস্যা। চিয়াং, লোহিত,ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, দিহিং, দিচাং, দিখৌ, ধনশিৰি, ভৰলী আদি নদীৰ অববাহিকাত মিচিংসকলৰ সভ্যতা গঢ়লৈ উঠিছে। কিন্তু আজি বিজ্ঞান আৰু তথ্য-প্ৰযুক্তিৰ অবাধ জয়যাত্ৰাৰ সময়ত তথা পৃথিৱীৰ সভ্য সমাজে চন্দ্ৰত বসবাস কৰাৰ চিন্তা-চৰ্চা কৰি থকাৰ সময়ত নৈপৰীয়া বহু মিচিং ৰাইজে বছৰি বানপানী আৰু গৰাখহনীয়াত সৰ্বস্বান্ত হৈ উদ্বাস্তু জীৱন যাপন কৰিবলগা হৈছে। আধুনিক প্ৰযুক্তিৰে বিজ্ঞানসন্মত বাবে বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধ কৰিব পাৰিলেহে নৈপৰীয়া মিচিং ৰাইজৰ ভৱিষ্যত সুৰক্ষিত হ'ব।

প্ৰকৃতিৰ সন্তান স্বৰূপ মিচিংসকলক জীয়াই থাকিবলৈ প্ৰকৃতিয়ে বহু সমল যোগাই আহিছে। বাসগৃহ নিৰ্মাণৰ বাবে কাঠ, খেৰ, বেতৰ পৰা আৰম্ভ কৰি জাতীয় উৎসৱ আলি-আয়ে লৃগাং উদযাপনৰ বাবে পুৰাং আপিন সিজাবলৈ তৰাপাত, খৰি, খাদ্যজাত পাত-লতা আদি প্ৰকৃতিয়ে অকৃপানভাৱে দান কৰিছে। বিভিন্ন ঔষধি গছ-লতাৰ উপৰি প্ৰাকৃতিক নৈ-বিল আদিয়ে দিছে প্ৰচুৰ পৰিমাণে বিধে বিধে মাছ-কাছ। কিন্তু সম্প্ৰতি জনসংখ্যা বাঢ়ি অহাৰ লগে লগে মানুহৰ কাৰ্যকলাপ বৃদ্ধি পোৱাৰ উপৰি আধুনিক সভ্যতাৰ লগে লগে নগৰীকৰণ, উদ্যোগীকৰণৰ ফলত অবাধে ধ্বংস হৈছে প্ৰাকৃতিক পৰিবেশ। টুটি আহিছে অৰণ্যভূমি। বিনষ্ট হৈ নৈ-বিলৰ স্বাভাৱিক প্ৰাকৃতিক পৰিৱেশ। চিনাকি চৰাইবোৰ নোহোৱা হৈছে। গাঁৱৰ কাষৰ নৈ-বিলবোৰৰ পৰা হেৰাই গৈছে বিধে বিধে থলুৱা মাছ-কাছ। এই পৃথিৱীখন কেৱল মানুহৰ বাবে নহয়। এই পৃথিৱীত সকলো জীৱ আৰু উদ্ভিদ প্ৰজাতিৰে মানুহৰ সমান জীয়াই থকাৰ অধিক আছে। মানুহ নহ'লেও এই পৃথিৱী হয়তো বৰ্তী থাকিব। কিন্তু নিজকে জীৱশ্ৰেষ্ঠ বুলি কোৱা মানুহ বৰ্তী থাকিবলৈ হ'লে এইখন পৃথিৱী আৱশ্যক। ফলত মানুহে পৃথিৱীৰ ভৱিষ্যতক লৈ চিন্তা কৰিব লাগিব। এখন পৃথিৱী, প্ৰায় সাতশ কোটিৰো অধিক জনসংখ্যা। ফলত ভৱিষ্যতৰ প্ৰজন্মৰ বাবে পৃথিৱীখনক বাসোপযোগী কৰি ৰাখিবলৈ হ'লে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰিব লাগিব। বহনক্ষমতা উন্নয়নত গুৰুত্ব দিব লাগিব। অৱক্ষয় ৰোধ কৰি পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰত প্ৰতিগৰাকী মানুহে সহায় হাত আগবঢ়াব লাগিব। বিশেষকৈ প্ৰকৃতিৰ সন্তান নৈপৰীয়া মিচিং ৰাইজৰ পৰিবেশ সংৰক্ষণত দূৰদৰ্শী ভূমিকা অতন্ত্য কাম্য।■

১৮

# মিচিং সমাজত অনাময় সজাগতা

## বিজয় বৰি

মিচিংসকলে ব্ৰহ্মপুত্ৰ নদীৰ দুয়ো পাৰে অতীজৰে পৰা বসবাস কৰি আহিছে। ইয়াৰ বহু হাজাৰ বছৰৰ আগতে চীন দেশৰ পৰা প্ৰব্ৰজন হৈ অৰুণাচলৰ সুউচ্চ পাহাৰ অতিক্ৰমি অসমত প্ৰৱেশ কৰে বুলি ইতিহাসে কয়। নিজস্ব কৃষ্টি-সংস্কৃতিৰে সমৃদ্ধ মিচিংসকলে অসমত প্ৰৱেশ কৰাৰ পিছত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ পাৰত বসবাস কৰে। মিচিংসকলে দূৰ অতীতৰ পৰা নৈৰ পাৰত আৰু হাবি-বননিৰ কিনাৰত বসবাস কৰাৰ বাবে প্ৰকৃতিৰ লগত নিবিড় সম্পৰ্ক ৰক্ষা কৰি জীৱন নিৰ্বাহ কৰিবলৈ শিকিলে। হাবি-জংঘলৰ পৰা বনৰীয়া শাক-পাচলি বুটলি,খৰি লুৰি, মাছ, পশু চিকাৰ কৰি জীৱন-নিৰ্বাহ কৰাৰ বাবে জীৱন-ধাৰণৰ প্ৰায়বোৰ নীতি-নিয়ম প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। পুৱা বিছনাৰ পৰা উঠি ৰাতি পুনৰ বিছনাত পৰালৈকে সকলো কামেই প্ৰকৃতিৰ বুকুত কৰে। অন্য সকলো কামৰ দৰেই দৈনন্দিন কৰা প্ৰাতকৰ্মখিনিও মিচিং মানুহে প্ৰাকৃতিকভাৱেই কৰিছিল। ইতিহাসে ঢুকি নোপোৱা দিনৰ পৰা মিচিং মানুহে হাবি-বননি, নৈৰ পাৰত শৌচ কৰিছিল। মিচিং মহিলাসকলে পুৱা ঘৰৰ সমীপত অৱস্থিত হাবি-বননি বা নৈৰ পাৰত-গৈ শৌচ কৰাৰ পিছত নদীত গা ধুই আহি পৰিয়ালৰ বাবে ৰন্ধা-বঢ়া কৰে। পুৰুষসকলেও বিছনাৰ পৰা উঠি খেতি-পথাৰলৈ যোৱাৰ সময়তে হাবি-বননি বা নৈৰ পাৰত শৌচ কৰে আৰু পথাৰত কাম কৰি ঘূৰি অহাৰৰ পথত নদীত গা ধুই ঘৰত প্ৰৱেশ কৰে। তেনেদৰে শৌচ কৰিবলৈ ব্যৱহাৰ কৰা হাবি-বননিক মিচিংসকলে “য়েলুং”(yelung) বুলি কৈছিল।

ইয়াৰ অৰ্থ হ'ল ঃ Taye yeko+ si:lung= yelung। পূৰ্বে প্ৰতিখন মিচিং গাঁৱত সমজুৱাভাৱে ব্যৱহাৰ কৰা য়েলুং আছিল। পৰৱৰ্তী সময়ত জনবসতি বৃদ্ধি পোৱাত য়েলুঙৰ বাবে হাবি-বননি সংৰক্ষণ কৰিব নোৱৰা হোৱাৰ পিছত প্ৰতিটো পৰিয়ালে নিজৰ সুবিধা অনুসৰি নিজা বাৰীৰ নিৰ্দিষ্ট এলেকাত শৌচ কৰিবলৈ ল'লে।

আন এক তথ্যমতে মিচিংসকলে পাহাৰত বসবাস কৰাৰ সময়ৰ পৰাই শৌচালয় ব্যৱহাৰ কৰি আহিছে। মিচিংসকলে পাহাৰত বসবাস কৰাৰ সময়ত ব্যৱহাৰ কৰা শৌচালয়ক "য়েগুম" (yegum) বুলি কৈছিল। য়েগুমৰ অৰ্থ হ'ল – "তায়ে য়েক + উকুম = য়েগুম" (Taye yeko + ukum=yegum)। পাহাৰত বসবাস কৰা আদীসকলে এতিয়াও শৌচালয়ক য়েগুম বুলিয়ে কয়। য়েগুমক ঘৰৰ পৰা নিৰ্দিষ্ট দূৰত্বত নিৰ্মাণ কৰা হয়। য়েগুম নিৰ্মাণৰ আৰ্হি এতিয়াৰ শৌচালয়ৰ তুলনাত কিছু পৃথক আছিল। চাং সাজি য়েগুম নিৰ্মাণ কৰা হৈছিল। পূৰ্বৰ য়েগুমসমূহত টেংকিৰ ব্যৱস্থা নাছিল। চাঙৰ ওপৰৰ পৰা মল ত্যাগ কৰি শৌচ কৰিছিল। য়েগুমৰ তলত গাহৰি আহি মানুহে ত্যাগ কৰা মল খাই পেলাইছিল। মানুহে শৌচ কৰি থকা সময়ত গাহৰিয়ে আহি মল খাবলৈ আমনি কৰাৰ বাবে গাহৰি খেদিবলৈ এডাল লাঠি ৰখা হৈছিল। শৌচালয়ত পানী ব্যৱহাৰ কৰাৰ বিপৰীতে বিশেষ ধৰণৰ মাৰি (মিচিং ভাষাত 'কঃপৃৰ' বুলি কয়) কিছুমান ৰখা হৈছিল। এই কঃপৃৰৰ দ্বাৰা মলদ্বাৰৰ শৌচ পৰিষ্কাৰ কৰিছিল। বৰ্তমান আৰ্হিত নিৰ্মাণ কৰা শৌচালয়ৰ ধাৰণা মিচিং সমাজত বহুত পলমকৈ আহিছে। পৰৱৰ্তী সময়ত পাহাৰৰ পৰা ভৈয়ামলৈ প্ৰব্ৰজন হৈ অহাৰ পিছত ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, ৰঙানদী, দিখৌ, দিচাং নদীৰ পাৰত বাস কৰে। তেতিয়া নদীৰ বান আৰু খহনীয়াৰ প্ৰভাৱত কোনো স্থানতে স্থায়ীকৈ ঘৰ-দুৱাৰ নিৰ্মাণ কৰিব পৰা নাছিল। তেনে পৰিস্থিতিত ঘৰ-দুৱাৰেই স্থায়ীকৈ নিৰ্মাণ কৰিব নোৱৰা অৱস্থাত শৌচালয় নিৰ্মাণ কৰে কেনেকৈ? তেনে প্ৰতিকূল পৰিস্থিতিত পৰি মিচিংসকলে শৌচালয় ব্যৱহাৰ কৰাৰ বিপৰীতে প্ৰাকৃতিকভাৱে হাবি-বননি বা নৈৰ পাৰত গৈ শৌচ কৰিবলৈ ল'লে। গাঁৱৰ পুৰুষ মহিলা সকলোৱেই এই মতে নিত্যকৰ্মখিনি কৰে। বাৰিষা কালত পানীত ডুব গৈ থকা বান বিধ্বস্ত অঞ্চলসমূহত নিজে নাও চলাই লোকদৃষ্টিৰ পৰা আঁতৰ হৈ কামফেৰা কৰে। পুৰুষ-মহিলা সকলোৱে সমানে নাও চলাব জনাৰ বাবে সিহঁতৰ কোনো সমস্যা নাই। আনহাতে বাৰিষাকালত এই অঞ্চলসমূহলৈ নাও চলাব নজনা আলহী আহিলে কেতিয়াবা লজ্জাত পৰিবলগীয়া হয়। ব্ৰহ্মপুত্ৰ পাৰত অৱস্থিত গাঁওসমূহত কুৰি শতিকাৰ শেষলৈকে বাৰিষাকালত আলহী হ'বলৈ আহি এনে অস্বস্তিকৰ পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছিল। উল্লেখ্য, লেতেৰা বা অপৰিষ্কাৰ হৈ থকাটো কোনো জাতি বা সমাজৰে সংস্কৃতি হ'ব নোৱাৰে। চাংঘৰ সাজি বসবাস কৰাটো মিচিঙৰ সংস্কৃতি, কিন্তু চাংঘৰৰ ওপৰৰ পৰা পানী পেলোৱা, আৱৰ্জনা পোলোৱা, চাংঘৰৰ তলত গাহৰি চৰিবলৈ দিয়া কাৰ্যক সংস্কৃতি বুলি ক'ব নোৱাৰি। কোনো কোনোৰ পৰিয়ালে শিশুসকলক চাংঘৰৰ ওপৰৰ পৰা শৌচ প্ৰস্ৰাৱ পৰ্যন্ত কৰিবলৈ দিয়া দেখা যায়। অপ্ৰিয় হ'লেও সত্য যে মিচিং গাঁওসমূহত মানুহৰ জীৱন-নিৰ্বাহৰ পদ্ধতি, পৰিষ্কাৰ - পৰিচ্ছন্নতা বা অনাময় ব্যৱস্থা বহু পলমকৈ আৰম্ভ হৈছে। সংস্কৃতিক দোহাই মিচিং মানুহে অপৰিষ্কাৰ পৰিৱেশত বাস

কৰি আছিল। এই কথা সৰ্বজন বিধিত যে, মুকলি ঠাইত শৌচ কৰিলে বেমাৰ আজাৰ সংক্ৰমণ হয়। মানুহৰ শৌচৰ লগত নানান বীজাণু নিহিত থাকে। এই বীজাণুৱে বায়ু-পানীৰে অন্য মানুহলৈ সংক্ৰমণ হ'ব পাৰে। সেইবাবে পৰিষ্কাৰ-পৰিচ্ছন্নতাই মানুহৰ স্বাস্থ্যত প্ৰভাৱ পেলাব পৰা সম্পৰ্কে বিভিন্ন প্ৰচাৰ মাধ্যমৰ দ্বাৰা চৰকাৰে ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰি আহিছে। কিন্তু দুখৰ বিষয় যে বহুতো মিচিং পৰিয়ালে চৰকাৰে বিনামূলীয়াকৈ নিৰ্মাণ কৰি দিয়া শৌচালয়খনকো ভালকৈ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত সচেতন নহয়। শৌচালয়খন অপৰিষ্কাৰকৈ ৰখাৰ ফলত আলহী-দুলহী আহিলে সোমাব নোৱৰা অৱস্থাত থাকে। আনহাতে শৌচালয়খনৰ দৰ্জাখনো যদি বেয়া হৈছে, বা ভাঙি গৈছে ইয়াকো নিজে মেৰামতি কৰি ল'বলৈ অৱহেলা কৰে। শৌচালয় বেয়া হ'লে মেৰামতি কৰাৰ বিপৰীতে শৌচালয় এৰি হাবি-বননিলৈ শৌচ কৰিবলৈ দৌৰি যায়। ই ফালে চৰকাৰৰ অনাময় আঁচনিৰ জৰিয়তে শৌচালয় নিৰ্মাণ কৰি দিয়াৰ সময়তো নিৰ্মাণকাৰী ঠিকাদাৰক পৰিয়ালৰ সদস্যই সহযোগ নকৰাৰ অভিযোগ শুনা যায়। উল্লেখ্য,বাৰিষা কালত মিচিং মানুহ অধিক বোমাৰত আক্ৰান্ত হোৱা দেখা যায়। ইয়াৰ মূলতে হৈছে– অনাময় অৱস্থা। মিচিং মানুহে বসবাস কৰা অঞ্চলবোৰত বাৰিষা কালত পানীৰ তলত ডুব গৈ থাকে। ঘৰৰ সমীপত থকা খাল ডোঙত পানী আবদ্ধ হৈ পৰে, ইয়াৰ ফলত এই আবদ্ধ এলেকাত ম'হে বংশ বৃদ্ধি কৰে। চোতালৰ ভূমি সদায় সেমেকি থাকে। তেনে পৰিৱেশত মানুহৰ বেমাৰ আজাৰ হোৱাটো স্বাভাৱিক। ঘৰৰ ভেটিত মাটি পেলাই পানী সোমাব নোৱৰা বা পানী আবদ্ধ হ'ব নোৱৰা কৰি ল'ব নিবিচাৰে। আনহাতে মিচিং সমাজে সুস্থ পৰিৱেশ বজাই ৰাখিবলৈ গাহৰি পালনৰ ক্ষেত্ৰটো সচেতন হোৱা প্ৰয়োজন আছে। গাহৰি পালন কৰাটো লাভজনক ব্যৱসায়। কিন্তু ইয়াক পৰিপাটিকৈ পালন কৰা দেখা নাযায়। বহুতো পৰিয়ালত চাংঘৰৰ তলত গাহৰি চৰিবলৈ এৰি দিয়াৰ ফলত পৰিৱেশটো লেতেৰা হৈ থাকে। বিশেষকৈ গাহৰিয়ে য'তে ত'তে মল ত্যাগ কৰাৰ ফলত দুৰ্গন্ধি পৰিৱেশ বিৰাজ কৰি থাকে। ইয়াৰ ফলত বেমাৰ আজাৰো বৃদ্ধি পায়। গাহৰিৰ পৰা জাপানিজ এনকেপ্লাইটিছৰ দৰে মাৰাত্মক বেমাৰ হয়। এইবোৰ পৰিহাৰ কৰা উচিত। আজিৰ একৈশ শতিকাৰ যুগতো লেতেৰা পৰিৱেশত বসবাস কৰাটো আমাৰ সংস্কৃতি বুলি ভাবিলে অন্য জাতি বা সমাজে মিচিং জাতিক হাঁহিব। বাৰীৰ এটা নিৰ্দিষ্ট অংশত গাহৰিৰ বাবে গৰাল সাজি গাহৰি পালন কৰাৰ ব্যৱস্থা কৰিব লাগে। তেনে কৰিলে পৰিৱেশ সুস্থ হৈ থাকে। বিশুদ্ধ পানী সেৱনৰ ক্ষেত্ৰতো মিচিং মানুহ সচেতন নহয়। প্ৰায়ভাগ বেমাৰ পানীৰ পৰাই সংক্ৰমণ হয়। মিচিং মানুহে খোৱা খান্দি, অগভীৰ নলী নাদ বা নৈৰ পৰা পানী তুলি সেৱন কৰে। পানী ফিল্টাৰ কৰি খোৱাত অৱহেলা কৰে। আৰ্ছেনিকযুক্ত পানী সেৱন কৰাৰ ফলতো বহুতো বেমাৰ হয়। বিশুদ্ধ খোৱাপানী ব্যৱহাৰৰ দিশত মিচিং মানুহক সজাগতা গঢ়ি তোলাৰ প্ৰয়োজন আছে। অশোধিত পানী সেৱন কৰাৰ ফলত কিডনীৰ ৰোগ, গল্ডব্লাডাৰ বা কিডনীতপাত্তৰ জমা হোৱা, টাইফ্ৰয়েড, গ্ৰহণী আদি বেমাৰ সৃষ্টি হোৱা বুলি চিকিৎসকে কয়।

আজি কালি অৱশ্যে যথেষ্ট পৰিৱৰ্তন হ'ল। বৰ্তমান মিচিং মানুহ শিক্ষিত হৈ অহাৰ ফলত সুস্থ পৰিৱেশত বসবাস কৰিবলৈ লৈছে। ঘৰৰ চৌহদৰ ভেটি ওখ কৰিছে। পকী শৌচালয় নিৰ্মাণ কৰি

অনাময় পৰিৱেশত শৌচ-প্ৰস্ৰাৱ কৰাত মিচিং ৰাইজেও গুৰুত্ব দিছে। চৰকাৰী চাকৰি বা ব্যৱসায় বাণিজ্য কৰি টাউন- চহৰত বসবাস কৰা মিচিং মানুহে সুন্দৰ পৰিৱেশত জীৱন নিৰ্বাহ কৰি আছে। তেওঁলোকে শৌচ-প্ৰস্ৰাৱৰ বাবে পৰিষ্কাৰকৈ পকী শৌচালয় নিৰ্মাণ কৰাৰ লগতে সমগ্ৰ চৌহদটোকে সুন্দৰ পৰিৱেশত ৰাখে। কিন্তু এতিয়াও অধিক সংখ্যক মিচিং মানুহ গাঁৱত বাস কৰে। তেওঁলোকে এতিয়াও শৌচ কৰিবলৈ হাবি-বননিলৈ যোৱা দেখা যায়। তেওঁলোকৰ চাংঘৰৰ তলত গাহৰি পালন কৰা দেখা যায়। ঘৰৰ চৌহদত লেতেৰা আৰু আবৰ্জনাৰে পৰিপূৰ্ণ হৈ থাকে। সুস্থ পৰিৱেশত জীৱন ধাৰণৰ কথাটো বহুতৰ মনত এতিয়াও গঢ় লৈ উঠা নাই। তেওঁলোকৰ মনত অনাময় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সচেতন কৰি তোলাৰ প্ৰয়োজন আছে। প্ৰণিধানযোগ্য যে, মিচিং সমাজত বহুতো সংগঠন জন্ম হৈছে, কিন্তু এইবোৰ সংগঠনে জাতিটোৰ সৰ্বসাধাৰণ মানুহৰ বাবে সুস্থ পৰিৱেশ সন্দৰ্ভত সজাগতা গঢ়ি তোলাৰ বাবে কাম কৰা চকুত নপৰে। মিচিং জাতীয় সংগঠনসমূহৰ কথা মিচিং ৰাইজে গুৰুত্বসহকাৰে শুনে সেইবাবে এই সংগঠনসমূহৰ জৰিয়তে মিচিং মানুহৰ জীৱন-ধাৰণ সম্পৰ্কে জ্ঞান দিয়াৰ প্ৰয়োজন আছে। জীৱন-ধাৰণৰ মান উন্নত কৰাব নোৱাৰিলে সামগ্ৰীকভাৱে জাতিটো পিছপৰি থাকিব। নিজৰ ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰা বা জাতীয় চেতনা জাগ্ৰত কৰিব পৰাটোকে জাতীয় সংগঠনৰ দায়িত্ব শেষ বুলি ভাবিব নালাগে। পৃথিৱীত নিজকে উন্নত বা সভ্য জাতি হিচাপে পৰিচয় দিবলৈ জীৱন ধাৰণৰ মান উন্নত হ'বই লাগিব। সংগঠনসমূহে সভা সমিতিত কেৱল সাংগঠনিক সক্ৰিয়তা বা ৰাজনৈতিক অধিকাৰ সম্পৰ্কে আলোচনা কৰাতে সীমাবদ্ধতা নাৰাখি জাতিটোৰ জীৱন ধাৰণৰ বিভিন্ন দিশ সন্দৰ্ভতো আলোচনা কৰাৰ প্ৰয়োজন আছে। তেতিয়াহে মিচিং জাতিক বিশ্ব দৰবাৰত এটা উন্নত জাতি হিচাপে থিয় কৰাব পাৰিব। ইয়াৰ বাবে সমূহ মিচিং সমাজ সচেতনতাৰে আগবাঢ়ি অহাৰ প্ৰয়োজন আছে। ■

১৯

# মিচিং জনজাতীয় সমাজত অজ্ঞাতে চলি থকা লিংগ বৈষম্য আৰু ইয়াৰ প্ৰভাৱ

দেৱীনা পামেগাম পেগু

পৃথিৱীত সকলো মাক দেউতাকৰ বাবে সন্তান একেই। ছোৱালী আৰু ল'ৰা সকলো একেই। কাৰণ সকলো একে প্ৰজাতিৰ (Homo Sapiens)। জন্ম সূত্ৰে সকলোৰে সমান সুবিধা পাব লাগে। এনে অৰ্থত ছোৱালীয়ে মানৱ জাতিয়ে পাব লগা সকলো সুবিধা উত্তৰাধিকাৰী সূত্ৰে পায়। ল'ৰাৰ দৰে ছোৱালজনীয়েও জীৱন-ধাৰণৰ অধিকাৰ, খাদ্য আৰু আশ্ৰয়ৰ অধিকাৰ, শিক্ষা অধিকাৰ, নিযুক্তি আৰু স্বাস্থ্যৰ অধিকাৰ জন্ম সূত্ৰে লাভ কৰে। কিন্তু সমস্যাটো হ'ল— ল'ৰা - ছোৱালী বা পুৰুষ মহিলাই সকলো সা-সুবিধা সমানে পায়নে? আনকি জন্মৰ আগৰে পৰাই জীৱন ব্যাপি ছোৱালীয়ে বৈষম্যৰ বলি হ'ব লগা হয়। ছোৱালীৰ বা মহিলাৰ বহু অধিকাৰ অস্বীকাৰ কৰা হয় বা ভংগ কৰা হয়। গোটেই বিশ্বজুৰি ছোৱালীয়ে হিংসা, নিৰ্যাতন আৰু অসাম্যৰ বলি হৈ আহিছে মাত্ৰ এই কাৰণেই যে তেওঁলোক মহিলা। উন্নয়নশীল ৰাষ্ট্ৰৰ ভিতৰুৱা অঞ্চলৰ পৰা বিশ্বৰ ধনী, উদ্যোগী আৰু নগৰীয়া অঞ্চলৰ সকলোতে মহিলাৰ বিৰুদ্ধে বৈষম্য চলি আছে। সকলো সমাজৰ বিভিন্ন গোটৰ মাজত যেনে— পৰিয়াল, সমাজ, চৰকাৰ, সম্প্ৰদায় সকলোতে বৈষম্য বিৰাজমান। বহু দেশত ছোৱালীৰ বিৰুদ্ধে বৈষম্য মাকৰ গৰ্ভত থকা অৱস্থাতেই আৰম্ভ হয়। কন্যা সন্তান বুলি জানিলে নষ্ট কৰাৰ ব্যৱস্থা কৰা হয়। ধৰ্মীয় আৰু পৰম্পৰাগত কাৰণত বহু উন্নয়নশীল ৰাষ্ট্ৰত পুত্ৰ সন্তানক অগ্ৰাধিকাৰ দিয়া

দিব লাগে। ঝাড়ু মাৰিলেও দুই চাইদৰ ফালে আগবাঢ়ি গৈ চাফা কৰে কিন্তু প্ৰত্যক্ষভাৱে ৰিংছিং ফালে নাযায়। ডাঙৰ সকাম-নিকাম পাতিলেও সকামৰ পাতি থোৱা আগভাগ (জংছাগ ) পুৰুষসকলক খাবলৈ দিয়াৰ পাছতহে মহিলাসকলক দিয়া হয়। ভাত বাঢ়ি দিয়াৰ সময়তো পুৰুষসকলক বাঢ়ি দিয়াৰ পাছত যিখিনি অৱশিষ্ট থাকে সেইয়া মহিলা সকলৰ বাবে। সন্তান জন্ম দিয়াৰ বেলিকাও মহিলাসকলে নিজে স্বতন্ত্ৰ ভাৱে সিদ্ধান্ত ল'ব নোৱাৰে যে কেইটা সন্তান জন্ম দিব, কিছুমান এনেকুৱাও মতা মানুহ থাকে যেতিয়ালৈকে পুত্ৰ সন্তানৰ মুখ নেদেখে তেতিয়ালৈকে গৰ্ভধাৰণ কৰিব দিয়ে (অৱশ্যে সকলো পৰিয়ালৰ ক্ষেত্ৰত নহয়)। মুঠৰ ওপৰত ঘৰৰ সিদ্ধান্ত গ্ৰহণ কৰা, বজাৰ সমাৰ কৰা সকলোবোৰ ক্ষেত্ৰত পুৰুষৰ প্ৰাধান্য দেখা যায় অন্যহাতে ঘৰৰ খনৰ সমগ্ৰ কামৰ বেলিকাত মহিলা সকলক প্ৰাধান্য দিয়ে। ৰাতিপুৱা কুকুৰা ডাকৰ পৰাই আৰম্ভ হয় পৰে মহিলা সকলৰ জীৱন সংগ্ৰাম। মিচিং সমাজখন যদিও পুৰুষ প্ৰধান তথাপিও মহিলা সকলৰ অৱদান পুৰুষতকৈ কোনো গুণে কম নহয়।

উপৰোক্ত দিশ সমূহৰ বৈষম্য যদিও দেখা যায়, মিচিং সমাজৰ দৃষ্টিত সেইয়া বৈষম্য নহয় প্ৰচলিত পৰম্পৰা। যদিও পৰম্পৰা তথাপি ইয়াৰ প্ৰভাৱ একেবাৰে নপৰা নহয়, যাৰ বাবে আজি অন্য জনগোষ্ঠীৰ মহিলাসকলৰ দৰে মিচিং মহিলাই প্ৰগতিৰ পথত সমানে আগুৱাই যাবলৈ সক্ষম হ'ব পৰা নাই। পুৰুষসকলৰ তুলনাত মিচিং মহিলাৰ শিক্ষিত সংখ্যাও বহুত ক'ম। সিদ্ধান্ত গ্ৰহণ বা গঠনমূলক কামত পুৰুষৰ প্ৰাধান্যতাৰ বাবে বহু মহিলাই নিজৰ আত্মবিশ্বাস হেৰুৱাই পেলায় যাৰ বাবে নিজাববীয়াকৈ কোনো পৰিকল্পনা হাতত ল'বলৈ অপাৰাগ হয়। শিক্ষাৰ অনগ্ৰসৰতাৰ বাবেও গ্ৰাম্য বহু মহিলাই ঘনাই সন্তান প্ৰসৱ কৰাৰ বাবে ৰক্তহীনতাত ভূগি ৰোগীয়া হৈ পৰাও দেখিবলৈ পোৱা যায়।

অৱশ্যে আজিকালি পুৰণি এলান্ধুকলীয়া সমাজখনৰ আৱৰণ ফালি মহিলাসকলে আগবাঢ়ি আহিছে। আগৰ তুলনাত প্ৰায় বহুতখিনি ক্ষেত্ৰত ল'ৰাৰ দৰে ছোৱালীবোৰকো শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যোৱা দেখিবলৈ পোৱা গৈছে। লাহে লাহে অন্যান্য ক্ষেত্ৰতো মিচিং মহিলাসকলে বাহিৰৰ জগতখনৰ সৈতে পৰিচিত হৈ আত্মনিৰ্ভৰশীল হোৱাও দেখা পোৱা গৈছে। মিচিং মানুহবোৰৰ স্বভাৱ বৰ সহজ-সৰল, মৰম আকলুৱা। ৰীতি পৰম্পৰা মানি এতিয়াও ডাঙৰ ডাঙৰ যৌথ পৰিয়ালৰ মাজত মৰমৰ এনাজৰীৰে বান্ধ খাই সুখ আনন্দৰ মাজেৰে দিনবোৰ অতিবাহিত কৰি আছে। অনাগত দিনবোৰটো মহিলাসকলক কোনো ধৰণৰ বৈষম্যমূলক আচৰণ নকৰি ভয়, শংকাৰ পৰা মুক্ত কৰি নিৰাপত্তাৰ জীৱন, মৰ্য্যদাৰ জীৱন, পৰিপূৰ্ণতাৰ জীৱন-যাপনৰ সকলো সুবিধা প্ৰদান কৰিলেহে লিঙ্গ বৈষম্যৰ দৰে সামাজিক ব্যাধিয়ে কিনো আঁচোৰ পেলাব নোৱাৰিব। সমতা, মৰ্য্যদা আৰু মানবীয়তাৰ ভিত্তিত নাৰী স্বাধীনতা প্ৰদানৰ লগত লিঙ্গ বৈষম্য হ্ৰাস বিষয়টো জড়িত আছে। স্বামী বিবেকানন্দই সেয়েহে কৈছিল— *মোক কেইগৰাকীমান ভাল মাতৃ দিয়া মই তোমালোকক এখন ভাল দেশ দিম।* গতিকে ভাল মাতৃ হ'ব পৰা নাৰীক আমি বৈষম্যমূলক আচৰণৰ পৰা বিৰত ৰাখি সমিল মিলেৰে আগবঢ়াই নিলে এখন সুস্থ সৱল সমাজৰ লগতে দেশ গঢ় লৈ উঠিব বুলি আমি আশাবাদী।■

হয়। ভাৰতত পিতৃ-মাতৃৰ মুখাগ্নি কৰিবৰ কাৰণেও পুত্ৰ সন্তানৰ প্ৰয়োজন বুলি কোৱা হয়। এইটো কথাত বিশ্বাস কৰা হয় যে পুত্ৰ সন্তানেহে মাক দেউতাকক বৃদ্ধ অৱস্থাত চোৱা-চিতা কৰিব। পুত্ৰ সন্তানৰ জন্মই পৰিয়ালটোৰ মৰ্যদা বৃদ্ধি কৰে বুলি ভৱা হয়।

মিচিং জনজাতিসকলৰ মাজতো ঠিক তেনেকৈ কিছুমান দিশত অজ্ঞাতসাৰে বৈষম্যৰ কথা লক্ষ্য কৰা দেখা যায়। এটা পৰিয়ালত এজনী ছোৱালীতকৈ এটা ল'ৰাক প্ৰাধান্য বেছি দিয়ে। যিকোনো সিদ্ধান্ত গ্ৰহণ কৰোঁতে মহিলাক কেতিয়াও আগস্থান দিয়া নহয়। এটা মধ্যবিত্ত পৰিয়ালত যদি ল'ৰা ছোৱালী এহাল থাকে, অভাৱ অনাটনৰ কবলত দুয়োটাকে শিক্ষা দিবলৈ অপৰাগ তেতিয়া শিক্ষাৰ ক্ষেত্ৰত যদিও ছোৱালীজনী আগ্ৰহী হয় কিন্তু ল'ৰা জনকহে আগস্থান দিয়ে। ঘৰুৱা কাম-বনৰ ক্ষেত্ৰতো যদিও দেখাত সৰু যেন লাগে লক্ষ্য কৰিলে দেখা যায় তাতো বৈষম্যৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। পৰিয়ালৰ একেলগে যদি দুয়ো সন্তান অৰ্থাৎ ল'ৰা-ছোৱালীহাল স্কুল বা কলেজলৈ যাব লগা হয়, লাগিলে একেখন স্কুল বা কলেজত নপঢ়ক কিয় ল'ৰাটোক বেছি সুবিধা প্ৰদান কৰা দেখা যায়। ছোৱালীজনীয়ে স্কুল-কলেজ যোৱাৰ আগতে ঘৰৰ কাম-বনবোৰ কৰিব লাগে যেনে— ভাতৰ যোগান ধৰা, খাবলৈ পানী, বহিবলৈ পীৰা বা চকী সকলো যতনাই খাই বৈ ককায়েক বা ভায়েকৰ ঠালিখনো অতাই চাফা কৰি যাব লাগিব। কিন্তু ল'ৰাটোৱে কেৱল হাত-মুখ ধুই খাই উঠি গুচি যায়। যদি এজনী ছোৱালীয়ে এইদৰে উঠি যায় নিজৰ জন্মদাত্ৰী মাক হলেও ক'ব, তই "ৰা নেকি? ভাতকেইটা খাই এইদৰে উঠি গৈছ' যে। তাতে আকৌ ল'ৰাটোক এখন চাইকেলো কিনি দিব স্কুল কলেজ যাবলৈ, ছোৱালীজনী ঘৰৰ দহোবন কৰি অথচ খোজকাঢ়ি স্কুল কলেজলৈ যাব লগা হয়। এইবোৰ সৰু সৰু কথা হলেও বৈষম্য আমাৰ নিজৰ পৰিয়ালৰ পৰাই সৃষ্টি হয়। স্কুলৰ পৰা দুয়ো ঘূৰি অহাৰ পাছত অনুৰূপ কাৰ্য্য দেখা যায়, ল'ৰাটোৱে চাইকেলেৰে আহি ঘৰত জিৰণি লয় থাকে কিন্তু ছোৱালীজনীয়ে দুয়োটাৰ স্কুলত পিন্ধি যোৱা কাপোৰবোৰ সামৰি সুতৰি ঘৰুৱা কামত সমানে হাতবাতি নিজৰ পঢ়াত মনোনিৱেশ কৰিব লাগে কাৰণ তাই ছোৱালী। ল'ৰাক প্ৰতিটো মুহূৰ্তত বেছি সুবিধা দিবলৈ বিচাৰে, ল'ৰাক চহৰত ৰাখি ইংৰাজী মেডিয়ামত পঢ়াই ছোৱালীক স্থানীয় স্কুল কলেজত পঢ়িবলৈ দিয়ে যাতে মাকৰ সাৰথি হৈ ভায়েক বা ককায়েকক হাঁহ,কুকুৰা, গাহৰি পালি বিক্ৰী কৰি চহৰলৈ পঠাব পাৰে। যদিও এইবোৰ নিজৰ সহোদৰৰ বাবে কৰে তথাপিও সূক্ষ্ম দৃষ্টিকোণৰ পৰা নিৰীক্ষণ কৰিলে সেয়াও জানো একপ্ৰকাৰৰ বৈষম্য নহয়।

এগৰাকী মিচিং মহিলাই যেতিয়া বোৱাৰী হিচাপে এখন ঘৰৰ পৰা আন এখন ঘৰলৈ গুচি যায় সেইখন ঘৰৰ সকলোবোৰক আপোন কৰি লয়। ঠিক তেনেদৰে ঘৰৰ সকলো দায়িত্ব বোৱাৰী গৰাকীৰ ওপৰত আহে পাকঘৰৰ দায়িত্ব পৰ্য্যন্ত কিন্তু এটা লক্ষণীয় কথা যে মিচিং জনজাতি লোকসকল যৌথ পৰিয়ালত বেছিকৈ বসবাস কৰে। চাংঘৰৰ পাকঘৰত সোঁমাজত জুহালটো থাকে, জুহালৰ পুবা পশ্চিমীয়া ঘৰৰ মানুহবোৰ বহে, বিশেষকৈ পুৰুষ বা ঘৰৰ মুখিয়ালসকল পূব ফালে আৰু বিপৰীত দিশত মহিলা বা বোৱাৰীসকল বহাৰ নিয়ম যাক মিচিং ভাষাত (ক'গতঃগ আৰু ৰিঃছিং) বুলি জনা যায়। ঘৰৰ বোৱাৰীজনীয়ে কিন্তু সেই ৰিঃছিং ফালে যাবলৈ নাপায়, যদি ঘৰৰ মুখ্যজনক যিকোনো খোৱা বস্তু যোগান ধৰে তেতিয়া ক'গ তঃগৰ পৰাই আগবঢ়াই

২০

# নাৰীৰ নির্যাতন

মাধৰী গোঁহাই

সাম্প্ৰতিক কালত নাৰীৰ নির্যাতন এটা নৈতিক কার্য হিচাপে আমাৰ সমাজত পৰিগণিত হৈছে। ই হৈছে এটা সামাজিক ব্যাধি। পৃথিৱীত এনে এখন সমাজ হয়তু নাই য'ত নাৰীৰ নির্যাতন শব্দ দুটাই ঠাই পোৱা নাই। সমাজত গা-কৰি উঠা সামাজিক ব্যাধিস্বৰূপ যৌন অত্যাচাৰ, নৃশংস হত্যা কাণ্ডৰে প্ৰতিদিনেই সংবাদ মাধ্যমত স্থান পাই আহিছে। ইয়াৰ মূলতে হ'ল এচাম দানৱৰূপী নৰৰ পাশৱিক মনোবৃত্তি। এই আক্ৰমণৰ পৰা কিশোৰীকে আৰম্ভ কৰি যুৱতী, বিবাহিত তিৰোতা, আনকি মাতৃতুল্য বৃদ্ধাও হাত সাৰি যোৱা নাই। এনে জঘন্য ঘটনাসমূহ সংঘটিত কৰা সকলে কিন্তু এবাৰ হ'লেও ভাৱি চোৱা উচিত যে, তেওঁলোকৰো সৃষ্টি নাৰীৰ গৰ্ভতেই। সমাজৰ প্ৰতিগৰাকী কিশোৰী, যুৱতী, তিৰোতা, তেওঁৰেই বাই-ভনী কিম্বা মাতৃৰ সদৃশ। অশালীন ব্যৱহাৰ, যৌন অত্যাচাৰ, বুকু কঁপি উঠা ধৰ্ষণে নাৰী জাতিটোক শান্তিৰে জীয়াই থাকিবলৈ দিয়া নাই।

সাংসাৰিক জীৱনতো নাৰী নির্যাতন মুক্ত নহয়। যৌতুকক কেন্দ্ৰ কৰি স্বামীৰ পৰিয়ালৰ পৰাও মানসিক অশান্তিত ভুগিব লগা হৈছে। আনকি গাত কেৰাচিন, পেট্ৰল আদি ঢালি জীৱন্তে অগ্নি সংযোগ কৰি বহু নাৰীৰ জীৱন অকালতে ধ্বংস কৰিছে। ৰক্ত পিপাসু এচাম দানৱে ধৰ্ষণ, বলাৎকাৰৰ বিভিসিকাৰে নাৰী হত্যাৰ পম খেদি এক মাৰাথান দৌৰ অব্যাহত ৰাখিছে। শত যুৱতীৰ ৰঙীন সপোনবোৰ ধূলিসাৎ কৰি অকালতে এই পৃথিৱীৰ পৰা বিদায় ল'বলৈ তেওঁলোকক বাধ্য কৰাইছে।

নাৰীয়ে যদিও নিজ দক্ষতাৰে সমাজত নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে, তথাপি কিন্তু নাৰীক দুর্বলা হিচাপেই অভিহিত কৰা হৈছে। সৃষ্টিকর্তাৰ

এক অনুপম অৱদান নাৰী হৈছে পুৰুষৰ সৌঁহাতস্বৰূপ, যাৰ অবিহনে পুৰুষৰ জীৱন কাহানিও সাৰ্থক নহয়। সংসাৰৰ যাত্ৰাত বিভিন্ন ৰূপত, বিভিন্ন পদক্ষেপত পুৰুষৰ সুখ-দুখৰ সমভাগী হৈ পৰা পৰস্পৰৰ সহযোগিতা আগবঢ়োৱাত নাৰীৰ ভূমিকা অতুলনীয়। তথাপি নাৰী যুগে যুগে ধৰ্ষিতা, লাঞ্চিতা, বঞ্চিতা তথা নিৰ্যাতিতা হৈ আহিছে। অন্ধবিশ্বাস, কু-সংস্কাৰৰ বশৱৰ্তী হৈ নাৰীসকল পুৰুষৰ পাশৱিক অত্যাচাৰৰ চিকাৰ হৈছে। আজি নাৰীসকলে নিজকে সুৰক্ষিত, মুক্ত বুলি ক'ব পৰা ক্ষমতাৰ পৰা বঞ্চিত হৈছে। এচামৰ বাবে নাৰী কেৱল ভোগৰ সামগ্ৰী। অথচ নাৰী কিন্তু শিক্ষা-দীক্ষা, ক্ৰীয়াকলাপ, সাহিত্য-সংস্কৃতিক, ৰাজনৈতিক আদি কোনো দিশতেই পিছপৰি থকা নাই। এইখিনিতেই আমি ক্ৰীয়াকলাপৰ ক্ষেত্ৰত হিমা দাস, লাভলীনা বৰগোঁহাইৰ কথাকে ক'ব পাৰো। তেওঁলোক যে আমাৰ আদৰ্শবান যুৱতী, তাক স্বীকাৰ কৰিবই লাগিব। অসমৰ জীয়ৰী হিচাপে তেওঁলোকক লৈ আজি গৌৰান্বিত।

ইমানবোৰ প্ৰতিপন্ন কৰা পিছতো এচাম মইমতালি পুৰুষে নাৰীক হেয় জ্ঞান কৰিছে। আনকি জ্ঞানৰ পোহৰ বিলোৱা শিক্ষয়িত্ৰীও ধৰ্ষণৰ বলি হৈ মৃত্যুক আকোৱালি ল'ব ল'গা হৈছে। বৰ্ত্তমান ৰাতিটো বাদেই, দিনটো নাৰীসকলে মুক্তভাৱে ফুৰিব নোৱাৰা অৱস্থা হৈছে। দেশৰ বিভিন্ন প্ৰান্তত সংঘটিত হোৱা নাৰীৰ নিৰ্যাতনৰ এটা ভয়াবহ ছবিখনে নাৰীৰ জীৱন পদে পদে বিপদাপন্ন কৰি তুলিছে। ইয়াৰ মূলতে হৈছে অপৰাধীয়ে দৃষ্টান্তমূলক শাস্তি নোপোৱাতো। নাৰীৰ নিৰ্যাতন কেৱল নাৰীৰ ওপৰত কৰা অত্যাচাৰ নহয়, ই আমাৰ মানৱীয় মূল্যবোধকো পংগু কৰিছে।

আমাৰ সমাজত নাৰীৰ নিৰ্যাতন এক বহু চৰ্চিত তথা বিচাৰ্য বিষয় হৈ পৰিছে। নাৰীৰ নিৰাপত্তাত বিঘিনী জন্মিছে. বহু নাৰীৰ সুখৰ সংসাৰ ভাঙি-ছিঙি চুৰমাৰ হৈ গৈছে। কোনোবাই আকৌ মানসিক চাপ সহ্য কৰিব নোৱাৰি আত্মহত্যাৰ দৰে জঘন্য পথ বাচি ল'বলৈ বাধ্য হৈছে।

নাৰীসকলক এখোজ আগুৱাই নিবলৈ হ'লে প্ৰতিজন ব্যক্তিয়েই অপৰাধীসকলৰ বিৰুদ্ধে ঐক্যবদ্ধ ভাৱে যুঁজ দিব লাগিব। আহক আমি সকলোৱে জাতি, ধৰ্ম, বৰ্ণৰ নিবিশেষে, একতা ডোলেৰে সমাজ ব্যাধিস্বৰূপ এই সকল দানৱক ৰুধিবলৈ ক্ষিপ্ৰতাৰে আগবাঢ়ি যাওঁ। নাৰীৰ শক্তি প্ৰদৰ্শন কৰি, উত্তাল প্ৰতিবাদ গঢ়ি তুলি প্ৰশাসনকো সকিয়াই দিওঁ, যাতে নাৰীয়ে নিৰ্যাতন মুক্ত হৈ এই পৃথিৱীত স্বাধীন মনোভাৱেৰে জীয়াই থাকিবলৈ অকণমান শক্তি পায়। আমাৰো আছে সুৰক্ষিত জীৱন-যাপন কৰা অযুত হেপাঁহ। এনেবোৰ জঘন্য কাণ্ড নাৰী সমাজত পুনৰাবৃত্তি হোৱাতো আমাৰ কাম্য নহয়। এই ক্ষেত্ৰত আমাৰ চৰকাৰখনে আইনৰ ব্যৱস্থা অধিক টনকিয়াল কৰা প্ৰয়োজন আছে। অন্যথা আমাৰ চকুৰ প্ৰচাৰতে তিল তিলকৈ বহু ফুলকুমলীয়া কন্যা শিশু, যুৱতীসকলৰ জীৱন অকালতে মৰহি যাব। নাৰী সৱলীকৰণত চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাটো নিতান্তই প্ৰয়োজন।

এই পৃথিৱীত নাৰীয়ে সেইদিনাহে সুৰক্ষিত হৈ মুক্তভাৱে বিচৰণ কৰিব পাৰিব, যিদিনা এই ধৰাৰ পৰা সেই ৰক্ত পিপাসু দানৱসকল চিৰদিনৰ বাবে নিঃশেষ হৈ যাব। ■

২১

# মাতৃভাষাৰ জৰিয়তে শিশুৰ চৰিত্ৰ গঠনত নাৰীৰ ভূমিকা

## তুলাদৈ পায়েং টাইদ

নাৰীয়েই গৰিয়সী, নাৰীয়েই অৰ্দ্ধাংগিনী বুলি কোৱা এষাৰ কথা আছে। তাৰ আৰঁতে নাৰীয়ে সৃষ্টিৰ মূল; আনফালে ধ্বংসৰো শেষ সীমা বুলি বিভিন্ন আখ্যান বিলাকত উল্লেখ পোৱা যায়। নাৰীক প্ৰকৃতি আখ্যা দিয়া হয়। 'নাৰীৰ হাতত ধন, পুৰুষৰ হাতত জন'— এই বুলিও এষাৰ কথা আছে। অৰ্থাৎ পুৰুষ আৰু প্ৰকৃতি, এই শব্দ দুটা পৃথিৱীত আটাইতকৈ উত্তম। এই শব্দ দুটাৰ পূৰ্ণ মিলনে এটা সুস্থ, সৰল সমাজ আৰু পৰিয়ালৰ মূল মানসিক বিকাশ, আধ্যাত্মিক, সুস্থ সামাজিক পৰিৱেশ, নিয়মানুবৰ্তিতা সুস্থ-সৰল চিন্তা ধাৰাৰ উপাদানসমূহ। এয়াই হৈছে শিশু প্ৰাথমিক পৰ্যায়ৰ প্ৰধান ভূমিকা। তাৰ মাজতে মাতৃৰ গৰাকীৰ শিশুৰ চৰিত্ৰ গঠনত ভূমিকা বেছি বুলি আমি ভাবো।

সেই গতিকে মাতৃসকলে এটা শিশুৰ চৰিত্ৰ গঠনত কি পদক্ষেপ লোৱা উচিত এই বিষয়ৰ ওপৰত সম্যক জ্ঞান থকাটো অতি জৰুৰী হ'ব লাগে। তাৰ ওপৰত আমি মাতৃসকলে যিমান পৰো তেওঁলোকৰ লগত বন্ধুত্ব স্থাপন কৰি তেওঁলোকৰ অভাৱ-অভিযোগসমূহ সহযোগ কৰিব্ লাগে। ইয়াৰ পৰা এটা শিশুৰ ভৱিষ্যত উত্তৰণৰ ক্ষেত্ৰত সহায়ক হ'ব পৰাকৈ নাৰীসকলে, মাতৃসকলে আগবঢ়াই নিব লাগে। কিয়নো এটা শিশুৱে মাতৃৰ গৰ্ভত ৯ মাহ ১০ দিন থকাৰ পাছত যেতিয়া জন্ম হৈ পৃথিৱীবলৈ আহে, সেই

তেতিয়াও মাকৰ লগত চিনা-পৰিচয় নোহোৱাকৈয়ে তাৰ আগতে স্তন পাণ কৰি পিয়াহ গুচায়। তেনেস্থলত মাক আৰু সন্তানৰ সম্পৰ্কটো কিমান গভীৰ? এয়া প্ৰথমে সহজে অনুমেয় শিশুটোয়ে মাকৰ মুখখন দৃষ্টিগোচৰ হয়। ডেৰমাহ মানৰ পৰা হাঁহি মাৰিবলৈ আৰম্ভ কৰে। এবছৰ নহওঁতেক 'মা' শব্দটো শিশুটিৰ মুখৰ পৰা অলপ-অলপ ফুটি ওলাই আহে। সেই শব্দটো পহিলাতে মাকৰ পৰা শিশুটিয়ে শিকি লয়। নতুনকৈ ভাষা শিকা এটি শিশুৰ বাবে ভাৱ-বিনিময়ৰ উত্তম পন্থা হৈছে মাতৃভাষা। সেয়েহে নিজৰ মাতৃভাষাৰে শিশুক শিক্ষা দিয়া আৰম্ভ কৰিব লাগে।

সদ্যহতে ল'ৰা-ছোৱালীয়ে প্ৰথম শব্দটো মাককে মাতিবলৈ লোৱা দেখা যায়। কেতিয়াও 'দেউতা' বা 'বাবা' বুলি প্ৰথম শব্দটো উচ্চাৰণ নকৰে। সেয়েহে মই ক'ব বিচাৰো যে এটা শিশুৰ বাবে প্ৰধানকৈ মাতৃগৰাকীয়ে শিক্ষা ক্ষেত্ৰখনৰ শিক্ষয়িত্ৰী। সেই শিক্ষাৰ ক্ষেত্ৰৰ তলিখনত মাক হ'ল বিষয় শিক্ষক, বাপেক হৈছে পৰিয়ালৰ শিক্ষাক্ষেত্ৰখনৰ প্ৰধান শিক্ষক। গতিকে এই শিক্ষাক্ষেত্ৰখনৰ জীৱনজোৰা পাঠ্যক্ৰমখন কি ধৰণে প্ৰস্তুত কৰিব লাগিব তেওঁলোক দুজনৰ ওপৰতেই নিৰ্ভৰ কৰে। এই দুজন ব্যক্তিৰ তত্ত্বাৱধানত এটা পৰিয়ালৰ পাঠ্যক্ৰম আৰম্ভ হোৱা দেখা যায়। তেনেস্থলত এটা শিশুৰ চৰিত্ৰ গঠনত পৰিয়ালৰ প্ৰতিজন ব্যক্তিয়ে গুৰু দায়িত্ব পালন কৰা উচিত। এটা শিশুৰ বিপদে পৰিচালিত হোৱা মানে মাক-বাপেকে তথা পৰিয়ালৰ অনুশাসন নিশ্চয় উপযুক্ত নাই বুলি কোৱাৰ থল আছে। তাৰ লগত মাতৃগৰাকী এশ শতাংশ দায়িত্ববোধ থকাটো উচিত। তেতিয়াহে শিশুটোৰ ভৱিষ্যতে এখন সমাজৰ বা এটা জাতিৰ সুস্থ-সৱল নাগৰিক হ'ব বুলি ভাবিব পৰা যায়। আজি অসমৰ নানা জাতি-গোষ্ঠীৰ মাজত নানা ভাষা-ভাষী, নানা কলা-কৃষ্টি প্ৰদৰ্শন কৰি নিজৰ স্বকীয় জাতীয় পৰম্পৰাক ইয়াৰ মাজতে বজাই ৰাখি জীয়াই আছে। ইয়াৰো কিছু জাতিয়ে নিজস্বতাক হেৰুৱাৰ উপক্ৰমও পৰিলক্ষিত নোহোৱা নহয়। সেইটোৰ আঁৰত লুকাই আছে উচ্চ-নীচ মানসিকতাৰ লগতে নিজৰ জাতিটোৰ ওপৰত আস্থা নাইকিয়া হৈ পৰা। গতিকে আমি নাৰীসকলে বা মাতৃসকলে শিশুসকলক সৰু অৱস্থাৰ পৰাই নিজৰ সংস্কৃতিৰ পৰিচয় দিয়াটো উচিত বুলি ভাবি ভাষা-সংস্কৃতিৰ জ্ঞান দিব লাগে। তেতিয়া সকলোফালে সমাজ এখনৰ সুস্থ-সৱল পৰিৱেশ এটা গঢ় লৈ উঠিব বুলি ভাবিব পাৰিম। মাতৃসকলক টানি ক'ব বিচাৰো যে নিজৰ জাতি, কৃষ্টি-সংস্কৃতিক তাগিদা দিয়া দায়িত্ব বহনৰ ক্ষেত্ৰত সম্পূৰ্ণ দায়িত্বশীল হ'ব লাগে। আজি অসমত বহু বছৰ ধৰি বসবাস কৰি থকা স্বকীয়তা হেৰুওৱা কিছুমান জনগোষ্ঠীৰ কথাকে ফঁহিয়াই চাব পাৰোহঁক। তেওঁলোকৰ ভাষাগতভাৱে বিলুপ্তপ্ৰায় অৱস্থাত বৈছেগৈ। অসমত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীৰ ভাষাসমূহ বাস্তৱিকভাৱে দিনে দিনে অপমৃত্যু ঘটি থকাটো নিশ্চিত হৈ আছে।

গতিকে মিচিং জাতিটোৰ ভাষা-সংস্কৃতিয়ে এই অৱস্থালৈ যাতে ৰূপান্তৰিত নহয়, তাৰ বাবে উচিত পদক্ষেপ ল'বৰ মিনিত্তে আই-মাতৃসকলক আহ্বান জনাওঁ। জাতিটোকৰ কাৰণে প্ৰতিগৰাকী নাৰীয়ে সচেতন হওঁক, আমাৰ প্ৰজন্মসকলৰ উত্তৰণৰ ক্ষেত্ৰত আমি সকলোৰে সজাগ দৃষ্টি-ভংগীৰে নিজৰ নিজৰ কোলাৰ সন্তানক নিজৰ ভাষা শিক্ষাৰ জ্ঞান প্ৰদান কৰি ভৱিষ্যত দেশৰ, সমাজৰ সুস্থ-সৱল নাগৰিক হোৱাৰ অৰিহণা যোগাই তুলিব লাগে।

বিশেষকৈ নিজৰ মাতৃ ভাষাটো সলসলীয়াকৈ ক'ব পৰাকৈ প্ৰাথমিক পৰ্যায়তে মাতৃ-গৰাকী দায়িত্ব পালনত অতি গুৰু হোৱা উচিত। যদিহে প্ৰতিগৰাকী মহিলা বা নাৰীয়ে জাতিটোৰ উন্নতিৰ হকে জাতীয় সাজ-পাৰৰ পৰা আৰম্ভ কৰি ভিতৰ-বাহিৰৰ সকলো ফালে দৃষ্টি নিক্ষেপ কৰে, তেন্তেহে জাতিটোৰ উন্নতি হোৱাটো নিশ্চিত বুলি ধৰি ল'ব পাৰোঁহঁক। চমুকৈ ক'বলৈ গ'লে এটা জাতিৰ কলা-কৃষ্টিৰ মূল শিপাডাল মহিলাসকলৰ হাতত আছে বুলি ক'লেও ভুল কোৱা নহ'ব। কিয়নো, ঘৰুৱা ৰন্ধন প্ৰকৰণৰ পৰা ধৰি ভিন্ন ৰঙীন বয়ন শিল্প, নানা ধৰণৰ হাতৰ কাম, বিশেষকৈ অসমত বসবাস কৰি থকা মিচিং মহিলাসকলৰ কথা পোনচাটে ক'ব পাৰোঁহঁক। তাৰ লগতে আহি পৰে ভাষা সংস্কৃতিৰ ক্ষেত্ৰখনটো মাতৃসকলে সন্তানৰ প্ৰতি নিজৰ কৃষ্টি-সংস্কৃতি নাথাকিলে জাতিগতভাৱে কি পৰিচয় থাকিব সেই বিষয়ে ফঁহিয়াই দি বুজালে বেয়া নহ'ব বুলি ভাবো। আমি মাতৃসকলে যাতে ক'বলগীয়া নহয় যে আমাৰ বাবুয়ে মিচিং কথা ক'বলৈ নিবিচাৰে বা ক'ব নোৱাৰে। এনেকুৱা ধৰণৰ কথা বিলাকৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো সময়োপযোগী হ'ব লাগে। আমি জাতিটোৰ হ'কে যিমানেই কৌবাং বাঃদাগ নকৰক কিয় প্ৰজন্মসকলক এই পদ্ধতিৰে ঘৰুৱা শিক্ষা দি তেওঁলোকৰ মন মগজুত চেতনা আনি দিব নোৱাৰিলে এটা সময়ত নিজৰ নিজৰ জাতীয় সত্তাৰ পৰিচয়ৰ লগতে ভাষা সংস্কৃতিৰ অধঃপতনে গৈ অপমৃত্যু ঘটিব পাৰে বুলি ভবাৰ থল আছে।

গতিকে নাৰীসকলে ভাষা-সংস্কৃতিৰ স্বকীয় বাহক হিচাপে আগবাঢ়ি আহি নিজস্ব পৰম্পৰা সকলোতে আগভাগ লৈ জাতিটো জীয়াই ৰখাত অৰিহণা জগাই তুলিব লাগে।■

২২

# ভাৰতবৰ্ষ তথা উত্তৰ-পূৰ্বাঞ্চলত নাৰীবাদী আন্দোলনৰ ইতিহাস আৰু প্ৰসাৰ

ড° নিৰ্মালি পেগু দলে

ভাৰতত মহিলাসকলে অতীজৰে পৰাই সভ্যতাৰ বিভিন্ন স্তৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। বৈদিক যুগত নাৰীয়ে পুৰুষৰ সমমৰ্যাদা লাভ কৰাৰ উল্লেখ পোৱা যায়। আনহাতে উত্তৰ বৈদিক যুগৰ পৰা ক্ৰমান্বয়ে নাৰীৰ স্থান অৱনমিত হ'বলৈ আৰম্ভ কৰে আৰু মনুৰ দৃষ্টিভংগীয়ে এহাতে নাৰীৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে, আনহাতে অৱজ্ঞা কৰিছে। বৌদ্ধ ধৰ্মৰ বিকাশৰ লগে লগে নাৰীৰ স্থান কিছু পৰিমাণে উন্নত পৰ্যায়লৈ আগবঢ়া পৰিলক্ষিত হৈছিল যদিও মধ্যযুগত নাৰীক সেয় জ্ঞান কৰি সমাজ ব্যৱস্থাত সামাজিক কাম-কাজ আদিবোৰত বাধা প্ৰদান কৰাৰ লগতে শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত কৰিছিল। আনকি পৰ্দা প্ৰথা, সতীদাহ প্ৰথা, বাল্য বিবাহ, বিধবা বন্ধ, কন্যা সন্তানৰ হত্যা আদি কু-সংস্কাৰৰ বলি হ'ব লগা হৈছিল। ইয়াৰোপৰি পিতৃতান্ত্ৰিক ব্যৱস্থাই নাৰীক ৰাজনৈতিক অধিকাৰ, অৰ্থনৈতিক আৰু সামাজিক স্বাধীনতা আদিৰ পৰাও বঞ্চিত কৰিছিল।

ঊনৈশ শতিকাত ইংৰাজৰ শাসনকালত বহু সমাজ সংস্কাৰক তথা নাৰীবাদী চিন্তাবিদে ভাৰতবৰ্ষ মহিলা আন্দোলনৰ সূচনা কৰে। কাৰণ বৃটিছৰ আগমণৰ সময়ত ভাৰতীয় নাৰীৰ অৱস্থা অতি নিম্নগামী আছিল। শিক্ষিতৰ হাৰ নগন্য আছিল। কু-সংস্কাৰ, সামাজিক অন্ধবিশ্বাস, ধৰ্মীয় গোড়ামি, লোক বিশ্বাস আৰু পিতৃতান্ত্ৰিক পৰম্পৰাৰ ফলত নাৰীৰ মৰ্যাদা হানি হৈছিল। বৃটিছসকলে ভাৰতীয় নাৰীৰ ঘৃণনীয় অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ প্ৰচেষ্টা

হাতত লৈছিল। এই প্ৰচেষ্টাক ভাৰতীয় সামাজিক ব্যৱস্থাৰ সংস্কাৰ সাধন বুলি কোৱা হয় আৰু ইয়াক ভাৰতবৰ্ষত মহিলা আন্দোলনৰ শুভাৰম্ভনি বুলি কোৱা হয়।

দেখা যায় যে, ভাৰতবৰ্ষত নাৰীৰ অধিকাৰৰ বিষয়টো পোনপ্ৰথমে পুৰুষৰ মুখতহে উচ্চাৰিত হয়। পোনপ্ৰথমে ভাৰতীয় নাৰীৰ অসহায়, অসুৰক্ষিত অৱস্থা দেখি উদ্বিগ্ন হৈ তদানীন্তন ভাৰতৰ ইংৰাজ শাসক লৰ্ড ৱিলিয়াম বেণ্টিংকে ১৮২৯ চনত সতীদাহ প্ৰথা নিষেধ আইন ঘোষণা কৰে। বেণ্টিংকৰ এনে সংস্কাৰমুখী পদক্ষেপত ভাৰতীয় পৰম্পৰাগত বিদেশী শক্তিৰ হস্তক্ষেপত গোড়ামী বিদ্বৎ সমাজ ক্ষুণ্ণ হৈ উঠিছিল। কিন্তু তাৰে ইংৰাজী শিক্ষা আৰু আধুনিক পশ্চিমীয়া চিন্তাৰ প্ৰভাৱান্বিত হোৱা ভাৰতীয় ব্যক্তি কিছুৱে ভাৰতীয় সমাজত নাৰীৰ অৱস্থানৰ বিষয়ে দকৈ চিন্তা কৰিবলৈ বাধ্য হয়।

ভাৰতৰ মহিলা আন্দোলন আৰু সমাজ সংস্কাৰৰ ক্ষেত্ৰত আগ-ভাগ লোৱা অগ্ৰণী মনিষিসকল হ'ল ৰাজা ৰামমোহন ৰায় (বংগ), ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ (বংগ), এম.ডি. ৰাণাডে (মহাৰাষ্ট্ৰ), জ্যোতিৰাও ফুলে (মহাৰাষ্ট্ৰ), দয়ানন্দ সৰস্বতী (পঞ্জাৱ), ড° বি. আৰ আম্বেদকাৰ, মহাত্মা গান্ধী, এনি বেচান্ত, স্বামী বিবেকানন্দ, দাৰকানাথ ঠাকুৰ, ভিনা মজুমদাৰ, নীৰা ডেচাই ইত্যাদি। একাদিকক্ৰমে ১৮২৬ চনত সতীদাহ প্ৰথা বন্ধ, ১৮৫৬ চনত হিন্দু বিধবা বিবাহ প্ৰচলন আইন, ১৯২৫ চনত হিন্দু বিধবা বিবাহ প্ৰচলন আইন, ১৯২৯ চনত বাল্য বিবাহ নিষিদ্ধ আইন আৰু ১৯৩৭ চনত হিন্দু নাৰীৰ সম্পত্তি অধিকাৰ আইন প্ৰণয়ন উল্লেখযোগ্য ঘটনা।

ইতিহাসৰ পাঠ লুটিয়াই চালে পোৱা যায় যে ১৯১৭ চনত এনি বেচান্তৰ নেতৃত্বত "ভাৰতীয় নাৰী সংস্থা' গঠন কৰা হয়। তেনেদৰে মহাত্মা গান্ধীৰ নেতৃত্বৰ ভাৰতীয় স্বাধীনতা আন্দোলনে নতুন গতি লাভ কৰাৰ সময়ত ১৯২৫ চনত জাতীয় মহিলা পৰিষদ, ১৯৪৫ চনত কস্তোৰবা গান্ধী জাতীয় নিধি আদি মহিলা শোষণৰ বিৰুদ্ধে ভাৰতবৰ্ষত মহিলা আন্দোলন গঢ়ি তুলিছিল। ভাৰতবৰ্ষত স্বাধীনতাৰ প্ৰাক্‌মুহূৰ্তত আৰম্ভ কৰা মহিলা সকলৰ আন্দোলন তেওঁলোকৰ ৰাজনৈতিক অধিকাৰ (Political Rights) আৰু ব্যক্তিগত আইন সংস্কাৰ (Reform of Personal Law)ৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। স্বাধীনতাৰ পিছত ভাৰতবৰ্ষত বহুতো মহিলা সংগঠনে পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ সংস্কাৰ আৰু মহিলাৰ শোষণ, অত্যাচাৰ আৰু নিষ্পেষণৰ বিৰুদ্ধে মাত মতাৰ লগতে ৰাজনৈতিক ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণত সুযোগ প্ৰদানৰ বাবে মাত মাতিবলৈ আৰম্ভ কৰে। উল্লেখযোগ্য যে ঊনৈশ শতিকাৰ আৰম্ভণিতে ৰাজা ৰামমোহন ৰায়ে আৰম্ভ কৰা আন্দোলনত চিহ্নি কৰে যে, তথাকথিত সামাজিক প্ৰথাবোৰৰ বাবেই মহিলাসকলৰ স্থান পুৰুষৰ তুলনাত সমাজত অতিনিম্ন স্থান দখল কৰিছে।

ভাৰতবৰ্ষত প্ৰথম অৱস্থাৰ, পুৰুষ সংস্কাৰক সকলৰ মাজত এগৰাকী মাত্ৰ ব্যক্তিক্ৰমী নাৰী সংস্কাৰক বুলি অভিহিত কৰিব পৰা ব্যক্তি আছিল বিদুষী, সাহসী নাৰী পণ্ডিতা ৰামাবাই সৰস্বতী। ভাৰতৰ নাৰীবাদী বুলি অভিহিত কৰিব পৰা ৰামাবাইৰ নাৰীবাদী চেতনা নিজৰ জীৱন সংগ্ৰামৰ পৰা উদ্ভৱ হোৱা। তেওঁ ১৮৮২ চনত বহা হাণ্টাৰ চাহাবৰ শিক্ষা আয়োগ (Hunter Commission)ৰ আগত সাক্ষ্যদান মহিলাক চিকিৎসা বিজ্ঞানৰ শিক্ষা প্ৰদান কৰাৰ গুৰুত্ব বুজায়। পিছলৈ ৰামাবায়ে ইংৰাজী ভাষাত Hindu Caste Hindu Women নামৰ গ্ৰন্থখনত বাল্য বিবাহ,

বিধবা নিগ্ৰহ আদি বিষয়লৈ বিশ্বৰ আগত ভাৰতীয় নাৰীৰ অৱস্থা সম্পৰ্কে অৱগত কৰায়। তেওঁ ঊনৈশ শতিকাৰ সমাজ সংস্কাৰ আন্দোলন আৰু কুৰি শতিকাৰ আগভাগৰ ভাৰতীয় নাৰী অধিকাৰ আন্দোলনৰ মাজৰ এডাল সাঁকো স্বৰূপ। ১৮৮২ চনত দেৱেন্দ্ৰনাথ ঠাকুৰৰ জীয়াৰী স্বৰ্ণকুমাৰী দেৱীয়ে কলিকতাত "মহিলা সমিতি" এখন গঠন কৰি বিধবা মহিলাসকলক বিভিন্ন ধৰণৰ শিল্পকলাৰ শিক্ষা প্ৰদান আৰু অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰিবলৈ পদক্ষেপ লয়। ১৯১০ চনত স্বৰ্ণকুমাৰী দেৱীৰ জীয়াৰী সৰলা দেৱী চৌধাৰীয়ে 'ভাৰত স্ত্ৰী মণ্ডল' (Great Circle of Indian Women) প্ৰতিষ্ঠা কৰে। পুৰুষ প্ৰভুত্ব সমাজৰ পৰা মুক্ত কৰিবলৈ কেৱল মহিলা সকলক তেওঁৰ সংগঠনৰ সদস্যা হিচাপে ভৰ্তি কৰিছিল। ১৯১৭ চনত মহিলা সংগঠন সমূহে তেওঁলোকৰ ৰাজনৈতিক অধিকাৰৰ বিষয়টো উপস্থাপনৰ বাবে 'ভাৰতীয় মহিলা সংস্থা' (Women's Indian Association) গঠন কৰে। ভাৰতীয় মহিলা সংঘ গঠনৰ আঁৰত আছিল তিনি-গৰাকী আইৰিচ মহিলা ক্ৰমে এনি বেচান্ট, মাৰ্গাৰট কাজিন আৰু ডৰথি জিনাৰাডাচা। তেওঁলোকক সহযোগ কৰা ভাৰতীয় মহিলা সকলৰ মালতী পশুৱৰ্ধন, আম্পু স্বামীনাথন, দাদাবাই, আম্বুজামালেই প্ৰধান। ভাৰতীয় মহিলা সংস্থাই হ'ল ভাৰতবৰ্ষৰ প্ৰথম মহিলা সংস্থা যিয়ে ভাৰতীয় নাৰীৰ ভোটাধিকাৰৰ বাবে মণ্টেগু আৰু চেমচফৰ্ড আয়োগক এখন স্মাৰক পত্ৰ দাখিল কৰে। উক্ত স্মাৰক পত্ৰৰ জৰিয়তে মহিলাৰ বাবে শিক্ষা, বিভিন্ন কৌশলৰ প্ৰশিক্ষণ, স্থানীয় স্বায়ত্ব শাসিত অনুষ্ঠান আৰু সামাজিক কল্যাণৰ বাবেও দাবী উত্থাপন কৰিছিল। ১৯৩৫ চনত ভাৰতত চৰকাৰ আইনে মহিলাৰ ভোটাধিকাৰৰ ওপৰত, আৰোপ কম পূৰ্বৰ চৰ্তসমূহহ বাতিল কৰি ২১ বছৰৰ সকলো মহিলাক ভোটাধিকাৰ প্ৰদান কৰে।

১৯২৭ চনত মাগাৰেট কচিৰ নেতৃত্বত ভাৰতীয় মহিলাৰ শিক্ষাৰ বিষয়লৈ 'ভাৰতীয় মহিলা পৰিষদ' (All Indian Women's Conference - AIWC) গঠন কৰে। ইয়েই প্ৰাক-স্বাধীনতা কালৰ ভাৰতীয় নাৰীৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ সম্পৰ্কে মাত মতা সৰ্বভাৰতীয় নিৰ্দলীয় নাৰী সংগঠন। এই সংগঠনে বহুপত্নী প্ৰথা বন্ধ, বিবাহ বিচ্ছেদৰ অধিকাৰ পৈতৃক সম্পত্তি অধিকাৰ প্ৰদানৰ বাবে দাবী উত্থাপন কৰে। ভাৰতবৰ্ষৰ মহিলা আন্দোলনৰ নীতি আদৰ্শ সময়ৰ সোঁতত পৰিবৰ্তন হোৱা দেখা যায়। আজি দেশৰ স্বাধীন চৰকাৰে মহিলা আন্দোলনে দাবী কৰা প্ৰায়বোৰ বিষয় সমাধানৰ চেষ্টা কৰি আহিছে আৰু সমাজত সেইদৰে নাৰীয়ে সমতা লাভ কৰিবলৈ সক্ষম হৈ উঠিছে।

উত্তৰ পূৰ্বাঞ্চলৰ নাৰীসকল আন ৰাজ্যৰ তুলনাত সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক জীৱনত প্ৰায় সক্ৰিয় ভূমিকা পালন কৰি আহিছে। ৰাজনৈতিক ক্ষেত্ৰত তেওঁলোকৰ অংশগ্ৰহণ কম যদিও গুৰুত্বপূৰ্ণ ভূমিকা লয়। তেওঁলোক ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ নাৰীৰ তুলনাত স্বতন্ত্ৰীয়, সাহসীয়াল। তেওঁলোকৰ অত্যাচাৰী আইন তথা ৰাজতন্ত্ৰৰ বিৰুদ্ধে কৰি আহিছে। তেওঁলোক অধিকাৰৰ প্ৰতি সদা সচেতন। এই ক্ষেত্ৰত মণিপুৰ আৰু নাগালেণ্ডৰ নাৰী সংগঠনসমূহৰ বলিষ্ঠ ভূমিকাৰ কথা উল্লেখ কৰিব পাৰি। ১৯৩৯ চনত মণিপুৰৰ মহিলা অকলে বৃটিছ চৰকাৰৰ বিৰুদ্ধে চাউল আন্দোলন আৰম্ভ কৰিছিল। বৰ্তমান ১২ ডিচেম্বৰটো মণিপুৰত মহিলা আন্দোলনৰ (Nupilan) দিৱস হিচাপে পালন কৰে। ১৯৭০ চনত মণিপুৰৰ মহিলাসকলে মাদক দ্ৰব্য বিক্ৰী আৰু

পানৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰে আৰু চৰকাৰে ৰাজ্যৰ Dry state মাদক দ্রব্য ব্যৱহাৰৰ নকৰা ৰাজ্য হিচাপে ঘোষণা কৰিছে। মণিপুৰত নাৰী সংগঠনত নেতৃত্ব বহন কৰি অহা মহিলাসকল হ'ল— 'মিৰা পইবিচ' লৌহ মহিলা ইৰম শৰ্মিলা আদি।

নাগালেণ্ডত "নগা মাতৃ সংগঠন (Naga Mother's Association) এ নাগালেণ্ডত শান্তি, শৃংখলা বজাই ৰাখি ৰক্তপাত বন্ধ কৰাৰ বাবে ১৯৯৪ চনত শান্তি বাহিনী গঠন কৰে। তেওঁলোকে চৰকাৰ আৰু NSCN (IM) মাজত সম্পাদিত শান্তি চুক্তিত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰিছিল।

মেঘালয় ৰাজ্যখন মাতৃতান্ত্রিক সমাজ ব্যৱস্থাৰ প্রচলন আছে। ইয়াত নাৰীসকল পুৰুষতকৈ উচ্চ স্থানত অৱস্থিত। যাৰ ফলত ইয়াত কন্যা শিশু হত্যা, ভ্ৰূণ হত্যা আৰু যৌতুক জনিত হত্যা দেখা নাযায়।

অৰুণাচল প্রদেশত মহিলা সকল সামাজিক আৰু ৰাজনৈতিক ভাবে সবলীকৃত। অৰুণাচলৰ মহিলাই পুৰুষৰ অতিহাৰ্যৰ পৰা মুক্ত। তেওঁলোকে বেচৰকাৰী ক্ষেত্ৰখনত আগভাগ লৈ পৰিয়ালৰ আৰ্থিক উপাৰ্জনতো সহায় কৰে।

মিজোৰামত ১৯৪৬ চনত "হ'মইচ্ছেহ টাংগ্রলা প'ল (The Homeichhe Tangrula Pawl) গঠন কৰা হয় আৰু পৰৱৰ্তী সময়ত "মিজো মহিলা সংগঠন (Mizo Women's Organisation ১৯৪৬)" গঠন কৰে। তেওঁলোকে শোষণ অন্যায়, ড্রাগচ, গাৰ্হস্থ্য সমস্যা, বিধি-বিধানৰ বিৰুদ্ধে মাত মাতি আহিছে।

ত্রিপুৰাৰ বেংগলী আৰু জনজাতীয় মহিলাসকলে ভাৰতবৰ্ষৰ অন্য ৰাজ্য সমূহ নাৰী সকলতকৈ যথেষ্ট উচ্চ স্থানত আছে। তেওঁলোকে স্বতন্ত্ৰীয়াকৈ বিভিন্ন কাৰ্য সম্পাদন কৰে।

উত্তৰ-পূৰ্বাঞ্চলৰ নাৰী বা মহিলাৰ স্থান ভাৰতৰ অন্য ৰাজ্যসমূহৰ তুলনাত পাৰ্থক্য পৰিলক্ষিত হোৱাৰ মূল কাৰণ হ'ল তেওঁলোকৰ অধিক সংখ্যকেই মঙ্গোলীয় মূলৰ জনজাতীয় লোক।

অসমৰ মহিলা আন্দোলনৰ ইতিহাস ১৯২৬ চনত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নেতৃত্বত গঠন কৰা "অসম মহিলা সমিতি" যি পৰৱৰ্তী দিনত "অসম প্রাদেশিক মহিলা সমিতি" নামেৰে আৰম্ভ হৈছিল। এই সংগঠনৰ নেতৃত্বতে অসমত মহিলা সৱলীকৰণৰ যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আনহাতে, Bodo Women's Justice Forum' নামৰ বড়ো মহিলা সংগঠন বড়ো সমাজৰ অন্যান্য সমস্যা, সামৰিক বাহিনী ক্ষমতা আইন আৰু চৰকাৰী অত্যাচাৰী আইনৰ বিৰুদ্ধে অহৰহ প্রতিবাদ জনাই মহিলাৰ নিৰাপত্তা আৰু উন্নয়নৰ কাৰণে প্রচেষ্টা অব্যাহত ৰাখিছে। বড়ো মহিলা আন্দোলনকাৰী নাৰীবাদী নেত্রীসকলৰ মাজত স্বৰ্গীয়া গোলাপী বসুমতাৰী, অঞ্জলি দৈমাৰী আদিৰ নাম উল্লেখযোগ্য।

ঠিক তেনেকৈ অসমৰ মিচিং জনগোষ্ঠীটো মিচিং সমাজত থকা কু-সংস্কাৰ, অন্ধবিশ্বাস ৰোধ কৰা, স্ত্রী শিক্ষাৰ প্রসাৰ, স্বাৱলম্বী হোৱা সামাজিক, অৰ্থনৈতিক, অধিকাৰৰ হেতু লগতে জনগোষ্ঠীৰ বাবে সংবিধান প্রদত্ত গেৰাণ্টী যুদ্ধ পূৰ্ণ স্বায়ত্তশাসনৰ বাবে নব্বৈ দশকত টাকাম মিচিং মিমী কৌবাং (All Mising Women Organisation) গঠন কৰে। এই জনগোষ্ঠীত জন্মলগ্নৰ পৰা সংগ্ৰামত লাগি থকা নাৰীসকল হ'ল — প্রভাৱতী দলে, অযোধ্যা দলে, নন্দিতা পেগু, কমলাৱতী দলে, উষ্ণৰাণী কুম্বাং, মূল্যৰিণা পেগু ইত্যাদি। তেওঁলোকৰ ত্যাগ আৰু সৰল নেতৃত্বত মিচিং জনগোষ্ঠীত নাৰী আন্দোলনে পূৰ্ণতা পায়।■

## MÉ:TOMDÉM NI:TOMPÉ TOMMÍLO

### Jeuti Pamegam Pathori

Ruad kekondok a:né araido
Adíé gíkinma, píang-pídu:ma
Pongkog pongkoglok asin siyaddo
pu:sa:bomdakku mé:tom ni:tomé.
Turying abígém bíkkum bikpa:la
Ako ako:pé gamig kepkampé kebla
Bi:samné mukkangém kepsarsula:dag.
Angkéng ara:dok adi: ílíngém
Sé:lung tébrasuné do:boko jé:mílo
Gompodé podlatsula ílíngém lu:pagdag.
Mé:tomdém ni:tompé tommílo
Bittérénné miksi jili:dé bitpagdag.
Mé:tom ni:tomlok turying turgoko. ■

## E:díl Mé:poyen

### Chitra Modi

Asin gusang gusang oula
Kapil, asin Mé:dírdang
E:díl, mé:poyén. E:díl ansí:yén
Asin gusang gusang oula
Sa:gí Sa:gíla Kapil Kabdun Kou:dé
Kabngasunam ka:tomané,
Lo:, Lo:ngépé Ro ro:pé,
Kaptíla du:dangné no,
Asín gusang gusa: do:pé
Rongki, Rongkila asin, osa:du:né
O:wané Do:nyibím Ka:la.
Sí:nam Sé:sín owa: ye:ku:pé
Asín gusang gusang oula
Asin yalíg yalíyo:la
Asin gusang gusang oula
Kapil asin Mé:dírdang. ■

# PORIN OMMÉ

## Rubi Padi Pegu

Ngo porin ommé,
Pinpu dola sísa:né
Ngo porin ommé,
Réngam légang daggurné
Réngam ager émyémíl
A:ém Mitpan sunné
Réngam léga:pé dorné ummé,
Tani: léga:pé mimag monné
Ngo porin ommé
Sumnyo ngírpé ngírné
Sí:sáng ope:yém luyirné ommé.
Lambé-bèda:lo gígo:la du:ném,
gogsi-gogmola luyirné ommé.
Ngo porin ommé
germur ka:la Ma:né
Sekomsin Bisulamanggom,
Asin díglígla orsula donné.
Tani: ainamdém mé:polígné
Takar unkampé unmínlíné

Ngo porin ommé
Ao-omé porainé,
Ka:pé bottén tani:pé iyeji
Luyir jo:pong anné.
Potin rénam léga:ngé
Pagné-pagbo ginné
Ngo porin ommé
ege-gasor sumné
ri:bi, gonro, Mibu galug sumge:la
Kola doné ommé
Kolen-koang murkongki
Okum bomna donné
ngo porin ommé
yari yarpé yarné. ■

# LONGÉSÉ SÉMPÉI GÍYÉN

## Jilmil Panging

Lupé lugu:mang
Sémpéi gíbomdung
Mising réngamsé.

Ainé Longangé (Ésse din)
A:dung émdagai
Opan mirém takamé
Lékopé turnané
Réngampé moyé
Ru:bo ru:tum
Kinné midumbulu
Réngamsém sémpéi gíboyén ?
Sí:sané turnané bédangém
Ka:pa: sumang milo
Turnané bédangém
Molensuma:milo.
Longésé sémpéi gíyén ?

# AGOMÉ NGOKKÉ TURNANÉ

## Cheniram Panging

Tani: émsula turnamsé
Turlamko dung.
Réngam émna léngkansupé
Yélamko dung.

Mé:po ménganpé turpé
Du:lod-daglodé dung

Tani:yé tani:pé turpé
Ané agomko dung.
Agomé ngokké turnané
Mising agomé ané agomé
Agomé kama:mil
Dírbé yogyé
Yélamé kama:mil
Opíné yogyé
Gomlabé ngolukké
Léngkansunané opínsém
Agomé ngokké turnané.

# আঘোণৰ সুৰাস

## অমিলতা টায়ে মিলি

অই আজন আঘোণ আহিছে
পুৰতি নিশাৰ পৰাই টুং টুং টাং টাং
নাংনী য়াংগ্ৰিঙ মাংম হুঁতৰ কিপাৰত
ধান বনাৰ ছন্দময় শব্দ ।
পথাৰৰ সেউজীয়াবোৰ সোণোৱালী হ'ল
কেঁচা গোন্ধবোৰ মিঠা মিঠা সুগন্ধিত পৰিণত হ'ল
পুৱাই উঠিয়েই লাইলাচৰৰ গোন্ধত পেট পকাই দিছে
তাংকে তালাব অৰিৰ মিশ্ৰণ আৰু নামচিঙৰ পিটিকাই
নৰাৰ গোন্ধকো চেৰ পেলাইছে ।
আজন আঘোণ আহিছে ।
কুঁৱলীৰ চাদৰখন আঁতৰাই সূৰুযে ভুমুকি মাৰিছে
উদ্ভাসিত হৈ
সোণোৱালী ধানৰ আগটোত দুলি থকা নিয়ৰৰ
তিৰবিৰণিয়ে
সুপ্ত প্ৰেমৰ কলিজাত টোকৰ দিছে

আজন তই কঁপিবলৈ লৈছ' যে
ঠাণ্ডাত নে আপোনজনৰ কথাত

আজন আঘোণ আহিছে
নৈৰ পাৰৰ পৰা ছটপ ছটপ শব্দৰ সৈতে
তাল মিলাই সুৱীয়া অইনিংতম ভাঁহি আহিছে
হৃদয়ৰ গভীৰতাত ঢৌ তুলি

আঘোণ মানেই প্ৰাপ্তিৰ জোৱাৰ
জিলিকি উঠে সহজ সৰল জীৱনৰ প্ৰতিচ্ছৱি
দাৱনী আৰু পাহোৱালডেকাৰ বুকুত গঢ়ি উঠে
অকৃত্ৰিম প্ৰেমৰ উনমনা সতেজ সুৱাস ।
আজন আঘোণ আহিছে
সোণোৱালী ৰহণ সানি অইনিংতমৰ মতলীয়া ৰাগত

*বিঃদ্ৰঃ নাংনী ( মাঁ ) য়াংগ্ৰিঙ (পেহী ) মাংম (বৌ) কিপাৰ (উৰাল) তাংকে (আদা) তালাব (নহৰু) অৰি (ধনীয়া পাত) নামচিং (শুকতি মাছ চুঙাত ভৰাই ৰখা মাছ)*

# অৰনৰী মোৰ বুকুৰ স্পন্দন

## দেৱীনা পামেগাম পেগু

তোমাৰ পাৰতে ভূমিষ্ঠ হলোঁ
জীৱনৰ আদিপাঠ শিকিলোঁ
তুমি যে মোৰ প্ৰাণৰো প্ৰাণ
তুমি মোৰ দুটি ওঁঠৰ নিগৰি
অহা মৌ বৰষা গান
তোমাতেই নিমজ্জিত
মোৰ সূক্ষ্ম সজাৰ পৰাণ।

অৰনৰীৰ তোমাৰ পলসুৱা
উৰ্বৰা বক্ষত
বাগৰ সলায় উদ্ভাসিত হৈ
মোৰ সহোদৰৰ সৰিয়হ ফুলৰ
সোণাৰু বুলিয়া হাঁহি...
তোৰ লাস্যময়ী ৰূপত
কনেঙে ৰিবি গাছেঙৰ
আঁচল উৰাই জীৱনৰ
যোগ বিয়োগ পূৰণ হৰণ শিকি,
অইনি:তমৰ সুৰত
তাঁতৰ পাতত সৰগী সুষমা ৰচে।

তয়ে আমাৰ জাতিৰ চিনাকি
তয়ে বান্ধিলি পানৈ:জঙ্কিৰ
নজহা নপমা প্ৰেমৰ ৰাজআলি
তয়ে ভাঙ কেতিয়াবা
সপোনৰ পঁজাটি
তয়ে নহয় জানো আমাৰ
আশাৰ ৰূপালী জোনটি !!!

অৰনৰীয়ে সোঁৱৰাই
মোৰ অতীতৰ য়া:য় ,তা:তৰ
সোণসেৰীয়া স্মৃতিৰ
যুগমীয়া কাহিনী...
কেতিয়াবা অভিমান কৰোঁ
তোৰ পাৰত বহি
মোৰ বৰ্তমানৰ জাতি ভাইৰ
অনগ্ৰহৰতা অজ্ঞতাক,
আপঙৰ ৰাগীত মাতাল হৈ
নিজ জীৱন আৰু জীৱিকাক
ধোঁৱা চাংত তুলি দিয়াৰ
শোক গাঁথা গাই...
আকৌ কেতিয়াবা
নিবিড় ভাষাৰে আলোচ্য কৰোঁ
ভৱিষ্যত নৱ প্ৰজন্মক কি দৰে
বাটৰ অসূয়া শূলবোৰ কাঢ়ি
মসৃণ পথৰ সন্ধান দিব পাৰোঁ..
আনে যোৱা আকাশী ৰথত
কেনেকৈ বাট বুলিব পাৰোঁ।

অৰনৰী তঅয়ে নহয় জানো
আমাৰ একতাৰ বাহক
জীয়াই থকাৰ সাহস,
বান্ধিব লাগিব শদিয়াৰ পৰা জীয়াভৰালীলৈ
ঐক্যৰ এনাজৰীৰে দেলু, পাগ:ৰ ,ছা:য়াঙ ,ম:য়িঙৰ
বিভেদৰ আচ্ছাদন ফালি,
সৰল মিচিং জনগোষ্ঠীক
বিশ্বৰ দৰবাৰত জিলিকাই তুলিব...
অৰনৰী তই যে আমাৰ
অতি আপোন
তোমাতেই বিলীন আমাৰ
সকলো সপোন...■

# যাত্ৰা

## মনীষা বড়ি টায়ে

নৱ পথে যাত্ৰা কৰিছোঁ
ধৰণীৰ সেউজীয়া অভয়াৰণ্যৰ মাজেদি
বুকুত সাহস লৈ
নতুন আলোকৰ সন্ধান পোৱা বহু আশাৰে
ন খোজে যাত্ৰা আৰম্ভ কৰিছোঁ
ৰাইজৰ মিলন যাত্ৰা
ৰাইজৰ মিলনৰ যাত্ৰাই ধৰণী পথাৰখন
সেউজীয়া আৰু ৰঙীণ কৰে।
নদীৰ ইপাৰত আছে নকৈ গজালি ওলোৱা পুলিবোৰ
পানী দিম
চিকুণাই ৰাখিম চাৰিওফালে সেউজীয়া
ৰঙৰ উদ্যানখন
সযতনে সজাই তুলিবলৈ
নৱ মাত্ৰা শিৰত তুলি ল'লো
এই যাত্ৰা ৰাইজৰ মিলনৰ যাত্ৰা
ৰাইজৰ মিলনৰ যাত্ৰা।■

## বিনীতা চাৰহ

সপোনবোৰ আধৰুৱা হ'ল
স্মৃতিৰ পাতৰঙী সজীৱ কথা আজিও কৰ্ণকুহৰত
ৰিণিকি ৰিণিকি অইনিঃতমৰ সুৰে ৰিঙিয়াই মাতে
সাঁচি ৰখা হৃদয়ৰ বেথাই।
তইতো গমেই নাপালি
তোলৈ অঙ ঙচিক গামিগেৰে বোৱা মিবুগালুক
জাপতে ৰ'ল।
সৌ সিদিনাৰ দৰে অনুভৱ হয়
কবুচাপৰিত কলাবাটি বুটলি
নৈৰ গৰাত দুয়ো চুবাই হাঁহিৰ ফুলজাৰি লৈ
নিস্বাৰ্থভাৱে আচিন দয়িং কোৱাবোৰ
পানীৰ যুৱঁলিত দুয়োভৰিৰে এচাৰ মাৰি দিয়া
এটি বৈ যোৱা সুঁতিৰ দৰে কথা শেষ নহৈছিল
ক'ত যে কথাৰ বুৰঞ্জী শেষেই নহয়।
ক্ৰমে ...
সেউজীয়াবোৰ হালধীয়া হোৱাৰ দৰে
ক'লা ৰং ৰূপোৱালী ৰং ল'লে
নৈৰ গৰাত তই-মই বহা ঠাইডোখৰত বন গজিল
আমি দুয়ো বহিছিলোঁ চিন্-চাব নাই
তই সলনি হোৱাৰ দৰে
সময়ে সময়ৰ সৈতে খোজ মিলাই আগবাঢ়ি গ'ল
মইহে ঠাইতে ৰৈ থাকিলোঁ
আকৌ আহিম তই ৰৈ থাকিবি কথা সংজ্ঞা বিচাৰি
একেদৰেই সলনি নোহোৱাকৈ একে ঠাইতে
আশা তই জানোচা এদিন আহি দেখা দিবিহি...।■

# কলা-কৌশল

গংগামোহন মিলি

শাকনি বাৰীৰ চুকৰ পঁজাঘৰটোত
আকাশ-পাতাল ভাবি
নীৰৱে অকলে বহি আছো।

বাৰে বাৰে আকাশলৈ
মূৰ তুলি চাই আছো।
খৰাঙৰ ভয়াৱহ উত্তাপত
ম্ৰিয়মান পথাৰৰ শইচ।

ক'ৰবাত যেন আশাৰ ৰেঙণি
আকাশত দেখা পাইছোঁ
পশ্চিমৰ পৰা
ডাৱৰৰ ওভতনি যাত্ৰা
বতাহজাকো থিৰে বৈ থকা নাই
মৃদু অলপ চেঁচা সমীৰত
নাচি-বাগি উঠিছে
নৈ পাৰৰ কঁহুৱা বন
কি যে মধুৰ আয়োজন।

মানুহে সকলো জানে বুলি
এটা মিছা অহংকাৰত ওফন্দি থাকে।
জোখ-মাখ কৰি, মেপ এটা আঁকি
মন পচন্দৰ ঘৰ এটা সাঁজো
তাতো বহুত সপোন
আধৰুৱা হৈ বৈ যায়।

অতদিনে দেখা
বাৰীৰ কলগছজোপা দেখোঁ
শিল্পী মনৰ অধিকাৰী
মাটিৰ অন্ধকাৰত বৈ
শিপাই কেনেকৈ জানিলে
চাৰিওদিশে সমানে মেলি দিছে হাত
আলসুৱা পাতত সিৰা-উপসিৰাৰে

অজস্ৰ জ্যামিতিক ৰেখা
ৰেখাৰ ক'তো কটাকটি নাই
আমাৰ আদিম পুৰুষে
য'ত আখৰ লেখাৰ আখৰা কৰিছিল।

মই ভাবো মানুহতকৈয়ো
জীয়াই থকাৰ কলা-কৌশল
বেছিকৈয়ে জানে—
এই পোক-পতংগ আৰু তৰু-তৃণই...■

## প্ৰেৰণা

**ৰীমা দলে মিলি**

প্ৰেৰণা যোগাই লুটিলা সৰ্বস্ব তিল তিল কৈ।
সোণৰ সপোন ভাঙি কৰিলা চুৰ্মাৰ খণ্ড খণ্ড কৈ।।
জ্বলালা বেদনাৰ জুই কোমল হিয়াত।
ঢালিলা হিয়ত বিষ জীৱনৰ বাবে।
পাৰো নে থাকিব?
অনুতপ্ত হিয়াক লৈ শান্তিৰে জীয়াই।
ব্যৰ্থতা ৰ নিষ্ঠুৰ পৰশ ত ভাগি যোৱা হৃদয় মোৰ
যেন এপাহি ৰদত মৰহি সৌৰভ হীন ফুলৰ
পাপৰি ।।
আশা বিহিন লুণ্ঠিত এখন হৃদয় ।
বিবেক বিহিন শূন্য মস্তিষ্ক ।।
নালাগে ভাল একোকেই নবহে মন একোতেই ।
সকলোৱে কথা কয়
সেয়ে ময়ো কওঁ, হাহে সকলোৱে
সেয়ে ময়ো হাঁহো
যান্ত্ৰিক মেচিনৰ দৰে
কৰিহে গৈছো মাথোন।। ■

**জিন্টু শইকীয়া**

নিমাতি ঘাটৰ কইনা মোৰ.....
এটা বেসুৰীয়া গীতৰ পম খেদি
আলোকৰ দোপালপিতা বৰযুণত তিতি
এতিয়া জীয়াই থাকিবলৈ শিকিছো

আজিও একে আছেনে
এৰাবাৰীৰ সেই সপোনৰ ঘৰটি
নে মোহাৰি মোহাৰি লুকুৱাই ৰাখিছা
নোপোৱাৰ এটি সাঁথৰ কৰি

ভাবিছো,
জীৱন ঘাটৰ পথিক নোহোৱা হ'লে
তোমাৰ হৃদয়ৰে পথিক হ'লোহেঁতেন
তোমাৰ উকা কপালত ৰঙা জিলিকালোহেঁতেন
কোনোবাই যদি সোধে সেই ৰঙাৰ পৰিচয়
'ভালপোৱা' বুলি ক'লোহেঁতেন। ■

A

MEMORANDUM

TO

# SJT. SARBANANDA SONOWAL

THE HON'BLE CHIEF MINISTER OF ASSAM

JANATA BHAWAN, DISPUR

GUWAHATI - 6

DATED : GUWAHATI, THE 22ND JANUARY, 2020

IN THE MATTER OF VARIOUS DEMANDS OF THE MISING COMMUNITY OF ASSAM

**JOINTLY SUBMITTED BY**

1. **MISING BA:NÉ KÉBANG (Mising Apex Council)**
2. **MISING AGOM KÉBANG (Mising Sahitya Sabha)**
3. **MISING DÍRBÍ KÉBANG (Mising Cultural Society)**
4. **MISING MIMAG KÉBANG ( Mising Action Committee)**
5. **TAKAM MISING PORIN KÉBANG (All Mising Student's Union)**
6. **TAKAM MISING MIMÉ KÉBANG (All Mising Womens' Front)**

To,

**Sjt. Sarbananda Sonowal**
Hon'ble Chief Minister, Assam.
Janata Bhawan, Dispur, Guwahati - 6
Dated Guwahati the 22nd January, 2020

**Subject : 5 points Charter of Demands of All the Mising Nationalist Organizations.**

Hon'ble Sir,

We, the following signatories representing the six (6) nationalists organizations of the Mising community offer our warm greetings to your honour for taking bold steps in announcing certain measures for development of indigenous tribal people of Assam in general and language and culture in particular through the Bhasha Gaurov Achoni. We also take this opportunity to draw your kind attention to the following demands of the Mising community which need immediate fulfillment under your dynamic leadership as Chief Minister of Assam.

1. **Inclusion of Mising Autonomous Council in the Sixth Schedule :**
   **ON AUTONOMOUS COUNCILS:**
   * The Constitution of independent India provided for two schedules in the Constitution for administration of the tribal areas of India. These are the Fifth Schedule and the Sixth Schedule. But the vast tribal areas in the plains of Assam have been left out these two schedules.
     It is in this backdrop that the Misings, along with the plains tribal groups of Asam relentlessly struggled for Autonomy. The State Govt. of Assam conceded to these agitations and created three Autonomous Council (Mising Autonomous Council, Rabha Hasong Autonomous Council and Tiwa Autonomous Council) in 1995 under three state Acts. Again in 2005, another three Autonomous Council (Sonowal Kachari Autonomous Counci, Thengal Kachari Autonomous Council and Deuri Autonomous Council) were created under similar Acts.
   * But still, Mising Autonomous Councils is remaining without any constitutional recognition and therefore, a movement for inclusion of these in the Sixth Schedule of the Constitution continues.
   * We request your honour kindly to consider giving constitutional status to Mising

Autonomous Councils and thereby, give constitutional protection to the indigenous Scheduled Tribe people of Assam.

As already announced by your benevolent Government, the Mising Autonomous Council (MAC) should be included into the Sixth Schedule of the Constitution of India at an early date.

**2. Mising Language as Medium of Instruction:**

Indigenous tribal communities of Assam have their distinct language and cultures. Present three language policy does not protect and promote the indigenous tribal languages. Therefore, four language policy as demanded by all indigenous communities of Assam, should be adopted by the Government of for Assam.

(a) Language 1 : Indigenous language (Boro, Mising, Karbi, Dimasa, Rabha, Deurí etc.)

(b) Language 2 : English.

(c) Language 3 : Regional language (Assamese, Bengali or any other indigenous language)

(d) Language 4 : National Languate - Hindi.

Mising Language should be introduced as medium of instruction at elementary level in 1600 nos. of Lower Primary Schools in the Mising inhabited area from the current academic session, 2020. Accordingly a four-language policy for Lower Primary Stage should be notified and necessary steps for appointment of at least 2 nos of teachers against each of the lower primary schools and preparation of textbooks should be taken immediately.

Mising agom is prepared to provide manuscript for necessary text book if government take decision to implement.

**3. Replacement of the nomenclature Miri to Mising (not Mising ) :**

In view of the fact that Miri tribe and the Mising tribe are one and the same, and the nomenclature MISING has already been established far and wide. The Apex Council of the community, namely All Assam Miri Sanmillan formed in 1924 was changed to Mising Ba:né Kébangin 1955. It is worth mentioning here that in a joint discussion was held in your Conference Room last year, your honour desired for a Cabinet Memorandum for change of the nomenclature but unfortunately no Cabinet Memorandum on the matter had been made till date even after the elapse of one year period. The Govt. of India by their vide letter No. 136008/2019/C&LM dtd 11.8.2014 sought a report with comments and justification etc. from the Govt. of Assam as far

back as 2014. But no such report has been submitted as yet for which the process for a Constitutional amendment is still in halt. Again, the Govt. of India has issued a reminder on the matter vide their letter No. 12026/6/2011-C&LM dtd 1.1.2020.

Therefore, immediate steps for Caninet approval should be taken so as to enable the Govt. of India to process the change of the name.

**4. Declaration of State Holiday on account of Ali A:yé Lígang Festival.**

Ali A:ye Lígang is the socio-agricultural festival of the Mising community celebrated on the first Wednesday of the month of Fagun as per Assamese calendar year. But the Mising people are being restrained from celebrating their festival with pomp and grandeur on the day due to lack of State Holiday.

Therefore, we urge your honour to declare the first Wednesday of Fagun of the Assamese calendar year as a State Holiday form this year.

**5. Doordarshan and Radio Kendra at Gogamukh :**

Gogamukh in the District of Dhemaji has already emerged as the sociocultural capital of the Mising people. Therefore, a Doordarshan Kendra and a Radio Station at Gogamukh should be established for all-round development of Mising language and culture.

We hope that your honour will look into these genuine demands of all the nationalist organizations of the Mising community and fulfill them accordingly for wellbeing of the community of the State Assam.

Thanks.

( PARAMANANDA CHAYENGIA )
President,
Mising Ba:né Kébang

( RAJU MEDAK )
General Secretary,
Mising Ba:né Kébang

( RAJ KUMAR MORANG )
President,
TAKAM MISING PORIN KEBANG

( TILOK DOLEY )
General Secretary,
TAKAM MISING PORIN KEBANG

( GUBINDO TAID )
President,
Mising Agom Kébang

( DIMBESWAR DOLEY )
General Secretary,
Mising Agom Kébang (MAK)

( USHARANI KUMBANG )
President,
Takam Mising Mimé Kébang

( BONTY PEGU )
General Secretary,
Takam Mising Mimé Kébang.

( SUNIL PEGU )
President,
Mising Mimag Kébang

( BIJU PEGU )
General Secretary,
Mising Mimag Kébang

( BHUBAN PEGU )
Member of Legislative Assembly, Assam.
114 No. Jonai Constituency.